# হৃদয়ানন্দ কায়স্থৰ জীৱনাদৰ্শ আৰু সাহিত্য-কৃতি : এটি অধ্যয়ন

গুৱাহাটী বিশ্ববিদ্যালয়ৰ কলাশাখাৰ অন্তৰ্গত
পি. এইচ. ডি. উপাধিৰ বাবে প্ৰদত্ত
গৱেষণা গ্ৰন্থ ।

কমল চন্দ্ৰ নাথ
পঞ্জীয়ন নং-A.C /Ph.D/A 1048/97
প্ৰৱক্তা, অসমীয়া বিভাগ
চৰাইবাহী মহাবিদ্যালয়, চৰাইবাহী
মৰিগাওঁ, অসম

১৯৯৯

DR. PARIKSHIT HAZARIKA

**Professor of Assamese**
**Gauhati University**
**Guwahati-14**

Resi. : Fatasil-Ambari,
Guwahati- 781025
☎ : 52[illegible]116


Date 16.2.99

Ref No. ..................................

This is to certify that Sri Kamal Chandra Nath, M.A., Lecturer in Assamese in Charaibahi College, Morigaon, did research on the subject — 'Hridayānanda Kāyasthar Jīvanādarsha āru Sāhitya-kriti : Eti Adhyayan' under my guidance for more than three years.

Sri Nath has completed the research work throwing new light through his field work with diligence.

He has not submitted any part of the thesis or whole of it to any institution for having any diploma or Ph.D. degree so far. Further, he has not published the same till now as far my knowledge goes.

I, now, allow him to submit the thesis formally for examination to the University of Gauhati, Guwahati-14 with a view to obtaining Ph.D. degree.

Hazarika
(Dr. Parikshit Hazarika)

# ভূমিকা

অসমীয়া বৈষ্ণৱ সাহিত্য ভাৰতবৰ্ষৰ বৈষ্ণৱ সাহিত্যৰ লগত বিশেষভাৱে জড়িত। ইয়াৰ বাবেই বৈষ্ণৱ যুগৰ অসমীয়া সাহিত্যৰ পৰিসৰ যথেষ্ট ব্যাপক। সেইদৰে বৈষ্ণৱ সাহিত্যৰ লগত অসমীয়া জাতীয় সংস্কৃতি, কলা-কৃষ্টিও একাকাৰ। অৱশ্যে এই দিশৰ বিভিন্ন আলোচনা-বিলোচনাৰ ক্ষেত্ৰ এতিয়াও উন্মুক্ত হৈ আছে। মহাপুৰুষ শংকৰদেৱৰ কৃতিসুলভ বৈষ্ণৱ সাহিত্যৰ অন্তৰালত শংকৰোত্তৰ যুগতো অনেক সন্ত-মহন্ত তথা কবিৰ কাপত কাব্য সুলভ গ্ৰন্থৰ উৎপত্তি নোহোৱাকৈ থকা নাছিল। সেযে বৈষ্ণৱ সাহিত্যৰ লগত বৈষ্ণৱ ভক্তিৰ লগতে নানা জন কাব্যসূৰিৰ অৱদান অনস্বীকাৰ্য্য। এনে আপুৰুগীয়া সম্পদবোৰৰ উৎপত্তিৰ স্থল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গ্ৰন্থৰাজি তথা তেওঁৰ মানসিকতাত স্ফুৰ্ত্ত হোৱা দৰ্শনৰ তত্ত্ব সমূহ। ভাৰতীয় দৰ্শনৰ সোন সূতা ডালতেই বৈষ্ণৱ, সাহিত্য, ভক্তি আৰু কলা-সংস্কৃতিয়ে হেন্দোলি আছে। সেইদৰে মহাপুৰুষৰ সাহিত্যৰাজিৰ দৰ্শনৰ আলমতেই শংকৰোত্তৰ কবিসকলৰ গ্ৰন্থ সঞ্জীৱিত হৈ পৰিছিল। অৱশ্যে সংস্কৃত ভাষা সাহিত্যৰ ওপৰত প্ৰকৃষ্ট দখল নথকাটোও বৈষ্ণৱ সাহিত্যৰ সমীক্ষাত্মক বিশ্লেষণত থকা এক অন্তৰায়। পুৰণি অসমীয়া সাহিত্যৰ প্ৰতি আমাৰ স্পৃহাতকৈ অনীহাই বেছি, অথচ দেখা যায় শংকৰী বা উত্তৰ শংকৰী যুগৰ সাহিত্যৰ আলোচনা আৰু গৱেষণাৰ বাবে অপৰ্য্যাপ্ত সম্বল আজিও আছে। পুৰণি পুথি-পাঁজি বিলাকত অনেক লিপিকাৰৰ হাতৰ বুলনি পৰাত প্ৰকৃত আৰু শুদ্ধ পাঠ নিৰ্ণয়ৰ বাবে সমীক্ষাত্মক পদ্ধতিৰ বিশেষ প্ৰয়োজন হৈ পৰিছে আৰু এনে এটা আদৰ্শ আগত ৰাখিয়েই বিশিষ্ট কবি-সাহিত্যিক হৃদয়ানন্দৰ সাহিত্য-কৃতিৰ এটি আলোকপাত এই ক্ষেত্ৰত কৰিব বিচৰা হৈছে।

শংকৰোত্তৰ যুগত জন্ম গ্ৰহণ কৰা হৃদয়ানন্দ কায়স্থ 'কালশিলা-সত্ৰ'ৰ প্ৰতিষ্ঠাপক আৰু আই কনকলতাৰ অজ্ঞাপৰ আচাৰ্য। 'কীৰ্তনীয়া-ৰামায়ণী' কবি হিচাপে খ্যাত উদ্ধৃত সন্তজনেই অনন্ত আতা বা অনন্ত ঠাকুৰ আতা বুলিও পৰিচিত। শংকৰদেৱৰ গুৰুজনাৰ আদৰ্শত অনুপ্ৰাণিত হৃদয়ানন্দ কায়স্থৰ শ্ৰীৰামকীৰ্তন, ভক্তি-প্ৰেমলতা আৰু সীতাহৰণ নাটকৰ অন্তৰালত সন্নিহিত হৈ থকা হৃদযানন্দৰ কৃতিত্ব, সামাজিক পৰিবেশ তথা কলা-সংস্কৃতিৰ চৰ্চ্চাই বৰ্তমানৰ সাহিত্য-চৰ্চ্চাত বিশেষ সহায়ক হোৱাৰ লগতে এন্ধাৰত লুকাই থকা হৃদয়ানন্দ ঠাকুৰৰ সাহিত্য-কৃতি উজ্বল হৈ পৰাৰ উদ্দেশ্য আগত ৰাখিযেই আমাৰ এই গৱেষণা মূলক অধ্যয়ন দাঙি ধৰিব বিচৰা হৈছে। কিয়নো এনে গৱেষণাই সেই যুগৰ সামাজিক বাতাবৰণ তথা সাহিত্য, কলা-সংস্কৃতি আৰু ধৰ্মীয় দিশৰ স্পষ্ট চানেকি দাঙি ধৰাত সহায় কৰে। অনন্ত ঠাকুৰৰ ৰচিত 'ভক্তি-প্ৰেমলতা' গ্ৰন্থখনি ভাগৱত ৰস সিন্ধুত বিগলিত এক আপুৰুগীয়া সম্পদ। বৈষ্ণৱ ভক্তি ৰসৰে প্ৰবাহিত দৰ্শন মূলক গ্ৰন্থ। মুঠতে শংকৰদেৱৰ ধৰ্ম দৰ্শনেই হৃদয়ানন্দৰো যে ধৰ্ম দৰ্শন সেই কথা ইয়াত উল্লেখ কৰা হৈছে। শ্ৰীৰামকীৰ্তন ৰামায়ণৰ চমু প্ৰাঞ্জল আৰু শ্ৰুতি-মধুৰ কাব্যিক ৰূপান্তৰ, শংকৰদেৱৰ সৰু কালৰ শিক্ষক কবি কলাপচন্দ্ৰ দ্বিজৰ 'ৰামায়ণ-চন্দ্ৰিকা' নামৰ সংস্কৃত পুথিখনেই 'শ্ৰীৰামকীৰ্তন'ৰ চমু সংস্কৰণ। অৱশ্যে সপ্তকাণ্ড ৰামায়ণৰ কথা-বস্তু সপ্তকাণ্ডতেই সামৰি ৰচনা কৰা এই গ্ৰন্থখনি তেওঁৰ প্ৰতিভা প্ৰকাশক সংক্ষিপ্ত গ্ৰন্থ। যাৰ বাবে তেৰাই 'ৰামায়ণী-কবি' ৰূপে-প্ৰখ্যাতি লাভ কৰিছে। মহাপুৰুষ শংকৰদেৱৰ 'কীৰ্তন-ঘোষা'ৰ দৰে ইও বেচ ঘৰুৱা ভাৱেই আজিও সমাদৃত। সেয়ে ইয়াৰ অন্য নাম 'কীৰ্তনীয়া-ৰামায়ণ' বা শিশু-ৰামায়ণ আৰু কালশিলা সত্ৰৰ ভক্তি ভৰা সাধু মহন্তৰ লগতে অসমীয়া সমাজৰো অতি আদৰৰ বস্তু। সেইদৰে 'সীতাহৰণ' নাটকখনিৰ লিখক প্ৰকৃততে হৃদয়ানন্দ হয় নে নহয় সন্দেহৰ অৱকাশ আছিল যদিও এই বিষয়ে ইয়াত পৰ্য্যালোচনা কৰি

হৃদয়ানন্দৰ বুলিয়েই ঠাৱৰ কৰা হৈছে। নাটকখনিৰ দৰ্শন, গুণগত মানদণ্ড আৰু অন্যান্য গ্ৰন্থদ্বয়ৰ লিখনিৰ ভাষা মৰ্য্যাদাৰ লগত ৰিজনি কৰিয়েই গ্ৰন্থখনিৰ লিখক হৃদয়ানন্দ কায়স্থ বুলি ধৰা হৈছে।

উদ্ধৃত অধ্যয়নত 'হৃদয়ানন্দ কায়স্থৰ জীৱনাদৰ্শ আৰু সাহিত্য-কৃতি'ৰ সম্যক আলোচনা দাঙি ধৰিবলৈ চেষ্টা কৰি তেখেতৰ লিখনীত পূৰ্ববৰ্তী কবিৰ প্ৰভাৱ যে সুনিশ্চিত ভাৱে পৰিছে, সেইয়া বিস্তৃত ভাৱে আলোচনা কৰা হৈছে। শ্ৰীৰামকীৰ্তনত 'ৰামায়ণ-চন্দ্ৰিকা'ৰ লগতে মাধৱদেৱৰ আদি কাণ্ড, শংকৰদেৱৰ উত্তৰা কাণ্ড, মাধৱ কন্দলীৰ ৰামায়ণ আৰু দুই-এঠাইত 'দুৰ্গাবৰৰ গীতি ৰামায়ণ'ৰ প্ৰভাৱ পৰিলক্ষিত হোৱা দেখা যায়। সেইদৰে 'ভক্তি-প্ৰেমলতা' ও মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱনাদৰ্শৰ সৈতে একে। মহাপুৰুষৰ দৰে কায়স্থও অদ্বৈতবাদী। 'কৃষ্ণস্তু ভগৱান স্বয়ম্'- এই গুহ্যতম তত্বৰ মাজেদিয়েই ভাগৱত ভক্তি দাস্য ভাৱত প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰিছে 'ভক্তি-প্ৰেমলতা'ত। ইয়াত হৃদয়ানন্দৰ জীৱনাদৰ্শ, ভক্তিৰ সাৰগৰ্ভতা, সামাজিক বাতাবৰণৰ দায়বদ্ধতা, কলা-সংস্কৃতিৰ ৰূপৰেখা সুন্দৰ ভাৱে পৰিস্ফুট হৈছে।

আমাৰ এই অধ্যয়নত সত্ৰানুষ্ঠানৰ উৎপত্তি, শংকৰোত্তৰ যুগৰ বৈষ্ণৱ সন্ত-মহন্তসকলৰ জীৱন দৰ্শন তথা তেওঁলোকৰ সাহিত্য-সংস্কৃতি আৰু কলা সাধনাৰ বিষয়েও আলোচনামূলক অধ্যয়ন কৰা হৈছে। এইয়া পোনতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰেই কৃতিত্ব। এই আদৰ্শেৰে অনুপ্ৰাণিত পৰৱৰ্তী কবি-সাহিত্যিক হৃদয়ানন্দ কায়স্থ। সেয়ে তেৱাঁই সামাজিক পৰিবেশত খাপ খোৱাকৈ গ্ৰন্থ প্ৰণয়নৰ লগতে আঞ্চলিক বৈশিষ্ট্য ৰক্ষা কৰি ভক্তি ধৰ্ম প্ৰচাৰৰ দ্বাৰা সমাজৰ আধ্যাত্মিক দিশত অৰিহণা যোগাই অসমীয়া সাহিত্যৰ ভৰাঁললৈ দুখনি আপুৰুগীয়া গ্ৰন্থ আগবঢ়াই হৃদয়ানন্দৰ জীৱন স্মৃতিত আনন্দ হৃদয়ৰ চিটিকনি উজ্বল ৰূপত উত্তৰ যুগলৈ সাঁচি থৈ গ'ল।

পৰিশেষত আমাৰ এই অধ্যয়ন, সীমিত জ্ঞান আৰু অভিজ্ঞতাৰে সাধ্যানুসৰি নিৰ্ভুল ভাৱে উপস্থাপন কৰিবলৈ চেষ্টা কৰা হৈছে যদিও অজানিতে ভুল ক্ৰটি বৈ যোৱাটো স্বাভাৱিক। তেনে বৈ যোৱা অনিচ্ছাকৃত ভুল সমূহ আঁতৰাই মহাপুৰুষ গৰাকীৰ আৰু অধিক তথ্য উদঘাটন কৰিবলৈ এই গৱেষণা গ্ৰন্থই নিশ্চয় উত্তৰ গৱেষকক সহায় কৰিব।

শ্ৰীকমল চন্দ্ৰ নাথ।

(শ্ৰীকমল চন্দ্ৰ নাথ।)

# কৃতজ্ঞতা স্বীকাৰ

বৈষ্ণৱ সাহিত্যৰ লগত অসমৰ প্ৰাচীন কবি তথা সত্ৰ সমূহৰ সাধু-মহন্তসকলো বিশেষভাৱে জড়িত হৈ আছে। বিশেষকৈ শংকৰী বা উত্তৰ শংকৰী কালৰ কবিসকলৰ লিখিত গ্ৰন্থবোৰ উপযুক্ত সংৰক্ষণৰ অভাৱত নিঃশেষ হৈ যোৱাৰ উপক্ৰম হৈছে। যাৰ বাবে সেই মূল্যবান সম্পদৰাজি উদ্ধাৰ কৰাতো এক সমস্যা হৈ দেখা দিছে। সেয়েহে আমাৰ এই গৱেষণাৰ বাবে ক্ষেত্ৰ অধ্যয়নত অনেক সাধু, সন্ত-মহন্ত, বিভিন্ন-ব্যক্তি, অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহায় লব লগাত পৰিছিলো। বিশেষকৈ আমাৰ গৱেষণাৰ এই বিশাল পথাৰখনত আদ্যোপান্ত উপদেশ, সহায়, দিহা-পৰামৰ্শ আদিৰে সকলো সময়তে গ্ৰন্থখনি সম্পাদনাত সকলো ফালৰ পৰা হাত আগবঢ়াই দিয়া মোৰ শ্ৰদ্ধাভাজন শিক্ষাগুৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপক ড° পৰীক্ষিত হাজৰিকা চাৰৰ ওচৰত মই প্ৰথমেই চিৰকৃতজ্ঞ হৈ ৰলো। শিক্ষাগুৰু অধ্যাপক শ্ৰীযুত বদন চন্দ্ৰ শইকীয়া চাৰেও বিভিন্ন দিহা পৰামৰ্শ আৰু পুৰণি পুথি-পাঁজি আদি চাই-চিতি দি উক্ত কামত বিশেষ সহায় কৰাত তেখেতলৈকো আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। মাননীয় যজ্ঞেশ্বৰ শৰ্মাদেৱে বাৰ্দ্ধক্যজনীত কাৰণত শৰ্য্যাগত অৱস্থাতো অতি কষ্টেৰে ঠাকুৰ আতাৰ বিষয়ে অনেক কথা আৰু পৰামৰ্শৰে অনুপ্ৰেৰণা যুগুৱাত তেখেতৰ প্ৰতিও মোৰ অশেষ শ্ৰদ্ধা থাকিল। আমাৰ এই গৱেষণাৰ অগ্ৰগতিৰ সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক শ্ৰীযুত ভৱ প্ৰসাদ চলিহা চাৰ, ড° নগেন ঠাকুৰ চাৰ আৰু ড° শৈলেন ভৰালী চাৰৰ বহুমূলীয়া উপদেশৰ বাবে সদায় কৃতজ্ঞ হৈ থাকিম।

আমাৰ পূজনীয় পিতৃ গুৰু শ্ৰদ্ধাৰ শ্ৰীযুত বুলন চন্দ্ৰ নাথদেৱৰ উৎসাহ, সহায়, সহানুভূতি তথা পুথি সংগ্ৰহ আদি ঐকান্তিক প্ৰচেষ্টাৰ অবিহনে আমাৰ এই কাৰ্য্য কৰাই সম্ভৱ নহ'লহেতেন, তাৰ বাবে মই তেখেতৰ ওচৰত চিৰঋণী হৈ থাকিম। লগতে মোৰ অগ্ৰজ প্ৰতীম শ্ৰীযোগেন্দ্ৰ নাথ শইকীয়া (শাস্ত্ৰী)দেৱে সকলো সময়তে সহায় সহযোগ আৰু প্ৰেৰণা আগবঢ়োৱাত তেখেতলৈও কৃতজ্ঞতা থাকিল। বিভিন্ন দিহা-পৰামৰ্শ আৰু অনুপ্ৰেৰণাৰ স্থলী শ্ৰীযুত মহিম বৰা, ড° সৰ্বেশ্বৰ ৰাজগুৰু, তিলক মজুমদাৰ আৰু ড° নবেন কলিতা চাৰো এই ছেগতে আমাৰ শলাগৰ ভাগি হৈছে।

ঠাকুৰ আতা কালশিলা সত্ৰৰ প্ৰতিষ্ঠাপক, তেখেতৰ কৃতিত্ব বিশ্লেষণত কালশিলা সত্ৰৰ সাধু-মহন্তও জৰিত। আমাৰ এই গৱেষণাৰ বিষয়বস্তু নিৰ্বাচন আৰু কালশিলা সম্পৰ্কে সৰ্বাধিক পুৰণি তথ্যৰে সহায় কৰা ব্যক্তি মাননীয় সনত মহন্তদেৱক শ্ৰদ্ধাৰে সুঁৱৰিছো। দলৈচুবাৰ শ্ৰীযুত ভূৱন চন্দ্ৰ মহন্ত, পীতাম্বৰ মহন্ত, নাওঁকটাৰ শ্ৰীযুত অকন মহন্ত, সদানন্দ মহন্ত, তামুলীবাৰিৰ শ্ৰীযুত বটকৃষ্ণ দেৱমহন্ত, তৰাবাৰিৰ শ্ৰীযুত প্ৰফুল্ল মহন্ত আদি সন্তসকলে অনেক তথ্যপাতিৰ সন্ধান দিয়াত তেৰা সকললৈও কৃতজ্ঞতা যাচিলো। মায়ং অঞ্চলৰ পুৰাতাত্বিক অধ্যয়ন আৰু বিশ্লেষণত বিশেষভাৱে জড়িত আৰু আমাক সহায় কৰা শ্ৰীযুত লোকেন্দ্ৰ কুমাৰ হাজৰিকাদেৱলৈও বিশেষভাৱে কৃতজ্ঞতা জনাইছো। কালশিলাৰ অন্তৰ্গত হাবিবৰগুৱাবাৰী, তৰাবাৰি, মৰাণ, ডবাখাট আদি সত্ৰসমূহৰ লগতে মৰিগাঁও অঞ্চলৰ সত্ৰ সমূহৰ ভকত বৈষ্ণৱ আৰু সত্ৰানুষ্ঠানলৈও আমাৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো। পুৰণি পুথি আৰু বিভিন্নধৰণৰ গ্ৰন্থসমূহ চোৱা মেলা কৰাত সহায় কৰা 'শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠান' বৰদোৱাৰ লাইব্ৰেৰীয়ান শ্ৰীযুত পদ্মলোচন দেৱগোস্বামীলৈকো শ্ৰদ্ধা জনাইছো। প্ৰয়োজনীয় আৰু দুষ্পাপ্য গ্ৰন্থ সমূহৰ অধ্যয়নৰ সুবিধা দিয়া বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ পুথিভঁড়াল আৰু পুৰণি পুথি সংৰক্ষণ বিভাগ, অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগ, কামৰূপ অনুসন্ধান সমিতি, নগাঁও জিলা পুথিভঁড়ালৰ লগতে ইয়াৰ সমূহ কতৃপক্ষলৈও আন্তৰিক

ধন্যবাদ জনাইছো। ৰহা নিবাসী শ্ৰীযুত কলীপ্ৰসাদ ডেকাদেৱে সংৰক্ষিত পুথি ভড়ালৰ পৰা বিভিন্ন সময়ত সহায় সহযোগ আগবঢ়োৱাৰবাবে তেখেতো ধন্যবাদৰ পাত্ৰ হৈছে।

মোৰ শ্ৰদ্ধাষ্পদ শ্ৰীযুত বীৰেন্দ্ৰ কুমাৰ নাথ, শ্ৰীযুক্তা তৃপ্তী হাজৰিকা বাইদেউ আৰু শ্ৰীযুক্তা মায়া শইকীয়া বাইদেউৰ লগতে মাননীয় শ্ৰীযুত থানেশ্বৰ নাথ আৰু কনপাই নাথকো শ্ৰদ্ধাৰে সুঁৱৰিছো। মাননীয় চৰাইবাহী মহাবিদ্যালয়ৰ পৰিচালনা কমিটিৰ সমূহ সদস্য, প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত মইনাৰাম ডেকা চাৰ প্ৰমুখ্যে বৰ্তমানৰ অধ্যক্ষ, শিক্ষক, শিক্ষয়িত্ৰী আৰু সমূহ কৰ্মচাৰীসকলৰ সহায় সহযোগৰ কথা সদায়েই মনত থাকিব। লিখন আৰু মানচিত্ৰ কেইখনি অংকনত বিশেষ সহায় কৰাৰ বাবে ভাই বন্ধু শ্ৰীমান দীপক কুমাৰ নাথৰ শলাগ লৈছো। যিসকল সংবাদদাতাৰ সহায় সহযোগ অবিহনে আমাৰ গৱেষণাই সম্পূৰ্ণ নহ'লহেতেন, সেই সকলকো যথা স্থানত নাম উল্লেখেৰে কৃতজ্ঞতা জনোৱা হৈছে। বিভিন্ন সময়ত বিভিন্ন অঞ্চলত ক্ষেত্ৰ অধ্যয়নত সহায়ক হৈ পৰা বন্ধু শচীন্দ্ৰ, মহেন্দ্ৰ, অতুল, হাতেম আলি, চন্দ্ৰ, বিকাশ, জ্যোতি, কেশৱৰ লগতে মোৰ পূজনীয় মা শ্ৰীমতী তৰামাই দেৱী, অতি মৰমৰ ভাতৃ ৰাতুল, স্বৰ্ণ আৰু অনুৰূপালৈ শলাগ যাচিলো। মৰমৰ ছাত্ৰ-ছাত্ৰী, ইন্দিৰা, ননী, গুণেন্দ্ৰ, সুনীল,, জীৱন, প্ৰভাতৰ লগতে বন্ধুবৰ্গলৈও কৃতজ্ঞতা যাচিলো। কম্পিউটেক্ ডিটিপি চেন্টাৰত গ্ৰন্থখনি ডিটিপি কৰি উলিয়াই দিয়াৰ বাবে নগাঁৱৰ শ্ৰীকল্যাণ বৰা আৰু কৰ্মীবৃন্দলৈ শলাগ থাকিল।

## সাংকেতিক চিহ্ন

| | | |
|---|---|---|
| অনু. | ঃ | অনুবাদ |
| ইডি. | ঃ | ইডিটেড |
| এল. বি. এছ | ঃ | লয়াৰ্ছ বুক ষ্টল |
| ডি. এইচ. এ. এচ. | ঃ | ডিপাৰ্টমেন্ট অফ হিষ্টৰিকেল এণ্ড এন্টিকুৱেৰিয়ান ষ্টাদি |
| সম্পা. | ঃ | সম্পাদক/সম্পাদনা/সম্পাদিত |
| সংগ্ৰা: | ঃ | সংগ্ৰাহক |
| সংগৃ: | ঃ | সংগৃহীত |
| স্মৃতি. | ঃ | স্মৃতিগ্ৰন্থ |
| ‘ক’ পুথি | ঃ | তামুলীবৰি কালশিলা সত্ৰৰ পৰা সংগৃহীত পুৰণি প্ৰেমলতা পুথি |
| ‘ব’ পুথি | ঃ | দলৈচুবা কালশিলা সত্ৰৰ পৰা সংগৃহীত পুৰণি প্ৰেমলতা পুথি। |

০ ০ ০.

# সূচীপত্ৰ


পৃষ্ঠা

ভূমিকা ঃ ০১

কৃতজ্ঞতা স্বীকাৰ ঃ ০৩

সাংকেতিক চিহ্ন ঃ ০৫

প্ৰথম অধ্যায় ঃ **ভাৰতীয় পটভূমিত অসমৰ নৱ-বৈষ্ণৱ আন্দোলন আৰু অসমীয়া সাহিত্য** ১

ভাৰতীয় বৈষ্ণৱ আন্দোলন ঃ এটি চমু আভাস ; অসমৰ নৱ-বৈষ্ণৱ আন্দোলন আৰু অসমীয়া সাহিত্য - ৭ ।

দ্বিতীয় অধ্যায় ঃ **সত্ৰৰ উৎপত্তি আৰু বিকাশ** ১৪

বৰদোৱা থুলৰ সত্ৰ - ১৭ ; কালশিলা সত্ৰৰ উৎপত্তি আৰু শাখা সত্ৰৰ বিকাশ- ১৮ ; অসমৰ মানচিত্ৰ ঃ বিভিন্ন ঠাইত থকা কালশিলা সত্ৰৰ শাখা-১৯—; নগাঁও জিলাৰ মানচিত্ৰ -২৩—।

তৃতীয় অধ্যায় ঃ **হৃদয়ানন্দ কায়স্থ ঃ এটি পৰিচয়, উপৰিপুৰুষ ঃ জন্ম, বিবাহ, মৃত্যু** ২৪

মানচিত্ৰ ঃ বুঢ়াখাঁৰ ভেটি- ২৫— ; চিত্ৰলিপি ঃ কালশিলাৰ কালানুক্ৰমিক ধৰ্মাধিকাৰ সকল-২৯—; শ্ৰীশ্ৰী কালশিলীয়া আতা আৰু আইসকলৰ মৃত্যু তিথিসমূহ- ৩০ ; সত্ৰস্থাপন আৰু কাৰ্য্যাৱলী - ৩২ ; কালশিলা আৰু স্বৰ্গদেউ লক্ষ্মী সিংহ- ৩৭ ; মৰিগাঁও জিলাৰ মানচিত্ৰ ঃ কালশিলা আৰু কাছশিলাৰ স্থান নিৰ্ণয় - ৩৭—।

চতুৰ্থ অধ্যায় ঃ **হৃদয়ানন্দ কায়স্থৰ সাহিত্য-কৃতি** ৪১

ভক্তি-প্ৰেমলতা, শ্ৰীৰামকীৰ্তন আৰু সীতাহৰণ নাট ; শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠান, বৰদোৱাত থকা শ্ৰীৰামকীৰ্তন আৰু অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগত থকা শ্ৰীৰামকীৰ্তনৰ অবিকল প্ৰত্যায়িত নকলৰ নমুনা- ৪৩ —; সীতাহৰণ নাটৰ অবিকল প্ৰত্যায়িত নকলৰ নমুনা-৪৬ —; ভক্তি-প্ৰেমলতাৰ বিষয়বস্তু আৰু পৰ্য্যালোচনা - ৪৭ ; দুৰ্ব্বাসা ভোজন নাটৰ অবিকল প্ৰত্যায়িত নকলৰ নমুনা-৪৭ —; সংগৃহীত পুথিৰ বিৱৰণ ঃ ছপা ঃ ভক্তি-প্ৰেমলতা - ৪৮ ; ক- পুথিখনৰ বিতং বিৱৰণ আৰু ফলকৰ নমুনা- ৫০ ; খ- পুথিখনৰ বিতং বিৱৰণ আৰু ফলকৰ নমুনা- ৫১ ; গ্ৰন্থৰাজিৰ সাহিত্যিক পৰ্য্যালোচনা ঃ ভক্তি-প্ৰেমলতা- ৫১; শ্ৰীৰামকীৰ্তন- ৬১; সাহিত্যৰাজিৰ ছপা-সংস্কৰণৰ ভুল-ভ্ৰান্তি আৰু পাঠৰ মিল-অমিল ; শ্ৰীৰামকীৰ্তন- ৭১ ; ভক্তি-প্ৰেমলতা - ৭৬ ।

পঞ্চম অধ্যায় ঃ **হৃদয়ানন্দৰ ৰচনাৱলীত পূৰ্বসূৰীৰ প্ৰভাৱ ঃ ৰচনাৰীতিৰ সাদৃশ্য** ৮১

ভক্তি-প্ৰেমলতাত ঃ ভাগৱত, কীৰ্তনঘোষা- ৮১ ; শ্ৰীৰামকীৰ্তনত ঃ মাধৱ কন্দলী, দুৰ্গাবৰ, শংকৰদেৱ, মাধৱদেৱ আৰু ৰামায়ণ-চন্দ্ৰিকাৰ প্ৰভাৱ- ৯৬ ; সীতাহৰণ নাটত ঃ শংকৰদেৱৰ প্ৰভাৱ - ১১৮ ।

ষষ্ঠ অধ্যায় ঃ **সাহিত্যিক মূল্য ঃ ভাৱ-ভাষা, ৰস-ছন্দ, অলংকাৰ** ১১৯

ৰস ঃ বীৰ, কৰুণ, ভয়ানক, হাস্যৰস-১২৩ ; ছন্দ ঃ হ্ৰস্বপয়াৰ, পদ, ঝুমুৰী, ঝুনা, দুলড়ী, ছবি, দীৰ্ঘ ঝুমুৰী-১২৯ ; অলংকাৰ ঃ উপমা, মালোপমা, নিদৰ্শনা, বিষম, ব্যাঘাত, স্বভাৱোক্তি, অনুপ্ৰাস-১৩৬ ; কবিৰ ওপৰত লৌকিকতাৰ প্ৰভাৱ- ১৩৯ ; শ্ৰীৰামকীৰ্তনত অসমীয়া যোজনা-পটন্তৰ খণ্ড বাক্য আদিৰ ব্যৱহাৰ- ১৪০; শৈৱ ধৰ্মৰ প্ৰভাৱ- ১৪৩ ; ধৰ্মীয় দৰ্শন -১৪৭ ।

সপ্তম অধ্যায় ঃ **উপসংহাৰ** ১৪৮

পুনৰীক্ষণ, পুথিসমূহৰ ভৱিষ্যৎ পাঠ-সমীক্ষা আদিৰ বাবে পৰামৰ্শ আৰু গ্ৰন্থৰ সামৰণি

পৰিশিষ্ট অংশ ঃ

১. কালশিলাৰ বংশাৱলীৰ ক্ৰম - ১৫২

২. ক্ষেত্ৰ অধ্যয়নৰ পৰা সংগৃহীত ফটো - ১৫৩

৩. (ক) শ্ৰীৰামকীৰ্তনত থকা ঘোষা (ছপা আৰু পুৰণি) - ১৫৮

(খ) ভক্তি-প্ৰেমলতা পুৰণি পুথিখনত (ক) থকা গ্ৰন্থকাৰৰ পৰিচয় আৰু গ্ৰন্থ সামৰণিৰ পদ- ১৬৫

(গ) সীতাহৰণ নাটখনত থকা গীত সমূহ- ১৬৯

(ঘ) হৰিনাৰায়ণ দত্তবৰুৱা (সম্পাঃ) শ্ৰীৰামকীৰ্তনত থকা চিত্ৰ দুখন- ১৭৭

৪. সূচক বা সংবাদদাতা সকলৰ পৰিচয় - ১৭৮

৫. গ্ৰন্থপঞ্জী ঃ

ক) ইংৰাজী- ১৮১

খ) অসমীয়া- ১৮৩

গ) হিন্দী - ১৮৭

ঘ) বাংলা - ১৮৭

ঙ) পুৰণি পুথি - ১৮৮

চ) স্মৃতিগ্ৰন্থ, আলোচনী, পত্ৰিকা - ১৮৮

## প্ৰথম অধ্যায়

# ভাবতীয় পটভূমিত অসমব নৱবৈষ্ণৱ আন্দোলন আৰু অসমীয়া সাহিত্য

## ভাৰতীয় বৈষ্ণৱ আন্দোলন ঃ এটি চমু আভাস

প্ৰাচীন ভাৰতবৰ্ষৰ বিভিন্ন ধৰ্মীয় পৰম্পৰাৰ ভিতৰত বৈষ্ণৱ ধৰ্মীয় পৰম্পৰাই এটি শক্তিশালী ভূমিকা গ্ৰহণ কৰি আহিছে। এই ভূমিকাই মধ্যযুগীয় ভাৰতীয় সাহিত্য-সংস্কৃতিৰ বিকাশত বিশেষ অৰিহণা যোগাইছিল। নৱ-বৈষ্ণৱ আন্দোলনৰ উদ্ভৱ, ক্ৰমবিকাশ আৰু সেই আন্দোলনে কেনেকৈ জনগণৰ মাজত সামাজিক, সাংস্কৃতিক আৰু আধ্যাত্মিক দিশত পৰিবৰ্তন সাধন কৰিছিল তাৰ এটি থুল-মূল আভাস এই প্ৰসংগত দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে।

ঋগবেদত আদিত্য সকলৰ অন্যতম দেৱতা হিচাপে বিষ্ণুৰ উল্লেখ পোৱা যায়। শতপথ-ব্ৰাহ্মণ'তো বিষ্ণুৱে উপাস্য দেৱতা ৰূপেই প্ৰাধান্য লাভ কৰে আৰু পিছলৈ বিভিন্ন উপনিষদ আৰু পুৰাণ গ্ৰন্থই বিষ্ণুৰ ওপৰত পৰম পুৰুষত্ব আৰোপ কৰে। 'শতপথ-ব্ৰাহ্মণ'ত কোৱা হৈছেঃ-

' স দেৱতানাং শ্ৰেষ্ঠোহভৱৎ ।

তস্মাদাহুঃ বিষ্ণুঃ দেৱতানাং শ্ৰেষ্ঠঃ ইতি ।।

বিষ্ণুকেই শ্ৰেষ্ঠ আৰু পৰম উপাস্য দেৱতা ৰূপে গ্ৰহণ কৰা এই বৈষ্ণৱ ধৰ্মৰ ক্ৰমবিকাশৰ লগে লগে কালক্ৰমত বাসুদেৱীয়, নাৰায়ণীয়, পাঞ্চৰাত্ৰীয়, সাত্বত, বালগোপালীয় আদি অনেক বৈষ্ণৱ সম্প্ৰদায়ৰ সৃষ্টি হ'ল আৰু বিষ্ণুকো বাসুদেৱ, নাৰায়ণ, গোপাল, ৰাম-কৃষ্ণ আদি বিভিন্ন ৰূপত আৰোপ কৰা হ'ল।'[১] ভাৰতবৰ্ষৰ ভক্তি-আন্দোলন সঁচাকৈয়ে অভিনৱ আৰু সুদূৰ প্ৰসাৰী। এই আন্দোলনে তৎকালীন সমাজৰ জীৱনধাৰাকে পৰিবৰ্তন কৰি পেলালে। অকল যে ধৰ্ম আৰু দৰ্শনৰ ক্ষেত্ৰতে প্ৰভাৱ পেলাইছিল এনে নহয়, ই ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক আদি বিভিন্ন দিশতো প্ৰভাৱ পেলাইছিল। ড° সত্যেন্দ্ৰ নাথ শৰ্মাদেৱে উল্লেখ কৰিছে, 'ইউৰোপত ৰেঁনেসা অৰ্থাৎ নৱজাগৰণৰ ইতিহাসৰ লগত যেনেকৈ মাৰ্টিন লুথাৰৰ প্ৰটেষ্টান ধৰ্মৰ প্ৰৱৰ্তন আৰু প্ৰাচীন গ্ৰীক-লেটিন ক্লাচিকেল সাহিত্য আৰু কলাৰ পুনৰ অধ্যয়নৰ প্ৰভাৱ জড়িত হৈ আছে, তেনেকৈ প্ৰায় একে সময়তেই বৈষ্ণৱ আন্দোলন আৰু ভক্তি ধৰ্মক কেন্দ্ৰ কৰি ভাৰতত সাংস্কৃতিক পুনৰভ্যুদয় ঘটিছিল।'[২] ভক্তি আন্দোলন নিঃসন্দেহে মধ্যযুগীয় ভাৰতৰ এটা সংস্কাৰবাদী আন্দোলন আছিল। কোনো

---

১। সৰ্ব্বেশ্বৰ ৰাজগুৰু ঃ 'অসমৰ একেশ্বৰবাদী নৱবৈষ্ণৱ ধৰ্ম', মণিকাঞ্চন, ৩য় বছৰ, ১ম সংখ্যা, ডিচেম্বৰ/১৯৯৭, পৃঃ ১ ।

২। সত্যেন্দ্ৰ নাথ শৰ্ম্মা ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃঃ ৯০ ।

কোনো ক্ষেত্রত ইউৰোপৰ 'ৰিফৰ্মেছন'ৰ লগত ভক্তি-আন্দোলনৰ সাদৃশ্য টানিব পাৰি। অৱশ্যে জাতিভেদ-প্ৰথা আওকাণ কৰি ৰিফৰ্মেছনৰ দৰে ভক্তি-আন্দোলনেও মানুহৰ মনত সাম্য ভাৱ কিছু পৰিমানে হ'লেও সিঁচি দিবলৈ সক্ষম হৈছিল।[৩]

ভক্তি-আন্দোলনৰ উদ্ভৱৰ মূলতে তামিল প্ৰদেশৰ ভক্ত আলৱাৰ সকলৰ অৱদান স্বীকাৰ কৰিবই লাগিব।[৪] 'আলৱাৰ সকল ভগৱৎ ভক্তিত এনে বাহ্যজ্ঞান শূণ্য হৈ পৰিছিল যে তেওঁলোকক সাধাৰণ মানুহ বুলি ভবা হোৱা নাছিল।'[৫] তেওঁলোকক ভুত বা পাগল বুলি কোৱা হৈছিল; কাৰণ তেওঁলোকে আত্মপাহৰণি আৰু স্বৰ্গীয় দৃষ্টিত হাঁহিছিল, কান্দিছিল, নাচিছিল, গাইছিল, সেইসকলৰ দৰে, যিসকলে ভগৱানতে মন-সপী দিছিল আৰু ভগৱানৰ দ্বাৰা মোহিত হৈছিল। তেওঁলোকে তামিলনাডুৰ বিভিন্ন গাঁৱে গাঁৱে এঠাইৰ পৰা আন ঠাইলৈ গৈ ঈশ্বৰৰ গুণানুকীৰ্তন কৰি ভ্ৰমি ফুৰিছিল।[৬] এই প্ৰসংগত হিন্দী ভাষাৰ গৱেষক পণ্ডিত ড°ম লিক মোহম্মদে তেখেতৰ গৱেষণা গ্ৰন্থৰ তৃতীয় অধ্যায়ৰ ভক্তি- আন্দোলনৰ পূৰ্ব পীঠিকাত উল্লেখ কৰিছে এনেদৰে ঃ তামিল প্ৰদেশত ভক্তি-আন্দোলনৰ আৰম্ভণি পঞ্চম আৰু ষষ্ঠ শতাব্দীৰ পৰা হয় যদিও এই ভক্তি-আন্দোলনৰ জন্ম পৰিস্থিতিত, প্ৰথমে আকাশত মেঘবোৰ একত্ৰিত হৈ পিছত বৰষুণ হোৱাৰ দৰে এই মহান আন্দোলনৰ জন্ম পূৰ্ব আন্দোলনৰ পৰাই উৎপন্ন হৈছিল। তামিল প্ৰদেশত যি ভক্তি আন্দোলন চলিছিল ই কেইবা শতাব্দীৰো এক ইতিহাস।[৭] ভক্তিৰ জন্মভূমি সম্পৰ্কতো 'শ্ৰীমদ্ভাগৱত-মাহাত্ম্য'ৰ উল্লেখেৰে মলিকৰ গ্ৰন্থত পোৱা যায়[৮]-

উৎপন্ন দ্ৰবিড়ে সাহংৎ বৃদ্ধিং কৰ্ণাটকে গতা ।
ক্বচিক্কবচিন্মহাৰাষ্ট গুৰ্জৰে জৰ্নাতাং গতা ।।
তত্ৰ ঘোৰ কলে যোগাত্ত্ পাখণ্ডেঃ খণ্ডিতাং ককা ।
দূৰ্বলাহং চিৰং যাতা পুত্ৰাভ্যাং সহমন্দতাম্ ।।
বৃন্দাবনং পুনঃ প্ৰাপ্য নৱীনবে সকপিনী ।
জাতাহং যুৱতী সম্যক্ শ্ৰেষ্ঠ ৰূপা তু সম্প্ৰতম ।। (৪৮,৪৯,৫০)

অন্যান্য পণ্ডিত সকলেও ভাৰতীয় ভক্তি- আন্দোলনৰ সূত্ৰপাত দ্ৰাবিড় দেশৰ তামিল প্ৰদেশতে হৈছিল বুলি কৈছে। খৃঃ ৭ম-১০ম শতাব্দীত কৃষ্ণ-ভক্ত আলৱৰ সকলে কৃষ্ণ ভক্তি মাধ্যমেৰে বৈষ্ণৱ জাগৰণৰ সূত্ৰধৰাৰ কথা ভালে কেইগৰাকী

---

৩। শিৱনাথ বৰ্মন ঃ শ্ৰীমন্ত শঙ্কৰদেৱৰ কৃতি আৰু কৃতিত্ব, পৃঃ ৩৭-৩৮ ।

৪। S.N. Sarma : The Neo-Vaisnavite Movement and the Satra Institution of Assam; P No, 1 ; মলিক মোহম্মদ ঃ বৈষ্ণৱ ভক্তি আন্দোলন কা অধ্যয়ন, পৃঃ ১০৩ ; শিৱনাথ বৰ্মন ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ২৯ ।

৫। হীৰেণ গোঁহাই ঃ অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা, পৃঃ ২৭ ।

৬। V. Rangacharya : The Cultural Haritage of India, Page No. 166

৭। মলিক মোহম্মদ ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ৮৪-৮৫ ।

৮। তথৈৱ ঃ পৃঃ ১০৮ ।

পণ্ডিতে উল্লেখ কৰিছে।[৯] এই আলাৱাৰ সকলৰ গীত আৰু কবিতাৰ একত্র সংকলন 'নালায়িৰদিব্য-প্রৱন্ধম্'। [১০] প্রথমে ভক্তিৰ উচ্ছ্বাসিত কল্লোল শুনা তামিল ভাষাৰ উক্ত গ্রন্থখনত মুঠ ৪০০০ পদ আছে।[১১] এই গ্রন্থ খনিতে ভক্তি বাদৰ প্রায় সকলোবোৰ তত্বাৰ্থ নিহিত হৈ আছে। বহুতো পণ্ডিতে আলৱাৰ সকলৰ ভক্তিবাদৰ অনুকৰণতে 'শ্রীমদ্ভাগৱত-মহাগ্রন্থ' ৰচিত হৈছিল বুলি অনুমান কৰে।[১২] 'মধ্যযুগত ভাৰতৰ প্রান্তীয় ভাষাসমূহৰ বিভিন্ন বৈষ্ণৱ গ্রন্থত ভক্তিৰ নানা ব্যাখ্যা উপস্থাপন কৰা হৈছে। সনাতন হিন্দু ধর্মত ভক্তিৰ স্থান সকলোৰে ওপৰত বুলি কলে অত্যুক্তি কৰা নহ'ব।[১৩] পণ্ডিতসকলে ভাগৱতৰ বহু কাহিনীৰ আধাৰ 'নালায়িৰদিব্য-প্রৱন্ধম্' বুলিয়েই স্বীকাৰ কৰিছে। গতিকে দেখা গ'ল ভক্তি-আন্দোলনৰ ৰেহ-ৰূপ দক্ষিণ ভাৰততে নিৰ্দ্দিষ্ট হৈছিল। অন্তত ঃ খৃষ্টপূর্ব প্রথম শতিকাৰ আগতে সাত্বত ধর্ম দাক্ষিণাত্য সোমোৱাৰ নানা ঘাট-লিপি আদিয়েও প্রমাণ কৰে। যজ্ঞশ্রী শাতকৰ্ণিৰ কালৰ চীনা লিপিয়ে খৃষ্টীয় দ্বিতীয় শতিকাত কৃষ্ণানৈৰ অঞ্চলত সাত্বত ধর্ম প্রচলিত থকাৰ সাক্ষ্য দিয়ে।'[১৪] নাথমুনি (খৃঃ ৮২৪- ৯২৪) যমুনাচাৰ্য্য (৯১৬- ১০৪০) আদিয়ে আলৱাৰসকলৰ ধৰ্মীয় দৰ্শন দক্ষিণ ভাৰতত সৰবৰহী কৰি তোলে। সেয়েহে ড° মলিকে কৈছে, ষষ্ঠ শতাব্দীৰ পৰা নৱম শতাব্দীলৈকে তামিল ভক্তি সাহিত্যক তামিল সাহিত্যৰ বুৰঞ্জীত 'স্বৰ্ণযুগ' বুলি কোৱা হয়।এই যুগটো এনেকুৱা আছিল, য'ত ভক্তি ভাৱনাই এক বৃহৎ আন্দোলনৰ ৰূপ ধাৰণ কৰিছিল আৰু গোটেই দক্ষিণ ভাৰত তথা তামিল প্রদেশত ধাৰাসাৰে ভক্তি ৰসৰ প্লাৱন নামিছিল। এই সময়ৰ পৰাই ভক্তি ভাৱনাই এক নতুন ৰূপ লৈ জনমানসত এনেকৈ প্রভাৱিত কৰিছিল যে গোটেই বাতাবৰণ ভক্তিময় হৈ পৰিছিল। এই কালত ভক্তিৰ স্বৰ বৰ উচ্চ আছিল আৰু ভক্তি ভাৱনাৰ বিকাশৰ বুৰঞ্জীত এই সময়ত প্রতিদ্বন্দী নাছিল।[১৫] অৱশ্যে মলিকৰ দৰে ড° হীৰেণ গোঁহাইদেৱেও আলৱাৰসকলৰ সময় ষষ্ঠৰ পৰা নৱম শতিকা বুলিয়েই উল্লেখ কৰিছে। [১৬]

ব্রাহ্মণ পুৰোহিত সকলৰ আচাৰসৰ্ব্বস্বতাই যেতিয়া হিন্দু ধর্মত নানা বিভ্রান্তিৰ সৃষ্টি কৰিলে, তেতিয়া বৌদ্ধ আৰু

---

৯। সত্যেন্দ্ৰ নাথ শৰ্মা ঃ প্রাগুক্ত গ্রন্থ, পৃঃ ৯১ ; উপেন্দ্র নাথ গোস্বামী ঃ বৈষ্ণৱ ভক্তি ধাৰা আৰু সন্ত কথা, পৃঃ ৫-৬ ; ডিম্বেশ্বৰ নেওগ ঃ যুগনায়ক শংকৰদেৱ, পৃঃ ৭৪-৭৫ ; মলিক মোহম্মদ ঃ প্রাগুক্ত গ্রন্থ, পৃঃ ১০৮-১০৯ ; S.N. Sarma : Ibid P. No 1 , শিৱনাথ বৰ্মন ঃ প্রাগুক্ত গ্রন্থ, পৃঃ ৩ ; H.V. Srinivasamurthy : Vaisnavism of Sankardeva and Ramanuja, Page No. 15 ; বাপচন্দ্ৰ মহন্ত ঃ ভাৰতীয় ধৰ্ম-সাধনা, পৃঃ ১৫৯ ; শিৱনাথ বৰ্মন ঃ শ্রীমন্ত শংকৰদেৱ আৰু তেওঁৰ যুগৰ বৈষ্ণৱাচাৰ্যসকল, পৃঃ ৯ ।

১০। উপেন্দ্র নাথ গোস্বামী ঃ প্রাগুক্ত গ্রন্থ, পৃঃ ২৭ ।

১১। হীৰেণ গোঁহাই ঃ প্রাগুক্ত গ্রন্থ, পৃঃ ২৫ ।

১২। বাণীকান্ত শৰ্মা ঃ 'বৈষ্ণৱ ধৰ্মৰ ক্রমবিকাশ' (অৱতৰণিকা) ; মনোৰঞ্জন শাস্ত্রী ঃ অস মৰ বৈষ্ণৱ দৰ্শনৰ ৰূপৰেখা, পৃঃ ৩১ ।

১৩। মনোৰঞ্জন শাস্ত্রী ঃ প্রাগুক্ত গ্রন্থ, পৃঃ ৩৮ ।

১৪। ডিম্বেশ্বৰ নেওগ ঃ প্রাগুক্ত গ্রন্থ, পৃঃ ৭৫ ।

১৫। মলিক মোহম্মদ ঃ প্রাগুক্ত গ্রন্থ, পৃঃ ৮৪ ।

১৬। হীৰেণ গোঁহাই ঃ প্রাগুক্ত গ্রন্থ, পৃঃ ২৫ ।

জৈন ধৰ্মৰ উদ্ভৱ হৈ হিন্দুধৰ্মৰ প্ৰভাৱ বহু পৰিমাণে স্তিমিত কৰি পেলালে। তাৰ ফলস্বৰূপে পণ্ডিত সকলে হিন্দু ধৰ্মৰ পুনৰ বিন্যাস আৰু সংস্কাৰৰ প্ৰয়োজনীয়তা অনুভৱ কৰিলে। খৃঃ অষ্টম শতিকাৰ শেষ আৰু নৱম শতিকাৰ প্ৰথম ভাগতেই দাক্ষিণাত্যত বিশ্বৰ অন্যতম শ্ৰেষ্ঠ দাৰ্শনিক শংকৰাচাৰ্য্যৰ আবিৰ্ভাৱ হয়।[১৭] তেওঁৱেই অপূৰ্ব বেদান্ত দৰ্শনৰ জন্ম দি 'ব্ৰহ্মসূত্ৰ', 'উপনিষদ' আৰু 'গীতাৰ-ভাষ্য' ৰচনা কৰি হিন্দু ধৰ্মত এটি শক্তিশালী দাৰ্শনিক ভিত্তি প্ৰতিষ্ঠা কৰে।[১৮] কিন্তু শংকৰাচাৰ্য্যৰ সেই অমূৰ্ত ব্ৰহ্মৰ দৰ্শন সৰ্বসাধাৰণৰ বাবে বোধগম্য নাছিল আৰু এই দাৰ্শনিক তত্ব ধৰ্মৰ লগতো সম্পৰ্কিত নাছিল। 'তেওঁৱেই অদ্বৈতবাদৰ শ্ৰেষ্ঠ আৰ্চায্য আৰু অদ্বৈত বেদান্ত দৰ্শনৰ প্ৰতিষ্ঠা আৰু প্ৰচাৰ তেওঁৱেই অক্ষয়কীৰ্ত্তি।'[১৯] ইয়াৰ পাছতে তামিল প্ৰদেশৰ ৰামানুজাচাৰ্য্যই (খৃঃ ১০১৬-১১৩৭) 'শ্ৰীভাষ্য' ৰচনা কৰি শংকৰাচাৰ্য্যৰ অদ্বৈত বাদৰ বিপৰীতে ভক্তিমাৰ্গৰ ওপৰত প্ৰতিষ্ঠিত 'বিশিষ্টা-দ্বৈতবাদ'ৰ প্ৰৱৰ্ত্তন কৰি নৱ-বৈষ্ণৱ আন্দোলনৰ দৃঢ় ভিত্তি প্ৰতিষ্ঠা কৰে।[২০] বিশিষ্টা দ্বৈতবাদ সম্পৰ্কে পোৱা যায়, বিশিষ্টা-দ্বৈতবাদ শুদ্ধ দৰ্শনো নহয় আৰু শুদ্ধ ধৰ্মও নহয় কিন্তু ই সঁচাকৈয়ে ধৰ্মবহে দৰ্শন।[২১] ইয়াৰ পিছৰ পৰাই নৱ-বৈষ্ণৱ আন্দোলন তথা ভাৰতীয় ভক্তি মাৰ্গই বিভিন্নজনৰ মতবাদেৰে পুষ্ট হৈ সমগ্ৰ ভাৰতবৰ্ষ চানি পেলায়। শ্ৰীৰামানুজাচাৰ্য্যৰ বিশিষ্টা-দ্বৈতবাদী বিচাৰ ধাৰা আলৱাৰসকলৰ দ্বাৰা ৰচিত সাহিত্যৰ ওপৰতো প্ৰতিষ্ঠিত।[২২]

খৃষ্টীয় ১২-১৩ শ শতিকাত উত্তৰ ভাৰতত মুছলমান শাসকৰ হেঁচাত ৰাজনৈতিক, সামাজিক তথা ধৰ্মীয় নীতি শৃংখলা বিধ্বস্ত হৈছিল আৰু হিন্দু ধৰ্ম-সংস্কৃতি ছিন্ন-বিছিন্ন হৈ পৰিছিল।

১৫০০-১৬০০ শতিকাৰ ভাৰত বৰ্ষত কিছুমান সুক্ষ্ম শক্তিয়ে এটা নতুন ধৰ্মৰ সূচনা কৰিছিল। ভাগৱত পুৰাণত উল্লেখ কৰাৰ দৰে ই আছিল ভক্তিৰ মুক্ত নীতিৰ ওপৰত প্ৰতিষ্ঠিত আৰু গণতান্ত্ৰিক আন্দোলন, যি দেৱত্বৰ ঐক্যৰ ওপৰত গুৰুত্ব আৰু অতিমাত্ৰা ধৰ্মীয় নীতি নিয়মৰ বিৰুদ্ধ, ই জাতি-ভেদ প্ৰথাৰ বিৰুদ্ধে এক বিশ্বাস প্ৰৱৰ্ত্তন কৰিছিল আৰু মানুহৰ সমভাবতাৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছিল। মহান প্ৰতিভা সম্পন্ন বহুতো ঋষি মুনিয়ে এই নতুন ধৰ্মীয় বিশ্বাসক সংস্কৃত পুৰাণৰ পৰা অনুবাদ কৰি আঞ্চলিক ভাষাৰ মাধ্যমত সমাজত প্ৰচাৰ কৰিছিল। এই ক্ষেত্ৰত এলাহাবাদৰ এগৰাকী ব্ৰাহ্মণ ৰামানন্দৰ (খৃঃ ১৪০০-১৪৭০) নাম বিশেষভাৱে উল্লেখযোগ্য। তেওঁ হিন্দী ভাষাত ৰামৰ বাণীসমূহ প্ৰচাৰ আৰু পূজা

---

১৭। যোগীৰাজ বসু ঃ বেদান্ত আৰু বৈষ্ণৱ ধৰ্ম, পৃঃ ১৩।

১৮। উপেন্দ্ৰ নাথ গোস্বামী ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ২৮-২৯।

১৯। যোগীৰাজ বসু ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ১৩।

২০। উপেন্দ্ৰ নাথ গোস্বামী ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ৩৬ ; মনোৰঞ্জন শাস্ত্ৰী ঃ পুৰণি অসমৰ ধৰ্ম আৰু দৰ্শন, পৃঃ ১৩৯ ; বাপচন্দ্ৰ মহন্ত ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ১৬৯ ; মলিক মোহম্মদ ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ২৪৩ ; যোগীৰাজ বসু ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ৪৩ ; শিৱনাথ বৰ্মন (সম্পাঃ) ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী, পৃঃ ২০।

২১। P.N. Srinivasachari : The Philosophy of Visistadvaita, Page No. 1

২২। উপেন্দ্ৰ নাথ গোস্বামী ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ৩৬।

কৰিছিল। কবিৰ (খৃঃ ১৪০০-১৪৭০) আছিল তেওঁৰ শিষ্যসকলৰ ভিতৰত অন্যতম। এই আন্দোলনৰ অন্যতম প্ৰধান হোতা হিচাপে তেলেগু প্ৰদেশৰ বল্লভাচাৰ্য্যৰ (খৃঃ ১৪৭৯-১৫৩১) কথা কব পাৰি। তেওঁ কৃষ্ণক পূজা কৰিছিল আৰু দক্ষিণ ভাৰতত তেওঁৰ বাণীসমূহ প্ৰচাৰ কৰিছিল। থিক সেইদৰে মহাৰাষ্ট্ৰৰ নামদেৱ (খৃঃ ১৪০০-১৪৩০), পশ্চিম বঙ্গৰ নদীয়াত জন্ম গ্ৰহণ কৰা চৈতন্যদেৱ (খৃঃ ১৪৮৫-১৫৩৩) আৰু অসমত বহু প্ৰতিভা সম্পন্ন শঙ্কৰদেৱে (খৃঃ ১৪৪৯-১৫৬৯) ধৰ্মীয়, সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক দিশৰ সংস্কাৰ সাধন কৰি ভক্তি ধৰ্ম প্ৰচাৰ কৰিছিল।[২৩]

ত্ৰয়োদশ শতিকাৰ শেষৰফালে ৰামানুজাচাৰ্য্যৰ ধৰ্মীয় মতবাদেৰে অনুপ্ৰাণিত হৈ সন্ত ৰামানন্দই (খৃঃ ১৪০০-১৪৭০) দক্ষিণ ভাৰতৰ ভক্তি ধৰ্ম উত্তৰ ভাৰতলৈ প্ৰসাৰিত কৰে, তেওঁৰ প্ৰচেষ্টাত উত্তৰৰ হিন্দী ভাষী অঞ্চলসমূহত ৰামভক্তি মাৰ্গৰ প্ৰসাৰণ ঘটে।[২৪] স্বামী ৰামানন্দই হিন্দী ভাষাত কবিতা ৰচনা কৰি হিন্দী সাহিত্যত এক অভিনৱ স্থান অধিকাৰ কৰিছিল। সেয়েহে কোৱা হয় -

ভক্তি দ্ৰাবিড় উপজী লাযে ৰামানন্দ ।

পৰগট কিয়ো কবীৰণে সপ্ত দ্বীপ নৱখণ্ড ।। কবীৰ দাস ।।[২৫]

স্বামী ৰামানন্দৰ প্ৰচেষ্টাতেই ব্ৰাহ্মণ আৰু ক্ষত্ৰীয় সকলৰ লগতে শূদ্ৰ আৰু বৈশ্য সকলেও ধৰ্ম ধৰিব পৰা হ'ল। শ্ৰীৰামানন্দৰ ৰাম ভক্তি মাৰ্গ দুটা ভাগত বিভক্ত হয়। পিছত কবীৰ দাস (খৃঃ ১৩৯৮-১৫১৮) নিৰ্গুনাত্মক আৰু গোস্বামী তুলসী দাস (খৃঃ ১৫৩২-১৬২৩), সদগুণ ভক্তিমাৰ্গৰ প্ৰচাৰক ৰূপে প্ৰতিষ্ঠিত হয়।[২৬] গোস্বামী তুলসী দাস বৈষ্ণৱ ভক্তিমাৰ্গত আৰু হিন্দী সাহিত্যত 'তুলসী-চন্দন' হৈ ৰ'ল। তেওঁৰ অমৰ কাব্য 'ৰাম-চৰিত-মানস' আৰু 'বিনয়-পত্ৰিকা'ই সদায় উচ্চ স্থান লাভ কৰি থাকিব।

উত্তৰ ভাৰতত কৃষ্ণ ভক্তি মাৰ্গত প্ৰথম আৰু প্ৰধান প্ৰতিষ্ঠাপক ৰূপে শ্ৰীবল্লভাচাৰ্য্যৰ (খৃঃ ১৪৭৯-১৫৩১) নাম লব পাৰি। বল্লভাচাৰ্য্য 'শুদ্ধাদ্বৈতবাদ' ৰ প্ৰৱৰ্তক।[২৭] 'বল্লভৰ মতে গোলোকাধিপতি শ্ৰীকৃষ্ণৰ সাযুজ্যই মুক্তি। শ্ৰীকৃষ্ণক

---

২৩। Birinchi Kumar Barua : Sankardeva Vaisnava Saint of Assam, Page No. 1-2 ; Mahendra Mohan Choudhury · 'The Sixteenth Century Ranaissance and Sankardeva', R. Malakar (ed.) : Teachings of Sankardeva, Page No. 20 .

২৪। উপেন্দ্ৰ নাথ গোস্বামী ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ৪৬

২৫। তথৈৱ, পৃঃ ৯ ।

২৬। তথৈৱ, পৃঃ ৪৭ ।

২৭। যোগীৰাজ বসু ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ৬৪ ।

পতি ভাৱত সেৱা আৰু সৰ্বাত্মক ভাৱেই মুক্তি।'[২৮] বল্লভ সম্প্ৰদায়ৰ উপাসনা পক্ষক 'পুষ্টিমাৰ্গ' বুলি জনা যায়।[২৯] বল্লভাচাৰ্য্যৰ ভক্তি মাৰ্গ সুৰদাস (খৃঃ ১৪৮৩-১৫৬৪), মীৰাবাঈ (খৃঃ ১৪৯৮-১৫৪৬) প্ৰভৃতি বিখ্যাত কবি আৰু গীতিকাৰ সকলে পৰিপুষ্ট কৰি তোলে। মীৰাবাঈৰ ভক্তি অতি শীৰ্ষস্থানীয় আৰু ভাগৱত পুৰাণ সমৰ্থিত।[৩০] অৱশ্যে নৱজাগৰণৰ সময়ত ৰাজস্থানস্থ এই মীৰাবাঈৰ বাহিৰে অন্য কোনো নাৰী কবিৰ উল্লেখ পোৱা নাযায়। ষোড়ষ শতিকাৰ মীৰাবাঈয়ে মধুৰ ভক্তিৰে ভগৱান কৃষ্ণৰ গুণানুকীৰ্তন কৰিছিল। ব্ৰজ ভাষা আৰু গুজৰাটী মিশ্ৰিত ৰাজস্থানী দুয়োটা ৰূপতে মীৰাবাঈ সমুজ্জ্বল আছিল।[৩১] ঠিক সেই সময়তে ভক্তিমাৰ্গৰ প্ৰৱক্তা আৰু প্ৰচাৰক হিচাপে পঞ্জাৱত আবিৰ্ভাৱ হৈছিল গুৰু নানকৰ (খৃঃ ১৪৬৯-১৫৩৮)। তেখেতে হিন্দু আৰু ইছলাম দুয়ো ধৰ্মৰ সংমিশ্ৰন ঘটাই প্ৰতিষ্ঠা কৰিলে শিখ ধৰ্ম। বঙ্গদেশত শ্ৰীশ্ৰীচৈতন্য মহাপ্ৰভূ (খৃঃ ১৪৮৫-১৫৩৮) আৰু অসমত মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱৰ (খৃঃ ১৪৪৯-১৫৬৮) আবিৰ্ভাৱ ঘটে। বঙ্গদেশ আৰু উৰিষ্যাৰো একাংশত ভক্তি-আন্দোলনৰ নেতৃত্ব দিছিল চৈতন্যদেৱে। সনাতন গোস্বামী আৰু ৰূপ গোস্বামী তেওঁৰ দুজন প্ৰধান শিষ্য আছিল। উৰিষ্যাত চৈতন্যৰ মত সুদৃঢ় কৰিছিল শ্যামানন্দ আৰু ৰসিকানন্দই।[৩২] চৈতন্য-সম্প্ৰদায় 'অচিন্ত্যভেদাভেদবাদ' নামেৰে প্ৰসিদ্ধ।[৩৩] 'এই মতানুসাৰে বিদেহ মুক্তিৰ পাছত জীৱাত্মা পৰমাত্মাৰ সৈতে একেবাৰে মিলি গৈ নিজৰ অস্তিত্ব সম্পূৰ্ণ লুপ্ত কৰি একাকাৰ নহয়। মুক্তিৰ পাছতো জীৱাত্মা বা ভক্তৰ পৃথক অস্তিত্ব থাকে।'[৩৪] বল্লভ সম্প্ৰদায়ৰ দৰে চৈতন্যদেৱেও 'মধুৰ ভক্তি'ৰ পোষকতা কৰে,'বঙ্গদেশত শ্ৰীচৈতন্যদেৱে নিজ ভাষ্য নকৰাকৈয়ে বৈষ্ণৱ ধৰ্মৰ বাণী প্ৰচাৰ কৰিছিল কিন্তু তেওঁৰ পিছত গৌৰীয় বৈষ্ণৱসকলে সনাতন প্ৰণীত বৃহৎ ভাগৱতামৃত্য আৰু লঘু-ভাগৱতামৃত, জীৱ গোস্বামীৰ 'ষট-সন্দৰ্ভ' আদি গ্ৰন্থক মূলাধাৰ স্বৰূপে লৈ দাৰ্শনিক মতবাদ প্ৰচাৰ কৰি গৈছে।'[৩৫] সেই হিচাপে অসমতো লক্ষ্য কৰা যায় যে, 'সৰ্বভাৰতীয় বৈষ্ণৱ ধৰ্ম প্ৰচাৰক কবীৰ (খৃঃ ১৩৯৮-১৫১৮), গুৰু নানক (খৃঃ ১৪৬৯-১৫৩৯), চৈতন্যদেৱ (খৃঃ ১৪৮৬-১৫৩৪), মীৰাবাঈ (খৃঃ ১৫০০-১৫৪৭) আদিৰ সমসাময়িক ৰূপে অসম ৰাজ্যতো শ্ৰীশংকৰদেৱ (খৃঃ ১৪৪৯-১৫৬৮), শ্ৰীদামোদৰদেৱ (খৃঃ ১৪৮৮-১৫৮৬), শ্ৰীমাধৱদেৱ (খৃঃ ১৪৯২-১৫৯৬) তথা শ্ৰীহৰিদেৱ (খৃঃ ১৪৯৩-১৫৯৬) প্ৰমুখ্যে নৱবৈষ্ণৱ ধৰ্ম গুৰুসকলৰ ধৰ্ম প্ৰচাৰে সীমামূৰীয়া মিশ্ৰিত জাতি জন-জাতিৰ বসতিভূমি প্ৰাগ্‌জ্যোতিষ-কামৰূপ অসম ৰাজ্যত সত্ৰীয়াসংহতি, সংস্কৃতি পৰম্পৰাৰ সৃষ্টি কৰিছিল। সেই বৈষ্ণৱী সত্ৰীয়া ৰীতি-পৰম্পৰাৰ

---

২৮। যোগীৰাজ বসু ঃ তথৈৱ, পৃঃ ৬৭।

২৯। উপেন্দ্ৰ নাথ গোস্বামী ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ৭৮।

৩০। মীৰাবাঈ ঃ (অনুঃ) নিৰ্মলপ্ৰভা বৰদলৈ, (মূল) ঊষা. এছ. নিলচন, পৃঃ ১৪।

৩১। অম্বৰীশ কুমাৰ বৈশ্য ঃ 'ভাৰতীয় ভক্তি আন্দোলনত দৃষ্টিপাত', মণিকাঞ্চন ঃ ৩য় বছৰ, ১ম সংখ্যা, ডিচেম্বৰ, ১৯৯৭, পৃঃ ১।

৩২। শিৱনাথ বৰ্মন (সম্পাঃ) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ২০।

৩৩। যোগীৰাজ বসু ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ৬৮ ; বাপচন্দ্ৰ মহন্ত ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ১৬৯।

৩৪। যোগীৰাজ বসু ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ৮৩।

৩৫। মনোৰঞ্জন শাস্ত্ৰী ঃ প্ৰাগুক্ত গ্ৰন্থ, অৱতৰণিকা, পৃঃ ৮।

ফলত অসম ৰাজ্য ভাষা-সাহিত্য-সমাজ, ধৰ্মাচাৰৰ যিবোৰ পৰিবৰ্তন হৈছিল সেই বোৰৰ সুদূৰ প্ৰসাৰী প্ৰভাৱ অদ্যাৱধি কুৰি শতিকাৰ শেষ তথা একৈশ শতিকাৰ আগমনৰ প্ৰাক্-কালতো আমি গভীৰভাৱে অনুভৱ কৰি আছো।'[৩৬]

'অসমৰ নৱবৈষ্ণৱ ধৰ্ম আন্দোলনৰ গুৰি ধৰোঁতা দুই মহান ব্যক্তি শংকৰদেৱ আৰু মাধৱদেৱক মহাপুৰুষ বুলি বিশেষ আসনত প্ৰতিষ্ঠিত কৰা হৈছে। অসমীয়া মানুহৰ সামাজিক আৰু চিন্তা-জগতত এই দুই মহাপুৰুষৰ বাৰেৰহনীয়া অৱদানৰ কথা কম কথাতে কৈ অন্ত কৰিব নোৱাৰি। ৰামানন্দ, কবীৰ, বল্লভ, নামদেৱ আৰু চৈতন্যৰ দৰে শংকৰদেৱে অসমত প্ৰচাৰ কৰিছিল প্ৰেম-ভক্তিৰ অভিনৱ ধৰ্মমত। এই ধৰ্মমত প্ৰচাৰত তেওঁৰ ঘাই সহযোগী আছিল মাধৱদেৱ- যাৰ সহায় আৰু উদ্যমৰ অবিহনে নৱ-বৈষ্ণৱ আন্দোলন হয়তো ইমান সফল নহ'লহেতেন।'[৩৭] এই খিনিতে এটি লক্ষ্য কৰিবলগীয়া কথা এই যে, সৰ্বভাৰতীয় ভাগৱত ধৰ্মৰ লগত প্ৰান্তীয় ৰাজ্য অসমৰ আত্মিক যোগ বন্ধ গঢ়ি উঠে একমাত্ৰ শংকৰদেৱৰ সাধনা আৰু আধ্যাত্ম্য-সাহিত্যৰ মাধ্যমেদি।

## অসমৰ নৱবৈষ্ণৱ আন্দোলন আৰু অসমীয়া সাহিত্য ঃ

অসমত পোন প্ৰথমে মহাপুৰুষ শংকৰদেৱেই ধৰ্ম, সমাজ আৰু সংস্কৃতিৰ দিশত গণতন্ত্ৰৰ বীজ ৰোপন কৰিছিল। পাঁচশ বছৰৰ আগতে গুৰুজনাই নৱবৈষ্ণৱ মতেৰে মানুহৰ মন নিকা কৰি জীৱনক এক নতুন অৰ্থ প্ৰদান কৰিছিল। তেওঁ অসমৰ জনসাধাৰণৰ বাবে কেথলিক দৃষ্টিভঙ্গী, মুক্তধৰ্ম্ম, পূজা-পাৰ্ব্বন আৰু অন্ধবিশ্বাস নথকা এটা নিকা ধৰ্ম্ম প্ৰদান কৰিছিল, যিহেতু ধৰ্ম্ম আৰু নৈতিকতা দুয়োটা সম্পৰ্ক থকা বিষয় সেয়ে শঙ্কৰদেৱৰ লিখনীসমূহত ধৰ্মৰ নৈতিকতাৰ দিশতোৰে অধিক গুৰুত্ব লাভ কৰিছিল।[৩৮]

উত্তৰ-পূৱ ভাৰতৰ এই নতুন ভক্তি ধৰ্ম প্ৰচাৰৰ গধুৰ দায়িত্ব মূৰ পাতি লৈছিল মহাপুৰুষ শংকৰদেৱে। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত বিশেষকৈ উত্তৰ আৰু দক্ষিণ ভাৰত পৰিভ্ৰমণ কৰি সমসাময়িক সমাজত হোৱা ভক্তি আন্দোলনৰ অভিজ্ঞতাৰে শংকৰদেৱে অসমতো ধৰ্ম আৰু সমাজ-সংস্কাৰ কৰিবলৈ লয়। তেওঁ নিজা পাণ্ডিত্যৰ দ্বাৰা হিন্দু ধৰ্মৰ মূল শাস্ত্ৰ সমূহ অধ্যয়ন কৰি অতি সূক্ষ্মভাৱে জনসাধাৰণে বুজিব পৰাকৈ দাৰ্শনিক ভিত্তি প্ৰদৰ্শন কৰি এখন সুস্থ সবল 'শ্ৰেণী দ্বন্দ্বহীন' সমাজ ৰচনা কৰিবলৈ যত্ন কৰিছিল। ভক্তিৰ মুক্ত নীতিৰ ওপৰত প্ৰতিষ্ঠিত পোন্ধৰ শতিকাত এটা নতুন ধৰ্ম সৃষ্টিকৰি এটা নতুন আদৰ্শৰ সৃষ্টি হৈছিল আৰু ই ভাৰতবৰ্ষৰ কিছুমান ঠাইত বিপ্লৱৰ ৰূপ ধাৰণ কৰিছিল। দেশখনৰ পূৱপ্ৰান্তত শঙ্কৰদেৱে

৩৬। প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য ঃ 'অসমৰ সত্ৰ পৰম্পৰা আৰু জন-জাতীয় পৰিৱেশ', সত্ৰসূৰ্য ঃ পৃঃ ৫৭-৫৮ ।

৩৭। কৰবী ডেকা হাজৰিকা ঃ মাধৱদেৱ ঃ সাহিত্য কলা আৰু দৰ্শন, পৃঃ ১ ।

৩৮। Birinchi Kumar Barua : Ibid (Preface)

এই সংস্কাৰ আন্দোলনতোৰ গুৰি ধৰিছিল।[৩৯]

তেওঁৰ প্ৰচাৰিত ভক্তি মাৰ্গক 'একশৰণ-নামধৰ্ম' বুলি কোৱা হয়। এই ধৰ্ম সহজ-সৰল অনাড়ম্বৰ আৰু গণতান্ত্ৰিক। লক্ষ্মীনাথ বেজবৰুৱাৰ ভাষাত এই ধৰ্ম 'উজু অথচ অমূল্য ধৰ্ম।'[৪০] ইয়াত শ্ৰীকৃষ্ণই পৰম দেৱতা আৰু তেওঁত শৰণ ললেই মানৱৰ মুক্তি লাভ হয়, এয়ে তেওঁৰ মতবাদ। তেওঁ ভাগৱত আৰু গীতাৰ মূল দৰ্শনৰ ওপৰত ভিত্তি কৰি একেশ্বৰবাদী বৈষ্ণৱ ধৰ্ম প্ৰতিষ্ঠা কৰে। কোনো দেৱ-দেৱীক বিশ্বাস নকৰি একমাত্ৰ এজন ভগৱানক ভক্তি ভাৱেৰে উপাসনা কৰিবলৈ উপদেশ দিয়া বাবেই তেওঁৰ এই 'সংস্কাৰ-মূলক' ধৰ্মীয় বিশ্বাসক একশৰণীয়া বৈষ্ণৱ ধৰ্ম বোলা হয়।[৪১] ভাগৱতৰ পৰাই এই ধৰ্মৰ মূল কথাবোৰ লোৱা হৈছিল কাৰণে 'ভাগৱতী-ধৰ্ম' বুলিও জনা যায়। তেওঁৰ ভক্তি দৰ্শনত ৰাধা আৰু লক্ষ্মীৰ স্থান নাই। মাথো শ্ৰৱণ, কীৰ্তন আৰু দাস্য ভক্তিৰ ওপৰতহে অধিক গুৰুত্ব আৰোপ কৰা হৈছিল। শংকৰদেৱৰ ব্যক্তিত্ব আৰু অদ্বৈতদৰ্শন সম্পৰ্কে ড° কৃষ্ণ নাৰায়ন প্ৰসাদ 'মাগধে' কৰা মন্তব্যও এই ক্ষেত্ৰত প্ৰণিধানযোগ্য ঃ অসমীয়া সাহিত্য জগতত মহাপুৰুষ, দাৰ্শনিক আৰু কবি হিচাপে প্ৰতিষ্ঠিত শঙ্কৰদেৱে তেওঁৰ সাহিত্যত সেই যুগৰ বৌদ্ধিক চিন্তাৰ বাতাবৰণেৰে অদ্বৈত-দৰ্শনক একাকাৰ কৰি পেলাইছিল।[৪২] শঙ্কৰদেৱৰ প্ৰচাৰিত একশৰণ ধৰ্মত যে একমাত্ৰ বিষ্ণুৱেই শ্ৰেষ্ঠ দেৱতা হিচাপে স্বীকৃত সেই কথা প্ৰতিপন্ন কৰাৰ প্ৰসংগত বিৰিঞ্চি কুমাৰ বৰুৱাই উল্লেখ কৰিছে-

'শঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্মৰ নাম 'একশৰণ ধৰ্ম', এক ভগৱানত বিশ্বাসী, যি জন ভগৱানে যুগ যুগে বিভিন্ন ৰূপত এই পৃথিবীত অৱতাৰ ধাৰণ কৰিছিল। এই অৱতাৰ বিলাকৰ ভিতৰত শ্ৰেষ্ঠ হ'ল কৃষ্ণ অৱতাৰ। এক ভগৱানক বিশ্বাস কৰিবলৈ তেওঁ কঠোৰ নিৰ্দ্দেশ দিছিল। এজন একশৰণীয়া ব্যক্তিক অন্য দেৱতাৰ পূজা কৰাত বাধা নিষেধ আৰোপ কৰা হৈছিল, কাৰণ শঙ্কৰদেৱে কৈছিল, বৈষ্ণৱ সকলে বিষ্ণুত বাদে কোনো ধৰণৰ পূঁজা পাতল বা সেই মন্দিৰলৈ গৈ অংশ গ্ৰহণ কৰাতো নিষেধ। কাৰণ তেনে কৰিলে ভক্তি ধৰ্মক কলুষিত কৰা হব।'[৪৩]

এই বৈষ্ণৱ আন্দোলনৰ প্ৰতিক্ৰিয়া স্বৰূপে সমসাময়িক ভাৰতীয় সমাজত কিছু পৰিবৰ্তন সূচিত হৈছিল, তাৰ ভিতৰত প্ৰধানকৈ-

---

৩৯। Mahendra Mohan Choudhury : Ibid : Page No. 18 ; S.N. Sarma : Ibid., Page No. 1 : Birinchi Kumar Barua : History of Assamese Literature, Page No. 60 ; Maheswar Neog : Sankaradeva and His Times, Page No. 1 ; মনোৰঞ্জন শাস্ত্ৰী ঃ পুৰণি অসমৰ ধৰ্ম আৰু দৰ্শন, পৃঃ ২০০ ।

৪০। বেজবৰুৱা গ্ৰন্থাৱলী ঃ ১ম খণ্ড, পৃঃ ৪২৭ ।

৪১। K.N. Prasad 'Magadh' : 'The Literary Works of Sankaradeva', Bhaba Prasad Chaliha (ed.) : Sankaradeva Studies In Culture, Page No. 141.

৪২। Ibid., Page No. 141.

৪৩। Birinchi Kumar Barua : Ibid., Page No. 5; Dimbeswar Neog : Jagat-Guru Sankardew, Page No. 28.

বহুদেৱতাৰ পূজাৰ পৰিবৰ্তে জনসাধাৰণে একেশ্বৰবাদত বিশ্বাস কৰিবলৈ লোৱাৰ ফলত পূজাৰ ব্যয়বহুলতা কমি যায় আৰু বহু পৰিমাণে সৰ্বসাধাৰণ মানুহ পুৰোহিত শ্ৰেণীৰ শোষণৰ পৰা মুক্ত হয়।

বৈষ্ণৱ ধৰ্মই জাতি-বৰ্ণৰ বৈষম্য বহু পৰিমাণে স্তিমিত কৰিবলৈ সক্ষম হয়, যাৰ ফলস্বৰূপে সাম্য মৈত্ৰী আৰু ঐক্যৰ বান্ধোনে ভাৰতীয় সমাজক নতুন পথৰ সন্ধান দিয়ে।

বৈষ্ণৱ ধৰ্মৰ ধৰ্মীয় সাধন প্ৰণালীৰ সৰলতাই সমাজৰ দলিত, পীড়িত আৰু অৱহেলিত সকলক ভক্তি ধৰ্মৰ আশ্ৰয় লবলৈ প্ৰেৰণা দান কৰে। মহাপুৰুষ শংকৰদেৱে তেওঁৰ মতবাদ সমূহ প্ৰচাৰৰ অৰ্থে বিশেষ ভাৱে সাহিত্যৰ আশ্ৰয় লৈছিল। ‘বৈষ্ণৱ ভক্তি আদৰ্শৰ প্ৰচাৰ আছিল তেওঁলোকৰ সাহিত্য সৃষ্টিৰ প্ৰেৰণা। সাহিত্যিক মূল্য হ্ৰাস নোপোৱাকৈ সাহিত্যৰ যোগেদি আদৰ্শ প্ৰচাৰৰ চমকপ্ৰদ দৰ্শন এই যুগৰ সাহিত্যকাৰ সকলে আমালৈ এৰি গৈছে’।[৪৪] সাহিত্যকাৰ সকলে দেৱ ভাষাৰ কৱলৰ পৰা মুক্ত হৈ প্ৰান্তীয় ভাষাত সাহিত্য ৰচনা কৰিবলৈ লোৱাত প্ৰান্তীয় সাহিত্যৰ উদ্ভৱ আৰু বিকাশৰ পথ-সুগম হৈ পৰে। নৱ-বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱতেই মধ্যযুগীয় ভাৰতীয় সাহিত্যৰাজি প্ৰাণৱন্ত হৈ সাৰ পাই উঠে। ‘মহাপুৰুষ শংকৰদেৱৰ বিশাল ৰচনাৰাজিৰ মূল সুৰটো হ’ল সত্যৰ আধাৰত সন্ধান’।[৪৫] শংকৰদেৱৰ প্ৰচাৰিত নৱবৈষ্ণৱ আন্দোলনে ভাৰতৰ বৈষ্ণৱ আন্দোলনৰ দৰেই সুদূৰ প্ৰসাৰী অসমতো প্ৰভাৱ বিস্তাৰ কৰিছিল। বিভিন্ন সংকট আৰু সংঘাতত ভোগা তৎকালীন অসমবাসীক মহাপুৰুষ জনাই ধৰ্মৰ দোলেৰে বান্ধি একত্ৰিত কৰাৰ ওপৰিও এক সাংস্কৃতিক ঐতিহ্য নিৰ্মাণ কৰি যায়। বৈষ্ণৱ নৱজাগৰণে এই দৰেই অসমৰ সকলো সাংস্কৃতিক আৰু প্ৰগতিশীল জীৱনৰ কাষ চাপিছিল আৰু ইয়াৰ ফলস্বৰূপে ভাৰতবৰ্ষৰ পূৱ প্ৰান্তৰ সকলোলোককে একতাৰ দোলেৰে বান্ধি পেলাইছিল।[৪৬] শংকৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত ভক্তি ধৰ্মৰ সাধাৰণ লক্ষণ সমূহ ড° সত্যেন্দ্ৰনাথ শৰ্মাদেৱে তলত দিয়া ধৰণেৰে জুকিয়াই দেখুৱাইছে[৪৭] -

১। এই ধৰ্ম কৃষ্ণ ভক্তি প্ৰধান। ভাগৱত পুৰাণ আৰু গীতা এই মাৰ্গৰ প্ৰধান আৰু আদৰ্শ গ্ৰন্থ।

২। শ্ৰৱন আৰু কীৰ্তনৰ যোগে ভাগৱানৰ উপাসনা।

৩। নানা দেৱ-দেৱীৰ ঠাইত অব্যভিচাৰী ভক্তিৰ দ্বাৰা বিষ্ণুত আশ্ৰয়।

৪। যাগ-যজ্ঞ, তপস্যা-ব্ৰত আদি কষ্ট সাপেক্ষ, ক্ৰিয়া-বহুল সাধন বা উপাসনাৰ অনুপযোগিতা দৰ্শন।

৫। গুৰু আৰু সৎসঙ্গৰ শ্ৰেয়স্কৰ প্ৰভাৱ।

৬। অহিংসা, প্ৰেম, দয়া আদি সৎপ্ৰবৃত্তিৰ কৰ্ষনৰ ওপৰত গুৰুত্ব।

---

৪৪। শিৱনাথ বৰ্মন (সম্পাঃ) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ১।

৪৫। চন্দ্ৰপ্ৰসাদ শইকীয়া ঃ ‘শঙ্কৰদেৱৰ অসম’ সত্ৰসূৰ্য ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ২৭

৪৬। Maheswar Neog : 'The Vaisnav Renaissance in Assan', (A Souvenir) : Aspects of the Heritage of Assam, Page No. 48.

৪৭। সত্যেন্দ্ৰ নাথ শৰ্মা ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃঃ ৯৯।

৭। ভক্তিৰ ক্ষেত্ৰত ব্ৰাহ্মণ-চণ্ডাল সকলোৱে সম অধিকাৰ।

শংকৰদেৱৰ প্ৰচাৰিত নৱবৈষ্ণৱ ধৰ্ম মতৰ মূলকথা সম্পৰ্কে পণ্ডিত হৰমোহন দাসে বিতং ভাৱে আলোচনা কৰিছে, তেখেতে উল্লেখ কৰা শংকৰী আদৰ্শৰ মূল কথাখিনি সংক্ষেপতে তলত দিয়া ধৰণৰ ঃ

সকলো ধৰ্ম পৰিহাৰ কৰি এক কৃষ্ণ দেৱতাত শৰণ লোৱা, তেৱেঁই সকলোকে শোক-দুখৰ মুক্তি দিব। অহৈতুকী বা নিস্পৃহ ভাৱে ভগৱানৰ ভক্তি কৰা, যিয়ে ভগৱানৰ দ্বাৰা আশীষ ধন্য হৈছে, তেওঁলোকে সকলো ভণ্ডামি পৰিহাৰ কৰি অন্তঃচিত্তে ভগৱানত শৰণ লোৱা আৰু ঈশ্বৰৰ মায়াত বন্দী হৈ শুদ্ধি লাভ কৰা । ঈশ্বৰৰ ছাঁয়া পোৱাই মানুহৰ আটাইতকৈ শ্ৰেষ্ঠ কাম। ভাগৱত পুৰাণত শংকৰদেৱৰ উক্ত মতবাদেই প্ৰধান স্থান পাইছে, কলিযুগত প্ৰকৃত ধৰ্ম নিহিত হৈ আছে উদ্দেশ্য বিহীন হৰিৰ গুণানুকীৰ্তনত। জুঁইয়ে সকলোকে পুৰি পেলোৱাৰ দৰে ভগৱানৰ গুণানুকীৰ্তনেও সকলো পাপ মোচন কৰিব। ঈশ্বৰক জ্ঞান, কৰ্ম্ম, পূজা-পাতল আদিৰে নহয় , ভক্তিৰেহে আকোঁৱালিব পাৰি। সকলো দেৱতাৰ গুণ এজন কৃষ্ণতেই নিহিত হৈ আছে অৰ্থাৎ তেওঁৰ কীৰ্তনতেই প্ৰকৃততে ধৰ্মতো বৰ্তী আছে। অন্য দেৱ দেৱতাক পূজা কৰাৰ কোনো প্ৰয়োজন নাই। কেৱল হৰিতেই শৰণ লোৱা, দাস্য ভক্তিয়েই হল প্ৰকৃত ভক্তি, যিয়ে মালিক আৰু দাসৰ প্ৰকৃত সম্পৰ্ক ৰক্ষা কৰে। প্ৰকৃত ভক্তই তেওঁৰ মালিক অৰ্থাৎ ভগৱানক সেৱা কৰাই আচল কাম বুলি ভাৱে। প্ৰাৰ্থনা উদ্দেশ্য বিহীন হব লাগে। হৰিৰ বিনে লক্ষ্মীক পূজা কৰাৰ কোনো অৰ্থ নাই , কিয়নো লক্ষ্মীও হৰিৰ দাসহে। নিজকে সম্পূৰ্ণ ঈশ্বৰত অৰ্পন কৰিব লাগে আৰু মূৰ্তি পূজাক মান্যতা দিব নালাগে। ঈশ্বৰ যিহেতু আকাৰ বিহীন তুমি তাক কি দৰে পূজিবা ? নিৰাকাৰ বস্তু এটাত কি দৰে ধ্যানষ্ঠ হ্বা ? সেয়েহে ৰাম নামেৰেই তোমাৰ মন শুদ্ধ কৰা। পানী চতিয়াই আত্মা শুদ্ধ কৰা আৰু মূৰ্ত্তিত পূজা অৰ্চনা কৰা আদি কাম বৈষ্ণৱ সকলে কেতিয়াও নকৰে। কৃষ্ণই কৈছে, যিয়ে তেনে কৰে তেওঁ গৰুতকৈও হীন। নিমি-নৱ-সিদ্ধই কোৱাৰ দৰে শংকৰদেৱেও ভাগৱত ধৰ্মত এইদৰে কৈছিল ঃ সকলো ধৰণৰ পূজা-পাতল ধৰ্মীয় নীতি-নিয়ম সম্পূৰ্ণৰূপে এজন কৃষ্ণৰ নামতে কৰিব লাগে। ঈশ্বৰেই মূল আৰু তেওঁ তেওঁৰ ভক্তক ৰক্ষা কৰে- এইয়া শংকৰদেৱৰো দৃঢ বিশ্বাস। প্ৰকৃত ভক্তই মুক্তি বা পৰমাত্মাত বিলীন হবও নিবিচাৰে, মাথো তেওঁলোকে ঈশ্বৰত মনপ্ৰাণ উছৰ্গা কৰি ভাল পায়। সংসাৰৰ মায়াজালৰ পৰা মুক্তি বিচাৰি চিৰ দিন তেওঁৰ দাস হৈ থাকিব বিচাৰে। শংকৰদেৱৰ মতে ঈশ্বৰত্বৰ ধাৰণা এনেধৰণৰ ঃ হে ভগবান, তুমি পৃথিৱীৰ শ্ৰেষ্ঠ আত্মা, স্ৰষ্টা আৰু বিধাতা, তুমিয়েই সকলো হৃদয়ৰ হৃদয়, সত্যৰ সত্য, তুমি সকলোতে আৰু তোমাতেই সকলো। অজ্ঞানতাৰ কাৰণে মানুহে তোমাক ভিন্ন ৰূপত ভাৱে। সৌন্দৰ্য্য উপভোগৰ বাবে মুক্তি নালাগে, কেৱল তোমাৰ চৰণ সেৱা কৰাতোৱেই ভক্তৰ উদ্দেশ্য। যেতিয়া ভক্তই ঈশ্বৰত নিজকে সম্পূৰ্ণ সমৰ্পণ কৰে ঈশ্বৰে কেতিয়াও তেওঁৰ ভক্তক আকোঁৱালী বা সুৰক্ষা নিদিয়াকৈ থাকিব নোৱাৰে। তেনে অৱস্থাত ঈশ্বৰে কয়, হে মোৰ প্ৰিয় ভক্ত উদ্ধৱ ! এইতো নিশ্চয় কৈ জানিবা যে, মোৰ হৃদয়খন ভক্তসকলৰহে, মোৰ নহয়।[৪৮]

৪৮। Hara Mohan Das : Sankaradeva - A Study, Page No. 52-56 .

শংকৰদেৱে তেখেতৰ ধৰ্মীয় নীতি আৰু আদৰ্শ সমূহক স্থায়ীত্ব প্ৰদান কৰাৰ কাৰণে আশ্ৰয় লৈছিল বিভিন্ন শ্ৰেণীৰ সাহিত্য আৰু সুকুমাৰ কলাৰ ওপৰত। 'অসমৰ নৱবৈষ্ণৱ ধৰ্মই গীত-বৰগীত, নাটক, কাব্য, সংগীত তথা চিত্ৰকলা, চিত্ৰাঙ্কন, শিল্প-ভাস্কৰ্য্যৰ ক্ষেত্ৰত পৰিবৰ্তিত অৱস্থা অনুসৰি প্ৰভাৱ বিস্তাৰ কৰিছিল ঃ ইয়াক মধ্যযুগীয় নৱ-অভ্যুদয় আন্দোলন বুলিব পাৰি'।[৪৯] তেওঁ ৰচনা কৰি যোৱা বিভিন্ন শ্ৰেণীৰ সাহিত্যই বৈষ্ণৱ যুগৰ অসমীয়া সাহিত্যক কেৱল সমৃদ্ধ কৰাই নাছিল, সি সমসাময়িক আৰু পৰৱৰ্তী লিখক সকলকো অনুপ্ৰাণিত কৰি তোলাত অভূত পূৰ্ব অৰিহনা যোগাইছিল। তেওঁ অসমীয়া সাহিত্যক গীত-মাত, ভক্তি-বন্দনা আৰু নাটক আদিৰ জৰিয়তে এক অতি উচ্চ স্তৰলৈ লৈ গৈছিল আৰু বৈষ্ণৱ ধৰ্মৰ হৈ কাম কৰি তাক পালন কৰিছিল।[৫০] শংকৰদেৱৰ সাহিত্য সম্ভাৰক ড° সত্যেন্দ্ৰ নাথ শৰ্মাই তলত দিয়া ধৰণে ভাগ কৰি দেখুৱাইছে[৫১] -

১) কাব্য ঃ ১। হৰিশ্চন্দ্ৰ উপাখ্যান, ২। ৰুক্মিণী হৰণ কাব্য, ৩। বলিচলন, ৪। অমৃত মথন, ৫। অজামিল-উপাখ্যান আৰু ৬। কুৰুক্ষেত্ৰ ।

২) ভক্তি-তত্ত্ব প্ৰকাশক সংগ্ৰহ ঃ ১। ভক্তি-প্ৰদীপ, ২। ভক্তি-ৰত্নাকৰ (সংস্কৃত), ৩। নিমি-নৱ সিদ্ধ-সংবাদ।

৩) অনুবাদ মূলক ঃ ১। ভাগৱত ১ম, ২য়, ৬ষ্ঠ (অজামিল উপাখ্যান মাত্ৰ), ৮ম (বলিচলন, অমৃত-মথন), ১০ম, ১১শ-স্কন্ধ আৰু ২। উত্তৰাকাণ্ড ৰামায়ণ ।

৪) অংকীয়া নাট ঃ ১। পত্নী প্ৰসাদ, ২। কালিয় দমন, ৩। কেলি গোপাল, ৪। ৰুক্মিণী হৰণ, ৫। পাৰিজাত হৰণ আৰু ৬। ৰাম বিজয় ।

৫) গীত ঃ ১। বৰগীত আৰু ভটিমা, ২। টোটয় আৰু চপয় ।

৬) নাম-প্ৰসঙ্গ ঃ ১। কীৰ্তন আৰু ২। গুণমালা ।

শংকৰদেৱৰ প্ৰধান আৰু প্ৰিয়তম শিষ্য মহাপুৰুষ মাধৱদেৱেও প্ৰায় সমান ভাবেই সাহিত্য সৃষ্টি কৰি শংকৰীযুগৰ সাহিত্যক মহীয়ান কৰি তুলিছিল।

---

৪৯। প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য ঃ 'অসমৰ সত্ৰ পৰম্পৰা আৰু জনজাতীয় পৰিবেশ', সত্ৰসূৰ্য ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ৫৯।

৫০। Suniti Kumar Chatterje : 'The eka-Sarana Dharma of Sankaradeva The Greatest Expression of Assamese Spiritual outlook', Bhaba Prasad Chaliha (ed.) : Sankaradeva Studies in Culture, Page No. 2.

৫১। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত ঃ পৃঃ ১২৩ ; Pratap Chandra Choudhury : Jagadguru Srimanta Sankaradeva, Page No. 24 ; K.N. Prasad 'Magadh' : 'The literary works of Sankaradeva', Bhaba Prasad Chaliha (ed.) : Ibid. Page No. 42 ; Dimbeswar Neog : Ibid, Page No. 51 ; Maheswar Neog : Ibid. Page No. 160-161.

মহান বৈষ্ণৱ মনীষা আৰু কবি শংকৰদেৱে ভাগৱতৰ ওপৰত প্ৰতিষ্ঠিত বৈষ্ণৱ ধৰ্মৰ শিক্ষা দিছিল আৰু তেওঁ যোগ্য শিষ্য মাধৱদেৱে তাক অনুকৰণ কৰিছিল। আমাৰ সামাজিক জীৱনৰ সকলো দিশতে ভক্তিয়ে বিশেষ স্থান লাভ কৰিছিল আৰু সেই সময়ৰ পৰা ভক্তিৰ বৰ্ণনা আৰু উছৰ্গাই হৈ পৰিছিল সাহিত্যৰ মূল শক্তি।[৫২] 'শংকৰদেৱে পোনতে ৰোপন কৰা নৱবৈষ্ণৱ ধৰ্মই ডাল-পাত মেলি জাতিস্কাৰ হৈছিল বিশেষকৈ মাধৱদেৱৰ সহযোগিতা আৰু নেতৃত্বত। .... নিপুন প্ৰচাৰক মাধৱদেৱৰ বাবেহে নৱবৈষ্ণৱ ধৰ্মৰ ভেটি সুদৃঢ় হৈছিল।'[৫৩] শংকৰদেৱৰ কনিষ্ঠ সমসাময়িক অনন্ত কন্দলি আৰু ৰাম সৰস্বতীয়েও এই বিষয়ত উল্লেখযোগ্য অৱদান আগবঢ়াইছিল। ইয়াৰ পিছত অসমীয়া সাহিত্যই প্ৰচুৰ ভাৱে বিস্তাৰ লাভ কৰিলেও নৱোন্মেষশালিনী প্ৰতিভা-সম্পন্ন লিখকৰ কিন্তু উদ্ভৱ নহ'ল। এই খিনিতে এটা উল্লেখযোগ্য কথা যে, 'অংকীয়া নাট শংকৰদেৱৰ হাতেতে জন্ম লাভ কৰি তেওঁৰ হাতেতে পূৰ্ণতা লাভ কৰিলে। তেওঁৰ প্ৰতিভাক অতিক্ৰম কৰিব পৰা সামৰ্থ পৰৱৰ্তী কোনো নাট্যকাৰে আহৰণ কৰিব নোৱাৰিলে। .... শঙ্কৰ-মাধৱৰ জীৱন কালৰে পৰা বৈষ্ণৱ যুগৰ সামৰণিলৈকে আন কোনো বিশিষ্ট নাট্যকাৰেই গা-কৰি উঠিছিল বুলি ভাৱিবৰ অৱকাশ নাই।'[৫৪] শংকৰ-মাধৱ দুজনা গুৰুৰ সাহিত্যৰাজিৰ অন্ধ অনুকৰণে কাব্য, নাট, গীত আদি বিভিন্ন দিশৰ সাহিত্যৰ কলেৱৰ বৃদ্ধি কৰিলেও নতুন সৃষ্টিৰ সোৱাদ জন সাধাৰণক দিব নোৱাৰিলে।

'অসমৰ সংস্কৃতিৰ বুৰঞ্জীত ষোড়শ-শতিকা এক নৱ-অভ্যুদয়ৰ কাল। এই কালতে অসমীয়া জাতি আৰু সংস্কৃতিয়ে নিৰ্দিষ্ট এক গঢ ললে। অসমৰ ধৰ্ম-জীৱন, সমাজ নীতি, ভাষা, সাহিত্য, সঙ্গীত, কলা আদি সংস্কৃতিৰ মূল উপাদানবোৰৰ ওপৰত শংকৰদেৱৰ প্ৰভাৱ ইমান বেছি যে অসমীয়া সংস্কৃতিৰ মাজৰ সুঁতিটোকে শংকৰী-সংস্কৃতি বুলি কব পাৰি।'[৫৫]

সপ্তদশ-অষ্টাদশ শতাব্দীত সৰু বৰ অনেক লিখকে শংকৰ-মাধৱৰ ৰচনা ৰীতিৰ দ্বাৰা প্ৰভাৱান্বিত হৈ অনেক কাব্য, গীত, নাট আদি ৰচনা কৰিছিল, বিশেষকৈ দুজনা গুৰু শংকৰ-মাধৱৰ তিৰোধানৰ পিছত পৰৱৰ্তী বৈষ্ণৱ কবি সকলৰ ধৰ্ম প্ৰচাৰৰ ব্যৱস্থাই সত্ৰ-সমূহৰ উদ্ভাৱন কৰে। 'ভাষা আৰু সংস্কৃতিৰ ফালৰ পৰাও পুৰণি সাহিত্যৰ কৃত-কৃত্যতা আওহেলা কৰিবলগীয়া নহয়। পুৰণি সাহিত্য আমাৰ জাতীয় জীৱনৰ এটি সংকটময় সন্ধিক্ষণত ৰচিত হয়। পুৰণি কামৰূপ ৰাজ্য তেতিয়া নানান দেশী-বিদেশী সৈন্য-সামন্তৰ দ্বাৰা আক্ৰান্ত হৈ জুৰুলা হয়। পূৱে নৱাগত আহোম সকলে, পশ্চিমে কোঁচ ৰজা সকলে আৰু মাজে মাজে বিক্ৰমী মোগল সেনা বাহিনীয়ে সোমাই কামৰূপ ৰাজ্য বহুধা বিভক্ত কৰি জাতীয়

৫২। Biswanarayan Shastri : 'Ramayana in Assamese Literature', V. Raghaban (ed.) : The Ramayan Tradition in Asia, Page No. 589.

৫৩। কৰবী ডেকা হাজৰিকা ঃ মাধৱদেৱ ঃ সাহিত্য, কলা আৰু দৰ্শন, পৃঃ ১৪১ ।

৫৪। বদন চন্দ্ৰ শইকীয়া ঃ 'বৈষ্ণৱ যুগৰ নাট্য সাহিত্য', ভুৱনেশ্বৰী বৈশ্য (সম্পাঃ) ঃ অসমৰ বৈষ্ণৱ সাহিত্য আৰু সংস্কৃতি, পৃঃ ৪১-৪২ ।

৫৫। মহেশ্বৰ নেওগ ঃ শ্ৰীশ্ৰীশংকৰদেৱ, পৃঃ ১৩৬ ।

জীৱন সমূলে উৎপাটন কৰিবৰ সূত্ৰপাত কৰে। জাতীয় জীৱনৰ এই ছিন-ভিন্ন হ'ব লগীয়া অৱস্থাত বৈষ্ণৱ সাহিত্যই নতুন প্ৰাণৰ সঞ্চাৰ কৰি সৰ্বভাৰতীয় মহাজাতীয় চৈতন্যৰ লগত ইয়াৰ ঐক্য-ভাৱ স্থাপন কৰে। দেশী-বিদেশী সৈন্যৰ জয়-পৰাজয়ৰ প্ৰলয়কাৰী ৰণ-হুঙ্কাৰৰ মাজতো অসমীয়া জাতীয় জীৱনে নৱ-প্ৰতিষ্ঠিত বৈষ্ণৱ সত্ৰবোৰক কেন্দ্ৰ কৰি 'নিৱাত নিস্কম্পইৱ প্ৰদীপঃ' বতাহ নলগা নকঁপা চাকিটিৰ দৰে জ্বলি থাকিল।'[৫৬]

সময়ৰ লগে লগে সত্ৰ অনুষ্ঠানে সমগ্ৰ অসম খনকে চানি পেলায়। শংকৰী-সাহিত্য-সংস্কৃতিৰ পৃষ্ঠপোষক এই সত্ৰ সমূহৰ পৰাই ভালেমান শিল্পী সাহিত্যিকৰ সৃষ্টি হয়। 'সকলো দেশৰে সাহিত্যৰ বুৰঞ্জীত একোটা শক্তিমন্ত যুগৰ পিছত এক অৱসাদ ভাৱ অহা দেখা যায়। সেই অৱসাদৰ বেলা প্ৰতিভাবান পূৰ্ব কবি সকলৰ প্ৰভাৱে অনুসৰণৰ মাজেদি প্ৰসাৰ লাভ কৰে',[৫৭] থিক তেনেকৈ আমাৰ আলোচ্য বিষয় মহাপুৰুষ হৃদয়ানন্দ কায়স্থয়ো এনে এক ঐতিহ্যৰে বাৰ্তাবাহক। তেওঁৰো সাধ্যনুসাৰে পূৰ্বকবিৰ অনুসৰণৰ পথেৰেই অসমীয়া সাহিত্য-সংস্কৃতিলৈ যৎকিঞ্চিত অৱদান আগবঢ়াই থৈ গৈছে। সেই বিষয়ে পৰৱৰ্তী অধ্যায় সমূহত আলোচনা আগবঢ়োৱা হৈছে।

---

৫৬। বাণীকান্ত কাকতি ঃ পুৰণি অসমীয়া সাহিত্য, পৃঃ ১০-১১ ।

৫৭। মহেশ্বৰ নেওগ ঃ 'সংস্কৃতি সাহিত্যত শঙ্কৰী প্ৰভাৱ', বিৰিঞ্চি কুমাৰ বৰুৱা (সংঃ) ঃ নিৰ্বাচিত প্ৰৱন্ধ, পৃঃ ১২৫ ।

# দ্বিতীয় অধ্যায়

## সত্ৰৰ উৎপত্তি আৰু বিকাশ

অসমৰ মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মত সত্ৰ অনুষ্ঠানে এক বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। স্বৰূপাৰ্থত ক'বলৈ গ'লে শংকৰী ধৰ্ম আৰু সংস্কৃতিৰ সকলো উপাদান সত্ৰই সংৰক্ষণ আৰু সংবৰ্দ্ধন কৰি আহিছে। এই প্ৰসংগত 'সত্ৰ' শব্দটোৰ উৎপত্তি সম্পৰ্কে বিচাৰ কৰি চাবলগীয়া। বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য্যদেৱে তেখেতৰ 'শৰণ-সংগ্ৰহ' নামৰ গ্ৰন্থত সত্ৰৰ এটা বৈষ্ণৱজনোচিত সংজ্ঞা দিছে আৰু সম্ভৱতঃ অসমৰ সত্ৰ সম্পৰ্কে এইটোৱেই প্ৰাচীনতম সংজ্ঞা। ভাগৱত ভট্টাচাৰ্য্যৰ সংজ্ঞাটো এনেধৰণৰ ঃ

যত্ৰাচৰন্তি সদ্ধৰ্মান্ কেৱলা ভগৱদপ্ৰিয়া
নৱধা ভগৱদ্ভক্তিঃ প্ৰত্যহং যত্ৰৱৰ্ততে।
তদ-সত্ৰমুত্তমং ক্ষেত্ৰং বৈষ্ণৱ সুৱবন্দিতম্,
তত্ৰস্থা বৈষ্ণৱাঃ সৰ্ব্বে হৰিনাম পৰায়নাঃ।।[১]

যত প্ৰত্যেক দিনাই সকলো ধৰ্মৰ ভিতৰত ভগৱদ প্ৰিয় কেৱলা ভক্তি অৰ্থাৎ বিষ্ণু ভক্তিৰ অন্তৰালত সন্নিহিত নৱবিধ ভগৱদ ভক্তি দৈনন্দিন চৈধ্য প্ৰসঙ্গত প্ৰৱৰ্ত্তন কৰা হয়, যি দেৱতা আৰু বৈষ্ণৱৰ নিত্য বন্দিত উত্তম ধৰ্মক্ষেত্ৰ, সেই আবাসস্থানেই সত্ৰ। উল্লেখযোগ্য যে, সেই ঠাইত থকা আটাইবোৰ লোকেই বৈষ্ণৱ ভক্তিত হৰিনাম পৰায়ণ। মুঠতে ওপৰৰ সংজ্ঞাটোৰ পৰা এই কথা স্পষ্ট হ'ল যে, ভট্টদেৱৰ 'সত্ৰ' এখনি ভক্ত সকলে নৱবিধা ভক্তি আচৰণ কৰাৰ সংযোগ স্থলেই নহয় সেই সত্ৰ ভক্ত সকলৰ নিবাস স্থানো। 'সত্ৰ' শব্দটোৰ ব্যৱহাৰ আৰু প্ৰয়োগ সম্পৰ্কত ড° সত্যেন্দ্ৰ নাথ শৰ্মাই 'P.V. Kane: History of Dharmasastras, Vol. II, Part-II, P.P. 12,39.' উক্ত গ্ৰন্থখনিৰ উদ্ধৃতিৰে তেখেতৰ গৱেষণা গ্ৰন্থত উল্লেখ কৰিছে এনেদৰে ঃ ভাৰতৰ ধৰ্মীয় বুৰঞ্জীত বৈষ্ণৱ অনুষ্ঠান-প্ৰতিষ্ঠান হিচাপে 'সত্ৰ' শব্দটোৰ প্ৰয়োগ নতুন। সংস্কৃত সাহিত্যত 'সত্ৰ' শব্দটো দুটা অৰ্থত ব্যৱহৃত হয়, প্ৰথমে ই এক ভিক্ষাগৃহ ৰূপে আৰু দ্বিতীয়তে, বছেৰেক বা ততোধিক কাল পৰ্য্যন্ত চলা কোনো যজ্ঞৰ অৰ্থত।[২] ড° তাৰাকান্ত ঝাই মন্তব্য কৰিছে, মধ্যযুগত সত্ৰত পণ্ডিত গুৰুসকলৰ দ্বাৰা প্ৰাচীন শিক্ষাৰ সূত্ৰপাত কৰা হৈছিল আৰু এই সত্ৰবোৰে উমৈহতীয়া ভাৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ কেন্দ্ৰ, বিদ্যালয় আৰু গ্ৰন্থালয়ৰ নিচিনা পবিত্ৰ কাৰ্য্য সম্পাদন কৰিছিল।[৩]

অসমত নৱবৈষ্ণৱ ধৰ্ম প্ৰতিষ্ঠাৰ ফলত তথাকথিত সংশ্লিষ্ট অসমীয়া সমাজৰ ভাৱ-ভঙ্গী, আচাৰ-নীতি আৰু ধৰ্মীয় আদৰ্শ সলনি হ'বলৈ ধৰে। যাৰফলত ভক্ত সমাজত ভগৱত চিন্তা বাহিবলৈ ধৰে আৰু আধ্যাত্মিক উৎকৰ্ষসাধনৰ প্ৰতি বিশেষ গুৰুত্ব আহি পৰে। সমাজ সংস্কাৰৰ লগতে কলা-কৃষ্টিৰ বিকাশৰ প্ৰতিও তেওঁলোক আগ্ৰহী হয়। এনেকুৱা উন্নতি-মুখী চিন্তা-চৰ্চ্চাৰ প্ৰাণকেন্দ্ৰ হৈ পৰে সত্ৰানুষ্ঠান সমূহ। খৃষ্টীয় পঞ্চদশ শতিকাৰ শেষভাগৰ পৰা এই সত্ৰসমূহ হৈ পৰে

---

১। সত্যেন্দ্ৰ নাথ শৰ্মা, 'সত্ৰৰ উৎপত্তি ইতিহাস আৰু অৱদান', 'সত্ৰসূৰ্য' ঃ কলিয়াবৰ জিলা সত্ৰ মহাসভা, পৃঃ ২.৩।

২। S.N. Sarma : The Neo-Vaisnavite Movement and the Satra Institution of Assam, P. No -103.

৩। তাৰাকান্ত ঝা ঃ মহাপুৰুষ শংকৰদেৱ তথা অসম কা সত্ৰ সংস্থান, পৃঃ ৮০।

সৎসঙ্গৰ সমাৱেশ, মানৱ সমাজৰ হিত চিন্তাকাৰী, ভক্তবৃন্দৰ পয়োভৰ আৰু শংকৰ-মাধৱ প্ৰমুখ্যে সমকালীন বৈষ্ণৱ গুৰুসকলৰ কেন্দ্ৰস্থল।[৪] কম দিনৰ ভিতৰতে সত্ৰ সমূহ সমাজ ব্যৱস্থাৰ এক অংগ হৈ পৰে। সামাজিক শৃংখলা ৰক্ষা গঞাঁসমাজত সীমিতৰূপত বিচাৰ আৰু দন্দ-বিধিৰ প্ৰয়োগ, শিক্ষাৰ বিস্তৃতি ঘটোৱা আৰু শিল্পকলাৰ বিকাশ সাধন কৰা ইত্যাদি ক্ষেত্ৰত জন সাধাৰণক নেতৃত্ব দিবলৈ ধৰে। অকল সিমানেই নহয় তেতিয়াৰ অসমৰ অনাৰ্য আৰু জনজাতীয় লোকক বিশিষ্ট অসমীয়া গঢ়ৰ সমাজৰ অন্তৰ্ভুক্ত কৰাত সত্ৰই প্ৰধান ভূমিকা লয়।[৫] সাহিত্যৰত্ন হৰিনাৰায়ণ দত্তবৰুৱাই উল্লেখ কৰিছে, শংকৰদেৱৰ বৰদোৱাত থাকোঁতেই কীৰ্তন ঘৰ সজাই তাতে নিয়মিতভাৱে ভক্তবৃন্দৰ সৈতে হৰিকীৰ্তন কৰিবলৈ ধৰে। পিছলৈ ভক্তৰ সংখ্যা বাঢ়ি উঠে আৰু হাটীবহা পাতি ভক্তসকল থাকিবলৈ লয়।[৬] যদি সেয়ে হয় বৰদোৱাতেই সৰ্বপ্ৰথম-'সত্ৰ'ৰ উৎপত্তি হৈছে। ভক্তি ধৰ্মৰ অনুষ্ঠান আৰু সত্ৰৰ আৱয়বিকৰূপ সম্পৰ্কে ড° মহেশ্বৰ নেওগদেৱৰ মন্তব্যও দত্তবৰুৱাৰ অনুৰূপ। 'শংকৰদেৱে দুকুৰি চৈধ্য বছৰ বয়সত প্ৰথম বিবাহ কৰাৰ পাছত আলিপুখুৰীত থাকি হৰিকীৰ্তন কৰি কৃষ্ণ কথা চৰ্চ্চে আৰু তাত জঞ্জাল পাই গ্ৰামৰ পৰা দূৰৰ কুসুম্বৰৰ নিজঞ্জাল সবিয়হ তলিত 'চাৰি-হাটী কৰিঃ হৰি গৃহ বান্ধে।' এয়ে পিছৰ পৰিবৰ্ধিত সত্ৰ অনুস্থানৰ আদিৰূপ, হৰিগৃহ কীৰ্তনঘৰ বা নামঘৰক কেন্দ্ৰ কৰি আৱাসিক ভক্ত সকলৰ চাৰিওকাষৰে থকাৰ দিহাৰে।[৭] তাতেই ভক্তবৃন্দৰ সৈতে ধৰ্মালাপ, শাস্ত্ৰ -চৰ্চ্চা, প্ৰাসঙ্গিক প্ৰাৰ্থনা আৰু নাট অভিনয়ৰ চৰ্চ্চা কৰিবলৈ লয়। তদুপৰি গুৰুজনাই বেছি ভাগ সংস্কৃত শাস্ত্ৰ অসমীয়ালৈ ভাঙনি কৰাৰ লগতে বৰগীত আৰু অংকীয়া নাটকে ধৰি বিভিন্ন মৌলিক কাব্যও ৰচনা কৰে।[৮] ড° মহেশ্বৰ নেওগে উক্ত প্ৰসঙ্গতে আৰু এষাৰ কথাৰ অৱতাৰণা কৰিছে, নাম-দেৱ-গুৰু-ভকতক মহাপুৰুষীয়া সকলৰ চাৰিশৰণৰ মূলৰূপে বহুতে বৌদ্ধ ধৰ্মৰ বৌদ্ধত শৰণ, ধৰ্মত শৰণ আৰু সংঘত শৰণলৈ ঘূৰি চাব খোজে। সেইদৰে আমাৰ সত্ৰানুষ্ঠানৰ মূলতো বৌদ্ধ ধৰ্মৰ আৱাসিক অনুষ্ঠান বিহাৰ বা সঙ্ঘাগাৰক পাবলৈ বিচাৰে।[৯] এই প্ৰসঙ্গতে ড° সত্যেন্দ্ৰ নাথ শৰ্মাদেৱে তেখেতৰ 'সত্ৰ' সম্পৰ্কীয় গৱেষণা গ্ৰন্থত কৈছে যে, সত্ৰানুষ্ঠান সমূহ অসমৰ বৈষ্ণৱ আন্দোলনৰ এক বিশেষ ৰূপ যিবিলাক বৌদ্ধ বিহাৰ আৰু মধ্যযুগৰ মঠ অনুষ্ঠানৰ সৈতে একে।[১০] অসমীয়া সমাজৰ উমৈহতীয়া ধৰ্মানুষ্ঠান নামঘৰ আৰু সত্ৰ, শিখ ধৰ্মৰ গুৰুদ্বাৰ আৰু ধৰ্মশালা প্ৰায় একেশাৰীৰে বুলি কব পাৰি।[১১]

শংকৰদেৱৰ তিৰোভাৱৰ পিছত মহাপুৰুষ মাধৱদেৱেও যি যি স্থানত ধৰ্ম চৰ্চ্চা কৰিছিল পৰৱৰ্তী কালত তাতো একো একোখন সত্ৰৰ সৃষ্টি হৈছিল। অৱশ্যে গুৰুজনাৰ দেহাৱসানৰ পিছত পৰৱৰ্ত্তী কালৰ ধৰ্মাধিকাৰ সকলে মূল সত্ৰৰ

৪। S.N. Sarma, 'The Satra Institution of Assam' (A Sovenir), K.N.Datt. (Ed.) : Aspects of the Heritage of Assam, P.No.-50.

৫। হীৰেণ গোহাঁই ঃ অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা, পৃঃ-৬৪।

৬। হৰিনাৰায়ণ দত্তবৰুৱা (সম্পাঃ)ঃ শ্ৰীশংকৰ বাক্যামৃত (১ম খণ্ড), পৃঃ-৬।

৭। মহেশ্বৰ নেওগ (সম্পাঃ)ঃ গুৰু চৰিত কথা, ভূমিকা, পৃঃ-১২৮।

৮। Birinchi Kumar Boruah : Sankardeva Vaisnava Saint of Assam, P.No.7.

৯। মহেশ্বৰ নেওগঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ- ১২৯।

১০। S.N. Sarma. Ibid, P.100.

১১। Mohendra Mohan Choudhury, 'The Sixteenth century Renaissance and Sankaradeva', R.Malakar (ed) : Teachings of Sri Sankaradeva, P.25.

আলমত বহুতো শাখা সত্ৰ প্ৰতিষ্ঠা কৰিলে। দামোদৰদেৱ আৰু হৰিদেৱে দুটি পন্থা অধিকাৰ কৰিলে। তেনেদৰে মহাপুৰুষ মাধৱদেৱেও বাৰজনক ধৰ্মাচাৰ্য পাতি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বিভিন্ন ঠাইত সত্ৰ প্ৰতিষ্ঠা কৰি সেইসকলক ভক্তি ধৰ্ম প্ৰচাৰ কৰিবলৈ আজ্ঞা দিয়ে। শংকৰদেৱৰ অনুগামী প্ৰতিজনেই আছিল ভক্তি ধৰ্ম প্ৰচাৰৰ বাবে যত্নপৰ। তেওঁলোকে অসমৰ বিভিন্ন ঠাইত সত্ৰৰ জৰিয়তে নানা জনক আচাৰ্য পাতি নৱবৈষ্ণৱ আদৰ্শ বিয়পাই তুলিছিল। এইসকলৰ ভিতৰত মাধৱদেৱ আছিল শ্ৰেষ্ঠ পুৰুষ। তেখেতৰ প্ৰভাৱশালী ব্যক্তিত্ব বিচক্ষণতা আৰু দূৰদৰ্শীতাৰে গঢ় দিছিল বৈষ্ণৱ ধৰ্মৰ প্ৰকৃত সংগঠন আৰু নিকপকপীয়াকৈ বান্ধি উলিয়াইছিল তাৰ ভিতৰুৱা ৰীতি-নীতি।[১২]

আড়ম্বৰহীন সৰল ভক্তিমতৰ প্ৰচাৰ, নামঘৰৰ দুৱাৰ জাতি বৰ্ণ নিৰ্বিশেষে মুকলি ৰখা, গীত-নাট আৰু তত্বালোচনাৰে ৰাইজৰ মন পোহৰ কৰা, নৱবৈষ্ণৱ ধৰ্মৰ ভিতৰুৱা বান্ধোন সুদৃঢ় কৰা আৰু ধৰ্মীয় সাহিত্য-সংস্কৃতিক অধিক উজ্বল কৰি এইবোৰক যুগমীয়া কৰাৰ বাবে মাধৱপুৰুষ অসমীয়া মানুহৰ চিৰ নমস্য হৈ ৰব।[১৩]

শংকৰ-মাধৱৰ তিৰোভাৱৰ পিছত তেৰাসৱৰ প্ৰচাৰিত ভক্তি ধৰ্ম বিভিন্ন শাখা-প্ৰশাখাৰে পল্লৱিত হৈ পৰে। কিছুমান ৰাজনৈতিক আৰু সামাজিক কাৰণ বশতঃ ভক্তি ধৰ্মৰ প্ৰচাৰ কাৰ্য্য নামনিৰ পৰা উজনিলৈ স্থানান্তৰিত হয়। এই সময়তে সংহতি বিভাজন হৈ প্ৰতিযোগিতামূলক মনোভাৱেৰে চাৰি সংহতিৰ সত্ৰ সমূহ সমগ্ৰ অসমতে বিস্তাৰিত হৈ পৰিছিল। এই চাৰি সংহতিৰ ভিতৰত দামোদৰদেৱ আৰু হৰিদেৱ প্ৰৱৰ্ত্তিত ব্ৰহ্মসংহতি, চতুৰ্ভুজ ঠাকুৰ আৰু আই কনকলতাৰ পুৰুষ সংহতি, গোপাল আতাৰ কাল সংহতি, মথুৰা দাস বুঢ়া আতা আৰু বদুলা পদ্ম আতাই প্ৰৱৰ্ত্তন কৰিলে নিকা সংহতি।[১৪] ব্ৰহ্মসংহতিৰ সত্ৰৰ ভিতৰত মাজুলীৰ চাৰিসত্ৰ-আউনি আটি, দক্ষিণপাট, গড়মূৰ আৰু কুৰুৱাবাহীয়েই প্ৰধান। পুৰুষ সংহতিৰ ভিতৰত নৰোৱা, শ'লগুৰি (কোৱামৰা), দীঘলী আৰু চামগুৰি। নিকা-সংহতিৰ ঘাইসত্ৰ হ'ল - বৰপেটা, মধুপুৰ আৰু কমলাবাৰী। কাল সংহতিৰ মূল সত্ৰ হ'ল কালঝাৰ।[১৫] এনেকৈয়ে চাৰিসংহতিৰ সত্ৰসমূহে নিজা বৈশিষ্টৰে ধৰ্ম প্ৰচাৰত ব্ৰতী হৈ আছে। ড° সত্যেন্দ্ৰ নাথ শৰ্মাই সত্ৰৰ সাহিত্যিক অৰিহণাৰ ক্ষেত্ৰত কৈছে ৰামায়ণ, মহাভাৰত, পুৰাণ অদি অন্যান্য ধৰ্মমূলক গ্ৰন্থৰ অনুবাদৰ ক্ষেত্ৰত সত্ৰীয়া মহন্তসকলৰ বৰঙনি উপেক্ষনীয় নহয়। ভট্টদেৱ, গোপালচৰণ দ্বিজ, ৰামচৰণ ঠাকুৰ, দৈত্যাৰি ঠাকুৰ, গোবিন্দ মিশ্ৰ, কেশৱ কায়স্থ, অনিৰুদ্ধ কায়স্থ, বৰযদুমণি, অনন্তদাস বা হৃদয়ানন্দ, ৰত্নাকৰ কন্দলি, ৰঘুনাথ মহন্ত, গোপাল আতা, কংসাৰি আদি সৰহভাগ পুৰাণ ভাগৱত ৰচনা কৰা পুৰণি অসমীয়া কবি হয় সত্ৰৰ অধিকাৰ আছিল নহয় সত্ৰীয়া পৰিবেশত থাকি তেওঁলোকে কাব্য ৰচনা কৰিছিল।[১৬] অৱশ্যে বৰদোৱাকে কেন্দ্ৰ কৰি পুৰুষ সংহতিৰ সত্ৰসমূহেও বিশেষভাৱে ঠন ধৰি উঠিছিল। বৰদোৱা থুলৰ সত্ৰ সমূহৰ শংকৰী কৃষ্টি-সংস্কৃতিৰ পৃষ্ঠপোষক অনেক সন্ত-মহন্তইও সাহিত্যৰ দিশত বিশেষ বৰঙণি আগবঢ়াইছিল।

---

১২। কৰবী ডেকা হাজৰিকা ঃ মাধৱদেৱ ঃ সাহিত্য কলা আৰু দৰ্শন, পৃঃ ১।

১৩। কৰবী ডেকা হাজৰিকা ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ৯।

১৪। কেশৱানন্দ দেৱগোস্বামী ঃ সত্ৰ-সংস্কৃতিৰ ৰূপৰেখা, পৃঃ ২,৫,১১,১২; S.N. Sarma Ibid, PP. 69-70.

১৫। কেশৱানন্দ দেৱগোস্বামী ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ৩,৪,১১,১২।

১৬। সত্যেন্দ্ৰ নাথ শৰ্মা ঃ প্ৰাগুক্ত প্ৰৱন্ধ ঃ সত্ৰসূৰ্য, পৃঃ ১৩,১৪।

## বৰদোৱা থুলৰ সত্ৰ ঃ

বৰদোৱা শ্ৰীমন্ত শংকৰদেৱৰ আদ্যলীলাভূমি। গুৰুজনাই প্ৰায় ৬৭ বছৰ বয়সত ১৫১৬ খৃষ্টাব্দত কছাৰীৰ উপদ্ৰৱত বৰদোৱা থান ত্যাগ কৰিব লগাত পৰে। শংকৰদেৱে বৰদোৱা এৰাৰ প্ৰায় ১০০ বছৰৰ পিছত হাবি-জংঘল আৰু অতীতে সামৰা বৰদোৱাক আইকনকলতাই পুনৰ উদ্ধাৰ কৰে। কনকলতাই ভক্ত সমন্বিতে উজাই আহি বৰদোৱাৰ পৰা পাচঁ মাইলমান পূৱত বয়হি। এই ঠাই খিনিক আজিও 'আইভেটি' বোলা হয়। এই ঠাইৰ পৰাই পিছত বৰদোৱা উদ্ধাৰ কৰে। গোঁসানী কালিন্দীদেৱীয়ে দিয়া ধাৰণামতে কনকলতাই বৰদোৱাৰ পুৰণি ভেটি, ঘাট-বাট পদশিলা আদি উলিয়াই নতুনকৈ বৰদোৱা থান প্ৰতিষ্ঠা কৰাৰ কথা 'কনকলতা আইৰ চৰিত'ত উল্লেখ আছে।[১৭] মতান্তৰে চতুৰ্ভুজৰ ভাগিনীয়েক দামোদৰেহে বৰদোৱাৰ ওচৰৰ বালিসত্ৰত থাকি কনকলতাৰ মৃত্যুৰ পাছত বৰদোৱা উদ্ধাৰ কৰি সত্ৰ প্ৰতিষ্ঠা কৰে।[১৮] চতুৰ্ভুজ ঠাকুৰৰ প্ৰথমা পত্নী কনকলতাই ছজন ব্ৰাহ্মণ আৰু ছজন কায়স্থক আচাৰ্য পাতি ধৰ্ম প্ৰচাৰৰ দায়িত্ব অৰ্পণ কৰে।[১৯] এই সকলক 'কনকাবাৰজনীয়া' বোলে।[২০] অন্যহাতে ১৬৫৫ খৃষ্টাব্দত দামোদৰৰ মৃত্যু হোৱাত তেওঁৰ শিশু পুত্ৰ ৰমাকান্তক বৰদোৱাৰ অধিকাৰ পদত অধিষ্ঠিত কৰে। কিন্তু সেই সময়তে কনকলতাৰ জীয়ৰী পুত্ৰ অনন্তৰামেও নিজে বৰদোৱাৰ অধিকাৰত্ব দাবী কৰে। সেই বিবাদ অনন্তৰামৰ নাতি ৰামচৰণৰ দিনলৈকে চলি থাকে। ৰজা কমলেশ্বৰ সিংহৰ দিনত (১৭৯৫-১৮১০) পূৰ্ণানন্দ বুঢ়াগোঁহায়ে ভদ্ৰকান্ত বৰুৱাক পঠাই আগৰ অবিভক্ত বৰদোৱাক দুভাগ কৰি এভাগ ৰামচৰণত আৰু আন ভাগ ৰমাকান্তৰ

---

১৭। ৰমাকান্ত মুক্তিয়াৰ (সংগ্ৰাহক আৰু লিখক) ঃ কনকলতা আইৰ চৰিত ; পৃঃ ৩৪-৩৫।

১৮। M.Neog: Sankardeva and His Times, PP.151-152; S.N. Sarma: Ibid, PP.93-94; কেশৱানন্দ দেৱগোস্বামী, প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ১০।

১৯। চৰিত পুথিভেদে এইসকলৰ বিভিন্ন নাম পোৱা যায় যদিও মহেশ্বৰ নেওগে ভদ্ৰচাৰুকৃত 'অনন্তৰাম চৰিত' ৰ পৰা তলত দিয়া সকলৰ নাম উল্লেখ কৰিছে ঃ-

১) শ্ৰীৰাম - পাত কটিয়া সত্ৰ
২) জগতানন্দ - আধাৰ(?)
৩) হৰিচৰণ - নলতিয়াল
৪) ৰতিকান্ত - নেপালি
৫) ৰঘুপতি - কন্টাৰি
৬) ৰামচৰণ - ধুন্দুল (ধুন্দুলি?)
৭) মেধি সাধু দ্বিজ - দিগচোং
৮) হৰিচৰণ - লেতেৰি
৯) নাৰায়ণ - কৌপতীয়া
১০) অনন্ত ঠাকুৰ ওৰফে হৃদয়ানন্দ কায়স্থ - কালশিলা
১১) নাৰদ - দৰঙ্গ
১২) জয়হৰি - মিচিমি

M. Neog: Ibid, P. 151; হৰিনাৰায়ণ দত্তবৰুৱা ঃ প্ৰাচীন কামৰূপীয় কায়স্থ সমাজৰ ইতিবৃত্ত, পৃঃ ২৩৩।

২০। M.Neog: Ibid, P. 150.

নাতি ৰামদেৱৰ মাজত ভগাই দিয়ে।[২১]

সময়ৰ গৰাখহনীয়াই এনেকৈয়ে বৰদোৱা থানক দ্বিখণ্ডিত কৰিলে। ৰামদেৱৰ খণ্ডক নৱোৱা বা বৰফাল বা বৰহিচা বোলা হয় আৰু ৰামচৰণৰ অংশক শ'লগুৰি, কোনোৱে কোৱামৰা বা সৰু ফাল বা সৰুহিচা বোলে।[২২] সম্প্ৰতি বৰদোৱা (নৱোৱা) থুলৰ পৰা বাঢ়ি যোৱা সত্ৰ সমূহ হ'ল- কুঁজি সত্ৰ, বালিসত্ৰ, ভেটিয়নী সত্ৰ, তলিবল সত্ৰ, ইটাখুলি সত্ৰ আৰু শ'লগুৰি সত্ৰৰ পৰা বাঢ়ি অহা সত্ৰৰ ভিতৰত আইভেটি নসত্ৰ, শুকদল বৰবড়ি সত্ৰ, শুকদল সৰুবড়ি সত্ৰ আৰু ইটাখুলি সত্ৰ আদি।[২৩] ড° মহেশ্বৰ নেওগে উল্লেখ কৰা মতে বৰদোৱাৰ ঘাই সত্ৰ-নৱোৱা, কোৱামৰা (শ'লগুৰি), দীঘলী আৰু চামগুৰিক নাতি সত্ৰ বা ঠাকুৰ নপ্তা সত্ৰ বোলে।[২৪] এই সত্ৰ সমূহৰ প্ৰতিগৰাকী ধৰ্মাচাৰ্যই নিজ নিজ ব্যক্তিত্বৰে একোখনকৈ সত্ৰ প্ৰতিষ্ঠা কৰি সত্ৰ-সংস্কৃতিত এক বিশেষ ভূমিকা গ্ৰহণ কৰাই নহয় লগতে মহাপুৰুষ গুৰু জনাৰ সৃষ্টি নৱবৈষ্ণৱ ধৰ্মকো অধিক দৃঢ় কৰে।

আই কনকলতাই পতা আচাৰ্যসকলৰ তালিকাত হৃদয়ানন্দ কায়স্থ ওৰফে অনন্ত ঠাকুৰ আতাই মায়ঙত কালশিলা সত্ৰ প্ৰতিষ্ঠা কৰাৰ কথা উল্লেখ আছে।[২৫] ওপৰত উল্লেখ কৰি অহা চাৰি সংহতিৰ সত্ৰৰ 'পুৰুষ সংহতি' ৰ ভিতৰত ড° সত্যেন্দ্ৰ নাথ শৰ্মাই তেখেতৰ গৱেষণা গ্ৰন্থত খৃষ্টীয় ১৬৫২ অনন্ত আতাই কালশিলা সত্ৰ প্ৰতিষ্ঠা কৰে বুলি মন্তব্য কৰিছে।[২৬] উপৰোক্ত সকলো আলোচনাৰ পৰা গম পোৱা গ'ল বৰদোৱা থুলৰ সত্ৰ হিচাপে অনন্ত আতা প্ৰতিষ্ঠাপিত 'কালশিলা সত্ৰ'ই এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আহিছে।

## কালশিলা সত্ৰৰ উৎপত্তি আৰু শাখা সত্ৰৰ বিকাশ ঃ

হৃদয়ানন্দ কায়স্থই ১৫৬৪ শকঁত আই কনকলতাৰ পৰা আচাৰ্য পদ লাভ কৰি পশ্চিম নগাঁও অঞ্চলৰ মায়ঙত কালশিলা সত্ৰ প্ৰতিষ্ঠা কৰি ধৰ্ম প্ৰচাৰত ব্ৰতী হৈ ১৪৯৪ শকঁত বৈকুণ্ঠ পয়াণ কৰে। 'কালশিলা গোঁসাই চৰিত'ৰ উল্লেখেৰে হৰিনাৰায়ণ দত্তবৰুৱাই মন্তব্য কৰিছে, 'ভূঞাসকলৰ কিছুমান উজনীৰ পৰা ভটিয়াই গৈ কামৰূপৰ ক্ষেত্ৰী অঞ্চলত বাস কৰা সময়ত অনন্ত আতাৰ উপৰিপুৰুষো সম্ভৱতঃ সেই সময়ত বৰপেটা অঞ্চল পাইছিল, পাছত চতুৰ্ভুজ ঠাকুৰ দেৱৰ পত্নী লক্ষ্মী বা কনকলতা আই যেতিয়া উজাই আহি আইভেটিত বাস কৰে, তেতিয়া অনন্ত ঠাকুৰ আতাও আহি নগাঁৱৰ মায়ঙত বাস কৰেহি আৰু কনকলতা আইৰ পৰা আজ্ঞা লৈ কালশিলাত সত্ৰ পাতে।[২৭] অনন্ত আতাৰ মৃত্যুৰ পিছত পুতেক

---

২১। M. Neog : Ibid, P. 152-153.

২২। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ পবিত্ৰ অসম, পৃঃ- ১১৯।

২৩। প্ৰাগুক্ত গ্ৰন্থ ঃ পৃঃ- ১২০-১২১।

২৪। মহেশ্বৰ নেওগ ঃ শ্ৰীশ্ৰীশংকৰদেৱ, পৃঃ- ১৫৪।

২৫। M. Neog : Ibid, P. 151; S.N. Sarma : Ibid, P. 223; ৰমাকান্ত মুক্তিয়াৰ ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ- ৬৫; শ্ৰীশংকৰ-বাক্যামৃত ঃ পৃঃ- ৪; সত্ৰ সংস্কৃতিৰ ৰূপৰেখাঃ পৃঃ- ৯,১১০।

২৬। S.N. Sarma : Ibid, P. 223.

২৭। হৰিনাৰায়ণ দত্তবৰুৱা (সম্পাঃ)ঃ শ্ৰীৰামকীৰ্তন, মুখবন্ধ, পৃঃ- ঘ,ঙ ; প্ৰচীন কামৰূপীয় কায়স্থ সমাজৰ ইতিবৃত্তঃ পৃঃ-২৪৮-২৪৯।

ভূৱনেশ্বৰদেৱে মায়ঙত সত্ৰখন ৰাখিবলৈ ইচ্ছা নকৰি তাৰ পৰা পূৱৰ সুদূৰ দগুৰা মৌজাৰ দলৈচুবালৈ স্থানান্তৰিত কৰিলে। তাতে সত্ৰ প্ৰতিষ্ঠা কৰি থাকোঁতে ১৮২৪ চনত মান সেনাই দন্দুৱা ৰাজ্যও আক্ৰমণ কৰাত কালশিলা সত্ৰও সেই অত্যাচাৰৰ বলি হব লগা হ'ল। ফল স্বৰূপে কালশিলা সত্ৰৰ কীৰ্তন ঘৰ আৰু ভকত বৈষ্ণৱ সকলৰ অৱস্থা বৰ বেয়া হ'ল। এই আক্ৰমণৰ ফলতেই সত্ৰই স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ পৰা লাভ কৰা নিষ্কৰ ভূমিৰ তাম্ৰ পত্ৰখনিও হেৰাই গল। এইখিনিতে উল্লেখ থাকিল যে অলপতে (১৯৯০) এই দন্দুৱা অঞ্চলতে ৰাজেশ্বৰ সিংহৰ দিনৰ এটি ৰূপৰ মুদ্ৰা উদ্ধাৰ হৈছে। মানৰ অত্যাচাৰৰ পিছত সত্ৰৰ অৱস্থা শোচনীয় হৈ পৰে। পিছত ১৯২২ চনত কালশিলা সত্ৰ দন্দুৱাৰ পৰা দলৈচুৱালৈ স্থানান্তৰ কৰা হয়। পূৰ্বৰ প্ৰায় ছয় পুৰা মাটিৰ সত্ৰৰ ওখ ভেটি আজিও তাত দেখা যায়।* সেই স্থানান্তৰেই পিছলৈ কেইবাটাও শাখাত ভাগ হ'বলৈ ধৰিলে। তাৰ ভিতৰত দলৈ চুৱা, নাওঁকটা, তামুলীবৰি, তৰাবৰি, হাবি-বৰঙাবাৰী আৰু যোৰহাটৰ ডবাখাট কালশিলা সত্ৰ।

শ্ৰীশ্ৰীকালশিলা সত্ৰৰ সৈতে চাৰিখন ভকত ঘৰ হ'ল ক্ৰমে দলৈ, জগৰীয়া, পেটকামুৰীয়া আৰু ঠাকুৰীয়া। ঠায়ে ঠায়ে শিষ্য ভকতসকল বাস কৰিলেও কেন্দ্ৰ স্থল হ'ল সত্ৰখনি। তাৰ ভিতৰত দলৈ গাঁও, জাতি আৰু হাবিবৰঙাবাৰী, বঙ্গাদৰীয়া, বকুলগুৰি, ৰজা গাঁও, ফুলগুৰি, শালমৰা, জামুগুৰি, বঢ়মপুৰ, গছৰগুৰি, জাগী-ভকতগাঁও, কমাৰপুৰ, গৰুবন্ধা, ধানখুন্দা, শিলডুবি, হাতীমুৰীয়া, বানমুৰি, লাওডুবি, কোমোৰাগুৰি, নাওঁকটা, গছবাৰী, সোনাৰিগাঁও, বৰুৱাখাট, তৰাবড়ি, লোকাকুছি, পাত্ৰবড়ি, হাতীবাট, শিমলুগুৰি, আৰু কাছধৰা। দৰং জিলাত পাভকাটি, কাঠনি, পামৰবি আৰু ওৰাং। উত্তৰ লক্ষীমপুৰত খগা আৰু ফুলনি। শিৱসাগৰ জিলাত গোঁসানী বাৰি, মৰাণ,ৰাইডাংকুছি, ডবাখাট, হেলাগাঁও, ফটিকচোৰা, সৰুপথাৰ আদি। ভূৱনেশ্বৰ আতাৰ দুইপুত্ৰ ৰামদেৱ আৰু দৈৱকীনন্দন। সত্ৰখনি দুইপুত্ৰৰ মাজত ভাগ হয়। দৈৱকীনন্দন আতাই ডবাখাটত অন্য সত্ৰ পাতে। ৰামদেৱ আতা মূল সত্ৰতে থাকিল। পাছৰ কালত সত্ৰভাগ হৈ পাঁচখনি হ'ল। ৰামদেৱৰ পৰা দলৈচুৱা, নাওঁকটা, তামুলীবৰি আৰু দৈৱকী নন্দনৰ পৰা তৰাবাৰি আৰু মাজুলীৰ গোঁসানীবাৰী সত্ৰ হয়। সেইমতে ভকত আৰু শিষ্যৰ ঘৰো সত্ৰ সহ ভাগ হয়।[২৮]


সত্ৰ-সংস্কৃতিত কালশিলাই নিঃসন্দেহে এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আহিছে। কিয়নো কু-সংস্কাৰ আৰু অন্ধবিশ্বাসী সেই সময়ৰ জনসাধাৰণৰ মাজত ভক্তি ধৰ্মক দৃঢ়তা আৰু বিশ্বাসভাজন কৰাৰ মানসেৰে সত্ৰীয়া দৰ্শন আগত ৰাখি ধৰ্মান্ধতা আতঁৰাই বৈষ্ণৱ ধৰ্মৰ বীজ ৰোপন কৰি অনন্তই নিজৰ প্ৰতিভা বিকাশ কৰিছিল। বৰ্তমান চিহ্নিত হৈ থকা কালশিলা সত্ৰৰ শাখা বিশেষেও অসমীয়া সাহিত্যৰ বুৰঞ্জী দখল কৰিবলৈ সক্ষম হৈছে। এই খিনিতে কালশিলাৰ পৰৱৰ্তী ধৰ্মাধিকাৰ আৰু শাখা সত্ৰ সমূহৰ বিকাশৰ এটি সংক্ষিপ্ত ৰূপ দাঙি ধৰিব বিচৰা হৈছে। এই বিষয়ে হৰিনাৰায়ণ দত্তবৰুৱাই উল্লেখ কৰিছে এনেদৰে ঃ

ভূৱনেশ্বৰদেৱ ঃ পিতৃ অনন্তদেৱৰ পিছত এওঁ কালশিলা সত্ৰৰ অধিকাৰ আৰু আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ

---

২৮। সনত মহন্ত ঃ শ্ৰীশ্ৰীকালশিলা চৰিত, পৰিশিষ্ট অংশ (ক)।

* উক্ত কথাখিনি বৰ্তমান দন্দুৱা ৰজাৰ বংশধৰ শ্ৰীযুত কালিনাথ ডেকাদেৱৰ (বয়স ৯০) পৰা সংগ্ৰহ কৰা হৈছে।


অসম
(ৰাজনৈতিক)
অৰুণাচল প্ৰদেশ
ভুটান
পশ্চিম বংগ
মেঘালয়
নাগালেণ্ড
লক্ষীমপুৰ
শিৱসাগৰ
মাজুলী
মৰাণ
যোৰহাট
দৰং
নগাঁও
মৰিগাঁও
সৰুপথাৰ
□ নগাঁও / মৰিগাঁও : দলেআম, বকুলগুৰি ধৰডাবাৰী (দুই), ৰজাগাঁও, ফুলগুৰি, শালমাৰা, জামুগুৰি, বহমপুৰ, গছবগুৰি, জাগিডকত গাঁও, গৰুবন্ধা, ধানশুন্দা, শিলডুবি, হাতিমুৰীয়া, খানমুৰি, লাউডুবি, কোমোৰাগুৰি, গড়মাৰি, নাওকটা, গছুখাৰী, সোনাৰীগাঁও, বৰুৱাঘাট, তথাবড়ি, লুকাকুচি, পাতবড়ি, হাতীবাট, শিমলুগুৰি, কাচুধৰা।
□ শিৱসাগৰ : গোসানীবাৰী, মৰাণ, ৰাইডংকুচী, ডবাঘাট, হেম্লাগাঁও, সৰুপথাৰ।
□ লক্ষিমপুৰ : যগা, ফুলনি।

চিত্ৰ সং : ১

পুৰা
পৰা ৭০০ নিস্কৰ ভূমি লাভ কৰে। ‘ৰাজেশ্বৰ ৰাজা স্বৰ্গদেৱে সত্ৰভূমি নিস্কৰ ৭০০ পুৰা, ৪ খন গ্ৰাম, ৪ ঘৰ ভকত প্ৰজা, তাম্ৰ পত্ৰ দি সত্ৰ স্থাপিলে।’[২৯] ভূৱনেশ্বৰ আতা ১৬৪৭ শকত বৈকুণ্ঠী হয়। তেখেতৰ দিনত ইবিলাকৰ শিষ্য সংখ্যা বহুত বাঢ়ে।

ৰামদেৱ ঃ সাধু আৰু ঈশ্বৰ প্ৰেমিক পুৰুষ আছিল। এখেত ১৬৮১ শকত স্বৰ্গী হয়।

দৈৱকীনন্দন ঃ এওঁৰ নৰোৱা আতা ৰামদেৱৰ লগত মনোমালিন্য ঘটি কালশিলা এৰি যোৰহাটৰ ডবাখাটত সত্ৰ পাতি থাকেগৈ। এই সত্ৰ দুইপুৰুষ যোৱাৰ পিছত মোৱামৰীয়া বিদ্ৰোহ হয়, তেতিয়া তেওঁলোক পুনৰ নগাঁৱলৈ আহি মিকিৰ ভেটাৰ ওচৰৰ হাতীবাটত কিছুদিন থাকে, তাৰ পিছত তাত বনৰীয়া হাতীৰ উপদ্ৰৱ দেখি হাবিবৰঙাবাৰীলৈ আহি তাতে সত্ৰ কৰি থাকে।

কৃষ্ণনাথদেৱ ঃ এওঁ দাদাকৰ পৰা ভিন্ন হৈ তৰাবৰি নামে ঠাইত সত্ৰ কৰি থাকে। এখেত বৰ উদাৰ আৰু ধাৰ্মিক পুৰুষ আছিল।

ৰামানন্দ ঃ ধাৰ্মিক আৰু সাধু আছিল। এওঁ সৰুকালৰে পৰা নামধৰ্মত আসক্ত আছিল।

দেৱানন্দ আতা ঃ এখেতৰ স্মৃতি শক্তি প্ৰখৰ বাবে কীৰ্ত্তন, ঘোষা, বৰগীত আদি পুথি কণ্ঠস্থ আছিল।

দেউৰাম আতা ঃ এওঁ বৰ বলী আছিল বাবে ৯ জন মানুহে দাঙিব পৰা কীৰ্তন ঘৰৰ খুটা অকলে দাঙিছিল। তেখেত ১৭৭৯ শকঁত স্বৰ্গী হয়।

পূৰ্ণকান্ত আতা ঃ উদাৰ চৰিত্ৰৰ ধাৰ্মিক আৰু আনন্দময় পুৰুষ আছিল, এওঁ নাওঁকটাত সত্ৰ কৰি বাস কৰিছিল।

ব্ৰহ্মানন্দ আতা ঃ দাদাকৰ পৰা ফাটি গৈ তামুলীবৰিত সত্ৰ পাতে। এওঁ নাচ, গান, যাত্ৰা- ভাওনাত নিপুন আছিল।

কৃষ্ণসূৰ্য্য ঃ বৰ তেজস্বী, ধুনীয়া আৰু দানী পুৰুষ আছিল। এওঁ ১৭৫২ শকত স্বৰ্গী হয়।

জীউৰাম আতা ঃ দয়ালু আৰু খনিকৰ আছিল। এই গৰাকী অধিকাৰৰ দিনতে পূৰ্বৰ ৰাজ প্ৰদত্ত ভূমি ২৪২ বিঘা ১২ লেচা উদ্ধাৰ হয়, কিন্তু সি খেৰাজ ৰূপহে পৰিণত হয়। এওঁ ১৭৭৫ শকত স্বৰ্গী হয়।

পৃথুৰাম আতা ঃ এখেতে সংস্কৃত ভাগৱত খুব সুন্দৰকৈ ব্যাখ্যা কৰিব পাৰিছিল কাৰণে মানুহে তেওঁক ভাগৱতী আতা বুলিছিল।

যোগানন্দ ঃ দয়ালু, ধাৰ্মিক, সুশ্ৰী আৰু শকত-আৱত লোক। ১৮৪৪ শকঁত এওঁ স্বৰ্গী হয়। ইয়াৰ পিছত ক্ৰমে বাঞ্চাৰাম আৰু ভূমিকান্তৰ উল্লেখ পোৱা যায়।[৩০]

---

২৯। সনত মহন্ত ঃ প্ৰাগুক্ত গ্ৰন্থ, পৰিশিষ্ট অংশ (খ)। পৰিশিষ্ট অংশৰে আৰু এটা লক্ষ্য কৰিবলগীয়া কথা যে, ‘সত্ৰক ৰাজা ৰাজেশ্বৰে ১৬৮০ শকত জ্যেষ্ঠ মাসে কৃষ্ণ দশমী তিথিতে স্বীকৃত কৰিলা।’ গ্ৰন্থখনিৰ আগকথাত সনত মহন্তদেৱে উল্লেখ কৰিছে, আনুমানিক ১৬৮০ শকৰ জেঠ মাহৰ ন তাৰিখে সত্ৰখনিয়ে ৰাজগৃহৰ অনুগ্ৰহ লাভ কৰিছিল। সেয়ে বৰ্তমান দলৈচুবাত প্ৰতিবছৰে জেঠ মাহৰ ন তাৰিখে হৈ থকা ‘বাণ্ডীয়া মেলা’ নামৰ উৎসৱৰ জন্মৰ উৎস ইয়াৰ পৰাই সৃষ্টি বুলি ভবাৰ স্থল আছে।

৩০। প্ৰাচীন কামৰূপীয় কায়স্থ সমাজৰ ইতিবৃত্ত ঃ পৃঃ ২৪৯-২৫০।

কালশিলা মূল সত্ৰখন প্ৰথমে মায়ঙৰ কালশিলা বিলৰ পাৰত প্ৰতিষ্ঠিত হৈছিল। পৰৱৰ্তী কালত পাঁচ ঠাইত স্থান ভিত্তিত স্থাপিত হোৱালৈ লক্ষ্য ৰাখি পাঁচটা শাখাত ইয়াক বিভক্ত বুলি কোৱা হৈছে যদিও দৰাচলতে সত্ৰাধিকাৰ হোৱালৈ লক্ষ্য কৰিলে সত্ৰখনি দুটা ঠালত বিভক্ত বুলিহে ধৰিব পাৰি, অৰ্থাৎ দলৈচুবা কালশিলা সত্ৰ আৰু তবাবৰি কাল শিলা সত্ৰ।

তাৰ ভিতৰত দলৈচুবা, নাওঁকটা, তামুলীবৰি, এই তিনিটা ঠালৰ মূল সত্ৰৰ সত্ৰাধিকাৰৰ বাবে উক্ত তিনি স্থানৰ তিনিও ঠালৰে মান্য জ্যেষ্ঠানুসাৰে অধিকাৰ হোৱাৰ নিয়ম। উদাহৰণ স্বৰূপে নাওঁকটা ঠালৰ নৱকান্ত দেৱমহন্ত আৰু তামুলীবৰি ঠালৰ তোকৃষ্ণ দেৱমহন্তই (১৯৬০ চনত ভূমিকান্ত আৰু বাসুদেৱ মহন্তৰ মৃত্যুত খালি হোৱা অধিকাৰ পদৰ বাবে) আদালতত সত্ৰাধিকাৰৰ সন্দৰ্ভত বিচৰা ৰায়ৰ কথা উল্লেখ কৰিব পাৰি। কথাখিনি সবিশেষ তলত দিয়া ধৰণৰ ঃ তামুলীবৰিৰ তোকৃষ্ণ দেৱমহন্তক দলৈচুবাৰ ভূমিকান্ত অধিকাৰে ডেকা অধিকাৰ বাসুদেৱ মহন্তৰ মৃত্যুৰ আদ্য শ্ৰাদ্ধত তৰাবৰি, মাজুলী, চামগুৰি, আইভেটি, শলগুৰি, শুকদল বৰবৰি, সৰুবৰি আদি সত্ৰৰ অধিকাৰ সকলৰ উপস্থিতিত ডেকা অধিকাৰৰ ধূপ-নিৰ্মালী প্ৰদান কৰে। এনেকৈ প্ৰায় ৪/৫ বছৰমান ডেকা অধিকাৰ পদ চলাই থকাৰ পিছত ভূমিকান্ত অধিকাৰৰ মৃত্যুত খালি হোৱা অধিকাৰৰ পদটিৰ বাবে তোকৃষ্ণ দেৱমহন্তই ভূমিকান্ত অধিকাৰৰ আদ্যশ্ৰাদ্ধৰ দিনা সমূহ শিষ্যবৰ্গ, ব্ৰাহ্মণ, চাৰিসত্ৰীয়া গোসাঁই সকলৰ দ্বাৰা দলৈচুবাত সত্ৰাধিকাৰ পদ গ্ৰহণ কৰে। উল্লেখ থাকিল যে সেই দিনাই নাওঁকটাৰ নৱদেৱ মহন্তইয়ো উক্ত অধিকাৰ পদটিৰ বাবে প্ৰতিদ্বন্দিতা কৰি নাওঁকটাত অধিকাৰ হয়। ইয়াৰ ফলস্বৰূপে ১৯৬০ চনত তেতিয়াৰ নগাঁও কাছাৰিত মোকৰ্দ্দমাৰ সন্মুখীন হ'ব লগাত পৰিল। (কেচ নং ১৩৩/১৩৪/১৩৫/২২/৬১-৬২) অৱশ্যে এই মোকৰ্দ্দমাৰ দুবাৰ ৰায় হয় আৰু তামুলীবৰিৰ তোকৃষ্ণ দেৱমহন্তই মূল দলৈচুবা সত্ৰৰ অধিকাৰ পদটি লাভ কৰে। উল্লেখযোগ্য কথা যে নাওঁকটা ফৈদৰ নৰদেৱ মহন্তইয়ো অধিকাৰ পদটি লাভ কৰি ১২/১৩ বছৰমান চলাই থাকে। ইয়াৰ পিছত ভীষ্মকান্ত ২ বছৰমান আৰু মুহিচন্দ্ৰই ২ বছৰমান অধিকাৰ হৈ মৃত্যু বৰণ কৰাত নৱদেৱৰ পুত্ৰসকলে নাওঁকটাত পুনৰ অধিকাৰ নহওঁ বুলি সেই সময়ৰ দলৈচুবা আৰু তামুলীবৰিৰ অধিকাৰ তোকৃষ্ণ দেৱমহন্তৰ আগত গলবস্ত্ৰ হৈ মাফ খোজে। তেতিয়াৰ পৰা পুনঃ নাওঁকটা, দলৈচুবা, তামুলীবৰি, মেদেলুৱা গাঁও আদিৰ সত্ৰাধিকাৰ হিচাপে তোকৃষ্ণ দেৱমহন্তই মৃত্যুৰ প্ৰাক্ পৰ্য্যন্ত প্ৰায় ৩১ বছৰ কাল কাম চলাই আছিল।[৩১] তামুলীবৰি ঠালৰ ব্ৰহ্মানন্দক যদিও সত্ৰাধিকাৰ বুলি ড° মহেশ্বৰ নেওগে 'পবিত্ৰ-অসম'ত উল্লেখ কৰিছে,[৩২] প্ৰকৃততে ব্ৰহ্মানন্দ তামুলীবৰিত অধিকাৰ হোৱা হ'লে তেওঁৰ পুত্ৰ মুহিধৰদেৱ আৰু নাতি পদ্মনাভ তাতেই অৰ্থাৎ প্ৰতিষ্ঠাপিত সত্ৰতেই সত্ৰাধিকাৰ হৈ থাকিলহেতেঁন। তেতিয়া পদ্মনাভৰ পুত্ৰ অৰ্থাৎ ব্ৰহ্মানন্দৰ পৰিনাতি তোকৃষ্ণ মহন্তই ১৯৬০ চনত দলৈচুবা কালশিলা সত্ৰৰ অধিকাৰ পদটিৰ বাবে আদালতৰ সন্মুখীনো হ'ব লগা নহ'লহেতেঁন। পিছত তোকৃষ্ণ মহন্তৰ পুত্ৰ শ্ৰীযুত বটকৃষ্ণ মহন্তইহে ১৯৯৪ চনত মাঘমাহৰ ২১/২২ তাৰিখে পিতৃৰ দ্বিতীয় আদ্যশ্ৰাদ্ধৰ দিনা কেইবা গৰাকীও জ্যেষ্ঠ সত্ৰাধিকাৰ তথা আতা পুৰুষ আৰু শিষ্য বৰ্গৰ উপস্থিতিত পূৰ্ণ পৰ্য্যায়ৰ সত্ৰ হিচাপে তামুলীবৰিক স্বীকৃত কৰি সত্ৰীয়া পৰম্পৰাৰে ধূপ-নিৰ্ম্মালী লৈ অধিকাৰ পদত অধিস্থিত হোৱা কথাটোৰে তামুলীবৰিক পূৰ্বসত্ৰ হিচাপে থকা তথ্য সমূহক অস্বীকাৰ কৰে।[৩৩] সেই ধৰণে নাওঁকটা, দলৈচুবা ঠালৰ মান্য-জ্যেষ্ঠানুক্ৰমে মূল সত্ৰত

৩১। উপৰোক্ত তথ্যখিনি বৰ্তমান তামুলীবৰিৰ সত্ৰাধিকাৰ শ্ৰীযুত বটকৃষ্ণ দেৱমহন্ত আৰু শ্ৰীযুত সনত মহন্তদেৱৰ পৰা সংগ্ৰহ কৰা হৈছে। উল্লেখ থাকিল যে 'তোককৃষ্ণ' দেৱমহন্তক 'তোকৃষ্ণ' বুলিও জনা যায়।

৩২। পবিত্ৰ অসম ঃ পৃ ঃ ১২৫।

৩৩। প্ৰচীন কামৰূপীয় কায়স্থ সমাজৰ ইতিবৃত্ত পৃ ঃ ২৫০।

সত্ৰাধিকাৰ হোৱাৰ পৰম্পৰা চলি আছে। উক্ত পৰম্পৰা সন্দৰ্ভত তোকৃষ্ণ দেৱমহন্তই ১৯৬১-৬২ চনত কাছৰীত ৰাজপ্ৰদত্ত তামৰফলিৰ উদ্ধৃতিৰে দিয়া বিবৃতিও বিশেষ মন কৰিবলগীয়া ঃ The Adhikarship goes to the Seniormost respected person in this Satra and he must be of the Same Agratic line. The copper plate of the Satra is lost in the invation of the Maans.'[৩৪] কাৰণ তামৰ ফলিত মান্যজ্যেষ্ঠানুক্রমে অধিকাৰ হোৱা কথাতো স্পষ্টভাৱে লিখা আছে। অধিকাৰ হোৱা ঠালটোৰ স্থান অনুসৰি সেইগৰাকী অধিকাৰে নিজ স্থানলৈ কীৰ্তন-ঘৰ আদি স্থানান্তৰ কৰি বিবাদমান পৰিস্থিতিৰ সৃষ্টি কৰা কথাই উক্ত সত্ৰ সমূহত বেয়াকৈ ব্যাঘাত হানিছে। উদাহৰণ স্বৰূপে ওপৰোক্ত ঘটনাংশকে আঙুলিয়াব পাৰি। ১৯৬১-৬২ চনত তামুলীবৰিৰ তোকৃষ্ণ মহন্ত আৰু নাওঁকটাৰ নৰকান্ত মহন্তই দলৈচুবা সত্ৰৰ অধিকাৰ পদৰ আদালতৰ ৰায়ে দুয়োকো দুঠাইত অধিকাৰ হিচাপে স্বীকৃতি দিয়াত দলৈচুবাৰ কীৰ্তনঘৰ নাওঁকটালৈ স্থানান্তৰ কৰে আৰু মণিকূটৰ অংশটি তামুলীবৰিলৈ হস্তান্তৰ হব লগা হয়। আগৰ তামুলীবৰিৰ দৰে অৱশ্যে বৰ্তমান নাওঁকটাতো সত্ৰাধিকাৰ হোৱা নাই। উল্লেখযোগ্য যে নৰকান্ত দেৱমহন্ত, ভীষ্মকান্ত, মহীচন্দ্ৰ, দলৈচুবা আৰু নাওঁকটাৰ যুটীয়াভাৱে সত্ৰাধিকাৰ আছিল। তেখেতলোকৰ পিছত সেই স্থানত(নাওঁকটাত) আজিও সত্ৰাধিকাৰ হোৱা নাই, অৰ্থাৎ নাওঁকটা সুকীয়া সত্ৰ হিচাপে বৰ্তমানো প্ৰতিষ্ঠিত হোৱা নাই।

দলৈচুবা কালশিলা সত্ৰত নৰকান্ত দেৱমহন্ত, ভীষ্মকান্ত আৰু মহীচন্দ্ৰৰ পিছত মান্য জ্যেষ্ঠানুক্রমে অধিকাৰ পদত দলৈচুবা ঠালত শ্ৰীযুত ভূৱন চন্দ্ৰ মহন্তদেৱে বৰ্তমান দলৈচুবাত ৰাইজৰ প্ৰচেষ্টাত সাধাৰণ ভাৱে কীৰ্তন-ঘৰ আদি পুৰণি ভেটিতে নৱ-প্ৰতিষ্ঠিত কৰি সত্ৰীয়া পৰম্পৰাৰে সত্ৰখন পৰিচালনা কৰি আছে যদিও সত্ৰাধিকাৰ হিচাপে কিন্তু তেখেতৰো আজিকোপতি (১৯৯৮) অভিষেক হোৱা নাই। অৱশ্যে আমি ক্ষেত্ৰ অধ্যয়ন কৰি গম পোৱা মতে দুয়োঠাইতে (নাওঁকটা আৰু দলৈচুবা) ভকত বৈষ্ণৱ সকলে আলোচনাৰ মাধ্যমেৰে দুয়োখন সত্ৰকে সম্পূৰ্ণ সুকীয়াভাৱে প্ৰতিষ্ঠা কৰি আৰু সুকীয়া সত্ৰাধিকাৰ পাতি তামুলীবৰিৰ দৰে সত্ৰীয়া পৰম্পৰা ৰক্ষা কৰাৰ সিদ্ধান্ত গ্ৰহণ বিশেষ লাগিবলগীয়া।

তৰাবৰি মূল কালশিলা সত্ৰত হাবি বৰঙাবাৰী, ন-তৰাবৰি আৰু ঠাল বাগৰি সৃষ্টি হোৱা মৰাণ, ডবাখাট, মাজুলী, গোসাঁনীবাৰী কালশিলাৰ গোসাঁইসকলো বিশেষভাৱে অৰ্ন্তভুক্ত। মাজুলীৰ মুখেশ্বৰ মহন্ত তৰাবৰি সত্ৰৰ অধিকাৰ হৈ গৈছে। মৰাণ ডবাখাট শাখাৰ শ্ৰীযুত ললিত চন্দ্ৰ দেৱ মহন্ত সম্প্ৰতি তৰাবৰি সত্ৰৰ অধিকাৰ। অৱশ্যে তেখেতৰো অভিষেক হোৱা নাই। ড° মহেশ্বৰ নেওগে 'পবিত্ৰ অসম'ত[৩৫] হাবিবৰঙাবাৰীক বেলেগ শাখা সত্ৰ হিচাপে প্ৰতিষ্ঠিত কৰিছে যদিও ইয়াত প্ৰকাশ নোপোৱা হাবি বৰঙাবাৰীৰ দৰে মৰাণ, ডবাখাট, গোঁসানী বাৰী আদি ঠাইতো কালশিলাৰ পৰম্পৰা মন কৰিবলগীয়া। এই শাখা সমূহৰ পৰাও তৰাবৰি সত্ৰত অধিকাৰ হোৱাৰ দৃষ্টান্ত পোৱা যায়। ইয়ে প্ৰমাণ কৰে শাখা সত্ৰ হিচাপে প্ৰতিষ্ঠিত হলেও যি কোনো সত্ৰতে সত্ৰাধিকাৰ নেথাকিবও পাৰে। শাখা সত্ৰৰ সত্ৰাধিকাৰ পদটিত অধিষ্ঠিত হবলৈ হ'লে মূল সত্ৰৰ বাহিৰেও আৰু কমেও ৩-৪ খন স্বীকৃতি প্ৰাপ্ত সত্ৰৰ সত্ৰাধিকাৰৰ নিৰ্মালী সহ সমাজ স্বীকৃত হব লাগে। অৱশ্যে এই খিনিতে এটা উল্লেখযোগ্য কথা যে, অধিকাৰ গৰাকী আদৰ্শ গৃহস্থীবান, সংস্কৃতিবান, তথা ব্যক্তিত্ব পৰায়ণ হোৱা বাঞ্চনীয়। কিন্তু আমাৰ সমাজত দেখা যায় মহাপুৰুষীয়া এই সত্ৰাধিকাৰ সকলৰ আদৰ্শ বিশেষ ভাবিবলগীয়া। ধৰ্মগুৰু সকলে সৎগুণৰ পৰিবৰ্তে ৰজো আৰু তমোগুণত অধিক প্ৰাধান্য দিয়াত আধুনিকতাই বিশেষ স্থান অধিকাৰ কৰিছে। গুৰু আৰু আতা পুৰুষ সকলে বান্ধি দিয়া নিয়ম প্ৰণালী আঁতৰাই থৈ তাৰ ঠাইত নিজা পদ্ধতিৰে ধৰ্মীয় কৰ্ম সম্পাদন কৰিবলৈ আৰম্ভ কৰিলে।

---

৩৪। Statement of Sri Tokakrishna Mahanta. 23.6.62 M.C. No. . 133,134,135 & 22/61-62, Sub Deputy collector, Morigaon, Nowgong.

৩৫। পবিত্ৰ অসম ঃ পৃঃ ১২৫।


ফলত এখন সত্ৰৰ কৰ্ম পদ্ধতি অন্যখনৰ লগত সম্পূৰ্ণ বেলেগ হোৱা দেখা গ'ল। অতি পৰিতাপৰ কথা গুৰুজনাৰ নিৰূপিত নিত্য প্ৰসঙ্গ আৰু অন্যান্য প্ৰণালীৰ ঠাইত বৰ্তমান সত্ৰীয়া গোঁসাইসকলে নিজাকৈ প্ৰসঙ্গৰ ব্যৱস্থা কৰিলে।

উপৰোক্ত সকলো আলোচনাৰ পৰা দেখা গ'ল, সত্ৰাধিকাৰ সহ বৰ্তমানলৈ স্বতন্ত্ৰ হিচাপে পৰিগণিত হোৱা কালশিলা সত্ৰ তিনিখনহে -(১) দলৈচুবা ঃ নাওঁকটা, (২) তৰাবৰিঃ হাবিবৰঙাবাৰী, মৰাণ, ডবাখাট, গোঁসানীবাৰী আৰু (৩) তামুলীবৰি কালশিলা সত্ৰ। গতিকে অনন্ত আতাই মায়ঙত পতা কালশিলা সত্ৰক মূল হিচাপে ধৰিলে সেই মূল সত্ৰ বৰ্তমান আঠটা ভাগত বিভক্ত। মূল কালশিলা সত্ৰ মায়ং - দলৈচুবা, নাওঁকটা, তামুলীবৰি, তৰাবৰি, হাবিবৰঙাবাৰী, মৰাণ ডবাখাট আৰু গোসাঁনীবাৰী। এই খিনিতে এটি উল্লেখযোগ্য কথা যে, আৰম্ভণিতে দলৈচুবা কালশিলা সত্ৰত মণিকূট, কীৰ্তনঘৰ, সভাঘৰ আদি সুন্দৰ ভাৱে আছিল বুলি জনা যায়। সত্ৰৰ উত্তৰ ফালে আজিও দৌলৰ ভেটি লক্ষ্য কৰা যায়। অংকীয়া নাট ভাওঁনাৰ বাবে ব্যৱহৃত হোৱা বিভিন্ন ধৰণৰ মুখা আৰু অস্ত্ৰ-শস্ত্ৰৰ সংৰক্ষণো বিশেষ মন কৰিবলগীয়া। কাঠত খুদিত কৰা গৰুড়ৰ সুন্দৰ মূৰ্ত্তিৰ লগতে বিৰাট আকাৰৰ চাকিৰ গচা সত্ৰত আজিও জিলিকি আছে। অৱশ্যে বাকী কেইখন সত্ৰতো দুই এপদ এনেধৰণৰ ভাস্কৰ্য দেখা পোৱা যায়। সত্ৰত আজিও বৰমেধি, গায়ন-বায়ন, শিষ্য-প্ৰশিষ্য আৰু দলৈৰ ঘৰ দেখা যায়। ওজাপালি, পুতলা নাচ, হিলৈ-বাৰুদ, বহুৱালী আদিৰ বহুল প্ৰয়োগৰ সাক্ষ্যও সত্ৰ সমূহে বহন কৰে। এই কালশিলা সত্ৰৰেই পৃথুৰামৰ পুত্ৰ যোগানন্দৰ 'বঘাসুৰ বধ' (প্ৰতিলিপি : ১৯০৮) আৰু 'দক্ষযজ্ঞ' দুখন উল্লেখযোগ্য অংকীয়া নাট।[৩৬] তামুলীবৰিৰ তোকৃষ্ণ দেৱমহন্তক ভকত বৈষ্ণৱ সকলে 'সৰ্বগুণী' লোক বুলিয়েই অভিহিত কৰে। স্মৰণ শক্তি, নাচ-নৃত্য-গীত, সংস্কৃত শ্লোক ভাঙনি, লিপিকাৰ, নাট্যকাৰ, কুষ্টি বিশাৰদ, নীতি-শাস্ত্ৰত পাৰ্গত আদি বহু দিশৰ সমাহাৰ তেখেতৰ গাত দেখিবলৈ পোৱা গৈছিল। তামুলীবৰি সত্ৰত বৰ্তমান সত্ৰাধিকাৰ শ্ৰীযুত বটকৃষ্ণ দেৱমহন্তৰ তত্বাৱধানত সম্প্ৰতি প্ৰায় ত্ৰিশ খন মান বিভিন্ন ধৰণৰ সাঁচিপতীয়া পুথি জৰাজীৰ্ণভাৱে সংৰক্ষিত হৈ আছে। জাতি জনজাতিৰ বিভিন্ন লোকক শিষ্যত্ব গ্ৰহণ কৰাই এই গৰাকী সত্ৰাধিকাৰে বৈষ্ণৱ ধৰ্ম প্ৰচাৰত ব্ৰতী হৈ আছে।

বৰ্তমান এই সত্ৰ সমূহত কীৰ্তন ঘৰ আছে যদিও অৱস্থা মুঠেই ভাল নহয়, মাথো নামধাৰী হৈ থিয় দি আছে সময়ৰ আহ্বানলৈ। অধিকাৰ পদটিক লৈ বিভিন্ন ধৰণৰ খেলিমেলি দেখা যায়। সত্ৰৰ পুৰণি স্মৃতি চিহ্ন হিচাপে দলৈচুবা, নাওঁকটা, তামুলীবৰি, তৰাবৰি আদিত ভালে সংখ্যক পুৰণি পুথি-পাঁজি আজিও দুখাত্মক ভাৱে অৱহেলিত হৈ ধ্বংসমুখী হৈ আছে। উল্লেখযোগ্য যে ১৯৯৬ চনত দলৈচুবা কালশিলা সত্ৰত আইসকলৰ প্ৰচেষ্টাত এটি পুৰণি পুথি সংৰক্ষণ কেন্দ্ৰ স্থাপন কৰি 'শ্ৰীশ্ৰীঅনন্ত আতা পুৰণি পুথি সংৰক্ষণ ও সমাজ উন্নয়ণ মহিলা চৰা' নাম দি কিছু সংখ্যক পুথি উদ্ধাৰৰ যো-জা কৰা দেখা গৈছে। এইটো পৰৱৰ্ত্তী লোকৰ কাৰণে এটা প্ৰেৰণাৰ স্থল হ'ব বুলিয়েই কব পাৰি। নাওঁকটা কালশিলা সত্ৰতো প্ৰায় ২৫ / ৩০ খন পুৰণি পুথি থকা দেখা যায়। তেনেকৈ হাবিবৰঙাবাৰী আৰু তৰাবৰী কালশিলা সত্ৰতো কিছু সংখ্যক পুথি-পাঁজি বৰ্তমান সংৰক্ষিত হৈ আছে। এই খিনিতে উল্লেখ থাকিল যে, পুৰণি কালশিলা সত্ৰৰ ওপৰত উল্লিখিত স্থান সমূহ প্ৰধানকৈ অবিভক্ত নগাঁও জিলাৰ অন্তৰ্গত। পিছতহে মৰাণ, যোৰহাট, মাজুলী লৈ বিস্তৃতি লাভ কৰে। সেয়ে সিপিঠিত অবিভক্ত নগাঁও জিলাৰ এখন মানচিত্ৰ অংকন কৰি তাত সত্ৰৰ স্থানসমূহ চিনাক্ত কৰি দেখুওৱা হ'ল। বৰ্তমান কালশিলা সত্ৰৰ শিষ্য-ভকতে অসমৰ ইমূৰৰ পৰা সিমূৰ লৈকে বিস্তাৰ লাভ কৰিছে।

---

৩৬। বদন চন্দ্ৰ শইকীয়া, 'বৈষ্ণৱ যুগৰ নাট্য সাহিত্য', ভুৱনেশ্বৰী বৈশ্য (সম্পাঃ) ঃ অসমৰ বৈষ্ণৱ সাহিত্য আৰু সংস্কৃতি, পৃঃ-৫৮।




চিত্ৰ : শ্ৰীশ্ৰী কালশিলা অঞ্চলৰ চিহ্নিত স্থান সমূহ

মেপ নং : ২

## তৃতীয় অধ্যায়

## হৃদয়ানন্দ কায়স্থ ঃ এটি পৰিচয়

হৃদয়ানন্দ কায়স্থৰ পূৰ্বপুৰুষৰ পম খেদি গলে দেখা যায় এখেত মহাপুৰুষ শংকৰদেৱৰ জী-নাতিৰ বংশধৰ। হৰিনাৰায়ণ দত্তবৰুৱাদেৱে উল্লেখ কৰা মতে, বুঢ়াখাঁ* নামৰ শংকৰ গুৰুৰ এজন পেহাক আছিল। তেওঁ টেম্বুৱানীৰ পশ্চিমফালে কুঁজী বিলৰ পাৰত দোপদৰ সাজি পশ্চিম খণ্ড ঠাই শাসন কৰিছিল। বুঢ়াখাঁই শংকৰ গুৰুক টেম্বুৱানীত থকা আগৰ ভূঞাসকলৰ পুৰণি ভেটিবোৰ দেখুৱাই দিয়াত সেই ভেটিতে পূৰ্বৰ ভূঞাৰ বংশধৰ সকলক বসতি কৰিবলৈ আদেশ দিয়ে আৰু তেখেতে নিজেও পিতামহৰ ভেটিতে ঘৰ কৰে।[১] এই বুঢ়া খাঁৰে অন্য এটা নাম ৰামখাঁ আৰু পিতৃৰ নাম ৰূপচন্দ্ৰখাঁ। বুঢ়া খাঁৰ উপৰি পুৰুষ সম্পৰ্কে 'প্ৰাচীন কামৰূপীয় কায়স্থ সমাজৰ ইতিবৃত্ত' গ্ৰন্থত উল্লেখ আছে এনেদৰে, সপ্তম শতিকাৰ কৰ্ণ সুবৰ্ণই দ্বাদশ শতিকাত কাঙ্গুৰ, ত্ৰয়োদশ শতিকাত কনৌজপুৰ আৰু পাছত কৰ্ণপুৰ নাম লোৱাৰ প্ৰমাণ পোৱা যায়। বুঢ়াখাঁৰ উপৰিপুৰুষ চন্দ্ৰ ভূঞা আৰু শ্ৰীপতি সৰস্বতি। তেওঁলোকৰ পুৰুহিত ও গুৰু প্ৰিয়ম্ৱদ সৰস্বতিৰ সৈতে একেলগে চতুৰ্দশ শতিকাত কান্যকুব্জৰ পৰা আহি কনৌজ পুৰত বাস কৰে। চণ্ডীবৰে টেম্বুৱানীত ৰাজধানী পাতি থাকোঁতে কেইজন মান কায়স্থ আহি চণ্ডীবৰৰ লগত বাস কৰেঁহি। এওঁলোকৰ নামৰ পাছত খাঁ উপাধি দেখি অনুমান কৰিব পাৰি চণ্ডীবৰ উজাই অহাৰ সময়ত এওঁলোকে গৌড়ৰ বিজেতা মুছলমান ৰজাৰ অধীনত প্ৰাদেশিক শাসন কৰ্ত্তা হৈছিল। পাছত ৰাজনৈতিক কাৰণত তাক ত্যাগ কৰি চণ্ডীবৰৰ লগ লাগে। ৰামখাঁ, বুঢ়াখাঁ, হৃদিখাঁ, হৰিখাঁ আদি এই 'খাঁ' উপাধিৰ কায়স্থ সন্ততি। এওঁলোকৰ লগত শিৰোমণি ভূঞাৰ বৈবাহিক সম্বন্ধ ঘটাৰ পৰা বিশ্বাস হয় এওঁলোক বাৰভূঞা দলৰে লোক আছিল।[২] প্ৰথম অৱস্থাত শংকৰদেৱৰ অলৌকিক শক্তিৰ প্ৰভাৱ দেখি বহুতে তেখেতৰ ওচৰত শৰণ লবলৈ ইচ্ছা প্ৰকাশ কৰিছিল। তেতিয়া গুৰু জনাই সেই সকলৰ অনুৰোধ ৰক্ষা কৰিবলৈ গৈ 'উদ্ধৱ সংবাদ' পুথিখন ৰচনা কৰি প্ৰথমে কেই গৰাকীমান ভক্তক ভগবানৰ ওচৰত শৰণত লগায়। তাৰ ভিতৰত বুঢ়াখাঁয়ো অন্যতম।[৩] 'কালশিলা চৰিত'ৰ উল্লেখেৰে এই বুঢ়াখাঁ সম্পৰ্কে আৰু কিছু কথা গম পোৱা যায় ঃ

ৰাম ৰায় জান দিলা ব্ৰাহ্মণক যাই।
কুঁজী ডেৰবাৰ মধ্যে বুঢ়াখাঁৰ ঠাই।।

---

১। হৰিনাৰায়ণ দত্তবৰুৱা ঃ প্ৰাচীন কামৰূপীয় কায়স্থ সমাজৰ ইতিবৃত্ত, পৃঃ ২২২।

২। তথৈৱ ঃ পৃঃ ৪২, ৬৯।

৩। হৰিনাৰায়ণ দত্তবৰুৱা (সম্পাঃ) ঃ গুৰু-চৰিত, পৃঃ ৩৪০, ৩৪২।

* বুঢ়াখাঁ ঃ খেৰখুতীৰ জোঁৱাই, শংকৰদেৱৰ পেহায়েক, বুঢ়াখাঁৰ পুত্ৰ কেতেখাঁ, কেতেখাঁৰ মাতৃ অৰুণী, এওঁৱেই কুসুম্বৰৰ খুলভনী। হৰিনাৰায়ণ দত্তবৰুৱা (সম্পাঃ) ঃ গুৰু চৰিত, পৃঃ ১২০।

সেহি দোপদৰে আমি বাদ কৰো যাই।
বুঢ়াখাঁৰ আগে বাদ হোক শাস্ত্ৰ চাই।

(কালশিলা চৰিত)[৪]


বুঢ়াখাঁ দলৈৰ কপিলি গাই জনীয়েই শিঙৰী গুপ্তেশ্বৰত থকা শিৱলিঙ্গত প্ৰতিদিনে নঘটি গাখীৰ দি অহাৰ কথা চৰিত পুথিত উল্লেখ আছে।[৫] এই বুঢ়াখাঁৰ দুই পুত্ৰ ক্ৰমে যশচন্দ্ৰ খাঁ ভূঞা ওৰফে কেতেখাঁ আৰু শুকাইগিৰী ওৰফে সুকবি গিৰী। সুকবি গিৰীৰ পুত্ৰ হ'ল যদুদেৰ, যাক কালশিলীয়া সকলৰ আদি পুৰুষ বুলি কোৱা হয়।[৬]

চণ্ডীবৰ শিৰোমণি ভূঞাৰ পুত্ৰ ৰাজধৰ। ৰাজধৰৰ চাৰি পুত্ৰ ক্ৰমে সূৰ্য্যবৰ, জয়ন্তা, মাধৱ আৰু হলাযুধ। 'মাধৱৰ পুত্ৰ মাধৱী দলৈঃ তানে পুত্ৰ ৰতিকান্ত দলৈঃ তানে পুত্ৰ হাতিয়া দলৈ।'[৭] শংকৰদেৱৰ খুৰাকৰ পুতেক হাথীয়া বা হাতীযা দলৈ, তেওঁৰ পুত্ৰ ৰামচন্দ্ৰ, ৰামচন্দ্ৰৰ পুত্ৰ নাই, এটি কন্যাআছিল, নাম বিষ্ণুপ্ৰিয়া ওৰফে ৰুক্মিনী। ৰতিকান্তই এই কন্যাটি লৈকে ৰামখাঁৰ পৰিনাতি আৰু বুঢ়াখাঁৰ নাতি যদুদেৱক বিয়া কৰাই পোষ্য পুত্ৰ কৰি ৰাখে। এই যদুদেৱকেই কালশিলীয়া সকলৰ আদি পুৰুষ বুলি ওপৰত উল্লেখ কৰি অহা হৈছে। বুঢ়াখাঁৰ বংশধৰ সকল বৰ্তমানে কামৰূপৰ গনককুছি, কুবোৱাবাহা গোৱালপাৰাৰ গৌৰিপুৰ আৰু নগাঁৱৰ কালশিলা গাঁৱত বাস কৰে বুলি হৰিনাৰায়ণ দত্তবৰুৱাদেৱে উল্লেখ কৰিছে[৮] যদিও বৰ্তমান নগাঁৱৰ (মায়াংৰ) কালশিলা পাৰ গাঁৱত বুঢ়াখাঁৰ বংশধৰ সকলৰ কোনো নাই। 'প্ৰাচীন কামৰূপীয় কায়স্থ সমাজৰ ইতিবৃত্ত'ৰ ৩নং মেপৰ ১৯ নং স্থানত বুঢ়াখাঁৰ ভেটি আৰু ২০ নং চিহ্নিত স্থানত কালশিলাৰ ঠাই উল্লেখ কৰি দেখুৱাইছে।[৯] (সিপিঠিত মানচিত্ৰৰ প্ৰতিলিপি সংযোগ কৰি দিয়া হ'ল।) ওপৰত উল্লেখ কৰি অহা যদুদেৱ আৰু বিষ্ণুপ্ৰিয়াৰেই পুত্ৰ অনন্ত ঠাকুৰ বা হৃদয়ানন্দ কায়স্থ।[১০]

সাহিত্যৰত্ন হৰিনাৰায়ণ দত্তবৰুৱাই শংকৰোত্তৰ যুগৰ এই গৰাকী সন্ত আচাৰ্যৰ বংশলতা তলত দিয়া ধৰণে দেখুৱাইছে। ইয়াত তেখেতে হৃদয়ানন্দৰ উপৰিপুৰুষৰ লগতে পৰৱৰ্তীসকলৰো বংশক্ৰম উল্লেখ কৰিছে।[১১] সেই মতে শিৰোমণি ভূঞাৰ বংশৰ পৰা কালশিলা গোঁসাই লৈকে বংশলতা টানি অনা হৈছে। সিপিঠিত ইয়াক সম্পূৰ্ণৰূপে কালানুক্ৰমিক হিচাপে দেখুওৱা হ'ল ঃ

---

৪। প্ৰাচীন কামৰূপীয় কায়স্থ সমাজৰ ইতিবৃত্ত ঃ পৃঃ-৫৫ ।
৫। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ গুৰু চৰিত কথা, পৃঃ ১৩।
৬। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ পবিত্ৰ অসম, পৃঃ ১২৪।
৭। গুৰু চৰিত কথা ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ১২ ; M. Neog : Sankaradeva and His Times, Page No. 63-64
৮। প্ৰাচীন কামৰূপীয় কায়স্থ সমাজৰ ইতিবৃত্ত, পৃঃ ৭১।
৯। প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ৫৪-৫৫।
১০। পবিত্ৰ অসম ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ১২৪।
১১। প্ৰাচীন কামৰূপীয় কায়স্থ সমাজৰ ইতিবৃত্ত, পৃঃ ১৪১, ১৪৩, ১৯১, ১৯২।




৩ নং মেপ।

মেপ নং: ৩

## শিৰোমণি ভূঞা ঃ

১। প্ৰেম পূৰ্ণানন্দ গিৰী (কান্যকুব্জ)

২। কৃষ্ণ গিৰী

৩। সুৱৰ্ণ গিৰী

৪। গন্ধৰ্ব গিৰী

৫। ৰাম গিৰী

৬। হেম গিৰী

৭। হৰিবৰ গিৰী

৮। কন্যা- কৃষ্ণকান্তী দেৱী

৯। লণ্ডাবৰ গিৰী

১০। চণ্ডীবৰ গিৰী

১১। ৰাজধৰ

১২।

১। সূৰ্য্যবৰ — ২। জয়ন্ত — ৩। মাধৱ — ৪। হলায়ুধ

১৩। কুসুম্বৰ (সূৰ্য্যবৰৰ পিছত)

১৪। শ্ৰীশংকৰ

১৩। মাধৱীদলৈ (মাধৱৰ পিছত)

১৪। ৰতিকান্ত ওৰফে হাথিয়াদলৈ

১৫। ৰামচন্দ্ৰ দেৱ

১৬। কন্যা ঃ বিষ্ণুপ্ৰিয়া ওৰফে ৰুক্মিণী

ৰূপচন্দ্ৰখাঁ ভূঞা

বুঢ়াখাঁ ওৰফে ৰামখাঁ

১। যশচন্দ্ৰ খাঁ ওৰফে কেতেখাঁ — ২। শুকাই গিৰী ওৰফে সুকবি গিৰী

যদুদেৱ ————— স্বামী ঃ যদুদেৱ

১৭।

১। চিদানন্দ — ২। নিত্যানন্দ — ৩। হৃদয়ানন্দ ওৰফে অনন্ত ঠাকুৰ

১৮।

১। কন্যা ঃ দেৱযানী — ২। ভুৱনেশ্বৰ দেৱ

১৯।

১। ৰামদেৱ — ২। দৈৱকানন্দন অধিকাৰ (তৰাবৰি কালশিলা সত্ৰ) — ৩। জগন্নাথ

২০। ৰামাকান্ত দেৱ অধিকাৰ

২১।

১। দেবানন্দ অধিকাৰ (দলৈচুবা কালশিলা সত্ৰ) — ২। ব্ৰহ্মানন্দ অধিকাৰ (তামুলীবৰি কালশিলা সত্ৰ) — ৩। কৃষ্ণ সূৰ্য্য — ৪। আত্মানন্দ

গ্ৰন্থখনত দত্তবৰুৱাদেৱে ওপৰোক্ত কালশিলা গোসাঁইৰ বংশ সম্পৰ্কত বৰ্তমান দুস্প্ৰাপ্য পুথি 'কালশিলা চৰিত'ৰ উল্লেখেৰে এনেদৰে পৰিচয় দাঙি ধৰিছে ঃ[১২]

১। যশচন্দ্ৰ খাঁ ঃ যশচন্দ্ৰ খাঁ ভূঞা আছিলা প্ৰখ্যাত বৰ
সদায় ধৰ্মত যাৰ চিত্ত।। ১০২৫

শ্ৰীৰাম কীৰ্তন-অনন্ত চৰিত।

২। শুকাই গিৰী বা সুকবি গিৰী ঃ

যশচন্দ্ৰ খাঁ যে আছিলন্ত ভূঞা
সৰ্বগুণে অনুপাম ।
তাহান কনিষ্ঠ ভাই মহাশিষ্ঠ
যাৰ শুকাই গিৰী নাম ।।

কালশিলা চৰিত।

৩। যদুদেৱ ঃ

তাহান তনয় যদু সুধাশয়
গুণৰ নাহিকে অন্ত ।
শ্ৰীভাগৱত টীকায়ে সহিতে
কন্ঠত সদা বসন্ত ।।
শঙ্কৰদেৱৰ ভাতৃ যে কনিষ্ঠ
হাথিয়া দলৈ খ্যাত ।
নামে ৰতিকান্ত পৰম মহন্ত
মহন্তৱ সমজ্যাত ।।

৪। ৰামচন্দ্ৰ ঃ

তাহান তনয় আতি শুভনয়
ৰামচন্দ্ৰ নাম ভৈলা ।
জীউখানি মাত্ৰ জন্মিল তাহাৰ
এতেকে বৈকুন্ঠ গৈলা ।।
নাতিনী খানিক ৰতিকান্ত দেৱে
তুলিলন্ত স্নেহ কৰি ।

---

১২। প্ৰচীন কামৰূপীয় কায়স্থ সমাজৰ ইতিবৃত্ত, পৃঃ ২৪৭-২৪৮।

শুকাইৰ পুত্ৰক যদুক আনিয়া
বিহাইলন্ত যত্ন কৰি ।।

৫। অনন্ত ঠাকুৰ বা হৃদয়ানন্দ ঃ

তান গৰ্ভেজাত তিনি পুত্ৰ খ্যাত
বিষ্ণুৰ সেৱক ভৈলা ।
চিদানন্দ নিত্যা- নন্দ কনিষ্ঠৰ
হৃদয়ানন্দ নাম ভৈলা ।।
হৃদয়ানন্দক অনন্ত বোলয়
সৰ্বগুণে অনুপাম ।।
বাৰাদিৰ হন্তে উজানে আসিয়া
কৈলা আৰু নানা কাম ।।
তেহো যে আসিয়া মায়া ৰাজ্যত *
কালশিলা গ্ৰামে ৰৈলা ।
অতি ভয়ানক বিলখান তাত
সেহি নামে গ্ৰাম ভৈলা ।।
* * *
প্ৰেমলতা আৰু ৰাম যে কীৰ্তন
দুই শাস্ত্ৰ কৰিলন্ত ।।

কালশিলা গোঁসাই চৰিত ।।

ড° মহেশ্বৰ নেওগদেৱে এই বিষয়ে উল্লেখ কৰিছে এনেদৰে - শঙ্কৰদেৱৰ সমসাময়িক বুঢ়াখাঁ ভূঞাৰ পুত্ৰ যশচন্দ্ৰখাঁ, তেওঁৰ পুত্ৰ শুকাইগিৰী বা সুকবিগিৰী, তেওঁৰ পুত্ৰ যদুদেৱে শঙ্কৰদেৱৰ ভাতৃ ৰতিকান্ত বা হাথিযাদলৈৰ পুতেক ৰামচন্দ্ৰৰ দুহিতা বিষ্ণুপ্ৰিয়াক বিয়া কৰে। যদুদেৱ আৰু বিষ্ণুপ্ৰিয়াৰ তিনি পুত্ৰৰ কনিষ্ঠ হৃদয়ানন্দ বা অনন্ত।[১৩] কবি গৰাকীৰ বংশলতা

---

* মাযঙৰ 'মায়া ৰাজ্যৰ' মায়া শব্দটোৰ ব্যাখ্যা মহদানন্দ দেৱগোস্বামীয়ে এনেধৰণে দাঙি ধৰিছে, 'মাযাৰ সংসাৰ বুলিলে বিশ্ব সৃষ্টিখনকে বুজাই। মায়াৰে ৰচিত সৃষ্টি। মায়া অঙ্গক লৈ অৰ্থাৎ কামৰূপ কামাখ্যা 'মা' ৰ অঙ্গৰে অথবা 'মাযা'ৰ অঙ্গক লৈ বা প্ৰকৃতিৰ অঙ্গ ধাৰণ কৰি প্ৰকৃতিৰ স্বৰূপ মূৰ্ত্তি ৰচনা হোৱা বুলি নিশ্চয় কৈ কব পাৰি। মা + অঙ্গ বা মাযা + অঙ্গ = মায়ং শব্দ সন্ধি সূত্ৰে প্ৰকাশ পাইছে। ইযাকে বুজাবলৈ 'মাযং' বুলি বাস্তৱত এক ভূ-খণ্ডৰ নাম, আদৰ্শৰ প্ৰতীক স্বৰূপ নিৰ্ণয কৰি মহাত্মা মনীষি সকলে পাঠ সংজ্ঞা উপলব্ধিৰ কাৰণে নামাকৰণ কৰি থৈ গৈছে। প্ৰকৃততে 'মাযং' বুলিলে গোতেই পৃথিৱীকে বুজায। ঃ মহদানন্দ দেৱগোস্বমী ঃ মায়ং প্ৰসাঙ্গ, পৃঃ- ৬।

১৩। মহেশ্বৰ নেওগ ঃ অসমীযা সাহিত্যৰ ৰূপৰেখা, পৃ ঃ- ১৫৮।

সম্পৰ্কে তেখেতে নিজে ৰচনা কৰা গ্ৰন্থৰাজি শ্ৰীৰামকীৰ্তন আৰু প্ৰেমলতাত ইয়াৰ উল্লেখ কৰি গৈছে ঃ

শ্ৰীৰাম কীৰ্তন ঃ

যশচন্দ্ৰখাঁ জে ভূঞা আছিল প্ৰখ্যাত বৰ
সদায়ে ধৰ্মত আৰ চিত্ত ।। ১০৩১
তাহানে কনিষ্ঠ ভাই শুকই যে গিৰি নামে
খ্যাতি তান পুত্ৰ যদু হয় ।
শ্ৰীশঙ্কৰৰ ভ্ৰাতৃ পৌত্ৰী নামে বিষ্ণুপ্ৰিয়া শান্তি
বিহাইলন্ত যদু শুভনয় ।।
তান গৰ্ভে ভৈলো জাত আমি নুহিকন্ত খ্যাত
পৰম মূৰুখ মূঢ়মতি । ১০৩২ (উত্তৰা কাণ্ড)[১৪]

ওপৰৰ সকলো আলোচনাৰ পৰা এটা কথা স্পষ্টভাৱে জনা গ'ল হৃদয়ানন্দ কায়স্থ বংশগত ভাৱে ভূঞা পৰিয়ালৰ। জ্যেষ্ঠ দুই ভাতৃ চিদানন্দ আৰু নিত্যানন্দই বিবাহ ত্যাগ কৰি ধৰ্মাচাৰ্য পদ গ্ৰহণ কৰি বাৰাদি সত্ৰতেই দেহ ত্যাগ কৰে।[১৫] অনন্ত আতাৰ ভাৰ্য্যাৰ নাম জনা নাযায় যদিও তেওঁৰ এটি পুত্ৰ ভুৱনেশ্বৰ আৰু এটি কন্যা 'দেৱযানী'ৰ উল্লেখ বংশলতা খনিৰ পৰা গম পোৱা যায়। ভূৱনেশ্বৰ আতাৰ দিনৰ পৰাই ক্ৰমে সত্ৰ কেইবাটাও শাখাত ভাগ হ'বলৈ ধৰিলে। আমি দলৈচুবা কালশিলা সত্ৰৰ পৰা ক্ষেত্ৰ অধ্যয়নৰ যোগেদি উদ্ধাৰ কৰা জঁহি পমি যোৱা হাতে অঁকা কালশিলাৰ ধৰ্মাধিকাৰ সকলৰ এখনি কালানুক্ৰমিক চিত্ৰলিপিৰ প্ৰতিলিপি ইয়াত সংযোগ কৰি দিয়া হ'ল ।[১৬]

হৃদয়ানন্দ কায়স্থই বৰপেটাৰ ওচৰৰ বাৰাদিত জন্ম গ্ৰহণ কৰিছিল। এই বিষয়ে বিভিন্ন ঠাইত বিভিন্ন পণ্ডিতে উল্লেখ কৰিছে।[১৭] বাৰাদিৰ পৰা তেওঁ সৰ্বগুণে অনুপাম হৈ উজাই আহি ধৰ্মাধিকাৰ পদত অধিষ্ঠিত হৈ মায়ঙত সত্ৰ প্ৰতিষ্ঠা কৰিছিল। এই খিনিতে এটা মনকৰিবলগীয়া কথা যে, সন্ত পণ্ডিত গৰাকীৰ জন্মৰ নিৰ্দিষ্ট সময় কোনো পণ্ডিতে উল্লেখ কৰা নাই। সাহিত্যৰ বুৰঞ্জীতো এই দিশৰ বিস্তৃত আলোচনা পোৱা নাযায়। অৱশ্যে শ্ৰীযুত সনত মহন্তদেৱে তেখেতৰ


---

১৪। হৰিনাৰায়ণ দত্তবৰুৱা (সম্পা) ঃ শ্ৰীৰামকীৰ্তন, পৃঃ- ২৪৯ আৰু ভক্তি প্ৰেমলতা,পৃ ঃ-১১৮ - ১১৯, পদ নং - ৫১২ - ৫১৭।

১৫। ভক্তি প্ৰেমলতা ঃ প্ৰাগুক্ত গ্ৰন্থ ঃ পৃ ঃ-১১৯ ; সদানন্দ মহন্ত, 'সপ্তদশ শতিকাৰ মৰিগাঁও মাযংৰ, শঙ্কৰোত্তৰ কবি সহিত্যিক শ্ৰীশ্ৰীঅনন্তদেৱ' ঃ পৱিতৰা (স্মৃতিগ্ৰন্থ), পৃঃ-১৭৮।

১৬। দলৈচুবা কালশিলা সত্ৰৰ বৰ্তমান সত্ৰাধিকাৰ শ্ৰীযুত ভুৱন চন্দ্ৰ মহন্তদেৱৰ পৰা চিত্ৰ লিপিখন সংগ্ৰহ কৰি দিয়া হ'ল।

১৭। প্ৰচীন কামৰূপীয় কায়স্থ সমাজৰ ইতিবৃত্ত ঃ- ২৪৯ ; অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ ঃ- ১৫৮; ডিম্বেশ্বৰ নেওগঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী, পৃ ঃ- ৪৯৮ ; পবিত্ৰ অসম, পৃ ঃ-১২৪ ; সত্যেন্দ্ৰ নাথ শৰ্মা ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ ঃ-২০; শ্ৰীৰাম কীৰ্তন , পাতনি, উপেন্দ্ৰ চন্দ্ৰ লেখাৰু ,অসমীয়া ৰামাযণ সাহিত্য, পৃ ঃ-৯৭।



কালশিলা'ৰ ধৰ্মাধিকাৰসকলৰ কালানুক্ৰমিক জীৱনচিত্ৰ

চিত্ৰ নং-৪

'শ্রীশ্রীকালশিলা চৰিত' নামৰ পুথিত এটি আনুমানিক চন নিদ্ধাৰণ কৰিছে। সেইমতে অনন্ত আতাৰ জন্ম ১৫৩০ শক বুলি কব খুজিছে।[১৮] সময়ৰ লগত উক্ত তাৰিখৰ কিছু সামঞ্জস্য থকা যে অনুমান নোহোৱা নহয়। পণ্ডিত গৰাকীৰ কাৰ্য্যাৱলী, সত্ৰ প্ৰতিষ্ঠা (১৫৬৪ শঁক) সাহিত্য কৃতি ভক্তি-প্ৰেমলতা (১৫৬৬ শঁক) আৰু শ্ৰীৰামকীৰ্তন (১৫৭৭ শঁক) গ্ৰন্থ দুখনৰ ৰচনাৰ সময়লৈ লক্ষ্য কৰিলে হৃদয়ানন্দৰ সময় সপ্তদশ শতিকাৰ তৃতীয় দশক বুলি কব পাৰি। ড° সত্যেন্দ্ৰ নাথ শৰ্মাই তেখেতৰ গৱেষণা গ্ৰন্থৰ সত্ৰৰ তালিকাত অনন্ত আতাই প্ৰতিষ্ঠা কৰা পুৰুষ সংহতিৰ কালশিলা সত্ৰৰ আৱস্তুণিৰ সময় খৃঃ ১৬৫২ বুলি মন্তব্য কৰিছে।[১৯] আতা গৰাকীৰ দেহাৱসানৰ উল্লেখ ১৫৯৪ শঁক বুলি কেইবা ঠাইতো পোৱা গৈছে।[২০] ইয়াৰ বাহিৰেও 'দত্তবৰুৱা এণ্ড কোং প্ৰকাশক আৰু কিতাপ বেচোঁতা গুৱাহাটীৰ দ্বাৰা প্ৰকাশিত বছেৰেকীয়া অসমীয়া কেলেণ্ডাৰত অনন্ত আতাৰ তিৰোভাৱ তিথিৰ সম্পৰ্কত লিখা আছে এনেদৰে, ভাদমাহ-২৬, ললিতা সপ্তমী। শ্ৰীৰামকীৰ্তন (অনন্ত ৰামায়ণ) প্ৰণেতা প্ৰেমলতাৰ ৰচয়িতা শঙ্কৰোত্তৰ বৈষ্ণৱ কবি কালশিলা সত্ৰৰ অনন্ত আতাৰ তিঃ তিঃ।'[২১] শ্ৰীমদন গুপ্তৰ ফুল পঞ্জিকাতো ইয়াৰ উল্লেখ পোৱা যায়, ভাদ্ৰ-১৩, ভাঃ ৮, কালশিলা সত্ৰত অনন্ত আতাৰ তিৰোভাৱ (আসাম)।[২২] শ্ৰীমহন্ত দেৱেও অনন্ত দেৱৰ মৃত্যু তিথি ভাদমাহৰ শুক্লাষ্টমী বুলি কৈছে।[২৩]

সকলো আলোচনাৰ পৰা গম পোৱা গল যে ১৫৯৪ শঁকত আতা গৰাকীয়ে নিজৰ বহল কৰ্মময় জীৱনৰ চানেকি থৈ নৰনাটৰ সামৰণি মাৰিছিল। এই কালজয়ী লোকজনে 'সাধুতা আৰু সদাচাৰী শিকনিৰ ভেটিত স্থাপন কৰি যোৱা সমাজখন এতিয়াও আছে, আজি অনন্ত আতা নাই , কিন্তু প্ৰেমলতা আৰু শ্ৰীৰামকীৰ্তন আছে আৰু আছে তেখেতে স্থাপন কৰি যোৱা সমাজখন।'[২৪] এই খিনিতে শ্ৰীশ্ৰীকালশিলা সত্ৰৰ আতা আৰু আই মাতৃ সকলৰ বৰ্তমানলৈকে মৃত্যু তিথিৰ এখনি তালিকা প্ৰস্তুত কৰি দিয়া হৈছে। [২৫]

## শ্ৰীশ্ৰীকালশিলীয়া আতা আৰু আই সকলৰ মৃত্যু তিথি সমূহ ঃ

| | | |
|---|---|---|
| ১। অনন্তদেৱ | ঃ | ভাদ মাহৰ শুক্লাষ্টমী। |
| ২। ভূৱনেশ্বৰদেৱ | ঃ | শাওনৰ কৃষ্ণা চতুৰ্দ্দশী। |
| ৩। ৰামদেৱ | ঃ | ভাদৰ কৃষ্ণা চতুৰ্দ্দশী। |

---

১৮। সনত মহন্ত, শ্ৰীশ্ৰীকালশিলা চৰিত, পৃঃ- ২১।

১৯। S.N. Sarma, The Neo-Vaisnavite Movement and The Satra Institution of Assam, Page No - 223.

২০। প্ৰাচীন কামৰূপীয় কায়স্থ সমাজৰ ইতিবৃত্ত, পৃঃ- ২৪৯; অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃঃ- ১৫৮ ; পবিত্ৰ অসম, পৃঃ- ১২৪ ; বদন চন্দ্ৰ শইকীয়া, 'যোগানন্দৰ বঘাসুৰ বধ নাট 'স্মৃতিলেখা, মৰিগাঁও মহাবিদ্যালয় (পৃষ্ঠাৰ উল্লেখ নাই)।

২১। কেলেণ্ডাৰ, ভাস্কৰাব্দ,১৪০১, ইং ১৯৯৮.

২২। শ্ৰীমদন গুপ্তৰ ফুলপঞ্জিকা, ইং ১৯৯৮, পৃঃ- ১৩৩।

২৩। সনত মহন্ত, প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ৭১।

২৪। নৰেন্দ্ৰ নাথ কেওঁট, 'শ্ৰীশ্ৰীঅনন্ত আতাৰ কৰ্মময় জীৱন', পবিতৰা, পৃঃ-৭৬।

২৫। সনত মহন্ত, প্ৰাগুক্ত গ্ৰন্থ, পৃঃ- ৭১ -৭২।

| | | |
|---|---|---|
| ৪। ৰামাকান্ত | ঃ | ভাদৰ কৃষ্ণা পঞ্চমী । |
| ৫। ব্ৰহ্মানন্দ | ঃ | পুহৰ কৃষ্ণা পঞ্চমী । |
| ৬। কৃষ্ণ সূৰ্য্য | ঃ | কাতিৰ পূৰ্ণিমা । |
| ৭। মহীধৰ দেৱ | ঃ | বহাগৰ কৃষ্ণা নৱমী । |
| ৮। নন্দিতা আই | ঃ | পুহৰ শুক্লা দ্বাদশী । |
| ৯। জীউৰাম দেউ | ঃ | মাঘৰ শুক্লা ষষ্ঠী । |
| ১০। পৃথুৰাম | ঃ | আঘোণৰ শুক্লা দশমী । |
| ১১। পূৰ্ণকান্ত | ঃ | পুহৰ আউসী । |
| ১২। পদ্মনাভ | ঃ | মাঘৰ শুক্লা সপ্তমী । |
| ১৩। থিৰেশ্বৰী | ঃ | ফাগুনৰ শুক্লা তৃতীয়া । |
| ১৪। চ্যুতধৰ | ঃ | আহাৰৰ কৃষ্ণা দ্বিতীয়া । |
| ১৫। ৰমা আই | ঃ | মাঘৰ কৃষ্ণা ষষ্ঠী । |
| ১৬। যোগানন্দ | ঃ | শাওনৰ কৃষ্ণা চতুৰ্দ্দশী । |
| ১৭। খগেন্দ্ৰ | ঃ | মাঘৰ শুক্লা একাদশী । |
| ১৮। জাপৰী আই | ঃ | শাওনৰ কৃষ্ণা চতুৰ্থী । |
| ১৯। সোনাৰাম | ঃ | আঘোণৰ শুক্লা তৃতীয়া । |
| ২০। উৰ্ব্বশী | ঃ | বহাগৰ শুক্লা ষষ্ঠী । |
| ২১। ভূমিকান্ত | ঃ | বহাগৰ শুক্লা ত্ৰয়োদশী । |
| ২২। চম্পক আই | ঃ | শাওনৰ কৃষ্ণা ত্ৰয়োদশী । |
| ২৩। প্ৰভাৱতী আই | ঃ | চ'তৰ শুক্লা একাদশী । |
| ২৪। বাসুদেৱ | ঃ | ফাগুনৰ কৃষ্ণা দ্বিতীয়া । |
| ২৫। হেমকান্তী | ঃ | ভাদৰ কৃষ্ণা দ্বিতীয়া । |
| ২৬। পদ্মকান্ত | ঃ | শাওনৰ অমাবস্যা । |
| ২৭। শশীকান্ত | ঃ | মাঘৰ কৃষ্ণা দ্বাদশী । |
| ২৮। ৰত্নমালা | ঃ | ফাগুনৰ কৃষ্ণা নৱমী । |
| ২৯। হেমকান্ত | ঃ | কাতিৰ শুক্লা তৃতীয়া । |
| ৩০। নৰদেৱ | ঃ | জেঠৰ কৃষ্ণা একাদশী । |
| ৩১। লক্ষেশ্বৰী | ঃ | আহাৰৰ শুক্লা ষষ্ঠী । |
| ৩২। ভীষ্মদেৱ | ঃ | আহাৰৰ শুক্লা একাদশী । |

| | | |
|---|---|---|
| ৩৩। মহীচন্দ্ৰ | ঃ | কাতিৰ কৃষ্ণা অষ্টমী। |
| ৩৪। মহেশ্বৰী | ঃ | বহাগৰ শুক্লা একাদশী। |
| ৩৫। কমলেশ্বৰী | ঃ | মাঘৰ শুক্লা ষষ্ঠী। |
| ৩৬। খগেন | ঃ | পুহৰ কৃষ্ণা দশমী। |
| ৩৭। পুৰ্ণেন্দ্ৰ | ঃ | আঘোনৰ শুক্লা পঞ্চমী। |
| ৩৮। উৰ্ব্বশী | ঃ | ফাগুনৰ কৃষ্ণা চতুৰ্থী। |
| ৩৯। জয়চন্দ্ৰ | ঃ | জেঠৰ কৃষ্ণা চতুৰ্থী। |
| ৪০। দয়াৱতী | ঃ | পুহৰ শুক্লা পঞ্চমী। |
| ৪১। তোকৃষ্ণ | ঃ | জেঠৰ শুক্লা ত্ৰয়োদশী। |
| ৪২। কৃষ্ণনাথ | ঃ | কাতিৰ শুক্লা তৃতীয়া। |
| ৪৩। যদুকান্ত | ঃ | চ'তৰ কৃষ্ণা ষষ্ঠী। |
| ৪৪। মহীকান্ত | ঃ | ফাগুনৰ শুক্লা সপ্তমী। |
| ৪৫। শুভকান্ত | ঃ | আহাৰৰ শুক্লা দ্বাদশী। |
| ৪৬। দেৱকান্ত | ঃ | ফাগুনৰ কৃষ্ণা দ্বাদশী। |
| ৪৭। শ্ৰীকান্ত | ঃ | ভাদৰ পূৰ্ণিমা। |
| ৪৮। মণিকান্ত | ঃ | মাঘৰ পূৰ্ণিমা। |
| ৪৯। লক্ষীদেৱী | ঃ | ফাগুনৰ শুক্লা নৱমী। |
| ৫০। কমলদেৱ | ঃ | জেঠৰ কৃষ্ণা চতুৰ্থী। |

## সত্ৰস্থাপন আৰু কাৰ্য্যাৱলী ঃ

হৃদয়ানন্দ কায়স্থই বৰপেটাৰ ওচৰৰ বাৰাদিৰ পৰা উজাই আহি মায়ং অঞ্চলৰ কালশিলা বিলৰ পাৰত 'কালশিলা সত্ৰ' প্ৰতিষ্ঠা কৰিছিল। এই সম্পৰ্কে ড° মহেশ্বৰ নেওগে মন্তব্য আগবঢ়াইছে ঃ এওঁৰ (অনন্ত আতাৰ) জন্ম বৰপেটাৰ ওচৰৰ বাৰাদিত, কনকলতা আই বৰদোৱালৈ অহাৰ পাছত অনন্ত আতা নগাঁৱৰ মায়ঙলৈ আহি কালশিলা নামে বিলৰ পাৰত ৰয়। অনন্ত আতাই কনকলতাৰ পৰা ধৰ্ম প্ৰচাৰ কৰিবলৈ আজ্ঞা পাইছিল। এই বিলৰ পাৰতে ১৫৬৪ শকত 'কালশিলা সত্ৰ' কৰি ধৰ্ম প্ৰচাৰ কৰে।[২৬] হৰিনাৰায়ণ দত্তবৰুৱাই আকৌ কৈছে, অনন্ত আতা বৰপেটাৰ ওচৰৰ বাৰাদিত জন্মিছিল। ভূঞাসকল নগাঁৱৰ পৰা উজনীলৈ গৈছিল আৰু তাত প্ৰায় ২৫ বছৰ থাকিহে বৰপেটালৈ যায়। সম্ভৱতঃ যদুদেৱ (অনন্তৰ পিতৃ) প্ৰভুৰ লগে লগে ফুৰিছিল। চতুৰ্ভূজ ঠাকুৰদেৱৰ পত্নী লক্ষ্মী বা কনকলতা আই বৰদোৱাক অহাৰ পিছত অনন্ত আতা নগাঁৱৰ মায়ঙক আহে আৰু তাত কালশিলা নামৰ বিলৰ পাৰত সত্ৰ কৰি ধৰ্ম প্ৰচাৰ কৰে (১৫৬৪ শকত)[২৭]। ঠিক সেই

২৬। পবিত্ৰ অসম ,প্ৰাগুক্ত , পৃ ঃ- ১২৪।

২৭। প্ৰাচীন কামৰূপীয় কায়স্থ সমাজৰ ইতিবৃত্ত, পৃ ঃ- ২৪৯, শ্ৰীৰামকীৰ্তন, মুখবন্ধ, পৃ ঃ- গ।

সময়তে স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই সত্ৰভূমি নিষ্কৰ ৭০০ পুৰা, ৪ খন গাঁও, ৪ ঘৰ ভকত-প্ৰজা, তাম্ৰপত্ৰ দি সত্ৰ বহাইছিল।[২৮] এই সম্পৰ্কে তামুলীবৰি কালশিলা সত্ৰৰ সত্ৰাধিকাৰ প্ৰয়াত তোকৃষ্ণ দেৱমহন্তই ইং ১২।৬।৬২ তাৰিখে লিখা এটা প্ৰতিলিপিত উল্লেখ কৰিছে- স্বৰ্গীয় আহোম ৰজা ৰাজেশ্বৰ সিংহই এই কালশিলা সত্ৰৰ মূৰ্ত্তি ভাগৱত প্ৰতিপালনৰ অৰ্থে সাত শ পোৱা মাটি আৰু সাত শ ঘৰ শিষ্য আৰু তামৰ ফলি আদি দান কৰে।[২৯]

ওপৰোক্ত আলোচনাৰ পৰা কব পৰা যায় যে হৃদয়ানন্দ কায়স্থই বৰপেটাৰ পৰা উজাই আহি ব্ৰহ্মপুত্ৰৰ পাৰত পাহাৰেৰে আবৰি থকা এটি প্ৰকৃতিৰ শান্তিপূৰ্ণ পৰিবেশ অনুধাৱন কৰিয়েই কালশিলা বিলৰ পাৰত থিতাপি লৈ নাম ধৰ্মৰ চৰ্চা কৰিবলৈ লয়। যাৰ ফলত সেই বিলৰ নামানুসাৰে তেখেতে প্ৰতিষ্ঠা কৰা সত্ৰখনিৰ নামো হ'ল 'কালশিলা সত্ৰ'।

কালশিলা সম্পৰ্কে ভকত বৈষ্ণৱসকলৰ মুখত এটি জনশ্ৰুতি শুনা যায়। সেইমতে মায়ং অঞ্চলৰ এখন বিলৰ সুবৃহৎ জলপৃষ্ঠৰ প্ৰায় ১৫-২০ হাত মান পানীৰ তলত এটি বিষযুক্ত কলা শিল আছিল। সেই পৰিত্যক্ত শিলৰ পৰা উদ্ভৱ হৈছিল জলৰাশিৰ এক বিষক্ৰিয়া। সেয়েহে জীৱজন্তু, মানুহ আদিয়ে তাক খালেই মৃত্যু মুখত পৰিছিল। সেই সময়ত অনন্ত আতাই ঐশ্বৰিক মহিমাৰ দ্বাৰা পানীত ডুব মাৰি শিলতো উঠাই পাৰত থোৱাত পানী ভাল হৈ খোৱাৰ উপযোগী হ'ল। আঞ্চলিক বয়োজ্যেষ্ঠ ব্যক্তি আৰু প্ৰত্যক্ষ দৰ্শীৰ মতে সেই শিলতো ১৯৫০ চনৰ প্ৰৱল ভূমিকম্পৰ আগলৈকে কালশিলা বিলৰ পাৰতে অচল অৱস্থাত থকাৰ কথা গম পোৱা যায়, কিন্তু তাৰ পিছত শিলতো ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াই গ্ৰাস কৰিলে।[৩০] বৰ্তমান কালশিলা সত্ৰৰ সেই পুৰণি চিহ্ন তাত নাই, মাথো প্ৰাকৃতিক পৰিবেশৰ নিজঞ্জালে পুৰণি ঐতিহ্যহে সোঁৱৰায়। কাষতে আছে কালশিলা পাৰ গাঁও আৰু বৰ্তমান নামধাৰী হৈ আছে কালশিলা বিলৰ নিঃচিহ্ন স্মৃতি। ওপৰোক্ত কথাখিনিকে হৰিনাৰায়ণ দত্তবৰুৱাই অলপ বেলেগ ধৰণে প্ৰকাশ কৰিছে, সেইমতে অনন্তৰ পুত্ৰ ভূৱনেশ্বৰে দণ্ডুৱা ৰজাৰ অনুৰোধত ৰজাৰ ওচৰতে এখন সত্ৰ পাতে। তাৰ ওচৰতে এখন ডাঙৰ বিল আছিল আৰু সেই বিলত এটা বিষযুক্ত কলা শিল ১৫ হাত পানীৰ তলত আছিল। ভূৱনেশ্বৰ আতাই ৰজাৰ অনুৰোধত সেই শিল বুৰ মাৰি আনি পাৰত থোৱাত পাছলৈ বিলৰ পানী ভাল হয়। এই বিলৰ পাৰত সত্ৰ হোৱা বাবে কালশিলা সত্ৰ হোৱা বুলি প্ৰবাদ।[৩১]

ওপৰোক্ত ঘটনাংশৰ পৰা গম পোৱা যায়, বৰ্তমান থকা কালশিলাৰ ভকত বৈষ্ণৱসকলে অনন্ত ঠাকুৰক ঐশ্বৰিক মহিমা যুক্ত গুণৰ অধিকাৰী বুলি বিষযুক্ত শিল তুলি অনা কাৰ্য্যৰ লগত জড়িত কৰিব বিচাৰে। কিন্তু মায়ঙৰ জনশ্ৰুতি আৰু প্ৰবাদমতে সেই মহিমাৰ অধিকাৰী অনন্ত পুত্ৰ ভূৱনেশ্বৰ, কাৰণ তেওঁলোকৰ মতে সেই বিষ থকা শিলাখণ্ড ভূৱনেশ্বৰ দেৱেহে তুলি আনি নিজৰ অদ্বিতীয় শক্তিৰ পৰিচয় দিছিল। উক্ত ঘটনাংশকে দত্তবৰুৱ দেৱেও লিপিবদ্ধ কৰিছে। অৱশ্যে দণ্ডুৱা অঞ্চলৰ আশে পাশে বৰ্তমান কোনো কালশিলা নামৰ সুকীয়া গাঁও, বিল বা শিলাখণ্ড থকাৰ প্ৰমাণ পোৱা নাযায়,

---

২৮। সনত মহন্ত, প্ৰাগুক্ত গ্ৰন্থ, পৰিশিষ্ট অংশ, পৃ ঃ-খ।

২৯। উক্ত প্ৰতিলিপি তামুলীবৰিৰ বৰ্তমান সত্ৰাধিকাৰ শ্ৰীযুত বটকৃষ্ণ দেৱমহন্তৰ পৰা সংগ্ৰহ কৰা হৈছে।

৩০। উক্ত কথাখিনি মায়ংৰ পুৰাতাত্বিক অধ্যয়ন চলাই থকা ব্যক্তি শ্ৰীযুত লোকেন্দ্ৰ হাজৰিকাৰ সহায়ত সংগ্ৰহ কৰা হৈছে।

৩১। প্ৰাচীন কামৰূপীয় কায়স্থ সমাজৰ ইতিবৃত্ত, পৃ ঃ- ২৪৯, পবিত্ৰ অসম, পৃ ঃ- ১১৪।

যদিও মায়ঙৰ পৰা তুলি অনা অনন্ত আতাৰ সেই সত্ৰখনেই কালশিলা সত্ৰ হিচাপে বৰ্তমানেও জিলিকি আছে। অন্যহাতে মায়ঙত থকা বৰ্তমান কালশিলা পাৰ গাঁৱে পূৰ্বৰ সেই কালশিলা সত্ৰ আৰু কালশিলা বিলৰ লগতে সেই বিষযুক্ত শিলাখণ্ডৰ কথাও সোঁৱৰাই দিয়ে। *

আমাৰ সংগৃহীত অনন্ত আতাৰ ৰচিত এখন পুৰণি 'প্ৰেমলতা' পুথিত ৭০-৭১ নং ফলকত (পদ নং ৫১৭-৫১৯) ওপৰোক্ত প্ৰসঙ্গতোৰ অৱতাৰণা কৰিছে, যিখিনি পদ দত্তবৰুৱা সম্পাদিত 'ভক্তি প্ৰেমলতা' আৰু আমাৰ সংগৃহীত অন্য এখন সাঁচিপতীয়া 'প্ৰেমলতা' পুথিতো লুপ্ত। সেয়েহে উক্ত কথাখিনিৰ গুৰুত্ব নথকা নহয়।[৩২] অৱশ্যে পাদটিকাত উল্লিখিত উক্ত পদখিনিৰ পৰা এটি কথা কব পাৰি যে কালশিলা বিলৰ লগত অনন্ত আতাৰ বিশেষ সম্পৰ্ক আছে। দ্বিতীয় অধ্যায়ত উল্লেখ কৰি অহা সত্ৰাধিকাৰৰ মোকদৰ্মাৰ এটা প্ৰতিলিপিৰ স্বীকাৰোক্তিত তোকৃষ্ণ দেৱমহন্তই এই বিষয়ে কৈছেঃ আজি প্ৰায় চাৰে তিনিশ বছৰ মানৰ পূৰ্বেই আমাৰ কালশিলা নামেৰে এখন মহাপুৰুষীয়া সত্ৰ স্থাপিত। মায়ঙ অঞ্চলত এখন বিলত এটা কালৰূপ বিষযুক্ত শিল পৰি আছিল, সেই শিল পৰি থকাত কোনো জীৱ-জন্তুৱে পানী খাব নোৱাৰা হ'ল। শেষত আমাৰ উপৰিপুৰুষ হৃদয়ানন্দ বা অনন্তদেৱ ঈশ্বৰ পুৰুষে সেই বিষ যুক্ত শিল ১৫ হাত মান পানীৰ তলৰ পৰা তুলি পানী পৰিষ্কাৰ কৰিলে। সেই শিল তোলা বাবে কালশিলা সত্ৰ নাম পালে।[৩৩] এই প্ৰসংগতে 'মায়ং বুৰঞ্জী'ৰ (গৈদ) কথাও উল্লেখ কৰিব পাৰি। মায়ঙৰ ঘনকান্ত সিংহৰ ঘৰত প্ৰাপ্ত হাতে লিখা গৈদ খনত আছে, মায়ং ৰাজ্যৰ ৰজা শনিৰাম সিংহ (১৫৮৩-১৫৯০ খৃঃ) বৰ উদ্যোগী আৰু কৌশলী ৰজা। এওঁৰ দিনতেই বুঢ়া মায়ং আৰু ৰজা মায়ংৰ অহাযোৱাৰ ৰাস্তা সজোৱা হয়। সেই কামৰ লগে লগে ৰাজহুৱা পুখুৰীও খন্দোৱা হৈছিল। স্থান আছিল কালশিলা গাঁৱৰ ৰাস্তাৰ কাষত। সেই

---

৩২। পুথিৰ সেই অতিৰিক্ত পদ খিনি তুলি দিয়া হ'ল।

কালশিলা নদী পাৰত আছিলো
কিছুদিন সত্ৰ পাতি ।
সেহি জল মৎস্য ভুঞ্জিবে নোৱাৰি
গুৰু যে মানুহে আতি।।৫১৭
ৰাজেশ্বৰ সিংহে আমাক বোলয়
জল শুদ্ধ কৰি দিউ।
নৌকাত চৰিয়া জলত নামিয়া
কালশিলা উদ্ধাৰিউ ।।
ৰজাৰ আদেশে কৃষ্ণৰ কৃপাত
শঙ্কৰ মাধৱ স্মৰি।
জলত নামিলো শিলা হাত দিলো
আনিলা কৃষ্ণে উদ্ধাৰি।।৫১৮
সেহি দিনা হন্তে জল মৎস্য খায়া
আচিলৈক সৰ্ব্বলোক।
ৰাজা তুষ্ট হৈয়া মাটি কিছু দিয়া
সত্ৰ পাতি দিলে মোক।।৫১৯

"প্ৰেমলতা পুস্তক" (পুৰণি পুথি), সংৰক্ষক ঃ দলৈচুবা কালশিলা সত্ৰ, নকলৰ সময় - ১৮৩৬ শক।

৩৩। প্ৰতিলিপি শ্ৰীযুত বটকৃষ্ণ দেৱমহন্তৰ পৰা সংগ্ৰহ কৰা হ'ল।

* এই সম্পৰ্কে আমি মায়ং অঞ্চলৰ কেৰাগবাকীও বয়োজ্যেষ্ঠ ব্যক্তিক লগধৰি উক্ত জন প্ৰবাদৰ সত্যেদ লৈছো।

পুখুৰীটোৰ এটা সুকীয়া বৈশিষ্ট্য আছিল, সকলো ঘৰুৱা কাম কাজ শেষ কৰি কাল সন্ধ্যা সময়ত পুখুৰীটো খন্দোৱা হৈছিল কাৰণে তাৰ নাম দিয়া হৈছিল 'কালী পুখুৰী। কালক্ৰমত ব্ৰহ্মপুত্ৰৰ পানীৰ প্ৰভাৱ পৰি ই বিশালতা লাভ কৰে। ফলস্বৰূপে ইয়াক কালৰ লগত তুলনা কৰা হল। আনফালে ১৫৯০ খৃঃৰ সময় ছোৱাত ৰজা শ্বৰশ্চ চন্দ্ৰ সিংহ আৰু প্ৰেম সিংহই সকলো বিষয়ববীয়াক মাতি আনি কালি পুখুৰীৰ দক্ষিণ পাৰত এটা প্ৰকাণ্ড শিল প্ৰতিষ্ঠা কৰি তাৰ ওপৰত উঠি প্ৰেম সিংহক বৰ ৰজা বুলি ঘোষণা কৰিলে। কাৰণ তাৰ আগতে শৰশ্ব চন্দ্ৰ সিংহ বৰ ৰজা আছিল। বিশাল পুখুৰীৰ পাৰত প্ৰকাণ্ড শিল প্ৰতিষ্ঠা কৰা বাবে শিল পুখুৰী টোৰ নাম কালশিলা হল।[৩৪] গৈদ খনৰ কথাখিনিও বিশেষ ভাবিবলগীয়া। কাৰণ কালশিলাৰ উল্লেখ তাৰো বহুত আগৰে পৰা হৈ আহিছে। অন্যহাতে ইয়াত উল্লেখ কৰিছে, কালশিলা গাঁৱৰ বাস্তৱ কাষত পুখুৰী খন্দাইছিল। তাৰ মানে কালশিলা নামৰ গাঁওখন আগৰে পৰাই আছিল। সেইটো শুদ্ধ, কিন্তু শিল প্ৰতিষ্ঠা কৰি কালশিলা হোৱাতোহে ভাবিবলগীয়া। 'গুৰু চৰিত'ৰ মতে, চণ্ডীবৰ আদি ভূঞা সকলৰ পূৰ্ব্বাঞ্চললৈ অহাৰ প্ৰসংগতো কালশিলাৰ উল্লেখ হৈছে, গতিকে তাৰো আগৰে পৰা নিশ্চয় ইয়াৰ নাম পোৱা যায়ঃ

সেহি দিনা যাই যেবে পাইল কালশিলা ।
বিচাৰি ফুৰন্তে টেম্বুবানি জান পাইলা ॥২২২॥[৩৫]

বিভিন্ন আলোচনাৰ পৰা এনে এটা কথাত উপনিত হব পৰা যায় যে, প্ৰকৃতিৰ লীলাভূমি বিভিন্ন দেৱ দেৱতাৰ মূৰ্ত্তি, হৰ গৌৰীৰ যুগল মূৰ্ত্তি, যোনী-পীঠ, শিৱ লিংগ, ত্ৰিশূল, কাছৰ মূৰ্ত্তি ,সাপৰ ফনাৰ মূৰ্ত্তি, পোৰামাটিৰ ভাস্কৰ্য্য, শিলালিপি আদিস্থিত মায়ং অতীজৰে পৰা তন্ত্ৰ মন্ত্ৰৰ জন্মস্থান হিচাপে বুৰঞ্জী প্ৰসিদ্ধ। যাক কামৰূপ-কামাখ্যা বুলিও অভিহিত কৰিব পাৰি। মায়ং তান্ত্ৰিকৰ দেশ। তন্ত্ৰৰ অধিষ্ঠাতা দেৱতা গণেশ, শিৱ-শিৱানী, বিষ্ণু আদি নানা দেৱ-দেৱীৰ প্ৰতীক থান আৰু মূৰ্ত্তি প্ৰতিষ্ঠিত হৈ আছে। সেইবোৰ থানৰ গুণ-মহাত্মা ইয়াৰ লোক সমাজে আজিও বিশ্বাস কৰে আৰু পূজা কৰে, নদ-নদী,পৰ্বত পাহাৰ, ভৈয়াম আদিৰে মায়ং পৰিপূৰ্ণ। মহাত্মা মহাযোগী, ঋষি-মুনি সকলৰো যোগ স্থান ঠায়ে ঠায়ে থকা দেখা যায়।* সেয়েহে শাক্ত আৰু মন্ত্ৰ সাহিত্যৰ বিস্তাৰৰ ফল স্বৰূপে কোনো তান্ত্ৰিকাচাৰ্য্যই মন্ত্ৰৰ প্ৰভাৱৰ দ্বাৰা শাক্ত ধৰ্মক অধিক প্ৰতিষ্ঠিত কৰাৰ মানসেৰে মায়ংৰ সেই বিশেষ জলৰাশিৰ মাজত মেলি দিলে মন্ত্ৰপুত কাল সদৃশ এক শিলাখণ্ড। যিয়ে সমস্ত পানী ভাগত বিষ ক্ৰিয়া কৰি জীৱ জগতৰ মাজত ত্ৰাসৰ সৃষ্টি কৰিলে। থিক তেনে এটি শুভ সন্ধি ক্ষণতে বৰপেটাৰ বাবাদিৰ পৰা বৈষ্ণৱাচাৰ্য্য শ্ৰীশ্ৰীহৃদয়ানন্দ কায়স্থই মহাপুৰুষ গুৰুজনাৰ পবিত্ৰ বৈষ্ণৱ ধৰ্মক বিস্তাৰিত কৰাৰ মানসেৰে মায়ংৰ বুকুত খোজ পেলালে। বৈষ্ণৱ ধৰ্মক অধিক বিশ্বাস ভাজন আৰু ভয়াবহ দুৰ্যোগক নাশ কৰাৰ উদ্দেশ্যেৰে নিজৰ অদ্বিতীয় শক্তি আৰু ভগৱানৰ কৃপাৰ দ্বাৰা সেই নিষিদ্ধ জলৰাশিৰ মাজৰ পৰা এটা কলা শিল উঠাই আনি পানীৰ বিষ ক্ৰিয়া ধ্বংস কৰাই নহয়, লগতে বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱৰ দ্বাৰা মন্ত্ৰৰ প্ৰাধান্যতাও হ্ৰাস কৰিলে। ইয়াৰ পিছৰ পৰা হৃদয়ানন্দৰ নাম

৩৪। ৰজা মায়ংত থকা ঘনকান্ত সিংহৰ ঘৰত থকা হাতে লিখা মায়ং বুৰঞ্জী (গৈদ)ৰ পৰা উদ্ধৃত।

৩৫। হৰিনাৰায়ণ দত্তবৰুৱা (সম্পাঃ) ঃ গুৰু চৰিত, পৃঃ ৪৮।

* উক্ত কথাখিনি আমি মহদানন্দ দেৱগোস্বামীৰ পৰা নিজেও শুনিছো আৰু তেখেতৰ 'মায়ং প্ৰসঙ্গ' নামৰ গ্ৰন্থতো ই স্থান পাইছে, পৃঃ ৫ ।

অনন্ত হোৱা কথাৰো অনুমান কৰিব পাৰি। পিছত ৰাজকীয় পৃষ্ঠপোষকতা, চাৰিওফালৰ প্ৰকৃতিব নিৰ্জন আবেষ্টনীব লগতে জন সাধাৰণৰ অধিক আস্থা আৰু ভকত বৈষ্ণৱ সকলৰ মাজত নিজৰ ব্যক্তিত্ব প্ৰকাশি, আতা গৰাকীয়ে কু-সংস্কাব আৰু অন্ধতা আঁতৰাই 'গুৰুজনাৰ ধৰ্মীয় দৰ্শনেৰে আপ্লুত হৈ সত্ৰখনি প্ৰতিষ্ঠা কৰিলে।'[৩৬] জলৰাশি আৰু ঠাইখিনিৰ নামানুসাৰে সত্ৰখনিৰ নামো ৰাখিলে 'কালশিলা সত্ৰ'। সত্ৰ প্ৰতিষ্ঠাৰ পিছত জন সাধাৰণৰ মাজত বৈষ্ণৱ ধৰ্মৰ প্ৰভাব অধিক দৃঢ় হৈ মন্ত্ৰ আৰু শাক্ত ধৰ্মৰ প্ৰাধান্যতা ক্ৰমান্বয়ে হ্ৰাস পাই আহিবলৈ ধৰিলে। মন্ত্ৰ সাহিত্যৰ অগ্ৰগতি কমি অহা প্ৰসংগত মায়ং অঞ্চলব পুৰাতাত্বিক অনুসন্ধানকাৰী শ্ৰীলোকেন্দ্ৰ কুমাৰ হাজৰিকাদেৱে মন্তব্য কৰিছে ঃ '-.-- মন্ত্ৰ সাহিত্য সমূহ লুপ্ত হোৱাৰ কাৰণ হিচাপে উল্লেখ কৰিব পাৰি যে শ্ৰীমন্ত শংকৰদেৱে অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাৰ লগে লগে অসমৰ বুকুব পৰা তন্ত্ৰ-মন্ত্ৰৰ প্ৰভাৱ সমূহ কমি আহিবলৈ ধৰিলে আৰু ঠাই অধিকাৰ কৰিলে সত্ৰ-সংস্কৃতিয়ে, ভক্তি তত্বই --- ইয়াৰ পিছৰ পৰাই মায়ঙৰ সেই সাঁথৰ সাঁথৰ লগা অলৌকিক তন্ত্ৰ-মন্ত্ৰ-সমূহৰ প্ৰভাৱ ক্ৰমে কমি আহিবলৈ ধৰিলে।[৩৭] পিছত সত্ৰই সত্ৰীয়া পৰম্পৰা অক্ষুন্ন ৰাখি পুৰুষ সংহতিৰ মহাপুৰুষীয়া সত্ৰ হিচাপে বিশেষ স্থান লাভ কৰি আছে। এই প্ৰসংগত শ্ৰদ্ধেয় তোকৃষ্ণ দেৱমহন্তই লিখিছিল ঃ স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই দান কৰি যোৱা তামৰ ফলিত সত্ৰ পালনৰ অধিকাৰী পদ মান্য-জ্যোষ্ঠানুক্ৰমে ৰুল বান্ধি লিপিবদ্ধ কৰি অধিকাৰ আৰু ডেকা অধিকাৰ আৰু শিষ্যবৰ্গৰ নাম লিখি থয়। এই তামৰ ফলি মানব উপদ্ৰৱত হেৰায়। যদিও ফলি হেৰাল তথাপি এই সত্ৰৰ মান্য জ্যেষ্ঠানুক্ৰমে অধিকাৰ আৰু ডেকা অধিকাৰ হৈ শিষ্যসকলৰো দলৈঘৰ, যগৰিঘৰ আৰু পেত কামুৰিয়া ঘৰ আৰু আন শিষ্যই এই সত্ৰ প্ৰতিপালন কৰি আহিছে। ইংৰাজৰ দিনত ৭০০ পুৰা মাটিব খাৰিজ কৰি মাত্ৰ নাওকটাত ২৪২ বিঘা ১৯ লেচা নিস্পি খেৰাজ ৰাখে আৰু দলৈচুবাত ১৮ লেচা সত্ৰৰ মূৰ্ত্তি ভাগৱত স্থাপিত থকা কীৰ্তনঘৰ আদি সত্ৰৰ নামত খেৰাজি কৈ ৰাখে। [৩৮] প্ৰসংগক্ৰমে আৰু এটা কথা উনুকিয়াব পাৰি যে আগতে দেখুৱাই অহা ধৰ্মাধিকাৰ সকলৰ চিত্ৰলিপিখনৰ অনুক্ৰমে কালশিলা সত্ৰৰ ভকত বৈষ্ণৱসকলৰ মুখত সত্ৰৰ নামৰ ঐতিহ্যও দিহা নামৰ পৰম্পৰাৰে ৰক্ষিত হৈ আহিছে। ড° কেশৱানন্দ দেৱগোস্বামীৰ সংগৃহীত আৰু আমি নিজেও সত্ৰত শুনা তেনে এটি গীতৰ উদাহৰণ তলত উল্লেখ কৰা হ'ল ঃ[৩৯]

ৰামদেৱ যদুদেৱ অনন্ত আছিলা ।
এশকোটি জলে নামি তোলে কালশিলা ।।
অ' হৰি ভূৱনেশ্বৰ ভৈলা ।
ৰামদেৱত ধৰ্ম থাপি বৈকুণ্ঠে চলিলা ।।
ৰামদেৱ ৰামানন্দ দেৱানন্দ দেৱ ।
কৃষ্ণসূৰ্য্য আতাৰ চৰণে কৰো সেৱ ।।

---

৩৬। পবিত্ৰ অসম, পৃঃ- ১২৪, প্ৰাচীন কামৰূপীয় কায়স্থ সমাজৰ ইতিবৃত্ত, পৃ ঃ- ২৪৯, সদানন্দ মহন্ত, প্ৰাগুক্ত প্ৰবন্ধ, পবিতৰা, পৃঃ- ১৭৭।

৩৭। লোকেন্দ্ৰ কুমাৰ হাজৰিকা, 'মন্ত্ৰ চিকিৎসাৰ পৰম্পৰা আৰু মায়ংৰ ভূমিকা', পবিতৰা, পৃঃ-৫৪।

৩৮। প্ৰতিলিপি ঃ তোকৃষ্ণ দেৱমহন্ত, (সংৰক্ষক) শ্ৰীবটকৃষ্ণ দেৱমহন্ত, তামুলিবৰি কালশিলা সত্ৰ।

৩৯। কেশৱানন্দ দেৱগোস্বামী (সম্পা)ঃ শংকৰোত্তৰ গীত সংকলন, পৃ ঃ- ৪০ -৪১,গীত নং - ৪৯।

অ' হৰি জীউ ৰামদেৱ ভৈলা ।
ৰাধাকান্তত ধৰ্ম থাপি বৈকুণ্ঠে চলিলা ।।
অ' হৰি পূৰ্ণকান্ত ভৈলা ।
যোগানন্দত ধৰ্ম থাপি বৈকুণ্ঠে চলিলা ।।
অ' হৰি বাঞ্চাদেৱ ভৈলা ।
সোণাৰামত ধৰ্ম থাপি বৈকুণ্ঠে চলিলা ।।

এই খিনিতে আৰু এটা কথা উল্লেখ কৰা ভাল হব যে, কোনো কোনোৱে 'মায়ঙৰ কালশিলা' আৰু মায়ঙৰ 'কাছশিলা' পাহাৰক সমাৰ্থক বুলি কব খোজে। প্ৰকৃততে এইটো সত্য নহয়, কাৰণ কাছশিলা পাহাৰৰ কিংবদন্তিও এক সুকীয়া অধ্যায়। এই সম্পৰ্কে পুৰাতাত্বিক আৰু বুৰঞ্জী অধ্যয়নৰ দ্বাৰা শ্ৰীযুত গোপেন্দ্ৰ কুমাৰ সিংহই লিখিছে, কাছশিলা পাহাবৰ লগত জড়িত কিংবদন্তিও নিবস নহয়। এসময়ত হৰ গৌৰী এই পাহাবৰ ওপৰত গুপ্তভাৱে প্ৰণয় পাশত নীৰৱে উপবিষ্ট হওঁতেই এটা কাছ লাহে লাহে পাহাৰৰ ওপৰত উঠি তেওঁলোকৰ প্ৰণয় সুখত ব্যাঘাত ঘটায়। ফলস্বৰূপে শিৱৰ দ্বাৰা শাপ গ্ৰস্ত হৈ কাছটো তৎক্ষনাৎ শিলাহৈ পাহাৰত বৈ যায় আৰু কাছই পিছত শিৱক স্তুতি কৰাত ব্ৰহ্মপুত্ৰৰ পানী বাঢ়ি যিদিনা কাছক স্পৰ্শ কৰিব সিদিনাই কাছই নিজ দেহধাৰণ ক্ৰমে মুক্তি পাব বুলি শিৱৰ পৰা প্ৰতিশ্ৰুতি পায়। আনুমানিক ২০০ ফুট ওপৰত কাছৰ আকৃতি বিশিষ্ট এটা শিল পাহাৰৰ গাত দেখিবলৈ পোৱা যায়। শাপগ্ৰস্ত কাছ শিলা হৈ থকাৰ কাৰণেই এই পৰ্ব্বতৰ নাম (আজিও) কাছশিলা পৰ্ব্বত। এই কিংবদন্তিৰ আঁৰত দেখিবলৈ পাওঁ কাছশিলা পৰ্বত শিৱ-পাৰ্ব্বতীৰ অতি পুৰণি জাগ্ৰত থান।[৪০] কাছশিলা পাহাৰৰ পুৰণি ঐতিহ্যৰ বিষয়ে পুৰাতাত্বিক গৱেষক পণ্ডিত বিৰিঞ্চিধৰ বুঢ়াগোহাঞিদেৱেও কিছু তথ্য আগবঢাইছে, কাছশিলা পাহাবৰ ওপৰত থকা যোগী আৰু লিংগ, উমালিংগন মূৰ্ত্তি, পূৱফালৰ ওখ টিলাটোত থকা পাঁচজন সাধকে বহা ঠাই, লগতে বহা পাহাৰৰ বৃহৎ গণেশৰ মূৰ্ত্তি, হাতীমুৰীয়াৰ গণেশৰ মূৰ্ত্তি আদিয়ে কালশিলা সত্ৰ প্ৰতিষ্ঠাৰ বহু আগৰে পৰাই এক প্ৰচীন শিৱ শক্তি মাৰ্গৰ পয়োভৰ এই অঞ্চলত থকাতো নুই নকৰে।[৪১] গতিকে গম পোৱা গ'ল কালশিলা কেতিয়াও কাছশিলা হব নোৱাৰে। দুয়োটা সম্পূৰ্ণ পৃথক বস্তু। মায়ং পাহাৰৰ পৰা উত্তৰ পূৱ দিশত কাছশিলা পাহৰ আৰু ইয়াৰ পৰা থিক উত্তৰ পশ্চিম দিশত কালশিলা অৱস্থিত, দুয়োৰে মাজৰ দূৰত্ব প্ৰায় ডেৰ/দুই কিলোমিটাৰ মান হব। (সিপিঠিত মৰিগাঁও জিলাৰ এখন মানচিত্ৰ অঙ্কন কৰি তাত কালশিলা আৰু কাছশিলাৰ স্থান নিৰ্ণয় কৰি দেখুওৱা হল।

## কালশিলা আৰু স্বৰ্গদেউ লক্ষ্মীসিংহ ঃ


কালশিলা সত্ৰ বুৰঞ্জী প্ৰসিদ্ধ বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ এক আধাৰ স্বৰূপ। আহোম স্বৰ্গদেউ লক্ষ্মীসিংহৰ লগত এই কালশিলাৰ সম্পৰ্ক আছিল বুলি অনুমান কৰিব পাৰি। লক্ষ্মীসিংহৰ জন্ম স্থান কালশিলা হোৱা হেতুকে তেওঁৰ আন এটা নাম কালশিলীয়া গোঁহাই বুলি জনা যায়। এই বিষয়ে উল্লিখিত বুৰঞ্জী সমূহত পোৱা যায়।[৪২] স্বৰ্গদেউ ৰুদ্ৰসিংহই বংগ

---

৪০। গোপেন্দ্ৰ কুমাৰ সিংহ, 'নগাঁৱৰ পশ্চিম অঞ্চলৰ সংস্কৃতি', মৰিগাঁও সাহিত্য সভাৰ পত্ৰিকা ঃ পৃ ঃ- ৫২ -৫৩।

৪১। বিৰিঞ্চিধৰ বুঢ়াগোহাঞি, সনত মহন্তৰ শ্ৰীশ্ৰীকালশিলা চৰিত্ৰৰ পাতনি।

৪২। সূৰ্য্য কুমাৰ ভূঞা (সম্পা)ঃ তুংখুঙীয়া বুৰঞ্জী, পৃ ঃ- ২,৫৭, অসমৰ পদ্য বুৰঞ্জী, পৃ ঃ-৫৫, সাতসৰী অসম বুৰঞ্জী, পৃ ঃ-১৫৩।


মৰিগাঁও জিলা
দৰং জিলা
ব্ৰহ্মপুত্ৰ নদ
সোনাই নৈ
নগাঁও জিলা
মৰিগাঁও
কালশিলা
কলং নৈ
কপিলী নৈ
কামৰূপ জিলা
মেঘালয় ৰাজ্য
কাৰ্বি আংলং জিলা

মেপ নং: ৫

অভিযানৰ সময়ত বৰফুকনৰ আহ্বান মতে তেওঁ সাজি থোৱা কালশিলা বাহৰত থাকিবলৈ অনুৰোধ জনালে। সেই সময়ত সন্তান সম্ভৱা ৰাণীয়ো ৰজাৰ লগত আছিল, স্বৰ্গদেউ বাহৰত থকা অৱস্থাতে ৰাণীৰ এটি পুত্ৰ সন্তান জন্ম হল আৰু কালক্ৰমত সিয়েই লক্ষ্মীসিংহ নাম ললে। এই বিষয়ে 'তুংখুঙীয়া বুৰঞ্জী'ত পোৱা যায় --- 'তান ভাতৃ সকজনা কালশিলাত জন্মিল; এতেকে কালশিলীয়া গোঁহাঞিদেউ বোলে। --- কালশিলীয়া গোঁহাঞিদেউ ৰজা হৈ লক্ষ্মী সিংহ নাম ললে।[৪৩] অসমৰ পদ্য বুৰঞ্জীতো (দুতিৰাম হাজৰিকাৰ বুৰঞ্জী) ইয়াৰ উল্লেখ পোৱা যায়। স্বৰ্গদেউ রুদ্ৰ সিংহ বঙ্গ অভিমুখে যাওঁতে লতাশিল ঘাট পোৱাৰ পাছত বৰফুকনে ৰজাক আদৰিলে আৰু তেওঁ সাজি থোৱা বাহৰতে স্বৰ্গদেৱক থাকিবলৈ অনুৰোধ জনালে ঃ

হাত জোৰ কৰি কয়          শুনিয়োক স্বৰ্গদেৱ
থাকিবাক কিবা কাম আত ।
আপুনি আসিবে জানি          বাহৰক এক খানি
সাজিয়া আছোঁহো মই ভৃত ॥ ৩১১॥
গুৱাহাটি পশ্চিমত          নীলাচল সমীপত
তাতে গৃহ কৰি আছো মই ।
গোঁসানীক সেবিবাৰ          যাইবাক নোহয় দূৰ
তাহাকে চলিল ভাল হয় ॥
শুনি বৰফুকন বাক          মহাৰাজা গৈলা তাক
পশিলেক সেহি বাহৰত ।
কালশিলা নাম তাত          আছিলেক পূৰ্ব্বে যত
লক্ষ্মী সিংহ জন্মিলে তথাত ॥ ৩১২
*          *          *
সেহি যে কালশিলা          লক্ষ্মী সিংহ জন্ম ভৈলা
বোলে কালশিলীয়া গোঁহাই। ৩১৩॥ [৪৪]

হৃদয়ানন্দ কায়স্থ সম্পৰ্কিত কালশিলাতেই যে স্বৰ্গদেউ লক্ষ্মী সিংহৰ জন্ম হৈছিল সেই বিষয়ে কেইতামান মতামত দাঙি ধৰিবলৈ যত্ন কৰা হ'ল ঃ

আগতে উল্লেখ কৰি অহাৰ দৰে অনন্ত আতাই ১৫৬৪ শঁকত (ইং ১৬৪২) কালশিলা সত্ৰ প্ৰতিষ্ঠা কৰে, অন্যহাতে

৪৩। তুংখুঙীয়া বুৰঞ্জী, পৃ ঃ ২, ৫৭ ।
৪৪। অসমৰ পদ্য বুৰঞ্জী, পৃ ঃ ৫৪ -৫৫ ।

স্বৰ্গদেউ ৰুদ্ৰ সিংহৰ বঙ্গ অভিযানৰ সময় ১৬৩৬ শক (ইং ১৭১৪)।[৪৫] থিক সেই সময়তে কালশিলা বাহৰত লক্ষ্মী সিংহৰ জন্ম হৈছিল, গতিকে দেখা গ'ল প্ৰায় ১০০ বছৰৰ আগতেই অনন্তই কালশিলা সত্ৰ প্ৰতিষ্ঠা কৰিছিল। সেয়েহে ওপৰত উল্লেখ কৰি অহা 'কালশিলা নাম তাত আছিলেক পূৰ্ব্বে যত লক্ষ্মী সিংহ জন্মিলে তথাত'- অসমৰ পদ্য বুৰঞ্জীৰ উক্ত কথাখিনি নিৰ্ভৰযোগ্য বুলি কব পৰা যায়।

মায়ং পাহাৰত কামৰূপ-কামাখ্যা থকা বুলি আজিও সেই অঞ্চলৰ লোকে বিশ্বাস কৰে। এই পাহাৰত সতীৰ এক অংগ পৰা বুলিও জনবিশ্বাস আছে। মায়ঙৰ বিভিন্ন ঠাইত শিৱ আৰু শাক্ত মাৰ্গৰ অনেক ভগ্নাংৱশেষ আছে। মায়ঙক মায়ং-কামাখ্যা বুলিও জনা যায়। [৪৬] অৱশ্যে আমিও ক্ষেত্ৰ অধ্যয়ন কৰি উক্ত জন শ্ৰুতিৰ উমান পাইছো। গতিকে বুৰঞ্জীত উল্লেখ থকাৰ দৰে কামাখ্যাৰ সমীপৰ বৰফুকনৰ কালশিলা বাহৰ ইয়াতেই হোৱাৰ সম্ভাৱনা অধিক।

আঞ্চলিক জনসাধাৰণ আৰু পুৰাতাত্বিক পণ্ডিত সকলে অনুমান কৰে যে মায়ং পাহাৰৰ দাঁতিত থকা প্ৰকাণ্ড শিলালিপিখন (যি খনৰ আজি পৰ্য্যন্ত বিতং পাঠ উদ্ধাৰ কৰিব পৰা হোৱা নাই।) যি খনৰ দীঘ ৩·৮৫ মিটাৰ, সেই খন আহোম স্বৰ্গদেউ মহাৰাজ ৰুদ্ৰ সিংহৰ দিনৰ হব পাৰে বুলি ভবাৰ স্থল আছে। আনহাতে মায়ং পাহাৰৰ গাতে পশ্চিম দিশত থকা শিলৰ প্ৰতিৰক্ষাৰ গুহা, সুৰংগ আদিও সেই সময়ৰ শত্ৰু পক্ষৰ আক্ৰমণক প্ৰতি হত কৰাৰ ইংগিতকে বহন কৰে।

মায়ংৰ হিলৈ খুণ্ডা পাহাৰত এসময়ত বৃহৎ পৰিমানৰ অস্ত্ৰৰ ভাণ্ডাৰ, শিলৰ খাৰ ঘৰ আদি থকাৰ প্ৰমান পোৱা যায়, বিশেষকৈ লোহাৰ হিলৈ বাৰুদ, ঢাল, তৰোৱাল, তীৰ আৰু বৰটোপৰ গুলিৰ চাক্ষুষ দৃষ্টান্ত। যিয়ে সততে আহোমৰ ৰজাদিনীয়া সংস্পৰ্শকে সূচায়। (বৰটোপৰ দুটামান গুলি মায়ংৰ শ্ৰীযুত লোকেন্দ্ৰ কুমাৰ হাজৰিকাৰ ঘৰত বৰ্তমান সংৰক্ষিত অৱস্থাত আছে।) কাছশিলা পাহাৰৰ ওপৰত থকা যোনী পীঠেও শাক্ত ধৰ্মৰ ইঙ্গিতকে বহন কৰে। আহোম স্বৰ্গদেউ সকলৰ শাক্ত ধৰ্মৰ প্ৰতি থকা অগাধ বিশ্বাসেই মায়ংৰ যোনী পীঠক কামাখ্যাৰ লগত একাকাৰ কৰিছে।

কালশিলাৰ কাষেৰে বিশাল ব্ৰহ্মপুত্ৰৰ নদ বৈ গৈ আহোম স্বৰ্গদেউ সকলক কাজলী চকীৰে গুৱাহাটীৰ পৰা সৈন্য গোটাই অভিযান চলোৱাত সহায় কৰিছিল। গতিকে এনে ধৰণৰ বিভিন্ন আলোচনাৰ পৰা অনুমান কৰিব পাৰি স্বৰ্গদেউ লক্ষ্মী সিংহৰ জন্ম স্থান এই কালশিলাই হব। কাৰণ এনেকুৱা সমৰ সজ্জাৰ সুবিধা জনক ঠাইতে মহাৰাজ ৰুদ্ৰসিংহই বৰফুকনৰ সৈতে বাহৰ পাতি অভিযান চলাব পাৰে বুলি ভবাৰ স্থল আছে। এই প্ৰসংগত কাছশিলা পাহাৰৰ বিষয়ে আৰু কিছু কথা উনুকিয়াই থোৱা ভাল হ'ব। কাছশিলাৰ কিংবদন্তি সম্পৰ্কে গোপেন্দ্ৰ কুমাৰ সিংহ ডাঙৰিয়াই নগাঁও অঞ্চলৰ পুৰাতাত্বিক বিশ্লেষণ আগবঢ়াবলৈ গৈ মায়ং কাছশিলাৰ বিষয়ে ব্যক্ত কৰিছে এনেদৰে, কাছশিলা পাহাৰৰৰ ওপৰৰ এই ভদ্ৰপীঠ বৈষ্ণৱ তথা যোনী তীৰ্থ। দেৱীৰ ভদ্ৰ অংগ বা মহামায়াৰ অংগ অৱলম্বন কৰি এই ধামতেই মধ্য যুগত তান্ত্ৰিক ধৰ্মই বিকাশ লাভ কৰে। বুৰঞ্জীবিদ সকলে স্বীকাৰ কৰে যে, তান্ত্ৰিক ধৰ্মৰ উৎস পূৰ্ব ভাৰতত বিশেষকৈ দেৱী তীৰ্থ কামৰূপ কামাখ্যাত। মায়ংৰ ৰজা মীনা সিংহদেৱৰ ঘৰত প্ৰাপ্ত গৈদত মায়ঙত এখন কামাখ্যা আছিল বুলি বৰ্ণনা আছে। তেনেহলে কামাখ্যাই যে

৪৫। Sir Edward Gait : A History of Assam, P. No. 181.

৪৬। বিৰিঞ্চিধৰ বুঢ়াগোহাঞি, 'মৰিগাঁও জিলাৰ পুৰণি বুৰঞ্জী'ঃ পবিতৰা, পৃঃ- ১৬৫।

যোগিনী তন্ত্ৰ'ৰ 'ভদ্ৰপীঠ' বা মায়ং কামাখ্যা এই কথাতো স্বীকাৰ কৰা অযুক্তিকৰ নহব।[৪৭] গতিকে এই ফালৰ পৰা চালেও কাছশিলাৰ (কামাখ্যা) পৰা থিক পশ্চিম দিশত কালশিলা সত্ৰ, বিল, গাঁও আদি অৱস্থিত।

অন্যহাতে দেখা যায় আহোম স্বৰ্গদেউ ৰুদ্ৰ সিংহৰ চতুৰ্থ পুত্ৰ ৰাজেশ্বৰ সিংহই (খৃঃ১৭৫১-১৭৬৯) কালশিলা সত্ৰলৈ ৭০০ পুৰা দেবোত্তৰ ভূমি তামৰ ফলিৰে সৈতে দান দি ধৰ্মীয় পৰম্পৰাত ৰাজকীয় সন্মান অক্ষুন্ন ৰখাৰ কথা কেইবা ঠাইতো পোৱা যায়।[৪৮] সুৰেন্দ্ৰ কুমাৰ গোস্বামীদেৱে "A list of the Satras enjoying revenue freelands in the Ahom period" ৰ প্ৰসংগত নগাঁও জিলাৰ কথা উল্লেখ কৰোঁতে দলৈচুবা কালশিলা সত্ৰৰো অৱতাৰণা কৰিছে। Doloichuba : 242/3/12 Lachas 700 puras were granted as Niskar by Rajeswar Singha.[৪৯]

এই বিষয়ে পোৱা যায় ঃ ভূৱনেশ্বৰদেৱৰ পিতৃৰ পাছত কালশিলা সত্ৰৰ অধিকাৰ হয় আৰু আহোম ৰজা ৰাজেশ্বৰ সিংহৰ পৰা ৭০০ পুৰা নিষ্কৰ ভূমি লাভ কৰে। এই মাটিৰ ফলি নষ্ট হোৱা বাবে বংশধৰ সকলে ভোগ কৰিবলৈ নাপালে।[৫০]

ওপৰোক্ত সাক্ষ্য বোৰেও প্ৰমাণ কৰে আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত সত্ৰীয়া গোঁসাই মহন্তক শ্ৰদ্ধাৰ চকুৰে চাই ভূমি আদি দান কৰি বিশেষ ভাৱে মহানতাৰ ভাগী হৈছিল। মুঠতে দেখা যায়, হৃদয়ানন্দ প্ৰতিষ্ঠাপিত পুৰুষ সংহতিৰ সত্ৰ হিচাপে কালশিলা সত্ৰত মহাপুৰুষীয়া দক্ষতাৰে সত্ৰীয়া ঐতিহ্যৰ পৰম্পৰা, নিত্য-নৈমিত্তীক প্ৰসংগকে ধৰি সকলো আচাৰ বিধি, গুৰু-শিষ্যৰ একাত্মবোধ, নীতি নিয়ম পূৰ্ণভাৱে ভকত বৈষ্ণৱসকলৰ মাজত অব্যাহত ভাৱে চলি আছে বুলি কব পাৰি।

---

৪৭। গোপেন্দ্ৰ কুমাৰ সিংহ, প্ৰাগুক্ত প্ৰবন্ধ , পৃঃ- ৫১

৪৮। পবিত্ৰ অসম, পৃঃ-২৪৯; অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃঃ-১৫৮; Surendra kr. Goswami : The History of Revenue Administration in Assam (1228 -1826 AD), Page No. -283.

৪৯। Surendra kr. Goswami : Ibid, Page No. 283.

৫০। প্ৰাচীন কামৰূপীয় কায়স্থ সমাজৰ ইতিবৃত্ত, পৃঃ-২৪৯, পবিত্ৰ অসম, পৃঃ- ১২৫।

# চতুৰ্থ অধ্যায়

## হৃদয়ানন্দ কায়স্থৰ সাহিত্য কৃতি

সপ্তদশ শতিকাৰ অসমীয়া সাহিত্যৰ বুৰঞ্জীত বিভিন্ন কবি সাহিত্যিকৰ দৰে হৃদয়ানন্দৰ নামো বিশেষভাৱে উল্লেখযোগ্য। তেওঁৰো অসমীয়া সাহিত্য-সংস্কৃতিলৈ যথাসাধ্যে বৰঙণি আগবঢ়াই থৈ গৈছে। অৱশ্যে শংকৰোত্তৰ যুগৰ অন্যান্য কবি সাহিত্যিকৰ দৰে হৃদয়ানন্দৰ সাহিত্য কৃতি বিস্তৃত পৰিমানৰ নহয়, কিন্তু সংখ্যাগত দিশত তাকৰীয়া যেন লাগিলেও গুণগত মানদণ্ডত সেইখিনি আদৰণীয়। সাহিত্যৰ বুৰঞ্জীত কবি গৰাকী থাওকতে 'ৰামায়ণী কবি' বুলি পৰিচিত যদিও 'কীৰ্ত্তনীয়া ৰামায়ণ'ৰ ৰচক হিচাপেহে তেওঁ জনাজাত। হৃদয়ানন্দৰ সাহিত্য কৃতিৰ ভিতৰত "শ্ৰীৰাম কীৰ্ত্তন" আৰু 'প্ৰেমলতা' ৰ কথা কেইবাঠাইতো উল্লেখ আছে।[১] গ্ৰন্থ দুখন হৃদয়ানন্দ প্ৰতিষ্ঠাপিত মূল মায়ঙৰ কালশিলা সত্ৰতেই ৰচনা কৰিছিল বুলি উল্লেখ আছে। এই প্ৰসঙ্গত 'কালশিলীয়া গোঁসাই চৰিত' ৰ উদ্ধৃতিৰে হৰিনাৰায়ণ দত্তবৰুৱাই স্পষ্টভাৱে উল্লেখ কৰিছে[২] ঃ

হৃদয়ানন্দক অনন্ত বোলয়
সৰ্বগুণে অনুপাম।
বাবাদিৰ হস্তে উজানে আসিয়া
কৈলা আৰু নানা কাম।।
তেহো যে আসিয়া মায়াঙ ৰাজ্যত
কালশিলা গ্ৰামে ৰৈলা।
অতি ভয়ানক বিলখান তাত
সেহি নামে গ্ৰাম ভৈলা।।
* * *
প্ৰেমলতা আৰু ৰাম যে কীৰ্ত্তন
দুই শাস্ত্ৰ কৰিলন্ত।

(কালশিলা গোঁসাই চৰিত)

---

১। সত্যেন্দ্ৰ নাথ শৰ্মা ঃঅসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃঃ ২০১ ; উপেন্দ্ৰ চন্দ্ৰ লেখাৰু ঃ অসমীয়া ৰামায়ণ সাহিত্য, পৃঃ ৯৭; মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃঃ ১৫৮; কেশৱানন্দ দেৱগোস্বামী ঃ সত্ৰ সংস্কৃতিৰ ৰূপৰেখা, পৃঃ ৯৩; মহেশ্বৰ নেওগ (সম্পাঃ) ঃ পবিত্ৰ অসম, পৃঃ ১২৪; হৰিনাৰায়ণ দত্তবৰুৱা ঃ প্ৰাচীন কামৰূপীয় কায়স্থ সমাজৰ ইতিবৃত্ত, পৃঃ ২৪৯; হৰিনাৰায়ণ দত্তবৰুৱা (সম্পাঃ) ঃ শ্ৰীৰামকীৰ্ত্তন ঃ মুখবন্ধ, পৃঃ গ:।

২। শ্ৰীৰামকীৰ্ত্তন ঃ মুখবন্ধ, পৃঃ গ।

উপৰোক্ত পদখিনিৰ লগতে ডিম্বেশ্বৰ নেওগৰ অসমীয়া সাহিত্যৰ বুৰঞ্জীত আৰু এফাঁকি পদ সংযোগ কৰা আছে -

সেহি কাৰণত কালশিলা সত্রে

অদ্যাপি কীৰ্তি ৰৈলন্ত ॥[৩]

গতিকে উক্ত গ্ৰন্থ দুখন কৱি গৰাকীয়ে ৰচনা কৰা বুলি জনা গ'ল। ৰচনাৰ ক্ৰম অনুসৰি 'প্ৰেমলতা' হৃদয়ানন্দৰ প্ৰথম আৰু 'শ্ৰীৰামকীৰ্ত্তন' দ্বিতীয় গ্ৰন্থ। প্ৰেমলতাৰ ৰচনাকাল সম্পৰ্কে কাব্যৰ ভিতৰতে উল্লেখ আছে।

আবে সুনিয়োক প্ৰেমলতা জন্ম জি কালত

হে সভাসদ নিৰন্তৰ।

উৰ্ম্মি ৰস বান ছন্দ সকে প্ৰেমলতা জন্ম

পোষে তিথি পূৰ্ণিমাৰ॥

কৃষ্ণ পাদ পদ্ম সঙ্গে অনন্তে ৰচিলা ৰঙ্গে

নিৰন্তৰে বোলো ৰাম ৰাম॥ ৫২২ ॥[৪]

হৰিনাৰায়ণ দত্তবৰুৱা সম্পাদিত 'ভক্তি প্ৰেমলতা'ত গ্ৰন্থখনিৰ ৰচনাকাল সম্পৰ্কে কোনো উল্লেখ নাই।[৫] সেয়েহে উপৰোক্ত পদ ফাঁকিৰ পৰা গম পোৱা গল 'উৰ্ম্মি-ৰস-বান-চন্দ্ৰ'- শকত অৰ্থাৎ ১৫৬৬ শকৰ পুহ মাহৰ পূৰ্ণিমা তিথিত 'প্ৰেমলতা' গ্ৰন্থ লিখি সমাপ্ত কৰে। আমাৰ সংগৃহীত উপৰোক্ত পুৰণি পুথিখনি নকল কৰাৰ সময় ১৬৮৮ বুলি উল্লেখ আছে। ড° মহেশ্বৰ নেওগে প্ৰেমলতাক দুৰ্লভ বুলিয়েই মত প্ৰকাশ কৰিছে।[৬] আমি মৰিগাওঁ অঞ্চলৰ পৰা পুৰণি দুখন প্ৰেমলতা পুথি সংগ্ৰহ কৰিছো। তাৰে এখন সাঁচি পতীয়া আৰু অন্যখন সাঁচিপতীয়া ঠাঁচত মণ্ডলী পাতত লিখা। তামুলীবাৰি কালশিলা সত্ৰৰ পৰা সংগ্ৰহ কৰা পুথিখনৰ ১ নং ফলকখন সম্পূৰ্ণৰূপে ধ্বংস হৈ গৈছে। দ্বিতীয়খন পুথি দলৈচুবা কালশিলা সত্ৰৰ পৰা সংগ্ৰহ কৰা হৈছে। উক্ত অঞ্চলত আৰু দুই এখন এনে গ্ৰন্থ পোৱা যাব পাৰে। সেয়েহে ড° নেওগদেৱে কোৱাৰ দৰে প্ৰেমলতা দুৰ্লভ নিশ্চয় নহয়। 'প্ৰেমলতা' গ্ৰন্থখনি ৰচনাকাল সম্পৰ্কে সাহিত্যৰ বুৰঞ্জীত কোনো উল্লেখ পোৱা নাযায়। আমাৰ সংগৃহীত দ্বিতীয়খন পুথিতো উৰ্ম্মি-ৰস-বান-চন্দ্ৰ শকত প্ৰেমলতাৰ জন্ম বুলি উল্লেখ আছে।[৭] দত্তবৰুৱা সম্পাদিত 'ভক্তি-প্ৰেমলতা'ত মুঠ চাৰিশৰীয়া ৫২৩ টা পদ আছে।[৮] আমি তামুলীবাৰি কালশিলা সত্ৰৰ পৰা সংগ্ৰহ কৰা পুথিখনত মুঠ ৫২২ আৰু দলৈচুবাৰ পৰা সংগ্ৰহ কৰা খনত ৫২৮ টা চাৰিশৰীয়া পদ আছে। মুঠতে 'প্ৰেমলতা' পুথিখনিৰ

---

৩। ডিম্বেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী, পৃঃ ৪৯৮।

৪। পুৰণি সাঁচিপতীয়া পুথি ঃ প্ৰেমলতা, ফলক নং ৪৮ ক,খ, (সংৰক্ষক) ঃ তামুলীবাৰি কালশিলা সত্ৰ।

৫। হৰিনাৰায়ণ দত্তবৰুৱা (সম্পাঃ) ঃ ভক্তি প্ৰেমলতা।

৬। অসমীয়া সাহিত্যৰ ৰূপৰেখা ঃ পৃঃ ১৫৮।

৭। পুৰণি পুথি ঃ 'প্ৰেমলতা পুস্তক', ফলক নং-৭৩, পদ নং-৫২৮, (সংৰক্ষক) ঃ দলৈচুবা কালশিলা সত্ৰ।

৮। ভক্তি প্ৰেমলতা ঃ প্ৰাগুক্ত গ্ৰন্থ।

বিষয়বস্তু শ্রীমদ্ভাগৱতৰ সাৰ সংগ্ৰহ কৰি কৰি গৰাকীয়ে পাণ্ডিত্যৰ পৰিচয় দিছে।

হৃদয়ানন্দৰ দ্বিতীয়খন উল্লেখযোগ্য গ্ৰন্থ হল ঃ শ্ৰীৰাম কীৰ্ত্তন। গ্ৰন্থখনি মহাপুৰুষ শঙ্কৰদেৱৰ কীৰ্ত্তন ঘোষাৰ আৰ্হিৰে ৰচনা কৰা বাবে ইয়াক 'কীৰ্ত্তনীয়া ৰামায়ণ' বুলিও কোৱা হয়। যাৰ বাবে অনন্ত ঠাকুৰ কীৰ্ত্তনীয়া ৰামায়ণৰ ৰচক হিচাপে অসমীয়া সাহিত্যত সদায় জিলিকি থাকিব। গ্ৰন্থখনিৰ ৰচনা কাল সম্পৰ্কে গ্ৰন্থৰ শেষৰ পদ ফাঁকিত আছে ঃ

অশ্ব মুনি বান চন্দ্ৰ শকঁত।
শ্ৰীৰাম কীৰ্তন ভৈলা সমাপত ॥ ১১০৫ (উত্তৰাকাণ্ড)[৯]

অৰ্থাৎ ১৫৭৭ শকঁত পুথিখন লিখা হৈছে। আমাৰ সংগৃহীত আৰু 'শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠান বৰদোৱা' ত সংৰক্ষিত এখন সম্পূৰ্ণ সাঁচিপতীয়া 'শ্ৰীৰামকীৰ্তন' পুথিতো লিখা আছে এনে ধৰণে ঃ

অচ মুনি বান চন্দ্ৰ শকঁত।
আঘ্ৰান দুতিয়া সুকু পক্ষত ॥
শ্ৰীৰামকীৰ্তন ভৈলা উপসাম।
অনন্তে কহে বোলা ৰাম ৰাম ॥ ১১০৮ ॥[১০]

শ্ৰীৰামকীৰ্তনৰ এটা প্ৰতিলিপি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পুৰণি পুথি সংৰক্ষণ বিভাগতো আছে।[১১] 'শ্ৰীৰামকীৰ্তন' পুথিখনৰ সময় সম্পৰ্কত ড° সত্যেন্দ্ৰ নাথ শৰ্মাই লিখিছে ঃ অনন্ত ঠাকুৰৰ (কায়স্থ) শ্ৰীৰামকীৰ্তন পুথিখনি শংকৰদেৱৰ কীৰ্তন-ঘোষাৰ আৰ্হিত ৰচনা কৰি ১৫৭৭ শকঁত ইয়াক সম্পূৰ্ণ কৰে।[১২] কেশদা মহন্তই শ্ৰীৰামকীৰ্তনৰ সন্দৰ্ভত মন্তব্য আগবঢ়াইছে এনেদৰে, '১৯২৫ চনত স্বৰ্গীয় হৰিনাৰায়ণ দত্তবৰুৱাৰ সম্পাদনাত এই পুথিৰ প্ৰথম সংস্কৰণটি বৰকটকী এণ্ড কোম্পানী'ৰ দ্বাৰা প্ৰকাশ হৈছিল আৰু বৰ্তমান 'শিশু ৰামায়ণ' আখ্যা লগাই 'দত্তবৰুৱা এণ্ড কোম্পানীয়ে' এই পুথিখন প্ৰকাশ কৰিছে।[১৩] উক্ত প্ৰসংগতে তেখেতে আকৌ কৈছে, দত্তবৰুৱাই 'অশ্ব মুনি বান চন্দ্ৰ' বুলি কৈ সংখ্যাৰে


৯। শ্ৰীৰাম কীৰ্তন ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ২৬৫।

১০। শ্ৰীৰাম কীৰ্তন (পুৰণি পুথি) ঃ ফলক নং-৭৬, (সংৰক্ষক) ঃ শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠান বৰদোৱা, পুথি নং-৬০।


১১। উক্ত শ্ৰীৰাম কীৰ্তনৰ প্ৰতিলিপিটো সম্পূৰ্ণ নহয়। সাঁচিপতীয়া উক্ত পুথিখনত মুঠ ৬৭ টা ফলকত ৯৪০ নংলৈ পদ আছে যদিও প্ৰথম দুটা ফলকো খেলিমেলি অৱস্থাতে আছে। পুথিখনৰ আখৰৰ গঢ় কাইথেলী। পুথি নং-২৩৭৯।অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগতো শ্ৰীৰামকীৰ্তনৰ এটা ফটোষ্টেট কপি আছে কিন্তু তাত 'ৰামায়ণ -চন্দ্ৰিকা' বুলি লেবেল লগোৱা আছে।প্ৰকৃততে সেইখন শ্ৰীৰাম কীৰ্তনহে, পুথিখন অসম্পূৰ্ণ আৰু খেলি মেলি অৱস্থাত আছে। পুথি নং-১৭৯।


১২। S.N. Sarma : Epics and Puranas in Early Assamese Literature, P.No.-45 ; A few aspect of Assamese Literature and Culture : P.No.-18.

১৩। কেশদা মহন্ত ঃ 'অনন্ত ঠাকুৰৰ শ্ৰীৰাম কীৰ্তন আৰু কলাপ চন্দ্ৰ দ্বিজৰ ৰামায়ণ চন্দ্ৰিকা' ঃ অসম সাহিত্য সভা পত্ৰিকা, ১৯৭২, ২য় সংখ্যা, পৃঃ ৩০।



সংৰক্ষণৰ গৱেষণা প্ৰতিষ্ঠানত থকা শ্ৰীৰামকীৰ্তনৰ ২ নং (খ) ফলকৰ অবিকল নকল





অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত সংৰক্ষিত হৈ থকা
শ্ৰীৰামকীৰ্ত্তনৰ ১ নং (ক) ফলকৰ অবিকল নকল ॥

১৫৭৪ শকঁহে বুলি লিখিছে। [১৪] উপেন্দ্ৰ চন্দ্ৰ লেখাৰুদেৱেও একেখিনি কথাকে কৈছে। [১৫] আচলতে 'অশ্ব' শব্দটোৱে 'চাৰি' অৰ্থ নুবুজায়, 'সাত' হে বুজায়। গতিকে গ্ৰন্থখনিৰ প্ৰকৃত ৰচনা কাল হব ১৫৭৭ শকঁহে, ১৫৭৪ নহয়। কেশদা মহন্তই দত্তবৰুৱা সম্পাদিত (১৯২৫) গ্ৰন্থখনিত মুঠ ১১১০ টি পদ আছে বুলি উল্লেখ কৰিছে। [১৬] কিন্তু বৰ্তমান দত্তবৰুৱা এণ্ড কোম্পানীয়ে প্ৰকাশ কৰা সংস্কৰণটিত মুঠ ১১০৫ টি পদহে আছে। [১৭] আমাৰ সংগৃহীত শ্ৰীৰামকীৰ্তন খনত কিন্তু মুঠ ১১০৮ টি পদ আছে।[১৮] অন্যহাতে যতীন্দ্ৰ নাথ গোস্বামীয়ে উক্ত গ্ৰন্থখনিত ১০০০ পদ আছে বুলি মন্তব্য কৰিছে। [১৯] গোস্বামীদেৱে ১০০০ পদ থকা শ্ৰীৰামকীৰ্তন পোৱালৈ লক্ষ্য কৰি দত্তবৰুৱা সম্পাদিত পুথিৰ বাহিৰেও অন্য কোনো বেলেগ পুথি পাইছে বুলি ভবাৰ স্থল আছে। শ্ৰীৰামকীৰ্তন কলাপ চন্দ্ৰ দ্বিজৰ 'ৰামায়ণ চন্দ্ৰিকা' নামৰ সংস্কৃত গ্ৰন্থখনিৰ সাৰ সংগ্ৰহ কৰি লিখা এটি সৰু সংস্কৰণহে।

এই প্ৰসঙ্গতে লক্ষ্য কৰিবলগীয়া কথা যে, অনন্ত আতাই উপৰোক্ত গ্ৰন্থ দুখনৰ বাহিৰেও 'সীতা হৰণ' নামৰ এখনি অংকীয়া নাট লিখাৰ কথা ভকত বৈষ্ণৱসকলৰ মুখত শুনা যায়। অৱশ্যে এই বিষয়ে সাহিত্যৰ বুৰঞ্জীত উল্লেখ পোৱা নাযায় যদিও অন্য কেইবাগৰাকীও পণ্ডিতে বিভিন্ন ঠাইত উল্লেখ কৰিছে।[২০] বিভিন্ন ঠাইত নাটখনিৰ উল্লেখ পোৱা গৈছে যদিও ইয়াৰ প্ৰতিলিপি বৰ্তমানলৈ পোৱা হোৱা নাই। ড° কেশৱানন্দ দেৱগোস্বামীয়ে উল্লেখ কৰা মতে অনন্ত আতাৰ নাটখনি সম্প্ৰতি পাবলৈ নাই যদিও, নাটখনিৰ শেষৰ কল্যাণ-খৰমান গীতটি এতিয়াও কোনো লোকৰ মুখত শুনা যায়। সেই গীতটি 'অ'ৰ বাহিৰে 'আ'-কাৰ -'ই'-কাৰ আদি একো ব্যৱহাৰ নকৰাকৈ ৰচিত। ই নাট্যকাৰ গৰাকীৰ কবি প্ৰতিভাৰ অপূৰ্ব চানেকী।[২১] অৱশ্যে ড° গোস্বামীয়ে গীতটিৰ উল্লেখ তাত কৰা নাই যদিও সনত মহন্তদেৱে গীতটিৰ এটি লিপিবদ্ধ ৰূপ প্ৰকাশ কৰিছে।[২২] গমপোৱা মতে তেখেতে গীতটি কালশিলা সত্ৰৰ জ্যেষ্ঠ আতা আৰু সত্ৰাধিকাৰ সকলৰ মুখৰ পৰা শুনি লিপিবদ্ধ কৰিছে। তেখেতে আৰু কোৱা মতে সেই গীতটি যে অনন্ত আতাৰ 'সীতাহৰণ' নাটৰ শেষৰ আ-কাৰ, ই-কাৰ হীন কল্যাণ খৰমান গীত সেই বিষয়ে ভকত সকল নিঃসন্দেহ। আমিও ক্ষেত্ৰ অধ্যয়নৰ দ্বাৰা সংগ্ৰহ কৰা উক্ত গীতটি হুবহু ৰূপে সনত মহন্তইয়ো লিপিবদ্ধ কৰিছে ঃ

---

১৪। কেশদা মহন্ত ঃ প্ৰাগুক্ত প্ৰবন্ধ, পৃঃ ৩১।

১৫। অসমীয়া ৰামায়ণ সাহিত্য ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ৯৮; যতীন্দ্ৰ নাথ গোস্বামী ঃ অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী, পৃঃ ১৪৯।

১৬। কেশদা মহন্ত ঃ প্ৰাগুক্ত প্ৰবন্ধ, পৃঃ ৩২।

১৭। শ্ৰীৰাম কীৰ্তন ঃ ৩য়, ১৯৬৭।

১৮। শ্ৰীৰাম কীৰ্তন ঃ পুৰণি পুথি, প্ৰাগুক্ত গ্ৰন্থ, পুথি নং-৬০।

১৯। যতীন্দ্ৰ নাথ গোস্বামী ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ১৪৯।

২০। সত্ৰ-সংস্কৃতিৰ ৰূপৰেখা ঃ পৃঃ৯৩, বদন চন্দ্ৰ শইকীয়া, 'বৈষ্ণৱ যুগৰ নাট্য সাহিত্য'; ভুৱনেশ্বৰী বৈশ্য (সম্পাঃ) ঃ অসমৰ বৈষ্ণৱ সাহিত্য আৰু সংস্কৃতি, পৃঃ ৪৯ ; সনত মহন্ত ঃ শ্ৰীশ্ৰীকালশিলা চৰিত, পৃঃ ৩২ ; সদানন্দ মহন্ত, 'সপ্তদশ শতিকাৰ মৰিগাঁও, মায়ঙৰ শংকৰোত্তৰ কবি সাহিত্যিক শ্ৰীশ্ৰীঅনন্ত দেৱ', পৰিতৰা, স্মৃতি গ্ৰন্থ, ৬০তম অসম সাহিত্য সভা, মৰিগাঁও অধিবেশন, পৃঃ ১৭০।

২১। কেশৱানন্দ দেৱগোস্বামী ঃ প্ৰাগুক্ত গ্ৰন্থ ; ৯৪।

২২। সনত মহন্ত ঃ প্ৰাগুক্ত গ্ৰন্থ, আগকথা, পৃঃ ৬।

জয় জয় দশৰথ তনয় সদয়

অজগৰ দমকৰ ।

পৰম ৰমন জনক বচন

সলল নয়ন চৰ ।।

খৰ দশনল গহন দহন

নবধৰ মধকৰ ।

বনক লগন কয়ল দহন

ৰস যশ শশধৰ ।।

ভকত জনৰ পদ সময়ৰ

ভৱ ভয় বয় হৰ ।

নয়ন জনন মদ হনয়ন

শৰন মজম শৰ ।। [২৩]

গীতটি দেখিলে অনুমান কৰিব পাৰি যে অনন্ত আতাই গুৰুজনাৰ প্ৰথম লিখনি 'কৰতল কমল' গীতটিৰ আৰ্হিৰে লিখিবলৈ যত্ন কৰিছিল। অন্যহাতে নাটখনৰ বিষয়বস্তু গ্ৰহণ কৰিছিল ৰামায়ণৰ পৰা। ইয়ে কবি গৰাকীৰ সাহিত্য-কৃতিৰ পৰিচয় দিবলৈ সক্ষম হৈছে। প্ৰসংগক্ৰমে নাট খনিৰ বিষয়ে আৰু এটি কথা কোৱা ভাল হব যে, আমি তৰাবৰি কালশিলা সত্ৰৰ পৰা ডাঠ কাগজত লিখা পুৰণি ঠাঁচৰ 'সীতাহৰণ' নাট এখন সংগ্ৰহ কৰিছো। পুথিখনৰ অৱস্থা ভাল যদিও শেষৰ ফলকটোৰ কিছু অংশ নষ্ট হৈছে। তাত থকা শেষৰ কল্যাণ খৰমান গীতটিৰ কেইটামান শব্দৰ বাহিৰে বাকীখিনি উদ্ধাৰ কৰিব পৰা নগল। চিনিব পৰা শব্দ কেইটাৰ পৰা গম পোৱা গল গীতটি আ-কাৰ- ই কাৰ হীন ওপৰত উল্লিখিত গীতটিয়েই। কিন্তু পুথিৰ শেষৰ মুক্তিমঙ্গল ভটিমাটোত উল্লেখ আছে ঃ ''ভূৱনেশ্বৰে কয় ৰাম পদে নই *** নাট কৃত্য কালশিলা সত্ৰ স্থাপিত অনন্তদেৱৰ পুত্ৰ লেখক তদংশজাতক *** পদ্মনাভস্য পুত্ৰ *** শ্ৰীতোককৃষ্ণ নাম ক্ষ্যাতং, তামুলীবড়ী গাঁও''- বুলি। এই কথাখিনিৰ পৰা বুজা যায়, নাটখন ভূৱনেশ্বৰে লিখিছিল।[২৪] নাটখন ১৩৩৯ চনৰ কাতিমাহৰ শুক্ৰবাৰে লিখি সমাপ্ত কৰিছে। নাটকখনৰ অৰ্থ ভটিমাটোৰ দ্বিতীয় ফলকত শ্লোকত লিখা আছেঃ 'ভূৱইশ্বৰ কিঙ্কৰ মৰ্দ্দিমুৰং'। উল্লিখিত পুথিখন বৰ্তমান আমাৰ সংগৃহীত অৱস্থাত আছে। শেষৰ ফলকটো সম্পূৰ্ণ অক্ষত অৱস্থাত উদ্ধাৰ হোৱা হ'লে হয়টো নাটকখনৰ বিষয়ে আৰু অধিক নিৰ্ভৰযোগ্য তথ্য পোৱা গলহেতেঁন। কালশিলা সত্ৰৰ ভকত বৈষ্ণৱসকলে আমাক জনোৱা মতে তেখেতলোকৰ আদি ঈশ্বৰ পুৰুষ অনন্ত আতাই 'সীতাহৰণ' নাটখন লিখিছিল। কালক্ৰমত কোনো ভক্ত-শিষ্যই নকল

২৩। সনত মহন্ত ঃ প্ৰাগুক্ত গ্ৰন্থ ঃ পৃঃ ঙ।

২৪। পুৰণি পুথি, সীতা হৰণ নাট ঃ সংৰক্ষক ঃ তৰাবৰি কালশিলা সত্ৰ।

*** চিহ্ন সমূহ পুথিৰ ধ্বংস প্ৰাপ্ত অংশক বুজাবৰ বাবে দিয়া হৈছে।

কৰোঁতে অনন্তৰ ঠাইত তেৰাৰ পুত্ৰ ভূৱনেশ্বৰৰ নাম সোমোৱাই দিছিল যেন ধাৰণা হয়। সেই সময়ৰ সত্ৰাধিকাৰ ভূৱনেশ্বৰ আতাৰ প্ৰভাৱৰ আবেগতে তেওঁৰ প্ৰত্যক্ষ গুৰু ভূৱনেশ্বৰৰ নামত তাক লিপিবদ্ধ কৰিলে। এনেধৰণৰ খেলিমেলি পুৰণি পুথিৰ ক্ষেত্ৰত দেখা পোৱাতো একো অস্বাভাৱিক নহয়। আনহাতে আমি বিভিন্ন ঠাইত অনুসন্ধান কৰি আৰু সংশ্লিষ্ট সত্ৰ সমূহৰ সত্ৰাধিকাৰসকলৰ লগতো আলোচনা কৰি ভূৱনেশ্বৰৰ দ্বাৰা ৰচিত দ্বিতীয় কোনো এখন গ্ৰন্থৰ উল্লেখ নাপালো। গতিকে আমি ভালে কেইগৰাকী পণ্ডিতৰ লগত আলোচনা কৰি উক্ত পুথিখন অৰ্থাৎ 'সীতাহৰণ' নাটখন অনন্ত ঠাকুৰ আতাৰ দ্বাৰাই ৰচিত বুলি মানি ললো।


সীতাহৰণ নাটখনিৰ বিষয়বস্তুৰ মূল মাধৱকন্দলী ৰামায়ণৰ অৰণ্যকাণ্ড। ৰাম-লক্ষ্মণ-সীতা বনবাসলৈ গৈ অগস্ত্য মুনিৰ আশ্ৰমত প্ৰৱেশ কৰাৰ পৰা ৰাৱণে সীতাক হৰণ কৰি জটায়ুৰ লগত সাক্ষাৎ হোৱালৈকে বিস্তৃত ঘটনাংশক সামৰি নাটকীয় কাহিনীভাগে অগ্ৰগতি লাভ কৰিছে। নাটকখনিত মুঠ গীতৰ সংখ্যা ১৮টা, তাৰ ভিতৰত নান্দী গীত-১টা, অথভটিমা ১টা, অথমুক্তিমঙ্গল ভটিমা ১ টা, মুক্তাৱলী (সীতাৰ মুখত) ১টা, বিলাপ (ৰামৰ মুখত) ১টা, কল্যাণ খৰমান গীত ১টা, আকাৰদি ৰহিত কল্যাণ খৰমান গীত ১টা। বাকী অন্যান্য ১১টা সাধাৰণ ৰাগ-তাল যুক্ত গীত। নাটখনত ব্যৱহৃত ৰাগ-তাল সমূহ হ'ল ঃ সিন্ধুৰা-একতালী, নাট-একতালী, জৌতিমান, গুঞ্জৰী পৰিতাল, কানাড়া- পৰিতাল, আশোৱাৰী-পৰিতাল, বেলোৱাৰ-পৰিতাল, বসন্ত-জৌতিমান, শ্ৰীগান্ধাৰ-জৌতিমান, ৰামগিৰী-জৌতিমান, গৌৰী-বিষমতাল আদি। নাটখনৰ ভিতৰত থকা গীতৰ ভনিতাসমূহত উল্লেখ আছে এনেদৰে ঃ 'শ্ৰীৰাম পদ চন্দ চকোৰে বোলে', 'কহে হৰি পৰ', 'বোলে ৰাম চন্দ্ৰ অনুচৰে', 'ৰামচন্দ্ৰ ভৃত্যে ভান' ইত্যাদি। নাটখনিত মুঠ শ্লোকৰ সংখ্যা ১০টা। শ্লোকবোৰ সম্পূৰ্ণ শুদ্ধ ৰূপত প্ৰকাশ পোৱা নাই। প্ৰথম অথভটিমাটো 'টৌটয় ছন্দত' ৰচনা কৰিছে। (সিপিঠিত নাটখনিৰ প্ৰত্যায়িত নকলৰ দুটা ফলকৰ নমুনা দিয়া হ'ল।)

শংকৰোত্তৰ যুগৰ এনেধৰণৰ বিভিন্ন অংকীয়া নাটৰ স্থিতিলৈ লক্ষ্য কৰিয়েই অধ্যাপক বদন চন্দ্ৰ শইকীয়াদেৱে এষাৰ প্ৰনিধানযোগ্য উক্তি ব্যক্ত কৰিছে ঃ 'শংকৰোত্তৰ নাট্যকাৰসকলৰ নাট ৰচনাৰ প্ৰধান অন্তৰায় আছিল সংস্কৃত ভাষাৰ সীমিত জ্ঞান, ব্ৰজাৱলী ভাষাত দখলহীনতা আৰু কবিত্ব শক্তিৰ দৈন্য। শংকৰ-মাধৱৰ অব্যৱহিতৰ পাছৰ নাট্যকাৰসকলৰ নাটতে এইবোৰ লক্ষণে ভুমুকি মাৰিছে। --- সকলো নাট্যকাৰ সত্ৰৰ চাৰিবেৰৰ ভিতৰুৱাও নহয়। পিতৃৰ নামত পুত্ৰই, পুত্ৰৰ নামত পিতৃয়ে, গুৰুৰ নামত শিষ্যই নাট ৰচনা কৰাৰো নিদৰ্শন আছে। উদ্ধৰ্তন পুৰুষৰ ৰচনাৰাজি অৰ্দ্ধস্তন পুৰুষৰ মোহৰ মৰাৰ প্ৰয়াসো কম নহয়। এনে ক্ষেত্ৰত নাটবিলাকৰ এই বিষয়ৰ প্ৰকৃষ্ট মূল্যায়ন এক প্ৰত্যাহ্বান।'[২৫] সেয়েহে উপৰোক্ত সীতাহৰণ নাটখনৰ ক্ষেত্ৰতো উক্ত মন্তব্য যথাৰ্থ।


ইয়াৰ বাহিৰেও দলৈচুবা কালশিলা সত্ৰত অনন্ত আতাৰ মৃত্যু তিথিত (ভাদমাহৰ শুক্লাষ্টমী)'দুৰ্ব্বাসা ভোজন' নামৰ অন্য এখন অংকীয়া নাটৰ দিনাভিনয় হোৱাৰ কথা ভকত সকলৰ মুখত শুনা যায়। অৱশ্যে সনত মহন্তদেৱে 'দুৰ্ব্বাসা ভোজন' নামৰ এখন নাটকো অনন্ত আতাই ৰচনা কৰিছিল বুলি কব খুজিছে।[২৬] এই তথ্যৰ ওপৰত ভিত্তি কৰি আমি

২৫। বদন চন্দ্ৰ শইকীয়া, 'বৈষ্ণৱ যুগৰ নাট্য সাহিত্য', প্ৰাগুক্ত প্ৰৱন্ধ, পৃঃ ৪৪-৪৫।

২৬। শ্ৰীশ্ৰীকালশিলা চৰিত ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ৬।



সীতাহৰণ নাটৰ ১ নং (খ) ফলকৰ অবিকল নকল



সীতাহৰণ নাটৰ ৭ নং (ক) ফলকৰ অবিকল নকল

অনুসন্ধান কৰি দলৈচুবা কালশিলা সত্ৰৰ পৰা এখন 'দুৰ্ব্বাসা ভোজন' নাট উদ্ধাৰ কৰিলো। কিন্তু নাটখন চাই গম পোৱা গ'ল সেইখন প্ৰকৃততে দীন গোপালৰহে। দীন গোপালৰ নামতো পিছত কোনো ব্যক্তিয়ে নীলা-চিয়াঁহীৰে কাটি তাৰ ঠাইত ৰঙা চিয়াঁহীৰে 'অনন্ত' বুলি লিখি থৈছে। গতিকে সেইখন অনন্তৰ নহয় বুলি কব পৰা যায়। অৱশ্যে সেই নাটখনৰ প্ৰতিলিপিও আমাৰ সংগৃহীত অৱস্থাত আছে। সেই সন্দেহজনক ফলকটোৰ প্ৰত্যায়িত নকলৰ নমুনা সিপিঠিত দিয়া হ'ল।

## 'ভক্তি-প্ৰেমলতা' ৰ বিষয়বস্তু আৰু পৰ্য্যালোচনা ঃ

হৃদয়ানন্দ কায়স্থ ৰচিত গ্ৰন্থৰাজিৰ বিষয়বস্তু সম্পৰ্কে আলোচনা কৰিবলৈ গলে প্ৰথমে 'প্ৰেমলতা' ৰ কথাই কব লগা হয়। প্ৰেমলতা গ্ৰন্থৰ বিষয়বস্তুৰ মূল হ'ল শ্ৰীমদ্ভাগৱত। তাৰ পৰাই কবিয়ে সাৰ সংগ্ৰহ কৰি নিজস্ব প্ৰতিভাৰ সংযোগ ঘটাই কাব্যখন লিপিবদ্ধ কৰিছে। এই প্ৰসংগতে এটি কথা কৈ থোৱা ভাল হব যে, শংকৰ-মাধৱৰ তিৰোধানৰ পাছত এশ বছৰ অৰ্থাৎ খৃষ্টীয় যোড়শ শতিকাৰ শেষ দশকৰ পৰা অষ্টাদশৰ প্ৰাৰম্ভলৈকে বিস্তৃত যুগটোকে আমি চৰিত পুথি আৰু গদ্য সাহিত্যৰ উদ্ভৱ আৰু বিকাশৰ যুগ বুলিব পাৰো। ৰামায়ণ, মহাভাৰত, ভাগৱত আৰু অন্যান্য দুই চাৰিখন পুৰাণৰ আংশিক অনুবাদ, অংকীয়া নাট আৰু গীত ৰচনাৰ ধাৰা অব্যাহত থকাৰ উপৰিও এই যুগৰ বিশিষ্ট লক্ষণ হল চৰিত পুথিৰ উদ্ভৱ, ভকতীয়া গদ্যৰ বিকাশ আৰু বুৰঞ্জী গদ্যৰ আবিৰ্ভাৱ। বৈষ্ণৱ মহাপুৰুষ সকলে ভেটি বান্ধি থৈ যোৱা বৈষ্ণৱ অনুষ্ঠান সমূহে ইতিমধ্যে জনসমাজত থিতাপি লয়, বিশেষকৈ সত্ৰ অনুষ্ঠানে শাখা প্ৰশাখাৰে বিস্তৃতি লাভ কৰিবলৈ ধৰে।[২৭] ইয়াৰ ফলশ্ৰুতি হিচাপে বিভিন্ন সময়ত বৈষ্ণৱ কবিসকলৰ হাতত বিভিন্ন সাহিত্যৰ সৃষ্টি হৈছিল। তাৰেই এক উজ্বল নিদৰ্শন হৃদয়ানন্দৰ 'ভক্তি-প্ৰেমলতা'। পদ-সাহিত্যত সাহিত্য চৰ্চ্চা কৰাতো এই যুগৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। কাৰণ পদ সাহিত্যৰ সাৱলীল ৰূপ আৰু শ্ৰুতি-মাধুৰ্যই জন সাধাৰণক সহজে আকৃষ্ট কৰিব পাৰিছিল আৰু সুৰ লগাই কীৰ্তন কৰিবলৈকো সুবিধা পাইছিল।[২৮]

হৰিনাৰায়ণ দত্তবৰুৱাই উল্লেখ কৰা মতে এই ভক্তিমূলক গ্ৰন্থখনি বিশেষকৈ শ্ৰীমদ্ভাগৱতৰ পৰা সংগ্ৰহ কৰা হয়।[২৯] মূল গ্ৰন্থখনি যদিও শ্ৰীমদ্ভাগৱত, তথাপি কবি গৰাকীয়ে প্ৰসংগক্ৰমে অন্য গ্ৰন্থৰ পৰাও ইয়াৰ বিষয় বস্তুৰ সংযোগ ঘটাইছে। প্ৰেমলতাত উল্লেখ থকা অন্যান্য গ্ৰন্থৰ ভিতৰত শংকৰদেৱৰ দশম, বেলমঙ্গলী, পদ্মাৱলী, ভক্তিৰ সামৃত সিন্ধু, বামণ-পুৰাণ, জয়দেৱ কৃত গীত-গোবিন্দ, বিষ্ণুপুৰীৰ ৰত্নাৱলী, বৈষ্ণৱ আনন্দ লহৰী আদিয়েই প্ৰধান। দত্তবৰুৱাদেৱে আৰু উল্লেখ কৰিছে, শ্ৰীমন্ত শংকৰদেৱৰ কীৰ্তনঘোষাৰ বাসৰ ভাব ইয়াত বেছি ভাগেই ফুটি উঠিছে। প্ৰেমলতা এখনি ভক্তি মূলক সৰু কাব্য হ'লেও ইয়াৰ ভিতৰত কৃষ্ণ প্ৰেমৰ বিষয়ে নানা ধৰণে ব্যাখ্যা দাঙি ধৰিছে।[৩০] কিন্তু দুখৰ কথা প্ৰেমলতা সম্পৰ্কে সাহিত্যৰ, বুৰঞ্জীত বিস্তৃত আলোচনা আজিলৈকে হোৱা নাই। সেয়েহে বোধকৰো ড° মহেশ্বৰ নেওগে ওপৰত কৈ অহাৰ দৰে প্ৰেমলতাক দুৰ্লভ বুলিয়েই মন্তব্য কৰিছে।[৩১] কবি অনন্ত ঠাকুৰৰ বৈশিষ্ট্য এই খিনিতেই যে বৃহত্তম ভাগৱত খনৰ প্ৰায়

---


২৭। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ১৮০।

২৮। তথৈৱ ঃ পৃঃ ১৮২।

২৯। ভক্তি প্ৰেমলতা ঃ প্ৰাগুক্ত গ্ৰন্থ, পাতনি।

৩০। তথৈৱ ঃ পাতনি।

৩১। অসমীয়া সাহিত্যৰ ৰূপৰেখা ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ১৫৮।



'দুৰ্ব্বাসা ভোজন' নাটৰ নাট্যকাৰ দীনগোপালৰ নামৰ ঠাইত অনন্তৰ ভনিতা লিখি থোৱা
সন্দেহজনক দুৰ্ব্বাসাভোজন নাটখনৰ ২ নং (ক) ফলকৰ অবিকল নকল ॥

সকলো ঘটনাকে সামান্য ভাৱে হলেও উনুকিয়াই যাবলৈ চেষ্টা কৰিছে, থিক গুৰুজনে ভুৰুকাত হাতী ভৰুৱাব দৰে অনন্ত আতাইয়ো প্রেমলতাৰ জৰিয়তে ভাগৱতৰ ভক্তিধাৰাক থাওকতে সামৰিবলৈ সক্ষম হৈছে। [৩২]

## সংগৃহীত পুথিৰ বিৱৰণ ঃ

'প্রেমলতা' গ্রন্থখনি হৰিনাৰায়ণ দত্তবৰুৱাই 'ভক্তি প্রেমলতা' নাম দি দত্তবৰুৱা এণ্ড কোং নলবাৰীৰ পৰা ১৯৫৭ চনত প্রকাশ কৰে। পুথিখন সম্পর্কে তেখেতে লিখিছে, এই গ্রন্থখন সংগ্রহ কৰোঁতে অতি পুৰণা এখনৰ পৰাহে নকল কৰিব লগাত পৰিছিলো। আমি শক্তি অনুসাৰে যিমান পাৰো সংশোধন কৰি ছপা কৰি উলিয়ালো, আমাৰ নানা ক্রুটিৰ বাবে পাঠকসকলৰ ওচৰত ক্ষমা প্রার্থনা কৰিলো। কোনো সুধীজনে ইয়াৰ দ্বিতীয় পুথি সংগ্রহ কৰি ইয়াক ভালদৰে সম্পাদন কৰিলে পৰম কৃতার্থ হম। [৩৩] এই কথাৰ পৰা গম পোৱা গ'ল দত্তবৰুৱা দেৱে মাত্র পুথিখনৰ এটা প্রতিলিপিৰ ওপৰত নির্ভৰ কৰিয়েই ভক্তি প্রেমলতা গ্রন্থখন সম্পাদন কৰিলে। গতিকে ঠায়ে ঠায়ে পাঠৰ মিল অমিল থকাতো স্বাভাৱিক। অৱশ্যে আমাৰ সংগৃহীত দুখন প্রেমলতা গ্রন্থৰ লগত দত্তবৰুৱা সম্পাদিত পুথিৰ মাজে মাজে অমিল নোহোৱা নহয়। সম্পাদিত মূল পুথিখন মুঠ ১২২ পৃষ্ঠাত সামৰা হৈছে। পুথিখনৰ প্রথম পৃষ্ঠাত আৰম্ভ হৈছে এনেদৰে ঃ

### ভক্তি প্রেমলতা

(কাব্য)

**মঙ্গলাচৰণ আৰু নামাকৰণ**

জয় জয় পূর্ণব্রহ্ম শ্রীকৃষ্ণ দেৱতা।
ইঙ্গিতে ব্রহ্মাণ্ড যত সৃষ্টি স্থিতি কর্তা।।
হেন পূর্ণ ব্রহ্ম কৃষ্ণ ভকত বান্ধব।
ব্রজৰাজ নন্দন বন্দন অজ ভৱ ।।১।। [৩৪]

* * *

পুথিৰ ১২২ পৃষ্ঠাত সামৰণি পৰিছে এনেদৰেঃ

আনৰ নাহিকে ভাগ তাহাক পাইবা লাগ
যিহেতু কৃষ্ণৰ গোপ্য আতি।
নিজ ভৃত্যকেসে প্রভু কৃষ্ণ পাৰে কৰে দান
কৈলো ভাগৱতৰ সম্মতি।।

---

৩২। কমল চন্দ্র নাথ, 'অনন্তদেৱ আতাকৃত ভক্তি প্রেমলতাত ভাগৱতৰ সুৰ', সদানন্দ মহন্ত (সম্পাঃ) ঃ কল্পতৰু, প্রাচীন কামৰূপীয় কায়স্থ সমাজ, পৃঃ ৬৭।

৩৩। ভক্তি প্রেমলতা ঃ প্রাগুক্ত গ্রন্থ, পাতনি।

৩৪। তথৈৱ ঃ পৃঃ ১।

হে কৃষ্ণ কৃপাময় যেন মোৰ নছাৰয়
তযু পাদ পদ্মত ভকতি।
ভক্তি ৰস মকৰন্দ মূৰুখ অনন্তে মাগে
কৃষ্ণ পদে কৰিয়া প্ৰণতি॥৫২৩॥ [৩৫]

গ্ৰন্থখনত চাৰিশৰীয়া পদ মুঠতে ৫২৩ টা আছে। পুথিখন ১নং পদৰ পৰা আৰম্ভ হৈ একাদিক্ৰমে ৫২৩ নং পদত শেষ হৈছে।

আমাৰ সংগৃহীত সাঁচিপতীয়া প্ৰথম পুৰণি পুথিখন (ক)* তামুলীবৰি কালশিলা সত্ৰৰ পৰা সংগ্ৰহ কৰা হৈছে। পুথিখন সম্পূৰ্ণ সাঁচিপতীয়া যদিও ১ম ফলকতো সম্পূৰ্ণৰূপে ধ্বংস হৈ গল আৰু শেষৰ ফলকতোও প্ৰায় ধ্বংস হৈছে। গোটেই পুথিৰ আখৰৰ গঢ় একেধৰণৰ। শেষৰ ফলকৰ কেইটামান শব্দহে চিনিব পৰা অৱস্থাত আছে। গতিকে সংৰক্ষিত পুথিখনৰ ২নং ফলকৰ ১ম পৃষ্ঠাৰ ৫নং পদৰ শেষৰ শাৰীৰ পৰাহে উদ্ধাৰ কৰিব পৰা হৈছে, সেই মতে ঃ

* * *

তযু পাদ পদ্মেঁ কোটি কোটি কৰোসেৱ ॥৫
তযু কৃপালেসে খোৰা লঙ্ঘয় পৰ্ব্বত ।
বোবাও পণ্ডিত হোৱে শুনিছো শাস্ত্ৰত ॥
এতেকে তযু পাৱে কৰি আছো আস ।
মই অধমত কৃপা কৰিয়ো প্ৰকাশ ॥ ৬

আৰু শেষ হৈছে ৪৮ নং ফলকৰ দ্বিতীয় পৃষ্ঠাত ঃ

সত্যে সত্যে মঞিঁ সৰণে পসিলো স্বামী
কৰণিয়া কৰিলৈয়ো মোক।
শ্ৰৱন কীৰ্তন কৃত্য জন্মে জন্মে কৰিবহো
একান্তিৰ সঙ্গত থৈয়োক ॥
তেবে মোৰ মনোৰথ পৰিপূৰ্ণ হৱে প্ৰভু
এহিমানে কৰিলো গোচৰ ।

---

৩৫। ভক্তি প্ৰেমলতা ঃ পৃঃ ১২২।

* ১ নং পুথিখনক 'ক' পুথি হিচাপে নামকৰণ কৰি পিছত সেই নামেৰেই আলোচনা কৰা হৈছে। পুথিৰ সংৰক্ষক ঃ তামুলীবৰি কালশিলা সত্ৰঃ সত্ৰাধিকাৰ ঃ শ্ৰীযুত বটকৃষ্ণ দেৱমহন্ত।

*** উক্ত চিহ্নই পুথিৰ অস্পষ্ট অংশক বুজোৱা হৈছে।

আবে সুনিয়োক প্ৰেম লতা জন্ম জি কালত
হে সভাসদ নিৰন্তৰ ॥
উৰ্ম্মিৰস বান চন্দ্ৰ সকে প্ৰেমলতা জন্ম
পোষে তিথি পূৰ্ণিমাৰ ।
হে কৃষ্ণ পাদ পদ্ম ভৃঙ্গে অনন্তে ৰচিলা ৰঙ্গে
নিৰন্তৰে বোলা ৰাম ৰাম ॥ ৫২১

১৬৮৮ ॥ সাকে ॥ * * * বিপ্ৰকৃতিস্থ * * * ৰস চন্দ্ৰ সাকে। আসাঢ় মাসে সিড়গে চতুৰ্থ্যাং ॥ মহাগুৰু কেসবং দেবা নন্দং । * * * বালিক্ষত ॥ ০॥

## 'ক' পুথিখনৰ বিতং বিৱৰণ ঃ

সম্পূৰ্ণ সাঁচিপাতত লিখা ৪৭ টা ফলকৰ এই পুথিখনত তলত বা ওপৰত কোনো ধৰণৰ ডাঠ বকলা নাই। পুথিখনৰ দীঘ- ৩০ ছেঃমিঃ আৰু প্ৰস্থ - ৮ ছেঃমিঃ। এটা শাৰীৰ দীঘ- ২৬ ছেঃমিঃ। এটা ফলকৰ আখৰ থকা প্ৰস্থ- ৫ ছেঃমিঃ: তলত আৰু ওপৰত থকা কাষৰ খালি অংশ ১.৬ ছেঃমিঃ। বাওঁ আৰু সোঁফালে থকা কাষৰ খালি ঠাই - ২ ছেঃমিঃ। প্ৰতি ফলকৰ মাজত থকা শলাবিন্ধাৰ খালি অংশ ২ x ১.৭ ছেঃমিঃ। ফলকত শাৰীৰ সংখ্যা ৯ টা। প্ৰতি শাৰীৰ আখৰৰ সংখ্যা ৪০-৫০ ৰ ভিতৰত। ফলকৰ দ্বিতীয় পিঠিত বাঁওফালে পৃষ্ঠাৰ নম্বৰ দিয়া আছে এনেদৰে ঃ- শ্ৰী১০, শ্ৰী১১, শ্ৰী১২ --- ইত্যাদি। গোটেই পুথিখন একেজন লিপিকাৰেই কপি কৰিছিল বুলি আখৰৰ গঢ়ৰ পৰা অনুমান কৰিব পাৰি। আখৰৰ গঢ় বামুণীয়া লিপিৰ।


(সিপিঠিত 'ক' পুথিৰ এটি ফলকৰ নমুনা দিয়া হ'ল।)

আমাৰ সংগৃহীত ২নং পুথিখন (ব )* সংগ্ৰহ কৰা হৈছে দলৈচুবা কালশিলা সত্ৰৰ পৰা। পুথিখন পুৰণি ঠাঁচত মগুলীপাতত লিখা। পুথিৰ অৱস্থা ভাল। পুথিখন ১নং ফলকৰ দ্বিতীয় পৃষ্ঠাত আৰম্ভ হৈ ৭৩ নং ফলকৰ প্ৰথম পৃষ্ঠাত শেষ হৈছে। পুথিখন আৰম্ভ হৈছে তলত দিয়া ধৰেণেৰে ঃ


শ্ৰীকৃষ্ণায়ে নমোঃ ॥ প্ৰেমলতা পুস্তক ॥
জয় জয় পূৰ্ন্নব্ৰহ্ম শ্ৰীকৃষ্ণ দেৱতা ।
ইঙ্গিতে ব্ৰহ্মাণ্ড জত সৃষ্টি স্তিতি কৰ্ত্তা ॥
হেন পূৰ্ন্নব্ৰহ্ম কৃষ্ণ ভকত বান্ধৱ ।
ব্ৰজ ৰাজ নন্দন বন্দন অজ ভাব ॥১

---

* ২ নং 'ব' পুথিখন দলৈচুবা কালশিলা সত্ৰৰ শ্ৰীযুত বদন মহন্তৰ পৰা সংগ্ৰহ কৰা হৈছে।



ভক্তি প্ৰেমলতা 'ক' পুথিখনৰ ২১ নং(ক) ফলকৰ অবিকল নকল



ভক্তি প্ৰেমলতা 'ক' পুথিখনৰ ৩১ নং (খ) ফলকৰ অবিকল নকল

আৰু পুথিখন শেষ হৈছে ৭৩ নং পৃষ্ঠাত এনেধৰণেঃ

আবে সুনিয়ো প্রেম লতা জন্ম জি কালত
হে সভাসদ নিৰন্তৰ॥৫২৭
উন্মিৰস বান চন্দ্র সকে প্রেমলতা জন্ম
পৌসে তিথি পূর্ণিমাওঁ।
কৃষ্ণ পাদ পদ্ম সঙ্গে অনন্তে ৰচিলা ৰঙ্গে
নিৰন্তৰে বোলা ৰাম ৰাম॥৫২৮

সক ১৮৩৬॥ ১৩২১সন॥ ভাদ্র মাসি॥১০॥ দস দিনে বিৰস্পতিবাৰে সমাপ্তং॥ জথা দৃস্তং তথা লিখিতং লিখকে নাস্তি দোসনং॥ভিমেস্যাপি বণভ্রম্ং মুনি নাঞ্চ মতিভ্রমং॥ শ্রীসঙ্কৰ শ্রীমাধৱৰ॥ দাসৰ দাস অতি দাস॥ মহামুৰ্খে লিখিতে॥ মই দুৰাচাৰ কেঅলে তোমাৰ অপৰাধি নাবায়ণ। খেমিয়োক হৃৰি লৈয়ো দাস কৰি পসিলো হেৰা সৱণ॥ (শ্রীকাল সিলা সত্রে॥ মহামূৰ্খ কৃষ্ণ দাস লেখক॥ সমাপ্তং॥) [৩৬]

## ‘ৰ’ পুথিৰ বিতং বিৱৰণ ঃ

আখৰৰ গঢ়ৰ পৰা অনুমান কৰিব পাৰি যে উক্ত পুথিখন একে গৰাকী লিপিকাৰে লিখি শেষ কৰিছে। পুথিখন আধুনিক মণ্ডুলী পাতত সম্পূর্ণ পুৰণি পুথিৰ ঠাচঁত লিখা হৈছে। পুথিৰ দীর্ঘ-২১ছেঃ মিঃ আৰু প্রস্থ -৯ ছেঃ মিঃ। আখৰ থকা এটা শাৰীৰ দীঘ-১৮ ছেঃ মিঃ আৰু আখৰ থকাৰ প্রস্থ ভাগ ৬ছেঃ মিঃ। ফলকৰ তলৰ আৰু ওপৰৰ ফালে থকা খালি অংশ-১.৫ছেঃ মিঃ, বাওঁ আৰু সোঁফালে থকা অংশ- ২ছেঃ মিঃ। ফলকৰ মাজত খলা বিন্ধা নাই যদিও ২.৫ছেঃ মিঃ সমপৰিমাণৰ খালি ঠাই আছে। প্রতিফলকত শাৰীৰ সংখ্যা ৯ টা আৰু প্রতি শাৰীত আখৰৰ সংখ্যা ২৬-৩০ টা। প্রতি ফলকৰ দ্বিতীয় পিঠিৰ বাওঁফালে পৃষ্ঠাৰ নম্বৰ দিয়া আছে এনেদৰে- শ্রী২, শ্রী৩, শ্রী৪ ইত্যাদি। পুথিখনত চাবিশৰীয়া পদ মুঠাতে ৫২৮ টা আছে। পুথিখনৰ আখৰৰ গঢ় বামুণীয়া কাইথেলী সংমিশ্রিত।


(সিপিঠিত ‘ৰ’পুথিৰ এটি ফলকৰ নমুনা দিয়া হ’ল।)

## গ্রন্থৰাজিৰ সাহিত্যিক পৰ্য্যালোচনা ঃ


### ভক্তি-প্রেমলতা ঃ

‘ভক্তি-প্রেমলতা’ গ্রন্থখনিৰ বিষয়বস্তু, ৰচনা-ৰীতি আৰু সাহিত্যিক পৰ্য্যালোচনা কৰোঁতে হৰিনাৰায়ণ দত্তবৰুৱা সম্পাদিত ‘ভক্তি প্রেমলতা’কে ইয়াত আধাৰ হিচাপে লোৱা হৈছে।[৩৭] ‘ভক্তি প্রেমলতা’ গ্রন্থখনিৰ বিষয়বস্তু বিশ্লেষণৰ ক্ষেত্রত কেইবাটাও কথা পৰিলক্ষিত হয়। সেয়েহে বিষয়বস্তুৰ লগত সংগতি ৰাখি আদিৰ পৰা অন্তলৈকে কাব্যখনক কেইবাটাও

৩৬। পুৰণি পুথিৰ আখৰৰ ৰূপকেই তুলি দিয়া হৈছে।
৩৭। ভক্তি প্রেমলতা ঃ প্রাগুক্ত গ্রন্থ।



ভক্তি প্ৰেমলতা 'ব' পুথিখনৰ ২ নং (খ) ফলকৰ অবিকল নকল



ভক্তি প্ৰেমলতা 'ব' পুথিখনৰ ৭১ নং (ক) ফলকৰ অবিকল নকল

ভাগত ভাগ কৰা হৈছে। উল্লিখিত ভাগসমূহ তলত দিয়া ধৰণৰ ঃ


১। মঙ্গলাচৰণ আৰু গ্ৰন্থৰ নামাকৰণ ঃ- পৃঃ-১ ।

২। প্ৰেম ভক্তি কথন ঃ- পৃঃ-৪ ।

৩। শ্ৰীশংকৰ বন্দনা ঃ- পৃঃ-১২ ।

৪। প্ৰেমভক্তিৰ বিস্তৃত বিৱৰণ ঃ- পৃঃ-১৭ ।

৫। ৰতিভক্তি কথন ঃ- পৃঃ- ৩১ ।

৬। ৰতিভক্তিৰ লক্ষণ ঃ- পৃঃ-৩৪ ।

৭। শুদ্ধ ৰতিফল কথন ঃ- পৃঃ-৪৮ ।

৮। দৃঢ় ভক্তি কথন ঃ- পৃঃ-৫২ ।

৯। প্ৰেমভক্তি কথন ঃ- পৃঃ-৬০ ।

১০। সুলভ প্ৰেমভক্তি কথন ঃ- পৃঃ-৭৭ ।

১১। দৃঢ় ভক্তিৰ অষ্টভাৱ কথন ঃ- পৃঃ-৮২ ।

১২। কৃষ্ণ সুলভ প্ৰেমভক্তি বৰ্ণন ঃ- পৃঃ-৮৬ ।

১৩। একান্ত ভক্তৰ প্ৰতি ভগৱন্তৰ বশ্যতা কথন ঃ- পৃঃ-১০১ ।

১৪। দৃঢ় প্ৰেমভক্তি বৰ্ণন ঃ- পৃঃ-১০৫ ।

১৫। গ্ৰন্থকাৰৰ পৰিচয় আৰু গ্ৰন্থ সমাপ্তি ঃ- পৃঃ-১১৮ ।


উক্ত ভাগ সমূহক মূল হিচাপে লৈ কবিয়ে গ্ৰন্থৰ পাতনি মেলিছে। ওপৰত উল্লেখ কৰি অহাৰ দৰে ভক্তি প্ৰেমলতা শ্ৰীমদ্ভাগৱতৰ সাৰ সংগ্ৰহ। মহাপুৰুষ গুৰুজনাই দশম ৰচনা কৰাৰ পিছতো অনন্ত আতাই কিয় 'প্ৰেমলতা' কাব্যখন লিখিব লগা হ'ল, তাৰ কাৰণ কাব্যৰ ভিতৰতে উল্লেখ কৰিছে ঃ

আবে শুনিয়োক মোৰ চিত্তৰ আশয় ।
যদ্যপি ভকতিফল ভাগৱতে কয় ।।
তথাপিতো জ্ঞান কৰ্ম আদি কৰি যত ।
বেৰা হুয়া ৰহিলা চাৰিও কাষৰত ।।৯
ধৰ্ম অৰ্থ কাম মোক্ষ চাল প্ৰায় ভৈল ।
তাহাৰ ভিতৰে ভক্তি গুপ্ত হুয়া ৰৈল ।।

সামান্যৰ শক্য নাহি তাহাক লক্ষিত ।
আকে শুনি শুনি মোৰ হেন্দোলয় চিত্ত ।।১০
যেন মতে সামান্যয়ো পাৰে বুজিবাক ।
গুৰু পদ প্ৰসাদত বিৰচিবো তাক ।।
ভক্তিসে ভক্তিৰ ফল মোক্ষ নাহিকয় ।
ভাগৱত শাস্ত্ৰে এহি তাত পৰিসয় ।। ১১ তাৎপৰ্য্য ।[৩৮]

কাব্যৰ আৰম্ভণিতে ভগৱানক মঙ্গলাচৰণ কৰিলোৱাতো বৈষ্ণৱ কবি সকলৰ এক আদৰ্শগত পৰম্পৰা। ইয়াতো কবি গৱাকীয়ে কাব্যৰ আৰম্ভণিতে পূৰ্ণব্ৰহ্ম শ্ৰীকৃষ্ণ আৰু গুৰু শংকৰদেৱক শতকোটি প্ৰণিপাত জনাইছে ঃ

জয় জয় পূৰ্ণব্ৰহ্ম শ্ৰীকৃষ্ণ দেৱতা ।
ইঙ্গিতে ব্ৰহ্মাণ্ড যত সৃষ্টি স্থিতি কৰ্ত্তা ।।
হেন পূৰ্ণব্ৰহ্ম কৃষ্ণ ভকত বান্ধৱ ।
ব্ৰজৰাজ নন্দন বন্দন অজ ভৱ ।।১
ব্ৰহ্মবধূ বিদ্যুতৰ সাধ্য বৰাহক ।
ত্ৰিভঙ্গীত অঙ্গ বেণু পঞ্চম পূৰক।।
অমৃত মধুৰ ধ্বনি লোক বিৰঞ্জক ।
যেন মেঘে বৃষ্টি কৰি দূৰন্ত তাপক ।।২
হেন ইষ্ট দেৱ গুৰু বান্ধৱ মুৰাৰি ।
হুয়োক প্ৰসন্ন ভকতৰ ভয়হাৰী ।।
জয় নমো শ্ৰীশঙ্কৰ কৃপাময় দেৱ ।
তযু পাদ পদ্মে কোটি কোটি কৰো সেৱ ।।৩।। [৩৯]

গ্ৰন্থখনিৰ নাম 'প্ৰেমলতা' দিয়া সম্পৰ্কেও কবিয়ে উপযুক্ত ব্যাখ্যা আগবঢ়াইছেঃ

ভক্তি প্ৰেমলতা নাম গ্ৰন্থ সুলোভন ।
শুনিয়োক লতা ৰূপে কৰোহো বৰ্ণন ।। ১৭

*   *   *

আবে শুনিয়োক যেন কথাৰ আশয় ।
এৰে ভকতিক নানাবিধ কৰিছয় ।।

---

৩৮। ভক্তি প্ৰেমলতা ঃ পৃঃ ২-৩ ।
৩৯। তথৈৱ ঃ পৃঃ ১ ।

পুৰুষাৰ্থ পঞ্চম কহয় ভাগৱত ।
প্ৰেমলতা প্ৰেমফল ইয়ো দুই মত ।।৪৭
শুদ্ধ ধৰ্ম বুলিয়া কহয় কোনো বেলা ।
ইসব অৰ্থৰ ভাগৱততেসে মেলা ।।
তথাপি এগোটা আত বুজিবা প্ৰধান ।
ভক্তি প্ৰেমলতা বুলি কৰিছো ব্যাখ্যান ।।৪৮
এতেকেসে প্ৰেমলতা নাম প্ৰকৰণ ।
বৰ্ণন কৰিয়া কৰিলো সমাপন ।।
গ্ৰন্থৰ এহিসে নাম জানা মহাজন ।
ৰাৰম্বাৰে শুনি মোক নকৰা নিন্দন ।। ৪৯ ।। [৪০]

ইয়াত ভাগৱত ভক্তিৰ সাৰ অংশ কৃষ্ণ পৰায়ন ভজন কৰ্ত্তা সাধকসকলে বিৰচা নৱবিধা ভক্তিৰ প্ৰেমলতা মধুফলব বহল ব্যাখ্যা দাঙি ধৰিছে। কবিয়ে ভিন্ন পদ পুথিৰ দোহাই দি সংগৃহীত সকলো কথাকেই উল্লেখ কৰি যাবলৈ সক্ষম হৈছে। ইয়াত আৰু কোৱা হৈছে, ভাগৱত প্ৰেমেৰে পৰিপূৰ্ণ হৈ দৈহিক জীৱনৰ সুখ ভোগকো পাহৰি অকুণ্ঠ কণ্ঠেৰে ভগৱন্তব গুণলীলা কৰি আত্মহাৰা হৈ কৃষ্ণৰ চৰণত আত্ম নিবেদন কৰাতোৱেই ভক্তৰ লক্ষণ। তাৰবাবে কবিয়ে কাব্যৰ ভিতৰত শ্ৰীকৃষ্ণৰ এটি সুন্দৰ বৰ্ণনা স্বকীয় ভাবে সংযোগ কৰিছে ঃ

জয় নমো ত্ৰিভুবন মোহন মুৰাৰী।
জয় গোপিনীৰ মন পৰিপূৰ্ণকাৰী।।
বৃন্দাবন চন্দ্ৰ জয় নিকুঞ্জ বিহাৰী।
সৰ্বকাম দোহন মোহন ব্ৰজনাৰী। ৫২
মোৰ প্ৰাণ পতি গতি মতি তুমি দেৱ।
তযু পাদ- পদ্মত সদায়ে কৰো সেৱ।।
ৰঙ্গা পাদ পদ্ম ৰক্ত উৎপালক হাসে।
ধ্বজ ব্ৰজ পঙ্কজ অঙ্কুশ পৰকাশে।।৫৩
ললিত বলিত নীল আঙ্গুলিৰ শাৰী।
ৰত্নৰ গঢ়িছে যেন চম্পাৰ পাকৰী ।।
তাহাতে অৰুণ দাশ নখ প্ৰকাশন্তি ।
ভঙ্গি ধৰি পৰি যেন শোভে চান্দপান্তি ।।৫৪

---

৪০। ভক্তি প্ৰেমলতা ঃ পৃঃ ৪,৯-১০।

দশো আঙ্গুলিত জাপ উজ্বন্টি ৰত্নৰ।
নীল পদ্মে যেন স্বৰ্ণ ভ্ৰমৰ নিকৰ ।।
নানা মনি যোৰে ৰত্ন শোভিত নূপুৰে।
ৰুণ জুন শব্দে ভকতৰ মন পূৰে ।। ৫৫
হেন পাদ পদ্মৰ ভ্ৰমৰ হুয়া ৰৈবো ।
যশ মকৰন্দ মধুপানে মত্ত হৈবো ।।
তেবেসে এৰাইবো সংসাৰৰ যত তাপ ।
এহিমানে অনুগ্ৰহ কৰা কৃষ্ণ বাপ ।।৫৬

* * *

নিষ্কামে সন্তৰ সেৱা কৰয় যিজন ।
নিজ প্ৰেম ভক্তি তাকে দেন্ত জনাৰ্দ্দন ।।
হেন জানি কৃষ্ণত সাদৰে ভক্তি কৰা ।
শ্ৰৱণ-কীৰ্তন কৰি সংসাৰক তৰা ।।৫৮
মোক্ষতো অধিক জানি ধৰা কৃষ্ণ নাম ।
মূৰুখ অনন্তে কহে বোলা ৰাম ৰাম ।। ৫৯।। [৪১]

ভক্তসকলৰ আটাইতকৈ ৰহস্য আৰু গুহ্যতম বস্তু প্ৰেমভক্তিৰ অৱতাৰণাৰেই কাব্যৰ বিস্তৃত অংশ বৰ্ণনা কৰিছে আৰু তাৰ মূল সূঁতিটোও তেওঁ শ্ৰীশংকৰৰ পৰাই অনুসৰণ কৰাৰ কথা কৈছে। দাস্য ভাৱ যুক্ত ভকতি গুণেৰে গুণী হৈ ভগৱন্তৰ কৃপা বিচাৰি খোৰাজনে পৰ্ব্বত লংঘা আৰু বোবাই কথা ক'ব পৰা অনুগ্ৰহকে শিৰোগত কৰি লৈ সশ্ৰদ্ধ প্ৰণামেৰে ভক্তি ৰাজ্যত প্ৰৱেশ কৰিছে আৰু ভকতি পয়োধৰৰ যাত্ৰী হৈ সপ্ত সমুদ্ৰত সাঁতুৰ মেলিছে। নৱবিধা ভক্তিৰ মূল ৰহস্য উদঘাটন কৰি প্ৰেমভক্তি, গুৰুবন্দন, ৰতিভক্তি, দৃঢ়ভক্তিৰ অষ্টভাৱ, কৃষ্ণত সুলভ ভক্তি, একান্ত ভক্তৰ ভগৱন্তৰ বশ্যতা আৰু দৃঢ় প্ৰেমভক্তি এই সাত ভাগে বৰ্ণনা দি বৈষ্ণৱ সকলক আকৰ্ষণ কৰিছে।

সন্তসেৱা, কৃপা, শ্ৰদ্ধা- এই তিনি শিপাযুক্ত বৃক্ষত শ্ৰৱণ, কীৰ্তন, পদসেৱন, স্মৰণ, অৰ্চন, বন্দন, দাস্য, সখ্য আৰু দেহা অৰ্পণ এই নৱগোটা ডাল।[৪২] ইয়াত প্ৰেমলতা ফলবোৰ লাগি ওলমি আছে, তাকে ভক্ত সকলে খাই তৃপ্তি লভে। ভাগৱতত উল্লিখিত পৰম গুপ্য প্ৰেমভক্তিৰ ইঙ্গিত দি ভক্ত উদ্ধৱক দিয়া শ্ৰীকৃষ্ণৰ মধুৰ উপদেশ আৰু অজামিল উপাখ্যানৰ জৰিয়তে হৰিনামৰ মহিমা ব্যাখ্যা কৰিছে। ভাগৱতত উল্লিখিত বাৰ বৈষ্ণৱ ব্ৰহ্মা, হৰ, মনু, ভীষ্ম, নাৰদ, প্ৰহ্লাদ, কুমাৰ, কপিল, শুক, জনক, বলি আৰু যমৰ ধৰ্মাচাৰণ অতিশয় শুদ্ধ আৰু পৱিত্ৰতাৰ আভাস সংযোগ কৰি ভকতিত সকলোৰে

৪১। ভক্তি প্ৰেমলতা ঃ পৃঃ ১০-১১।
৪২। প্ৰাগুক্ত গ্ৰন্থ ঃ পৃঃ ৫, পদ নং-২১।

সম অধিকাৰ প্ৰতিপন্ন কৰিছে। ইয়াৰ অনুসৰণতেই অনন্ত ঠাকুৰেও প্ৰেমলতাত এনেদৰে লিখিছে ঃ

ব্ৰহ্মা হৰ মনু ভীষ্ম নাৰদ প্ৰহ্লাদ ।।
কুমাৰ কপিল শুক জনক বলি আমি (যম) ।
এহি বাৰজনে শুদ্ধ ধৰ্ম আছো জানি ।।৩৯।। [৪৩]

ভাগৱতৰ পুৰুষাৰ্থৰ মাজেদি প্ৰেমলতা আৰু প্ৰেমফলৰ পাৰস্পৰিক মতামত দাঙি ধৰি কবিয়ে ভগৱন্তৰ প্ৰতি ব্ৰজ নাৰী গোপীসকলৰ অকৃত্ৰিম প্ৰেমভক্তিৰ কথাও সুন্দৰকৈ উল্লেখ কৰিছে আৰু ভক্তিক লতাৰূপে বৰ্ণনা কবি প্ৰসাৰতাৰ নিৰ্ণেয় ভাৱ পোষণ কৰিছে। ভাগৱতৰ দোহাই দি ভক্ত অক্ৰুৰৰ আগত সন্তপদ সেৱাৰ ফল প্ৰভুদেৱে নিজেই প্ৰকট কৰিছে। প্ৰেমলতা গ্ৰন্থৰ এঠাইত উদ্ধৱক কৃষ্ণই কৈছে ঃ

সংসাৰত যত সাধ্য সাধন আছয় ।
একোমতে সখিমোক বশ্য নকৰয় ।।১২৩
কেৱল সন্তৰ সঙ্গে মোক কৰে বশ্য ।
দেখাও সাক্ষাতে হেৰা পৰম ৰহস্য ।। ১২৪

*    *    *

সন্ত সঙ্গ ভৈলা কৃপা শ্ৰদ্ধা শ্ৰৱণত ।
হৈবেক নিশ্চয়ে শঙ্কা নকৰা মনত ।। ১২৬ ।। [৪৪]

ভাগৱতৰ উল্লেখেৰে অনন্ত ঠাকুৰেও চাৰিসিদ্ধক দাসীপুত্ৰ নাৰদে দৃঢ় ভক্তি ব্যাখ্যা কৰাৰ কথা কৈছে। আগতে কোৱাৰ দৰে ভক্তিলতাৰ পাৰ (শিপা) হৈছে সন্তসেৱা, কৃপা আৰু শ্ৰদ্ধা। শ্ৰৱন, কীৰ্তনাদি ইয়াৰ ন টা ডাল। এই বৃক্ষৰ ফল হৈছে ৰতি আদি। নৱসিদ্ধই নিমিক কৃষ্ণৰ জন্ম, কৰ্মৰ ব্যাখ্যাৰ দ্বাৰাও দৃঢ় ভক্তি যে লাভ হয় তাৰো উপদেশ দিছে। কৃষ্ণৰ পাদ, পদ্ম, যশ, ৰস পান কৰিলে অতিশয় প্ৰেমৰসৰ জন্ম হয়। গোপীসকলৰ প্ৰেমভক্তিয়েই ইয়াৰ মুখ্য প্ৰমাণ। গোপীসকলে ভক্তিত প্ৰেমোন্নত্ত হৈ কৃষ্ণক পাবৰ যি হাবিয়াস কৰিছে, সেয়ে প্ৰেমলতা গ্ৰন্থৰ মূল বিষয়বস্তু। গোপীসকলে কুলস্ত্ৰীৰ মৰ্য্যদা, সন্মান, সুখ আদি সকলোকে বিসৰ্জন দি ভক্তবৎস শ্ৰীহৰিৰ চৰণ-প্ৰান্তত আশ্ৰয় লৈছে। জীৱনৰ সুখ-শান্তি, মান-মৰ্য্যদা, অভিমান-অহংকাৰ সকলো ত্যাগ কৰি ভগৱন্তৰ আশ্ৰয় প্ৰাৰ্থনা কৰিবলৈ সক্ষম হোৱা জনেই শ্ৰেষ্ঠ ভক্ত। এইফালৰ পৰা গোপীসকল শ্ৰেষ্ঠা ভক্তা। সপ্ৰেমা ভকতিৰ অনাবিল আনন্দ লাভ কৰি পৰম গতি-পোৱাৰ আশা বুকুত বান্ধি গোপীসকল মায়ামানৱ কৃষ্ণৰ ওচৰলৈ আহিছে। কৃষ্ণ ৰতিত তেৰাসব দ্ৰবীভূতা, সেয়েহে পুন্যৱতী গোপীসবে অসত্য গৃহবাসৰ প্ৰতি বীতৰাগ হৈ ব্ৰহ্মা-ৰুদ্ৰ লক্ষ্মী আদিৰ উপাস্য দেৱ কৃষ্ণৰ ওচৰত প্ৰেমভক্তি নিবেদন কৰিছে। [৪৫] সেয়েহে এই ভক্তি নাৰদীয় ভক্তিৰ সমগোত্ৰীয়। কৃষ্ণই কৈছিল, ব্ৰজৰ গোপীসকলেই তেওঁৰ শ্ৰেষ্ঠা ভক্তা। এইফালৰ পৰা নিশ্চিত ভাৱে কবই লাগিব

---

৪৩। ভক্তি প্ৰেমলতা ঃ পৃঃ ৮।
৪৪। তথৈৱ ঃ পৃঃ ২৬ ।
৪৫। নবীন চন্দ্ৰ শৰ্ম্মা ঃ পুৰণি অসমীয়া সাহিত্যৰ সুবাস, পৃঃ ১৬২-১৬৩ ।

যে, গোপীসকলৰ কাম ভাৱ পৰিশোধিত ভক্তিৰসৰ অভিব্যক্তি মাথোন।[৪৬]

ভক্তি শিতানত অমৃতৰ ভাণ্ডাৰ স্বৰূপ ৰতিভক্তি। কপিল মুনিয়ে মাতৃ দেৱাহুতিক শ্ৰদ্ধা ৰতিৰ দ্বাৰা যে প্ৰেমভক্তি বৃদ্ধি পাই তাক বুজাই কৈছে আৰু প্ৰেমলতাতো স্পষ্টভাৱে উক্ত কথাৰ প্ৰকাশ ঘটিছে। ভীষ্মদেৱেও শৰ শৰ্য্যাত থাকি কৃষ্ণক দৰ্শন পাই প্ৰেমাকুল হৈ ভকত-বৎসল আদি নামেৰে সম্বোধি মহাফল ৰতিক প্ৰাৰ্থনা কৰিছিল। মোক্ষতোধিক এই কৃষ্ণ ৰতিত ভীষ্ম, উদ্ধৱ, কপিল, গোপী আদিয়েও আপ্লুত হৈ পৰিছে। ৰতি ভক্তিৰ প্ৰধান লক্ষণ- অনন্ত ঠাকুৰে ন-প্ৰকাৰে বৰ্ণনা কৰিছেঃ [৪৭]

১) ক্ষান্তিৰতি ঃ মায়াৰূপী তক্ষকৰ দংশনকো ভয় নকৰি ক্ষোভকো ত্যাগী নিৰন্তৰে কৃষ্ণ কথা শ্ৰৱণ কৰাতোৱেঁই ক্ষান্তি ৰতি ।

২) অব্যৰ্থকাল ঃ নিজৰ আয়ুস কাল কৃষ্ণত অৰ্পণ কৰি ক্ষনোমাত্ৰ ব্যৰ্থ নকৰাকৈ দেহ মন-প্ৰাণেৰে কৃষ্ণৰতিত ব্ৰতীহৈ পুলকিত মনেৰে সৰ্বাঙ্গ আনন্দত সৰ্বকালে অব্যৰ্থ থকাতোৱেই অব্যৰ্থ কাল।

৩) বিৰক্তি ঃ ভৰতৰ দৰে ভাৰ্য্যা, ৰাজ্যশ্ৰীকো ত্যাগ কৰি কৃষ্ণ সেৱাত বদ্ধ থকাই হৈছে বিৰক্তি ।

৪) অমানী ঃ পদ্ম পুৰাণত কৈছে- চাণ্ডালকো পৰি পৰি নমস্কাৰ কৰি মান গৌৰৱ ত্যাগ কৰাই অমানী বা অমানীত্ব।

৫) আশাবন্ধ ঃ সনাতনে ভাগৱতত থকা দৃঢ় ভাৱনাকে আশাবন্ধ বুলি বৰ্ণনা দিছে। অষ্টাঙ্গ যোগকো নিৰাশ কৰি কৃষ্ণ পাদ পদ্ম লাভৰ বাঞ্চাই আশাবন্ধ।

৬) সমুৎকণ্ঠা ঃ নিজৰ অভীষ্ট লাভত অতিশয় লোভেই উৎকণ্ঠা। কোটি মদনৰো গৰ্ব হাৰী, জগতমোহন ৰূপধাৰী, বংশীধাৰী, ব্ৰজপতিক সদায় দৰ্শন পাবৰ বাবে কৰা তীব্ৰ আকাংক্ষাই উৎকণ্ঠাৰ প্ৰতিৰূপ।

৭) নাম-গানে ৰুচি ঃ প্ৰাণ বল্লভা ৰাধাৰ প্ৰেম, সমস্ত জীৱন অৰ্পণ কৰি কৃষ্ণ নাম বিনে নগাৱন্ত আন। এয়ে নাম-গানে ৰুচি।

৮) গুণ-কথন ঃ কৃষ্ণ কথামৃত বিনে কানে আন নপশয়, মধুৰৰো সুমধুৰ, চিত্তহৰণ, কৃষ্ণ গুণ এয়ে মাথো সম্বল বুলি গোপীসকলে হৃষ্ট চিত্তে কয়, ইয়ে হল গুণ কথন।

৯) কৃষ্ণ স্থল বৃন্দাবনাদিত প্ৰীতি ঃ মথুৰাত লীলা বৰ্ণন, শকত ভঞ্জন, হস্ত বন্ধন, যমলাৰ্জুন ভঞ্জন, বকাসুৰ, অঘ, ধেনুকাবধ, কালিয় দমন আৰু বৃন্দাবনৰ ৰাস ক্ৰীড়াও নানা লীলাৰ অকৃত্ৰিম প্ৰেম। এয়ে মধুৰ ক্ষেত্ৰৰ প্ৰীতি।

৪৬। নবীন চন্দ্ৰ শৰ্মা ঃ তথৈৱ ঃ পৃঃ ১৬৬।

৪৭। ভক্তি প্ৰেমলতা ঃ পৃঃ ৩৫, পদ নং-১৫২-১৫৩।

কৃষ্ণৰতিত বহু ভাৱৰ বিকাশ দেখা যায়। তাৰ ভিতৰত প্ৰধান দ্বাদশ ভাৱ হ'লঃ ভক্তিৰসামৃত, সিদ্ধুত উদীৰণ, নৃত্য- গীত, লুঠিত, ক্ৰোশন, তনুমন হৃষ্ট, হুঙ্কৰণ, স্বসন, ভূম্যোলোক্য, অনপেক্ষ, লালাশ্ৰয় আৰু হাস।[৪৮] নিষ্কাম ভাৱে অখণ্ডৰতি থাকিলেহে কৃষ্ণ ভক্তি লাভ হয় বুলি প্ৰহ্লাদৰ চৰিত আৰু যুধিষ্ঠিৰৰ বাক্যই প্ৰমাণ দিয়ে। ভক্তিৰসামৃত সিন্ধু গ্ৰন্থৰ দোহাই দি প্ৰেমলতাত ইয়াৰ সাক্ষ্য প্ৰমাণ দিছে।[৪৯] নাৰদৰ 'ভক্তিসূত্ৰ'ত উল্লেখ আছে যে 'ভক্তি-ৰসামৃত সিন্ধু' গ্ৰন্থ নিৰ্মাণ কৰি তাকে 'জীৱ' নাম দি পৰম শক্তি গো-ৰূপ শুদ্ধ হৃদয় গঢ়ি তাতে মন কাম সংযোগ কৰিলে তাকে শুদ্ধ ৰূপ-প্ৰেম-ভক্তি বুলি কোৱা হয়। পঞ্চৰাত্ৰ আৰু ভাগৱতৰ দশমৰ উনবিংশত আছে, পুত্ৰ ভাৰ্য্যা ও গৃহবাসৰ লগত প্ৰেম সঙ্গ কৰিও কৃষ্ণত সদা সৰ্ব্বদা মমতা ভাৱ নিৰূপিত হ্‌ব লাগিব। এই ভাৱতে প্ৰহ্লাদ, উদ্ধৱ, ভীষ্ম, নাৰদ আৰু গোপীসকলেও কৃষ্ণক ভজিছে। গোপী আৰু কৃষ্ণৰ ৰাস ক্ৰীড়াৰ বৰ্ণনা খিনি অনন্ত ঠাকুৰে ভাগৱতৰ দশম স্কন্ধ আৰু কীৰ্তন ঘোষাৰ পৰা হুবহু ভাবে অনুকৰণ কৰিছে। সাহিত্যৰত্ন হৰিনাৰায়ণ দত্তবৰুৱাদেৱে ভক্তি প্ৰেমলতাৰ পাতনিত এটা কথা অৱশ্যে স্বীকাৰ কৰি গৈছে, 'শ্ৰীমন্ত শংকৰদেৱৰ কীৰ্তন ঘোষাৰ ৰাস'ৰ ভাৱ ইয়াত বেছি ভাগেই ফুটি ওলাইছে।[৫০] গোপীৰ মনৰ ভাৱ দেখি কৃষ্ণই কৌতুক কৰি ক'লা, কণা, কুঁজা, বৃদ্ধ হ'লেও নিজৰ স্বামীসকলক সেৱা কৰিবলৈ আৰু উপপতি সমে ৰাসক্ৰীড়া গৰিহিত কৰ্ম, পাপ তাৰ পৰ্বত সমান বুলি বুজনি দি শীঘ্ৰে ব্ৰজলৈ উভতি যাবলৈ কৈছে। কৃষ্ণৰ বিপ্ৰীয় বাণী শুনি দুৰন্ত চিন্তাত বিবৰ্ণ হৈ নয়ন লোতক বাগৰি পৰিল গোপীসকলৰ। ঘাতুক মৰ্ম্মচ্ছেদ বাক্য শুনি ভক্ত বৎসল হৰিক স্তুতি কৰিবলৈ ধৰিলেঃ

> হেন কি ঘাতুক মৰ্ম্মছেদ বোলা বাক ।
> সব গৃহ সুখ তেজি ভজিলো তোমাক ।। ২৮৩
> ভকত বৎসল হেন জানি আছো মনে ।
> তোমাকেসে সেৱা আমি কৰো ৰাত্ৰি দিনে ।।২৮৪

বুলি কৈ অন্তৰ প্ৰয়াসী দাসী হিচাপে নিজক গ্ৰহণ কৰিবলৈ কৃষ্ণক অনুৰোধ জনাইছে। আনকি কুলস্ত্ৰীৰ ধৰ্মও তেৱাৰ অভয় চৰণতে অৰ্পণ কৰিছে। এনেকৈ গোপীসকলে কাকুনিস্তুতি কৰিবলৈ ধৰিলে। বিৰহত মতলীয়া গোপীৰ বৰ্ণনাত শংকৰদেৱে যি অতুলন কৰুণ ৰস ফুটাই তুলিছে সি জগতৰ শ্ৰেষ্ঠতম কবিসকলৰো আদৰৰ বস্তু হলহেতেঁন।[৫১] এইয়া প্ৰেমভক্তিৰ এক উজ্বল নিদৰ্শন। কপিল মুনিয়েও মাতৃ দেবাহুতিক প্ৰেমভক্তিৰ কথা এনেদৰে কয় ঃ

> সৰ্ব্বদায়ে যাবা মোক ভজে প্ৰিয় বাণী ।। ২৯০
> গুৰু ইষ্টদেৱ বুলি ভজন্ত সাদৰি ।। ২৯১

কংসই বন্দীশালত যি দশভাৱ নিৰূপণ কৰিছিল তাৰ ভিতৰত প্ৰেমভক্তি ভাৱো প্ৰকাশ হৈছিল। নৰসিংহৰ চৰণত প্ৰহ্লাদে যি স্তুতি কৰিছিল তাত পূৰ্ণ প্ৰেমভক্তিৰ কথা প্ৰকাশ পাইছিল। উদ্ধৱে গোপীসকলৰ কৃষ্ণৰ প্ৰতি থকা প্ৰেমভাৱ দেখি ভাগ্যৱতী

---

৪৮। ভক্তি প্ৰেমলতা ঃ পৃঃ ৪২, পদ নং-১৯২-১৯৩।

৪৯। তথৈৱ ঃ পৃঃ ৪৪-৪৫।

৫০। তথৈৱ ঃ পাতনি।

৫১। ডিম্বেশ্বৰ নেওগ ঃ প্ৰাগুক্ত গ্ৰন্থ ঃ পৃঃ ১৪৭।

গোপী বুলি প্ৰশংসা কৰিছিল আৰু পৰম ভাগ্যৰ ফলতহে যেন উদ্ধৱে গোপীৰ চৰণ দৰ্শন পাইছে। ৰজা পৰীক্ষিতৰ মতে ধন-জন সম্পতি আদি সকলো বৈভৱ কৃষ্ণ পাদ-পদ্মৰ লগত তুলনা নহয়।

সহজলভ্য প্ৰেমভক্তিৰ মহিমা প্ৰকাশ কৰি অক্ৰুৰৰ ভাৱনাৰ কথা ব্যাখ্যা কৰা হৈছে। কংসই অক্ৰুৰক মথুৰাৰ পৰা শ্ৰীকৃষ্ণক আনিবৰ বাবে গকুললৈ পঠাওতে যাত্ৰা পথত কৰা ধ্যানৰ বৰ্ণনা দিছে। ভগৱানৰ চৰণ দৰ্শন কৰাৰ প্ৰয়াসেৰে অক্ৰুৰ গকুললৈ আগবাঢ়িছে। অক্ৰুৰ আৰু ভগৱন্তৰ মাজৰ যি সম্বন্ধ ইয়েই হ'ল সুলভ প্ৰেম ভক্তিৰ মাহাত্ম্য। এই প্ৰসংগতে দৃঢ় ভক্তিৰ অষ্টভাৱৰ কথাও উল্লেখ কৰা হৈছে। এই দৃঢ় ভক্তি হৈছে ঃ

১) স্তম্ভন ভাৱ ঃ প্ৰণয় ৰসত থাকি সুগম্ভীৰে সৰ্বক্ষণে প্ৰিয়তম জনক ভজনা কৰাতোৱেই স্তম্ভন ভাৱ।

২) ছেদভাৱ ঃ প্ৰাণ পতি কৃষ্ণক ভজন্তে অনুক্ষণে।
ছেদ নাম ভাৱ আসি হোৱে উতপন্ন। ৩৮৫

তনুমনে প্ৰেম ৰসত থাকি দেহৰ ঘাম বোঁৱাই যি ভাৱৰ উদয় হয়, সেয়ে ছেদ ভাৱ।

৩) ৰোমাঞ্চ ভাৱ ঃ প্ৰিয়তম স্বামী কৃষ্ণৰ স্মৰণৰ লগে লগে সৰ্ব অঙ্গ ক্ষোভেৰে পুলকিত হৈ যি আত্মহাৰা ভাৱৰ সৃষ্টি হয় সেযে ৰোমাঞ্চ ভাৱ।

৪) স্বৰভেদ ভাৱ ঃ নিজ স্বামীৰ গুণ বৰ্ণনা কৰি কৰি মহাপ্ৰেম ৰসত ডুবি কণ্ঠ ৰোধন হৈ যোৱাকে স্বৰভেদ ভাৱ বোলা হয়।

৫) বেপথুভাৱ ঃ কল্পনামে প্ৰেমত থাকি নিজ প্ৰাণ নাথৰ গুণ বৰ্ণাই নিজৰ চিত্তত যি ব্যাকুল ভাৱৰ সঞ্চাৰ হয় সেয়ে বেপথু ভাৱ।

৬) বৈৱৰ্ণ ভাৱ ঃ প্ৰাণ তোধিক স্বামী ঈশ্বৰৰ গুণ গাৱন্তে গুণন্তে মহাপ্ৰেম জাগি,
নিজবৰ্ণ গুচি দেহা আন বৰ্ণ ভৈলা ॥
খনো ৰক্ত খনো পীত খনো গৌৰ হয় ।
খনো নীলবৰ্ণ আসি শৰীৰ পৰয় ॥ ৩৯২
এহিটো বৈৱৰ্ণ ভাৱ কৰিলো বেকত ।

৭) অশ্ৰুভাৱ ঃঅন্তৰ্য্যামী প্ৰাণ বান্ধৱৰ স্মৰণ মাত্ৰকে চিত্ত দ্ৰৱ হৈ পৰে। নাসিকাৰে জল পৰে, সৰ্ব্বাঙ্গ অস্থিৰ হয়, সেয়ে হ'ল অশ্ৰুভাব।

৮) প্ৰলয় ভাবঃ ভগৱন্তক স্মৰণৰ লগে লগে তেওঁৰ ভুবন মোহন ৰূপৰ যি কল্পনা হৃদয়ত হয়, সেই ভাবেই প্ৰলয় ভাব।[৫২] এনেদৰে ৰতি সংযোগ হৈ অষ্টভাৱ প্ৰকাশ হয়। এয়ে দৃঢ় ভক্তিৰ মূল্যাঙ্কন। 'ভক্তি প্ৰেমলতা' গ্ৰন্থৰ উৰ্দ্ধফল হৈছে দৃঢ় প্ৰেম।

---

৫২। ভক্তি প্ৰেমলতা ঃ পৃঃ ৮২-৮৪।

শুনিয়োক ভক্তি প্ৰেমলতা পদচয়।

ইহ্যাৰ উৰ্দ্ধৰ ফল দৃঢ় প্ৰেম হয়।। ৪০১

ওপৰৰ ফল বাপ গোৰে উঠি ধৰা।

গুৰি এৰি জাম্প মাৰি পৰিয়া নমৰা।। ৪০২

গতিকে গুৰি বিচাৰি ধৰি দৃঢ় ভকতি কৰি পৰমেশ্বৰক লাভ কৰাতোৰেই ভক্ত জনৰ পৰম লভ্য। যি গৰাকিয়ে প্ৰেম ভক্তিৰ সাৰ মৰ্ম্ম উপলদ্ধি কৰিছে তেওঁৰেই ভাগৱতৰ গোপ্য সাৰ কৃষ্ণ সুলভ ভক্তিৰ অধিকাৰী হ্ব পাৰিছে আৰু তেওঁৰ অন্তৰৰ পৰা ভগৱন্ত তিল মাত্ৰও আতৰি নাথাকে। দ্বিতীয় স্কন্ধৰ নৱম অধ্যায়ত ব্ৰহ্মাই এই কথা কৈছে আৰু বেল মঙ্গলীৰো বাক্য এইটোৰেই। জয় দেৱৰ 'গ্ৰীত গোবিন্দত' আছে চন্দ্ৰাৱলি ৰাতি যমুনাৰ তীৰত বৃন্দাবন সুশোভিত কৰি ৰাধা, ৰাধা নাম উচ্চাৰণ কৰি 'মধুৰ বেনু বাৱন্ত শ্ৰীহৰি'। প্ৰেমাধীন কৃষ্ণই মাতৃ যশোদাৰ ঘৰ্মজল বৈ যোৱা দৈহিক কষ্টৰ অৱসান ঘটাই মাতৃৰ প্ৰতি পুত্ৰৰ কৰ্তব্যও দাস্যভাৱ ভক্তিৰ দ্বাৰা অধীন হোৱা দেখুৱাইছে। 'বেল মঙ্গলীৰ' বৰ্ণনা দি কৈছে যে যশোৱতীয়ে উৰুখলত লগাই থোৱা বান্ধতো বন্ধ হৈছে জগত পতি কৃষ্ণ। শুক মুনিয়ে ৰজা পৰীক্ষিতৰ আগত বনমালীৰ মহাৰাসৰ বৰ্ণনা কৰি নানা প্ৰেমভাৱ স্নেহ দৰ্শাই গোপীৰ মন মোহিলে। অতীন্দ্ৰিয় প্ৰেমত বিভোল হৈ গোপীসকলে কৃষ্ণ ৰতিত আত্মহাৰা হৈ পৰিছে। দৈহিক আৰু মানসিক সংস্পৰ্শৰ দ্বাৰা পাৰস্পৰিক ভকতি ভাৱ পোষণ কৰালে। একান্ত ভকতৰ ওচৰত ভগৱন্ত সদায় বশ্য অৰ্থাৎ কৃপাযুক্ত হৈ থাকে। একেদৰে বিষ্ণুপুৰীয়ে 'ৰত্নাৱলী'ত কৈছে যে-

বোলন্ত মুক্তিতো স্পৃহা নাহি যি সবৰ ।

তাৰাৰ চৰণে মই নমো বাৰম্বাৰ ।। ৪৫৯

'বৈষ্ণৱ আনন্দ লহৰী' ত কৃষ্ণদেৱে অৰ্জ্জুনক কৈছে- বৈষ্ণৱক সেৱি মোৰ ভকতি পাৱয় (৪৬৩)। বৈষ্ণৱৰূপী বিষ্ণুক সেৱা কৰিলে ভগৱন্ত তুষ্ট হয়। যি ভগৱন্তৰ নাম অহৰহ লৈ আছে তেওঁকো ভগৱানে সৰ্বভাৱে সহায় কৰি থাকে। ব্ৰজপুৰৰ মনহাৰী বীৰ, আভীৰ নাগৰীৰ প্ৰাণ স্বৰূপ, নন্দ সুত গোপীনাথ কৃষ্ণই দৃঢ় ভক্তিৰ কথা উদ্ধৱক একাদশৰ চৌদ্ধ অধ্যায়ত প্ৰকাশ কৰিছে। কল্পতৰু, ভকত-গুৰু ভগৱন্তৰ প্ৰতি যাৰ দৃঢ় প্ৰেম ভক্তি আছে তেওঁৰ সৰ্বকাম সিদ্ধি হয়। গাইয়ে দামুৰীক পালন কৰাৰ দৰে ভগৱানেও ভক্তক পালন কৰি থাকে প্ৰতি ক্ষনতে। কবি অনন্ত ঠাকুৰদেৱেও আমাক শ্ৰৱণ কীৰ্তন কৰি ঈশ্বৰৰ কৃপা পাবৰ কাৰণে প্ৰেম ভক্তি দৃঢ়তৰ কৰিবলৈ কৈছে ঃ-

জানি প্ৰেমলতা পদ শুনিয়োক সভাসদ

যাৰ প্ৰেম ভকতিক মতি ।

নিষ্কামে কৃষ্ণক ভজি শ্ৰৱণ কীৰ্তন কৰা

পাইবা প্ৰেম ভকতি সম্প্ৰীতি ।।

কৃষ্ণৰ চৰণে প্ৰেম ভকতি বাঢ়িল যাৰ

তাৰ পৰিপূৰ্ণ সৰ্ব্বকাম । ৪৯৩

দৃঢ় ভক্তি হলে অবিলম্বেই ঈশ্বৰ জ্ঞান প্ৰাপ্ত হয়। নৰসিদ্ধই নিমিক মাতি কৈছে, ধনাদিৰ চেষ্টা পৰিহৰি যাৰ হৃদযত

প্ৰচুৰ ভক্তি মিলে, সমস্ত জনকে হৰিময় দেখিছে, তেওঁ ভগৱন্তৰ কৃপা লাভৰ অধিকাৰী হৈছে। নাৰদে সত্যব্ৰতী সুত ব্যাসক সাদৰি কৈছে, সমস্ত জগতৰ সাৰ ভগৱন্ত, তেওঁ ভিন্ন আন একোৱেই থাকিব নোৱাৰে। এয়ে ঈশ্বৰ তত্ব ঃ

সৃষ্টি স্থিতি লয় তান্তে হন্তে হয়

কহিলো তত্ব লক্ষণ ॥৫০০

দৃঢ়ভক্তি লাভ কৰিবলৈ হলে সৎসঙ্গ অতি আৱশ্যাক। সেই কথাকে দোহাৰি পৰীক্ষিতে শুকক কৃষ্ণ ... ৰ মহিমাৰ কথা কবলৈ আৰু শৌনকাদি ঋষিসকলে সুতক ভগৱন্তৰ লীলা মৃত আৰু নামৰ তাৎপৰ্য ব্যাখ্যা কৰি অমৃতৰ ধাৰা সমুদ্ৰৰ তৰঙ্গৰ দৰে প্ৰকাশিলে। শেষত কৃষ্ণ কৃপাময়ক নত মস্তকে সেৱা জনাই তেৰাৰ পাদ পদ্ম আৰু ভক্তি ৰস মকৰন্দ লাভৰ আশাঁ কৰি মহাপুৰুষ গৰাকীয়ে গ্ৰন্থৰ সামৰণি মাৰিছে। অৱশ্যে কবি গৰাকীয়ে পাহৰা নাছিল কাব্যৰ ভিতৰত ৰস, ভাৱ, অলংকাৰ, ছন্দ আদি নিৰূপণ কৰাৰ কথা, নাছিল ভাগৱতক কেন্দ্ৰ বিন্দু হিচাপে লৈ শঙ্কৰোত্তৰ যুগত নিজৰ ৰচনাৰাজিক শ্ৰেষ্ঠ আসনত বহুওৱাৰ কথা।

মুঠতে দেখা যায় প্ৰেমলতাৰ পদ সমূহ মধুৰ আৰু সহজ সাধ্য। ই ভাগৱত ভক্তিৰে পৰিপূৰ্ণ এখনি মহৎ গ্ৰন্থ। যত আছে কৃষ্ণ প্ৰেমৰ নিখুঁত বৰ্ণনা আৰু ভক্তিৰ ৰসৰ ৰহঘৰা। ৰচনা ভঙ্গীত কীৰ্তন ঘোষাৰ প্ৰভাৱ পৰিছে। কবিগৰাকীৰ 'শ্ৰীৰামকীৰ্তন' আৰু 'প্ৰেমলতা'ৰ কাব্যশৈলী তুলনা কৰিলে নিঃসন্দেহে প্ৰেমলতাক উচ্চ স্থান দিবই লাগিব।

## শ্ৰীৰামকীৰ্ত্তনঃ

হৃদয়ানন্দ কায়স্থৰ দ্বিতীয় উল্লেখযোগ্য গ্ৰন্থ হ'ল শ্ৰীৰামকীৰ্ত্তন। যিখনক হৰিনাৰায়ণ দত্তবৰুৱাই ১৯৫৫ চনত সম্পাদনা কৰি নাম দিলে 'সচিত্ৰ শিশুৰামায়ণ বা শ্ৰীৰামকীৰ্ত্তন।'[৫৩] সম্পাদিত পুথিখনিৰ 'মুখবন্ধ'ত দত্তবৰুৱাই মন্তব্য কৰিছে মাধৱ কন্দলিৰ অসমীয়া ৰামায়ণ ৰচিত হোৱাৰ প্ৰায় এশ বছৰ পাছত অনন্ত কন্দলিৰ অসমীয়া পদত সপ্তকাণ্ড ৰামায়ণ ৰচিত হয়। ইয়াৰ প্ৰায় এশ বছৰ পাছত এই সপ্তকাণ্ড শিশুৰামায়ণ বা শ্ৰীৰামকীৰ্ত্তন ৰচিত হয়। ইয়াৰ ৰচক অনন্ত ঠাকুৰ বা হৃদয়ানন্দ।[৫৪] আগতে উল্লেখ কৰি অহাৰ দৰে পুথিখনি 'অশ্ব-মুনি-বান-চন্দ্ৰ' শকত অৰ্থাৎ ১৫৭৭ শকত লিখা হৈছে। সম্পাদিত পুথিখনিৰ শেষৰ পদ ফাঁকিত লিখা আছে ঃ

অশ্বমুনি বান চন্দ্ৰ শকঁত।

শ্ৰীৰামকীৰ্ত্তন ভৈলা সমাপত॥ ১১০৫ ॥

পুথিখনিৰ বিষয়বস্তুৰ বিস্তৃত আলোচনা কৰাৰ আগেয়ে অসমীয়া ৰামায়ণ সাহিত্যৰ বিষয়েও কিছু আলোকপাত কৰা দৰকাৰ। সেয়েহে এই প্ৰসংগতে অসমীয়া ৰামায়ণ সাহিত্যৰ বিষয়ে কিছু আভাষ দিয়া হ'ল ঃ

অসমীয়া সাহিত্যত পোন প্ৰথমে ৰামায়ণ পুথিৰ আকাৰত ৰচিত হৈছিল খৃষ্টীয় চতুৰ্দ্দশ শতাব্দীত। অৱশ্যে ইয়াৰ

৫৩। হৰিনাৰায়ণ দত্তবৰুৱা (সম্পাঃ) ঃ সচিত্ৰ শিশু ৰামায়ণ বা শ্ৰীৰাম কীৰ্তন, ৩য়, ১৯৬৭।

৫৪। প্ৰাগুক্ত গ্ৰন্থ ঃ মুখবন্ধ।

আগৰে পৰা চলি অহা মৌখিক গীত বিলাকে ৰামৰ ঐতিহ্য বহন নকৰাকৈ থকা নাই।[৫৫] বৈষ্ণৱ যুগৰ বৈষ্ণৱ সন্ত সকলে ৰামায়ণৰ কাহিনীক সৰবৰহী কৰি তুলিছিল যদিও অসমীয়া সাহিত্যত ভাগৱতী আৰু মহাভাবতীয় সাহিত্যব অনুপাতে ৰামায়ণীয় সাহিত্য বহু পৰিমানে কম। অসমীয়া বৈষ্ণৱ ধৰ্ম কৃষ্ণ ভক্তি প্ৰধান কাৰণেই বোধকৰো এনে হবলৈ পাইছে। আনকি স্বয়ং গুৰুজনাইয়ো ৰামৰ কাহিনী কবলৈ আৰম্ভ কৰি অজানিতে কৃষ্ণ কথাত প্ৰৱেশ কৰিছিল বুলি চৰিত পুথিত উল্লেখ আছে।[৫৬] অসমীয়া ৰামায়ণ ৰচকসকলৰ ভিতৰত সৰ্ব প্ৰথম আমি মাধৱ কন্দলীৰ নামকেই ল'ব লাগিব। প্ৰাক্-শংকৰী যুগৰ এই কবিগৰাকীয়ে বৰাহী ৰজা মহা মানিক্যৰ পৃষ্ঠপোষকতা লাভ কৰি কাব্য ৰচনা তথা সাহিত্য চৰ্চা কৰিবলৈ অনুপ্ৰেৰণা লাভ কৰিছিল। মাধৱ কন্দলীৰ উদ্ভৱ কাল খৃষ্টীয় চতুৰ্দ্দশ শতাব্দী বুলি সকলো অসমীয়া পণ্ডিতেই মত প্ৰকাশ কৰিছে।[৫৭] এই খিনিতে এটি উল্লেখযোগ্য কথা যে উত্তৰ ভাৰতৰ ভাষা সমূহৰ ভিতৰত অসমীয়া ভাষাতে প্ৰথমে ৰামায়ণ অনুদিত হয়। কবিৰ উক্তি মতে তেওঁ ৰামায়ণৰ সাত কাণ্ডই ৰচনা কৰিছিল, কিন্তু কাৰ্য্যতঃ পাঁচ কাণ্ডহে পোৱা গৈছে। প্ৰথম আৰু সপ্তম কাণ্ড নাই। পাছত শংকৰদেৱে উত্তৰাকাণ্ড আৰু মাধৱদেৱে আদি কাণ্ড লিখি কন্দলী ৰামায়ণত সংযোগ কৰি আগ গুৰি নোহোৱা মাধৱ কন্দলী ৰামায়ণখন সম্পূৰ্ন কৰে।[৫৮] বৈষ্ণৱ যুগত ৰচিত আৰু অসমীয়া ভাষাত লিখা ৰামায়ণ বা ৰামায়ণী কাব্যৰ ভিতৰত তলত দিয়া সমূহেই প্ৰধান।[৫৯]

১। পদ ৰামায়ণ ঃ ১। মাধৱ কন্দলী ৰামায়ণ ৫ কাণ্ড (চৰ্তুদশ শতাব্দী)

২। শংকৰদেৱ ঃ উত্তৰাকাণ্ড (পঞ্চদশ শতিকা)

৩। মাধৱদেৱ ঃ আদিকাণ্ড (পঞ্চদশ শতিকা)

৪। অনন্ত কন্দলী ৰামায়ণ ঃ ৫ কাণ্ড (ষোড়শ শতিকা)।

২। গীতি ৰামায়ণ ঃ দুৰ্গাবৰ- ৫ কাণ্ড (ষোড়শ শতিকা)

৩। ৰামায়ণ চন্দ্ৰিকা ঃ কলাপ চন্দ্ৰ দ্বিজ ৭ কাণ্ড (ষোড়শ শতিকা) [৬০] *

৪। শ্ৰীৰামকীৰ্ত্তন ঃ অনন্ত ঠাকুৰ বা হৃদয়ানন্দ কায়স্থ ৭ কাণ্ড (সপ্তদশ শতিকাৰ মাজভাগ)

৫। কথা- ৰামায়ণ ঃ ৰঘুনাথ মহন্ত, ৫ কাণ্ড (অষ্টাদশ শতিকা)

---

৫৫। সত্যেন্দ্ৰ নাথ শৰ্মা (সম্পাঃ) ঃ কথা ৰামায়ণ, পাতনি ।

৫৬। তথৈৱ ঃ পাতনি ।

৫৭। তথৈৱ ঃ পাতনি ।

৫৮। সত্যেন্দ্ৰ নাথ শৰ্মা ঃ ৰামায়ণৰ ইতিবৃত্ত, পৃঃ ২৫১ ।

৫৯। উপেন্দ্ৰ চন্দ্ৰ লেখাৰু ঃ অসমীয়া ৰামায়ণ সাহিত্য ; পৃঃ ১৯ ; কথা বামায়ণ ঃ পাতনি ; ৰামায়ণব ইতিবৃত্ত ঃ পৃঃ ২৫৮।

৬০। Biswanarayan Shastri : Ibid, Page No. 590.

* 'এই পুথি অনন্ত ঠাকুৰ আতাই শঙ্কৰদেৱৰ সৰুকালৰ শিক্ষক কলাপচন্দ্ৰ দ্বিজৰ প্ৰণীত ৰামায়ণ চন্দ্ৰিকাব ছাঁ লৈ লিখে': কনক চন্দ্ৰ শৰ্মা (সম্পাঃ) ঃ কবিৰাজ কন্দলী বিবচিত ৰামায়ণ, ভূমিকা, উমাকান্ত গোস্বামী ।

ইয়াৰ বাহিৰেও অসমীয়া সাহিত্যত কেইবাখনো খণ্ড কাব্য আৰু ভালে সংখ্যক নাটক ৰামায়ণৰ জুমুঠিৰ ওপৰত প্ৰতিষ্ঠিত হৈ আছে। ইয়াৰ লগতে অসমীয়া বিয়া গীত, গৰখীয়া গীত, মন্ত্ৰ পুথি আদিতো যে ৰামায়ণী কথাই বিশেষ স্থান দখল কৰি আছে তাত নিঃসন্দেহ।[৬১]

মাধৱ কন্দলীয়ে বাল্মিকী ৰামায়ণৰ পূৱ ভাৰতীয় (গৌড়ীয় পাঠ) পাঠ অনুসৰণ কৰি অনুবাদ কৰে। [৬২] সেয়েহে পৰৱৰ্ত্তী সময়ৰ কবি সকলেও কন্দলী ৰামায়ণৰ প্ৰভাৱৰ পৰা মুক্ত হ'ব পৰা নাই আৰু তাৰেই অনুৰূপতেই সৃষ্টি হৃদয়ানন্দৰ 'শ্ৰীৰামকীৰ্তনো'। অনন্ত ঠাকুৰে 'শ্ৰীৰামকীৰ্তন' ৰামায়ণৰ আৰ্হিত ৰচনা কৰিলেও প্ৰকৃততে ইয়াক কীৰ্ত্তন ঘোষাৰ পদৰ ছন্দতহে প্ৰসংগৰ উপযোগীকৈ লিখিছিল। হৰিনাৰায়ণ দত্তবৰুৱাই সেয়েহে মন্তব্য প্ৰকাশ কৰিছে, এই কাব্যৰ ভিতৰত এনে মনোহৰ বৰ্ণনা বহুত আছে, যাৰ বাবে ল'ৰা-ছোৱালীৰ বাবে 'শিশু ৰামায়ণ' আৰু ভক্তৰ পক্ষে- 'কীৰ্ত্তন ঘোষা'।[৬৩]

শ্ৰীৰামকীৰ্ত্তন মাধৱ কন্দলী ৰামায়ণৰ মূলগত অথচ সংক্ষিপ্ত। এই সংক্ষিপ্ততাৰ কাৰণ নিশ্চয় প্ৰধান ভাৱে কলাপ চন্দ্ৰ দ্বিজৰ 'ৰামায়ণ-চন্দ্ৰিকা'ৰ প্ৰভাৱ। কাৰণ ষোড়শ শতিকাৰ সংস্কৃত গ্ৰন্থ কলাপ চন্দ্ৰ দ্বিজৰ 'ৰামায়ণ চন্দ্ৰিকা'ৰ উল্লেখ অনন্ত ঠাকুৰে কাব্যৰ ভিতৰত স্পষ্ট ভাৱে কৰি থৈ গৈছে ঃ

সাতকাণ্ড ৰামায়ণ বাল্মিকীৰ কৃত ।
তাৰ সাৰ উদ্ধাৰিয়া কৰিয়া বিবৃত ।।
ৰামায়ণ চন্দ্ৰিকা থৈলন্ত তাৰ নাম ।
কলাপ চন্দ্ৰ যে দ্বিজ মহন্ত উপাম ।। ৬

*  *  *

তথাপিতো হৃদীশ্বৰ দেৱ অনুগ্ৰহে ।
তাৰ যেন অৰ্থ পাওঁ কৰিবো সংগ্ৰহে ।। ৭
কীৰ্ত্তনৰ ছন্দে বিৰচিবো পদ সাৰ ।
শ্ৰীৰাম কীৰ্ত্তন নাম জানিবা ইহাৰ ।। ৮ [৬৪]

পদ খিনিৰ পৰা গম পোৱা গ'ল যে অনন্ত ঠাকুৰে 'ৰামায়ণ চন্দ্ৰিকা' কে কীৰ্ত্তনৰ ছন্দত ভাঙি পৰৱৰ্ত্তী কালত 'শ্ৰীৰাম কীৰ্ত্তন' ৰ জন্ম দিছিল। পুথিখন পঢ়িলে ধৰিব পাৰি তেখেতে পুথিৰ অনুবাদ কৰা নাই, তাৰ ছাঁ লৈ ৰামায়ণ খনিক সাজপাৰে কীৰ্ত্তন ঘোষাৰ ছন্দৰ দৰে সজ্জিত কৰিলে। এই খিনিতে উল্লেখ কৰিব পাৰি যে ওপৰত আলোচনা কৰি অহাৰ দৰে দত্তবৰুৱাই ১৯২৫ চনত সম্পাদনা কৰা 'শিশু ৰামায়ণ' খনৰ পাতনিত আছে- 'উপযুক্ত নহো মই জ্ঞানতো অল্পিক'ৰ ঠাইত মূল গ্ৰন্থত

৬১। অসমীয়া ৰামায়ণী সাহিত্য ঃ পৃঃ ১৯ ।
৬২। ৰামায়ণৰ ইতিবৃত্ত ঃ পৃঃ ২৬২ ।
৬৩। শ্ৰীৰাম কীৰ্তন ঃ মুখবন্ধ ।
৬৪। প্ৰাগুক্ত গ্ৰন্থ ঃ পৃঃ ২-৩ ।

'একে শূদ্ৰ জাতি আৰু বুদ্ধিতো অল্পিক' বুলিহে আছে। [৬৫] কিন্তু আমি পোৱা তৃতীয় সংস্কৰণটিত উক্ত পদ ফাঁকি- 'একে জ্ঞানহীন তাতে বুদ্ধিত অল্পিক' (পদ নং ৭) বুলিহে আছে।

'ৰামায়ণ-চন্দ্ৰিকা'ৰ সম্পৰ্কত কেশদা মহন্তই কৈছে- দত্তবৰুৱাদেৱে যি 'ৰামায়ণ চন্দ্ৰিকা'ক শ্ৰীৰাম কীৰ্ত্তনৰ মূল বুলি স্বীকাৰ কৰিছে ; সেই গ্ৰন্থ দৃষ্টিগোচৰ নোহোৱাকৈয়ে শ্ৰীৰাম কীৰ্ত্তন তাৰ অনুবাদেই নে ছাঁ লৈ লিখা এই বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰা সম্ভৱ নহয়।[৬৬] ড° মহেশ্বৰ নেওগদেৱে এই প্ৰসংগত 'ৰামায়ণ চন্দ্ৰিকা'ৰ উল্লেখেই কৰা নাই। দুৰ্গাবৰী গীতি-ৰামায়ণৰ আলোচনা প্ৰসংগত কিন্তু শ্ৰীৰামকীৰ্ত্তনৰ উল্লেখ কৰিছে,... অনন্ত ঠাকুৰে কলাপ চন্দ্ৰ কৃত বাল্মীকিৰ সাৰ 'ৰামায়ণ-চন্দ্ৰিকা'ৰ পদ কৰি শঙ্কৰী আৰ্হিত কীৰ্তন ঘোষাৰ শ্ৰীৰামকীৰ্তন প্ৰস্তুত কৰে।[৬৭] উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৱে ৰামায়ণ সাহিত্যৰ আলোচনা প্ৰসঙ্গত কৈছে, শ্ৰীৰামকীৰ্ত্তন খনি সংক্ষিপ্ত ৰামায়ণ। কলাপ চন্দ্ৰ দ্বিজে ৰামায়ণৰ সাৰ সংগ্ৰহ কৰি এখনি সংস্কৃত ৰামায়ণ . ৰচনা কৰিছিল। তাৰ পৰা অসমীয়া পদলৈ ভাঙি শংকৰদেৱৰ কীৰ্ত্তনৰ আৰ্হিত ঘোষাপদ আদিৰে ৰামকীৰ্তন খনি ৰচা হৈছে।[৬৮] ড° সত্যেন্দ্ৰ নাথ শৰ্মাই সাহিত্যৰ বুৰঞ্জীত শ্ৰীৰামকীৰ্তন কলাপ চন্দ্ৰ দ্বিজৰ 'ৰামায়ণ-চন্দ্ৰিকা'ৰ সাৰ স্বৰূপ বুলিয়েই উল্লেখ কৰিছে।[৬৯] কেশদা মহন্তই 'ৰামায়ণ-চন্দ্ৰিকা' নামৰ অপ্ৰাপ্ত গ্ৰন্থ খনিৰ সম্পৰ্কে অৱশ্যে সন্দেহ প্ৰকাশ কৰিছে।[৭০] ডিম্বেশ্বৰ নেওগদেৱে কালশিলা বংশাৱলীৰ কথা অনুধাৱন কৰি কৈছে, কালশিলা বংশাৱলীৰ কথা সঁচা হলে ৰামায়ণ চন্দ্ৰিকাৰ লেখক কলাপ চন্দ্ৰ কোনো উত্তৰ বৈষ্ণৱ কবিয়েই হব।[৭১] বিশ্ব নাৰায়ণ শাস্ত্ৰীয়ে অৱশ্যে স্পষ্টভাৱে উল্লেখ কৰিছে-

"Ramayana Candrika by Kalapa Chandra Dvija is a summary of the Ramayana-story. The literary merit of this work of late 16th Century is not of a high order" [৭২] গতিকে আগেয়ে উল্লেখ কৰি অহাৰ দৰে শঙ্কৰদেৱৰ সৰু কালৰ শিক্ষক কলাপচন্দ্ৰ দ্বিজৰ প্ৰণীত ৰামায়ণ চন্দ্ৰিকাৰ ছাঁ লৈয়ে লিখা বুলি মন্তব্য প্ৰকাশ কৰিছে। সেয়ে এনেধৰণৰ আলোচনাৰ পৰা কব পৰা যায় যে ষোড়শ শতিকাৰ কলাপ চন্দ্ৰ দ্বিজৰ ৰামায়ণ চন্দ্ৰিকাৰ সাৰ সংগ্ৰগ কৰি অনন্ত ঠাকুৰে শ্ৰীৰাম কীৰ্তন খনি লিখিছে। বৰ্তমান গ্ৰন্থখনি দুষ্প্ৰাপ্য হলেও তাৰ অস্তিত্বৰ কথা কিন্তু আমি স্বীকাৰ কৰিবই লাগিব।

শ্ৰীৰামকীৰ্তনৰ বিষয় বস্তুত মাধৱদেৱৰ আদিকাণ্ড আৰু শঙ্কৰদেৱৰ উত্তৰাকাণ্ডৰো হুবহু মিল আছে। এই খিনিতে উল্লেখযোগ্য কথা যে শঙ্কৰ-মাধৱে ৰামায়ণৰ ক্ষেত্ৰত সম্পূৰ্ণ ভাৱে বাল্মীকিক অনুসৰণ কৰা নাই। তাৰ বিপৰীতে স্বকীয়

৬৫। কেশদা মহন্ত ঃ প্ৰাগুক্ত প্ৰৱন্ধ, পৃঃ ৩১।
৬৬। কেশদা মহন্ত ঃ প্ৰাগুক্ত প্ৰৱন্ধ, পৃঃ ৩১।
৬৭। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ দুৰ্গাবৰী গীতি ৰামায়ণ, পাতনি।
৬৮। অসমীয়া ৰামায়ণ সাহিত্য ঃ পৃঃ ৯৮।
৬৯। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত ঃ পৃঃ ২০১।
৭০। কেশদা মহন্ত ঃ প্ৰাগুক্ত প্ৰৱন্ধ, পৃঃ ৩২।
৭১। ডিম্বেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী, পৃঃ ৪৯৮।
৭২। Biswanarayan Shastri : Ibid, P. No. 590.

উদ্ভাৱনাৰ সংযোগ ঘটিছে। মাধৱদেৱৰ আদি কাণ্ডত থকা ভালেখিনি কথা শ্ৰীৰাম কীৰ্তনৰ পদত শুনা যায়।[৭৩] অধিক সাদৃশ্য থকা ঘটনাংশ তলত দিয়া ধৰণৰ ঃ-

দশৰথৰ এক হাজাৰ পত্নীৰ ভিতৰত তিনি গৰাকী মুখ্যতম, অযোধ্যাত অনাবৃষ্টি, শালিকা চৰাইয়ে অনাবৃষ্টিৰ বাবে দশৰথৰ কামপৰায়নতাক দায়ী কৰা, শনিৰ কোপ দৃষ্টি আৰু দশৰথক শনিৰ বৰদান, অসুৰৰ লগত যুদ্ধ আৰু কৈকেয়ীৰ শুশ্ৰূষা আৰু বৰলাভ, অন্ধক মুনিৰ পুত্ৰ সিন্ধু মুনি বধ, দশৰথৰ কন্যা শান্তাক ঋষ্যশৃঙ্গ লৈ বিবাহ, দেৱতাৰ অনুৰোধত বিষ্ণুৰ চাৰি অংশে জন্ম, ৰাৱণৰ অত্যাচাৰত লক্ষ্মীৰ মেৰু পৰ্বতৰ পৰা সাগৰত জাপ, জনকে হাল বাওঁতে পোৱা অণ্ডৰ পৰা সীতাৰ জন্ম, বিশ্বামিত্ৰৰ লগত ৰাম-লক্ষ্মণৰ সিদ্ধাশ্ৰম যাত্ৰা, ৰাক্ষস খেদি যজ্ঞ ৰক্ষা, বিশ্বামিত্ৰৰ সীতা স্বয়ম্বৰৰ কথা বৰ্ণনা, মহেশৰ কথা মতে জনকৰ স্বয়ম্বৰ পণ, শিলাময়ী অহল্যা উদ্ধাৰ, ধনুভঙ্গ, ৰজাসকলৰ লগত যুদ্ধ, পৰশুৰামৰ তেজোভঙ্গ- এই গোটেইখিনি কথা মাধৱদেৱৰ আদিকাণ্ডৰ লগত মিলে।[৭৪] শ্ৰীৰাম কীৰ্তনৰ আদি কাণ্ড মুঠ ২৩৫ টা পদত সামৰিছে।[৭৫] কিন্তু ড° সত্যেন্দ্ৰ নাথ শৰ্মাই উল্লেখ কৰা মতে ইয়াত পদৰ সংখ্যা ২৫৩।[৭৬] মাধৱদেৱে দশৰথৰ সাতশ পত্নীৰ কথা উল্লেখ কৰিছে,[৭৭] মাধৱ কন্দলীয়ে ছশ [৭৮] আৰু অনন্ত ঠাকুৰে এহেজাৰ বুলি কৈছে।[৭৯]

শ্ৰীৰাম কীৰ্তনৰ অযোধ্যা কাণ্ডটি আদি কাণ্ডতকৈ চমু, ইয়াত মুঠ ১৮২টা পদ আছে।[৮০] দত্তবৰুৱা সম্পাদিত পুথিৰ এই কাণ্ডত ২০০টা[৮১] আৰু আমাৰ সংগৃহীত পুথি খনত ১৭৪ টা পদ আছে। ইয়াত অযোধ্যাৰ ঘটনাৱলীৰ চমু পৰিচয় দিয়াৰ উপৰিও চিত্ৰকূট পৰ্ব্বতৰো এক সুন্দৰ বৰ্ণনা দাঙি ধৰিছে। চিত্ৰকূটত থকা ফুলৰ এক নিখুঁত ছবি কবিয়ে অসমৰ ফুলনিত সাদৃশ্যনুসাৰে দাঙি ধৰিছে। ইয়াৰ লগতে উত্তম সুস্বাদ্য ফল বোৰৰো বৰ্ণনা দিবলৈ পাহৰা নাই। ৰাম সীতাৰ বিভিন্ন কথোপকথনৰ মাজতে ৰামে সীতাক কৈছে ঃ

শুনিয়ো ঋষিৰ হৰিনাম বেদ ধ্বনি।
আমিয়ো থাকিবো গীতা ভাগবত শুনি।। ৩৭২

এনেধৰণৰ বৰ্ণনাৰ দ্বাৰা অৱশ্যে সমসাময়িক বৈষ্ণৱ সমাজত গীতা-ভাগৱতৰ প্ৰভাৱৰ ইঙ্গিতো পোৱা যায়। চিত্ৰকূটত থকা অৱস্থাত ৰাম সীতাৰ পাশা খেলৰ এক সুন্দৰ প্ৰতিচ্ছবি কবিয়ে পোহৰলৈ আনিছে। শ্ৰীৰামকীৰ্তনৰ ৪১৩ নং পদত অনন্ত ঠাকুৰে ইয়াৰ উল্লেখ কৰিছে ঃ

---

৭৩। কেশদা মহন্ত ঃ প্ৰাগুক্ত প্ৰৱন্ধ, পৃঃ ৩৫ ; ৰামায়ণৰ ইতিবৃত্ত ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ৩৪২।
৭৪। ৰামায়ণৰ ইতিবৃত্ত ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ৩৪২।
৭৫। শ্ৰীৰাম কীৰ্তন ঃ প্ৰাগুক্ত গ্ৰন্থ।
৭৬। ৰামায়ণৰ ইতিবৃত্ত ঃ পৃঃ ৩৪২।
৭৭। হৰিনাৰায়ণ দত্তবৰুৱা (সম্পাঃ) ঃ সপ্তকাণ্ড ৰামায়ণ, পৃঃ ১৭।
৭৮। তথৈৱ ঃ পৃঃ ৯৩।
৭৯। শ্ৰীৰাম কীৰ্তন ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ৩।
৮০। ৰামায়ণৰ ইতিবৃত্ত ঃ পৃঃ ৩৪৩।
৮১। শ্ৰীৰাম কীৰ্তন ঃ পৃঃ ১০৩।

শ্ৰীৰাম জানকী দুয়ো আনন্দে থাকন্ত।
নানা পৰিহাসে প্ৰভু সীতাক ৰমন্ত।।
ক্ষণো পাশা খেলাৱন্ত ক্ষণো গুটি পাৰি।
হাৰিলে সীতাক ধৰি বস্ত্ৰ লন্ত কাঢ়ি।। ৪১৩

উক্ত পাশাখেলৰ উল্লেখ কিন্তু কন্দলী ৰামায়ণত পোৱা নাযায়। সেয়েহে বোধকৰো ড° সত্যেন্দ্ৰ নাথ শৰ্মাই মন্তব্য কৰিছে: 'দুৰ্গাবৰ কায়স্থৰ অৰণ্য কাণ্ডৰ ৰামসীতাৰ পাশাখেলৰ প্ৰভাৱ ইয়াত পৰিছেনে 'ৰামায়ণ-চন্দ্ৰিকাৰ' প্ৰভাৱ সঠিক জনা নাযায়।'[৮২]

অৰণ্য কাণ্ডটিত ড° শৰ্মাদেৱে ১৭৬টা পদ থকাৰ কথা কৈছে। ঘটনাৱলীতো নতুন কোনো কথা পৰিলক্ষিত হোৱা নাই। মাথো কন্দলী ৰামায়ণত থকা ঘটনাৰে চমু সাৰাংশ। বৰ্ণনাংশৰ ঠায়ে ঠায়ে কন্দলীৰে স্পষ্ট প্ৰভাৱ দেখা যায়। যি খিনি বৰ্ণনা একে যেন লাগে 'ৰামায়ণ-চন্দ্ৰিকা'ৰ মাজেদি অহা বাল্মীকিৰ প্ৰতি চ্ছায়াও হব পাৰে। কিন্তু শব্দৰ প্ৰয়োগ আৰু ভাষাৰ ক্ষেত্ৰত মাধৱ কন্দলীৰ অনুকৰণ স্বীকাৰ কৰিবই লাগিব। [৮৩] দত্তবৰুৱা সম্পাদিত শ্ৰীৰামকীৰ্তনৰ অৰণ্য কাণ্ডত ১৭৬ পৰিবৰ্ত্তে মাথো ৭২টাহে পদ আছে আৰু আমাৰ সংৰক্ষিত পুৰণি পুথি খনত ৮৩টা আছে। দত্তবৰুৱাৰ পুথি খনত ৪৩৭নং পদৰ পৰা ৫১০নং পদলৈ উক্ত কাণ্ডটোৰ উল্লেখ পোৱা যায়। [৮৪] ইয়াত থকা বিষয় সমূহ হ'ল: শ্ৰীৰামচন্দ্ৰৰ অত্ৰিমুনিৰ আশ্ৰমত প্ৰৱেশ আৰু বিৰাধ ৰাক্ষস বধ, শূৰ্পনখাৰ নাক-কাণ ছেদন, মাৰীচ বধ আৰু ৰাৱণৰ সীতা হৰণ। এই কথা খিনিকে বিস্তৃত ভাৱে কন্দলী ৰামায়ণত ২৬১৬-৩৩৯৬ নং পদলৈ বৰ্ণনা কৰিছে।[৮৫] এই খিনিতে উল্লেখ কৰি যোৱা ভাল হব যে ড° সত্যন্দ্ৰ নাথ শৰ্মাই উক্ত আলোচনা ভাগত কিষ্কিন্ধ্যা কাণ্ডৰ কোনো উল্লেখ কৰা নাই। অৰণ্য কাণ্ডৰ পিছত তেখেতে সুন্দৰা কাণ্ডলৈ গতি কৰিছে।[৮৬] দত্তবৰুৱাৰ শ্ৰীৰাম কীৰ্তনৰ কিষ্কিন্ধ্যা কাণ্ডত ৫১০-৫৭৫ নংলৈ মুঠ ৬৫ টা পদ আছে।[৮৭] ইয়াত থকা বিষয়বস্তু সমূহ হল ঃ শ্ৰীৰামচন্দ্ৰৰ সুগ্ৰীৱৰ লগত মিত্ৰতা, শ্ৰীৰাম চন্দ্ৰৰ বালীবধ আৰু বানৰ সৈন্যৰ সীতা অন্বেষণ। কন্দলীৰ এই কাণ্ডটিত ৩৩৯৭-৩৯৬৯ লৈ পোৱা যায়। পুৰণি পুথিখনত কিন্তু ৪৪ টাহে পদ আছে। কন্দলী ৰামায়ণত থকা সকলো কথাৰে থুলমূল আভাস কৰিয়ে কিষ্কিন্ধ্যা কাণ্ডত ফুটাই তুলিবলৈ যত্ন কৰিছে।

সুন্দৰা কাণ্ডটিত ৯৬ টা পদ থকাৰ উল্লেখ পোৱা যায়।[৮৮] দত্তবৰুৱাত কিন্তু উক্ত পদৰ সংখ্যা ১০৬ [৮৯] আৰু পুৰণিত ৯৮। কন্দলী ৰামায়ণক অনুকৰণ কৰিয়েই অনন্ত ঠাকুৰেও মেকুৰী বেশত হনুমন্তক লংকাত প্ৰৱেশ কৰাইছে ঃ

---

৮২। ৰামায়ণৰ ইতিবৃত্ত ঃ পৃঃ ৩৪৩।
৮৩। তথৈৱ ঃ পৃঃ ৩৪৩।
৮৪। শ্ৰীৰাম কীৰ্তন ঃ পৃঃ ১০৪-১২১।
৮৫। সপ্তকাণ্ড ৰামায়ণ ঃ পৃঃ ১৬১-২০৭।
৮৬। ৰামায়ণৰ ইতিবৃত্ত ঃ পৃঃ ৩৪৩।
৮৭। শ্ৰীৰাম কীৰ্তন ঃ পৃঃ ১২২-১৩৬।
৮৮। ৰামায়ণৰ ইতিবৃত্ত ঃ পৃঃ ৩৪৩।
৮৯। শ্ৰীৰাম কীৰ্তন ঃ পৃঃ ১৩৭-১৬২, পদ নং -৫৭৬-৬৭২।

মাধৱ কন্দলী ঃ বিৰাল সমান সঙ্কুচিত কলেৱৰে ।

হনুমন্তে চড়িলন্ত প্ৰাঞ্চিৰ উপৰে ।। ৪০৬৭

শ্ৰীৰাম কীৰ্তন ঃ * * *

লঙ্কাত পৰিলা গৈয়া ।

মায়ায়ে বিড়াল হুয়া ।। ৫৮০

ৰাৱণে সীতাক পত্নীৰূপে গ্ৰহণ কৰিবলৈ অনুৰোধ কৰোতে সীতাই ৰাৱণক যি উত্তৰ দিছে তাত কন্দলী ৰামায়ণৰ স্পষ্ট প্ৰভাৱ দেখা যায় [৯০]।

ঃ ৰামমত্ত সিংহ তই শৃগাল পাপিষ্ঠ ।

গৰুড়ৰ ভাৰ্য্যা কি কাকৰ হৰে ইষ্ট ।। ৫৯৬

তিৰী চোৰ পাপিষ্ঠ হাৰিৰ লাঠি খায়া ।

গলে হাণ্ডি বান্ধি মাৰ্গতলে মৰ গৈয়া ।। ৫৯৭

ইয়াৰ বাহিৰেও হনুমানৰ ব্ৰাহ্মণবেশত অশোকবনত প্ৰৱেশ, জানকীৰ তুতিত অগ্নিয়ে হনুমানক নোপোৰা, শুই থকা মন্দোদৰীৰ কেশ জুখি আৰু মুখত মদৰ গোন্ধ পাই সীতা নহয় বুলি হনুমানে স্থিৰ কৰা আক ৰাৱণৰ দ্বাৰা বিভীষণক পদাঘাত- এইবোৰ মাধৱ কন্দলীৰ সৃষ্টি, বাল্মীকি ৰামায়ণত এইকথা নাই। অন্যহাতে শ্ৰীৰাম কীৰ্তনত এই খিনি কথাৰ অস্তিত্বই মাধৱ কন্দলীৰ প্ৰভাৱৰ ইঙ্গিত দিয়ে।[৯১] শ্ৰীৰাম কীৰ্তনৰ উক্ত কাণ্ডটিত থকা উল্লেখযোগ্য বিষয়বস্তু সমূহ হ'ল ঃ হনুমানৰ লংকাত সীতা দৰ্শন, হনুমানৰ সীতাক দৰ্শন লাভ, হনুমানৰ লগত সীতাৰ কথোপকথন, হনুমানৰ ফল ভক্ষণ, হনুমানৰ লংকা দহন, হনুমন্তৰ প্ৰত্যাবৰ্ত্তন আৰু শেষত বিভীষণক ৰাৱণৰ পদাঘাত।

শ্ৰীৰাম কীৰ্তনৰ লংকা কাণ্ডটিত মুঠ ২২১ টা পদ আছে। ইয়াত উল্লেখ পোৱা বিষয় বস্তুৰ ভিতৰত ঃ সমুদ্ৰ বন্ধন, শ্ৰীৰাম চন্দ্ৰৰ লংকা প্ৰৱেশ, ৰাৱণৰ যুদ্ধৰ আয়োজন, বানৰ সৈন্য আৰু ৰাক্ষস সৈন্যৰ যুদ্ধ, শ্ৰীৰাম চন্দ্ৰ-লক্ষ্মণ-ইন্দ্ৰজিতৰ নাগ পাশত বন্ধ আৰু সেই বন্ধনৰ পৰা মুক্ত, কুম্ভকৰ্ণৰ নিদ্ৰাভঙ্গ, কুম্ভকৰ্ণ বধ, ইন্দ্ৰজিত বধ, লক্ষ্মণৰ শক্তিশেল মোচন, ৰাৱণ বধ আৰু শেষত শ্ৰীৰাম চন্দ্ৰৰ অযোধ্যালৈ প্ৰত্যাগমন। এই সকলোবোৰ কথা কন্দলী ৰামায়ণৰ অনুকৰণতে উপস্থাপিত হৈছে। চিলনী ৰূপত সৰমাৰ যুদ্ধ ক্ষেত্ৰ পৰিদৰ্শন আৰু ৰাম লক্ষ্মণৰ সংবাদ সীতাক জনোৱা কথাটো মাধৱ কন্দলীৰ ৰচনাত আছে কিন্তু বাল্মীকিত নাই। সীতাৰ আগত ৰাৱণে মায়া ৰামৰ শিৰচ্ছেদ কৰাত সীতা বিহুলা হৈ পৰাত বিভীষণৰ পত্নী সৰমাই সীতাক সান্ত্বনা দিছে। তাৰ প্ৰত্যুত্তৰত সীতাই ভগ্নীৰ দৰে সৰমাক যুদ্ধ ক্ষেত্ৰত ৰামৰ খবৰ লৈ আহিবলৈ অনুৰোধ কৰিছে। বাল্মীকি ৰামায়ণৰ এক প্ৰক্ষিপ্ত সৰ্গত (উদীচ্য পাঠ) সৰমাক বিভীষণৰ পত্নী বুলি কৈছে।[৯২] মাধৱ কন্দলী ৰামায়ণত

৯০। শ্ৰীৰাম কীৰ্তন ঃ পৃঃ ১৪১।

৯১। ৰামায়ণৰ ইতিবৃত্ত ঃ পৃঃ ৩৪৪।

৯২। তথৈৱ ঃ পৃঃ ৩৪৫।

সৰমাৰ উল্লেখ সুন্দৰা কাণ্ড আৰু যুদ্ধ কাণ্ডত পোৱা যায়।[৯৩] হনুমানৰ নেজত বাৰণ সৈন্যই জুই দিয়া খবৰ সবমাইযে সীতাক দিয়ে।[৯৪] অৱশ্যে যুদ্ধ ক্ষেত্ৰৰ পৰা ৰাম লক্ষ্মণৰ সংবাদ সংগ্ৰহ কৰা কথা কন্দলীৰ নিজা উদ্ভাৱন, এই কথা বাল্মীকিত নাই।[৯৫] বাল্মীকিৰ যুদ্ধ কাণ্ডত (সৰ্গ-৩৫/৩৬) মায়া ৰাম বধ আৰু সৰমাৰ প্ৰকৃত তথ্য উদঘাটনৰ কথা পোৱা যায়, কিন্তু চিলনী হোৱাৰ কথা পোৱা নাযায়। সৰমাই চিলনী হোৱা কথাটো সম্ভৱতঃ মাধৱ কন্দলীৰ নিজা সৃষ্টি।[৯৬]

শ্ৰীৰাম কীৰ্তনৰ উত্তৰাকাণ্ডত ২১০টা পদ আছে। এই কাণ্ডত দত্তবৰুৱাদেৱে উল্লেখ কৰা ভাগ সমূহ তলত দিয়া ধৰণৰ[৯৭] ঃ সীতাৰ বনবাস,শ্ৰীৰামচন্দ্ৰৰ অশ্বমেধ যজ্ঞ, লৱ কুশৰ ৰামায়ণ গীত, সীতাক আনিবলৈ বিভীষণ প্ৰভৃতিৰ গমন, ৰাজ সভাত সীতাৰ আগমন, সীতাৰ পাতাল প্ৰৱেশ, শ্ৰীৰামচন্দ্ৰৰ অশ্বমেধ যজ্ঞ সমাপন আৰু ৰাজ্য বিস্তাৰ, দুৰ্ব্বাসা ঋষিৰ আগমন আৰু লক্ষ্মণ বৰ্জ্জন, ৰামৰ পৃথিৱী এৰিবৰ ইচ্ছা, লক্ষ্মণৰ অন্ত্যেষ্টিক্ৰিয়া আৰু শেষত শ্ৰীৰামচন্দ্ৰৰ স্বৰ্গাৰোহণ। উপৰোক্ত সকলোখিনি ঘটনাই শংকৰদেৱ গুৰুজনাৰ উত্তৰাকাণ্ডৰ ঘটনা পৰম্পৰাৰ লগত অধিক সাদৃশ্য।[৯৮] সীতাক সতীত্বৰ প্ৰমাণ দিবলৈ ৰামৰ আজ্ঞা, ৰামক সীতাৰ তিৰষ্কাৰ (পদ-৯৯৫-৯৯৭), পাতাল প্ৰৱেশ (১০০১-১০০৩), পাতালৰ পৰা ৰামক আশ্বাস (১০২০), লক্ষ্মণ বৰ্জন (১০৫২-১০৬৬) আৰু ৰাম আদিৰ স্বৰ্গ গমন এইবোৰ বৰ্ণনা খুব দ্ৰুত গতিৰে অনন্ত ঠাকুৰে সামৰিছে। শংকৰদেৱৰ উত্তৰা কাণ্ডৰ দৰে ইয়াতো অবান্তৰ কাহিনীবোৰ কবিযে বাদ দি কেৱল ৰাম সীতা সম্বন্ধীয় কথাতে লিখনী আৱদ্ধ কৰিছে।[৯৯]

শ্ৰীৰাম কীৰ্তনৰ আলোচনাত দেখা পোৱা বিশেষ বৈশিষ্ট সমূহৰ বাবে কাব্যখন অন্য কাব্যতকৈ পৃথক। বাল্মীকি ৰামায়ণৰ বাদে অন্যান্য ৰামায়ণত পাঁচ কাণ্ডহে পোৱা যায় যদিও শ্ৰীৰাম কীৰ্তনত সম্পূৰ্ণ সাত কাণ্ডৰেই উল্লেখ আছে।[১০০] অন্য ৰামায়ণ গীত বা পদত ৰচিত যদিও তাত ঘোষাৰ ব্যৱহাৰ লক্ষ্য কৰা নাযায়, কিন্তু অনন্ত ঠাকুৰৰ শ্ৰীৰাম কীৰ্তনত শংকৰদেৱৰ 'কীৰ্তন ঘোষা'ৰ আৰ্হিৰে প্ৰসঙ্গত ভকতে গাব পৰাকৈ ঘোষা আৰু পদৰ সংযোগ কৰিছে। ড° মহেশ্বৰ নেওগদেৱে দুৰ্গাবৰী গীতি-ৰামায়ণৰ আলোচনা প্ৰসঙ্গত শ্ৰীৰাম কীৰ্তনৰ বিষয়ে কৈছে- অনন্ত ঠাকুৰে কলাপ চন্দ্ৰকৃত বাল্মীকিৰ সাৰ ৰামায়ণ চন্দ্ৰিকাৰ পদ কৰি শঙ্কৰী আৰ্হিৰ 'কীৰ্তন ঘোষা'ৰ শ্ৰীৰাম কীৰ্তন প্ৰস্তুত কৰে। [১০১] গতিকে দেখা গল শ্ৰীৰাম কীৰ্তনক 'কীৰ্তনীয়া ৰামায়ণ' বুলি কোৱাৰ যুক্তি নিশ্চয় আছে। কবিয়ে অৱশ্যে কাব্যৰ ভিতৰতে ইয়াৰ স্পষ্ট আভাস দিছে ঃ

---

৯৩। সপ্তকাণ্ড ৰামায়ণ ঃ সুন্দৰাকাণ্ড, পদ নং-৪১৯৬, পৃঃ ২৬১, যুদ্ধ কাণ্ড, পদ নং-৪৯১৯, ৪৯৩০, ৪৯৩৪, পৃঃ ৩০৫-৩০৬।

৯৪। প্ৰাগুক্ত গ্ৰন্থ ঃ পদ নং-৪৪৮৭, পৃঃ ২৭৮।

৯৫। ৰামায়ণৰ ইতিবৃত্ত ঃ পৃঃ ৩৪৫।

৯৬। তথৈৱ ঃ পৃঃ ৩৪৫।

৯৭। শ্ৰীৰাম কীৰ্তন ঃ সূচীপত্ৰ, পৃঃ গ, ঘ।

৯৮। ৰামায়ণৰ ইতিবৃত্ত ঃ পৃঃ ৩৪৫।

৯৯। তথৈৱ ঃ পৃঃ ৩৪৬।

১০০। শ্ৰীৰাম কীৰ্তন ঃ পৃঃ ২-৩।

১০১। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ গীতি-ৰামায়ণ, পাতনি ।

নমো নমো শ্ৰীমন্ত শঙ্কৰ পূৰ্ণ কাম ।
কীৰ্তনৰ ছন্দে বিৰচিলো গুণ নাম ॥ ৪
* * *
কীৰ্তনৰ ছন্দে বিৰচিবো পদ সাৰ ।
শ্ৰীৰাম কীৰ্তন নাম জানিবা ইহাৰ ॥ ৮ (আদি) [১০২]

ইয়াত আদি কাণ্ডৰ পৰা উত্তৰা কাণ্ডলৈ মুঠ সাতটা কাণ্ডত ৬৩ টা পদ আৰু ইয়াৰ লগত ৬৩ টা ঘোষাও সন্নিবিষ্ট কৰা আছে। কীৰ্তন ঘোষাৰ উপাস্যদেৱতা কৃষ্ণৰ দৰে শ্ৰীৰাম কীৰ্তনৰ ঘোষা সমূহো ৰাম সম্বন্ধীয়। ইয়াত উল্লেখ থকা ঘোষাৰ উদাহৰণ তলত দিয়া ধৰণৰ ঃ

ঘোষা ঃ ৰাম ৰঘুপতি ৰঘুনন্দন ।
অভয় চৰণে লৈলো শৰণ ॥ ১২ ॥ (আদি) [১০৩]
* * *
অ’, হৰি ৰাম ৰঘুপতি ৰাঘৱ তুমি জগত স্বামী ।
ভকত তাৰণ তোমাৰ চৰণে শৰণ পশিলো আমি ॥ ১৬ (অযোধ্যা) [১০৪]
* * *
ৰঘুপতি ৰঘুপতি ৰঘুপতি ৰাম ।
প্ৰভু ৰাম ৰঘুপতি গুণে অনুপাম ॥ ৩৮ ॥ সুন্দৰা ॥ [১০৫] ইত্যাদি

আগতে উল্লেখ কৰি অহাৰ দৰে শ্ৰীৰাম কীৰ্তনৰ কাহিনী মূলগত অথত সংক্ষিপ্ত আৰু মধুৰ ; বৰ্ণনাও প্ৰাঞ্জল আৰু সোৱাদ লগা। অশোক বনত সীতাৰ ওচৰত হনুমান উপস্থিত হোৱাত সীতাই সন্দেহ প্ৰকাশ কৰি কৈছিল ঃ

বানৰৰ কথা শুনি বুলিলন্ত আই ।
সাগৰ তৰিলি তই কিমত উপায় ॥
মিছা কথা কহিবাক আইলি পুনৰ্ব্বাৰ ।
পাপিষ্ঠ ৰাৱণ ক্ৰোধ তোলাস আমাৰ ॥ ৬০৭

উত্তৰত হনুমানে কৈছিল ঃ

ৰাক্ষস নহওঁ মাওঁ ভালে চিনিয়োক ।
ৰঘুনাথে সত্যে সত্যে পঠাই আছে মোক ॥ ৬০৮ ॥ [১০৬]

---

১০২। শ্ৰীৰাম কীৰ্তন ঃ পৃঃ ২-৩ ।
১০৩। তথৈৱ ঃ পৃঃ ৪৬ ।
১০৪। তথৈৱ ঃ পৃঃ ৬৪ ।
১০৫। তথৈৱ ঃ পৃঃ ১৫৯ ।
১০৬। তথৈৱ ঃ পৃঃ ১৪৪ ।

যুদ্ধৰ বৰ্ণনাতো কবি গৰাকী বাৰুকৈয়ে নিপুন আৰু সিদ্ধহস্ত ঃ

ৰাম ৰাৱণৰ যুদ্ধ মিলিলা দুৰ্ঘোৰ ।
দুয়ো অস্ত্ৰ প্ৰহাৰন্ত নাহি তাৰ ওৰ ।। ৮৬১
* * *
এহিমতে কাটিলন্ত একশত বাৰ ।
তথাপিতো ৰাৱণাৰ নভৈলেক মাৰ ।। ৮৬৩ (লংকা) [১০৭]

থিক তেনেকৈ অহল্যাৰ শাপমোচনৰ বৰ্ণনাও অতি চমৎকাৰ আৰু মৰ্ম্মস্পৰ্শী ঃ

দেখি ঋষি বুলিলা বচন ।
শুনিয়োক ৰঘুৰ নন্দন ।।
এহি শিলাখণ্ডে পাৰ দিয়ো ।
অহল্যাক শাপত তাৰিয়ো ।। ১৬৩
শুনি প্ৰভু চৰণ চুৱাইলা ।
অহল্যা তেখনে নিস্তাৰিলা ।। ১৬৪ (আদি) [১০৮]

ৰাম-লক্ষ্মণসহ বিশ্বামিত্ৰৰ আগমনত জনক ৰজাৰ মনৰ দ্বিধা, শঙ্কা আৰু আনন্দৰ ভাৱ সুন্দৰ ৰূপত কবিয়ে প্ৰকাশ কৰিছে।

ঋষিৰ বচন শুনি জনক নৃপতি ।
বোলন্ত মিলিল মোৰ কিনো ভাগ্য অতি ।।
যাহাৰ চৰণ চিন্তে মহা যোগেশ্বৰে ।
হেন প্ৰভু সাক্ষাতে আসিলা মোৰ ঘৰে।। ১৭৪ (আদি) [১০৯]

শ্ৰীৰাম কীৰ্তনত কবি গৰাকীয়ে পদ, দুলড়ী, ছবি, একাৱলী, ঝুমুৰী, কুসুম মালা আৰু এবিধ দশাক্ষৰী ছন্দ ব্যৱহাৱ কৰিছে। এই বিষয়ে পৰৱৰ্ত্তী অধ্যায়ত বিতং আলোচনা আগবঢ়োৱা হৈছে। শ্ৰীৰাম কীৰ্তনৰ ক্ষেত্ৰত ড° সত্যেন্দ্ৰ নাথ শৰ্মাই এযাব মন্তব্য কৰিছে, তেখেতৰ মতে শ্ৰীৰাম কীৰ্তনক 'পকেট ৰামায়ণ' বুলি কব পাৰি। কোনো মূল কথা বাদ নিদিয়াকৈ সাত কাণ্ডৰ কাহিনী প্ৰাঞ্জল ভাষা, বিভিন্ন ছন্দত প্ৰসংগ হিচাপে গাব পৰাকৈ সফলতাৰে ৰূপ দিয়াত কবি সম্পূৰ্ণৰূপে কৃতকাৰ্য্য হৈছে। ৰাম চৰিত্ৰৰ গাম্ভীৰ্য ৰক্ষা কৰি তেওঁক ঈশ্বৰত্ব আৰোপ কৰিবলৈয়ো কবি গৰাকী সক্ষম হৈছে। [১১০]

শিশু পুথি ৰচনাৰ প্ৰয়াস শংকৰী যুগতো দেখা যায়। কানখোৱা, ভীম চৰিত আদিৰ পিছতে শ্ৰীৰাম কীৰ্তনকো

১০৭। শ্ৰীৰামকীৰ্তন ঃ পৃঃ ২০৯।
১০৮। প্ৰাগুক্ত গ্ৰন্থ ঃ পৃঃ ৩৭।
১০৯। প্ৰাগুক্ত গ্ৰন্থ ঃ পৃঃ ৩৯-৪০ ।
১১০। ৰামায়ণৰ ইতিবৃত্ত ঃ ৩৪৬ ।

উল্লেখযোগ্য শিশু পুথি হিচাপে ধৰিব পাৰি। অৱশ্যে ৰচনা-ভঙ্গী সাৱলীল নহ'লেও শিশু পুথি হিচাপেও ই সাৰ্থক আৰু সুখপাঠ্য।

### সাহিত্যৰাজিৰ ছপাসংস্কৰণৰ ভুল-ভ্ৰান্তি আৰু পাঠৰ মিল-অমিল ঃ

অনন্ত ঠাকুৰৰ সাহিত্যৰাজিৰ আমি পাঠ-সমীক্ষা এই প্ৰসংগত কৰিব বিচৰা নাই। সেয়েহে সাহিত্যৰাজিৰ ছপাসংস্কৰণৰ লগত পুৰণি পুথিৰ পাঠৰ মিল-অমিল বা ভুল-ভ্ৰান্তিৰ কথা থাওকতে কৈ থব পৰা নাযায়। তথাপিও বিশেষভাৱে সাদৃশ্য বা বৈসাদৃশ্য থকা দুই এটি কথা উনুকিয়াই যাবলৈ যত্ন কৰা হ'ল। এই ক্ষেত্ৰত প্ৰথমে আমি শ্ৰীৰাম কীৰ্তনৰ কথাকেই উল্লেখ কৰিছো। ওপৰত উল্লেখ কৰি অহা দত্তবৰুৱা সম্পাদিত শ্ৰীৰাম কীৰ্তনৰ[১১১] লগতে "শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠান বৰদোৱা'ৰ পৰা সংগ্ৰহ কৰা শ্ৰীৰাম কীৰ্তন খনৰ [১১২] তুলনামূলক আলোচনাত দেখা যায় ঃ

ছপা পুথিৰ আৰম্ভণি কোনো বিশেষভাৱে হোৱা নাই গতানুগতিক ভাৱেই হৈছে, কিন্তু পুৰণি পুথিত প্ৰথমে এটা সংস্কৃত শ্লোকেৰে আৰম্ভ হৈ পিছতহে ঘোষাৰ উল্লেখ কৰিছে। শ্লোক ঃ "শ্ৰীকৃষ্ণায় নমঃ ।। ৰামলখমন পূৰ্ব্বয বঘুবৰ মিতাপতি সুন্দৰ কাকুবেকনা ময় গুণনিধি বিপ্ৰ প্ৰিয় ধাৰ্ম্মিক ৰাজেন্দ্ৰ মথসন্ধ দষৰথ তনয় স্যামল সান্ত মূৰ্ত্তি বন্দে লোকাভিৰাম ৰঘুকুল তিলক ৰাঘৱৰাহি নাৰি।"

ছপা পুথিত প্ৰতিটো অধ্যায়ৰ আৰম্ভণিতে একোটা নিৰ্দিষ্ট নামাংকিত মূল বাক্যৰ অধ্যায়ৰ নাম দিয়া হৈছে, কিন্তু পুৰণি পুথিত তেনে কোনো উল্লেখ নাই। অৱশ্যে দত্তবৰুৱাদেৱে উল্লেখ কৰা মূল বাক্যাংশ সমূহ মূল পুথিত আছিল নে নাই জনা নাযায়। কাৰণ তেখেতে পুথিৰ পাঠ ক'ৰ পৰা গ্ৰহণ কৰিছিল তাৰ উল্লেখো কতো কৰা নাই। ওপৰত কৈ অহাৰ দৰে পুথিখন ৬৩ টা অধ্যায়ত ভাগ কৰিছে। সেই সমূহক তলত দাঙি ধৰা হ'ল ঃ

**আদিকাণ্ড ঃ**

১। মঙ্গলাচৰণ।

২। দশৰথৰ বংশ পৰিচয়।

৩। দশৰথৰ ওপৰত শনিৰ দৃষ্টি।

৪। দশৰথৰ প্ৰতি অন্ধক মুনিৰ শাপ।

৫। কৈকেয়ীক বৰ দিবলৈ দশৰথৰ অঙ্গীকাৰ।

৬। শ্ৰীৰাম চন্দ্ৰ আদি চাৰি ভ্ৰাতৃৰ জন্ম।

৭। সীতাৰ জন্ম।

৮। বিশ্বামিত্ৰৰ আশ্ৰমত ৰাম-লক্ষ্মণ।

৯। ৰামৰ দ্বাৰা তাড়কা আদি ৰাক্ষস বধ।

---

১১১। হৰিনাৰায়ণ দত্তবৰুৱা (সম্পাঃ) ঃ সচিত্ৰ শিশু ৰামাযণ বা শ্ৰীৰামকীৰ্তন ।

১১২। শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠান, বৰদোৱা (সংগ্ৰাঃ) ঃ শ্ৰীৰাম কীৰ্তন (সাঁচিপাত), পুথি নং - ৬০ ।

১০। অহল্যাৰ শাপ মুক্তি।

১১। শ্ৰীৰামচন্দ্ৰৰ ধনুভঙ্গ।

১২। শ্ৰীৰামচন্দ্ৰক সীতাৰ বৰমাল্যদান।

১৩। শ্ৰীৰামচন্দ্ৰ আদি চাৰি ভ্ৰাতৃৰ বিবাহ্।

১৪। পৰশুৰামৰ গৰ্ব্ব চূৰ্ণ।

**অযোধ্যাকাণ্ড ঃ**

১৫। সীতাক লৈ শ্ৰীৰামচন্দ্ৰৰ অযোধ্যালৈ প্ৰত্যাগমণ।

১৬। শ্ৰীৰামচন্দ্ৰৰ অভিষেক।

১৭। শ্ৰীৰামচন্দ্ৰৰ বনবাস।

১৮। শ্ৰীৰামচন্দ্ৰক বনত যাবলৈ কৌশল্যাৰ নিষেধ।

১৯। শ্ৰীৰামচন্দ্ৰৰ বনগমণ।

২০। গুহ্ ৰজাৰ লগত শ্ৰীৰামচন্দ্ৰৰ সাক্ষাত।

২১। শ্ৰীৰামচন্দ্ৰৰ চিত্ৰকূটত অৱস্থান।

২২। দশৰথৰ দেহ্ ত্যাগ।

২৩। অযোধ্যালৈ ভৰতৰ আগমণ।

২৪। শ্ৰীৰামচন্দ্ৰৰ পানৈ যুগল সিংহাসনত স্থাপন কৰি ভৰতৰ ৰাজ্য শাসন।

**অৰণ্যকাণ্ড ঃ**

২৫। শ্ৰীৰামচন্দ্ৰৰ অত্ৰি মুনিৰ আশ্ৰম প্ৰৱেশ আৰু বিৰাধ ৰাক্ষস বধ।

২৬। শূৰ্পনখাৰ নাক-কান ছেদন।

২৭। মাৰীচ বধ।

২৮। ৰাৱণৰ সীতা হৰণ।

**কিষ্কিন্ধ্যাকাণ্ড ঃ**

২৯। শ্ৰীৰামচন্দ্ৰৰ সুগ্ৰীৱৰ লগত মিত্ৰতা।

৩০। শ্ৰীৰামচন্দ্ৰৰ বালীবধ।

৩১। বানৰ সৈন্যৰ সীতা অন্বেষণ।

**সুন্দৰাকাণ্ড ঃ**

৩২। হনুমানৰ সীতা দৰ্শন।

৩৩। হনুমানৰ সীতাক দৰ্শন লাভ।

৩৪। হনুমানৰ লগত সীতাৰ কথোপকথন।

৩৫। হনুমানৰ ফল ভক্ষণ।

৩৬। হনুমানৰ লঙ্কা দাহন।

৩৭। হনুমন্তৰ প্ৰত্যাবৰ্ত্তন।

৩৮। বিভীষণক ৰাৱণৰ পদাঘাত।

**লঙ্কাকাণ্ড ঃ**

৩৯। সমুদ্ৰ বন্ধন ।

৪০। শ্ৰীৰামৰ লঙ্কা প্ৰৱেশ ।

৪১। ৰাৱণৰ যুদ্ধৰ আয়োজন ।

৪২। বানৰ সৈন্য আৰু ৰাক্ষস সৈন্যৰ যুদ্ধ ।

৪৩। শ্ৰীৰামচন্দ্ৰ-লক্ষ্মণ ইন্দ্ৰজিতৰ নাগ পাশত বন্ধ ।

৪৪। শ্ৰীৰামচন্দ্ৰ-লক্ষ্মণৰ নাগ পাশৰ বন্ধনৰ পৰা মুক্ত।

৪৫। কুম্ভকৰ্ণৰ নিদ্ৰাভঙ্গ ।

৪৬। কুম্ভকৰ্ণ বধ।

৪৭। ইন্দ্ৰজিত বধ।

৪৮। লক্ষ্মণৰ শক্তিশেল মোচন।

৪৯। ৰাৱণ বধ।

৫০। শ্ৰীৰামচন্দ্ৰৰ অযোধ্যা গমন।

**উত্তৰাকাণ্ড ঃ**

৫১। সীতাৰ বনবাস।

৫২। শ্ৰীৰামচন্দ্ৰৰ অশ্বমেধ যজ্ঞ।

৫৩। লৱ-কুশৰ ৰামায়ণ গীত।

৫৪। সীতাক আনিবলৈ বিভীষণ প্ৰভৃতিৰ গমন।

৫৫। ৰাজসভাত সীতাৰ আগমন।

৫৬। সীতাৰ পাতাল প্ৰৱেশ।

৫৭। শ্ৰীৰামচন্দ্ৰৰ অশ্বমেধ যজ্ঞ সমাপন।

৫৮। শ্ৰীৰামচন্দ্ৰৰ ৰাজ্য বিস্তাৰ।

৫৯। দুৰ্ব্বাসা ঋষিৰ আগমন।

৬০। লক্ষ্মণ বৰ্জ্জন।

৬১। শ্ৰীৰামচন্দ্ৰৰ পৃথিৱী এৰিবৰ ইচ্ছা।

৬২। লক্ষ্মণৰ অন্ত্যোষ্টিক্ৰিয়া।

৬৩। শ্ৰীৰামচন্দ্ৰৰ স্বৰ্গাৰোহণ।

ছপা পুথিত মুঠ চাৰিশৰীয়া পদৰ সংখ্যা ১১০৫, কিন্তু পুৰণিত উক্ত পদৰ সংখ্যা ১১০৮। দুয়োখন পুথিতে মুঠ সাতকাণ্ডৰ উল্লেখ পোৱা যায়।

| | | |
|---|---|---|
| ছপা- | আদিকাণ্ডত মুঠ পদ - | ২৩৫। |
| | ঘোষাৰ সংখ্যা - | ১৩। |
| পুৰণিত | পদ - | ২৩৪। |
| | ঘোষা সংখ্যা - | ১২। |

* * *

| | | |
|---|---|---|
| ছপা- | অযোধ্যাকাণ্ড পদ- | ২০০। |
| | ঘোষা - | ১০। |
| পুৰণি - | পদ - | ১৭৪। |
| | ঘোষা - | ৯। |

* * *

| | | |
|---|---|---|
| ছপা - | অৰণ্যকাণ্ড পদ - | ৭২। |
| | ঘোষা - | ৪। |
| পুৰণি - | পদ - | ৮৩। |
| | ঘোষা - | ৪। |

* * *

| | | |
|---|---|---|
| ছপা - | কিষ্কিন্ধ্যাকাণ্ড পদ - | ৬৫। |
| | ঘোষা - | ৪। |
| পুৰণি - | পদ - | ৪৪। |
| | ঘোষা - | ৩। |

* * *

| | | |
|---|---|---|
| ছপা - | সুন্দৰাকাণ্ড পদ- | ৯৬। |
| | ঘোষা - | ৭। |
| পুৰণি - | পদ - | ৯৮। |
| | ঘোষা - | ৮। |

* * *

ছপা - লংকাকাণ্ড পদ- ২২১ ।

ঘোষা - ১২ ।

পুৰণি - পদ - ২২০ ।

ঘোষা - ১৩ ।

* * *

ছপা - উত্তৰাকাণ্ড পদ- ২১০ ।

ঘোষা - ১৩ ।

পুৰণি- পদ - ২৪৯ ।

ঘোষা - ১৫ ।

* * *

দুয়োখন পুথিতে মুঠ ঘোষাৰ সংখ্যা ৬৩। ছপাত পুথিখন লিখাৰ সময় সম্পৰ্কে উল্লেখ আছে ঃ [১১৩]

অশ্ব মুনি বান চন্দ্র শকত ।
শ্রীৰাম কীৰ্তন ভৈলা সমাপত ।।
শ্রীৰাম কীৰ্তন ভৈলা উপশাম ।
অনন্তে কহে বোলা ৰাম ।। ১১০৫

০০ ০০ ০০

কিন্তু পুৰণি পুথিত স্পষ্টভাৱে সময়, দিন আৰু লিখকৰ উল্লেখ পোৱা যায় ঃ

অচ মুনি বান চন্দ্র সঁকত ।
আঘ্রান দুতিয়া সুকু পক্ষত ।।
শ্রীৰাম কীৰ্তন কৈলা উপসাম ।
অনন্তে কহে বোলা ৰাম ৰাম ।। ১১০৮

* * *

শক - ১৬৭৮ ঃ

বসু মুনি ৰসচন্দ্রে ফাল্গুনে চন্দ্রবাৰে লিখত মিদম পূৰ্ব্বং কীৰ্ত্তন ৰাঘৰস্য ।
হৰি হৰ চৰমোদ্য দ্বিষ্ণু দত্তদ্বিজেন লিখৰুখল খলন্তো খ্যাপিত খ্যাত কীৰ্ত্তি ঃ ।।

* * *

১১৩। শ্রীৰাম কীৰ্তন ঃ পৃঃ ২৬৫ ।

ছন্দ সজ্জাৰ ক্ষেত্ৰত ছপা পুথিত বিভিন্ন ধৰণৰ ছন্দ ব্যৱহাৰ কৰিলেও প্ৰধানকৈ দুলড়ী আৰু ছবি ছন্দই মুখ্য স্থান পাইছে। ইয়াত ৬ আৰু ১৬ নং পদত দুলড়ী ছন্দ ব্যৱহাৰ কৰিছে।[১১৪] কিন্তু ছন্দৰ ৰীতি মতে ৩৫, ৪৭ আৰু ৫৭ তো দুলড়ী ছন্দই নামাংকিত হব লাগিছিল।[১১৫] থিক তেনেকৈ ছবি ছন্দৰ ক্ষেত্ৰত দেখা যায় ১১ নং পদতহে ছবি ছন্দ নামাংকিত হৈছে[১১৬], কিন্তু ৰীতি মতে ৩৬ আৰু ৫৮ নংতো একে ছন্দই হব লাগিছিল [১১৭]। অন্যহাতে ঝুমুৰীৰ উল্লেখ পুথিত নাই কৰা যদিও ২৮ আৰু ৩২ নংত ঝুমুৰী নিৰূপিত হোৱা দেখা যায়। [১১৮]

পুৰণি পুথিত হোৱা উপৰোক্ত ছন্দৰ ব্যৱহাৰ তলত দিয়া ধৰণৰ ঃ ৬, ২২, ২৭, ৩৫, ৪৭, ৪৮ আৰু ৫৭ নংত দুলড়ী ব্যৱহাৰ কৰা হৈছে যদিও ১৬ নংতো দুলড়ীয়েই হব লাগে। ১১, ১৭, ৩৬ আৰু ৫৮ নংত ছবি ছন্দৰ ব্যৱহাৰ কৰিছে। ইয়াত ঝুমুৰীৰ উল্লেখ কৰা নাই যদিও ৭ আৰু ১৩ নংত ঝুমুৰী নিৰূপিত হোৱা দেখা গৈছে।

ছপা সংস্কৰণৰ ৯৮১ নং পদৰ [১১৯] পিছত আৰু পুৰণি পুথিৰ ৯৮০ নং ৰ পিছত পুৰণিত অতিৰিক্ত এটি পদৰ সংযোজন দেখা যায় ঃ

* * *

সবে নষ্ট হৌক মোৰ এখনে ।
সিতা জে দোষি হোন্ত অল্পমানে ।।
তপৰ বলে ভুত ভবিষ্যত ।
জানো আব নাহি ইতো ত্ৰৈলোক্যত ।। ৯৮০

শেষত ছপা আৰু পুৰণি দুয়োখন পুথিৰে তুলনামূলক আলোচনাত স্পষ্টভাৱে এটা কথা চকুত পৰে যে, পদৰ নম্বৰ হুবহুভাৱে দুয়োখনৰ মিল নাই আৰু বৰ্ণাশুদ্ধিও পুৰণি ঠাচতেই মানি চলিছে বুলিব পাৰি। দুয়োখনতে ঠায়ে ঠায়ে শব্দৰ প্ৰতিশব্দ প্ৰকাশ কৰি অৰ্থ একে ৰখাৰ চেষ্টা কৰা দেখা যায়।

'ভক্তি প্ৰেমলতা' পুথিখনৰ ছপা সংস্কৰণৰ ক্ষেত্ৰত আগেয়ে উল্লেখ কৰি অহাৰ দৰে হৰিনাৰায়ণ দত্তবৰুৱাই মন্তব্য কৰিছে ঃ 'আমাৰ এই গ্ৰন্থ সংগ্ৰহ কৰোঁতে অতি পুৰণা পুথি এখনৰ পৰাহে নকল কৰিব লগাত পৰিছিলো। দুই এটা শব্দ মাজে মাজে অস্পষ্ট আছিল। আমি শক্তি অনুসাৰে যিমান পাৰো সংশোধন কৰি ছপা কৰি উলিয়ালো।'[১২০] গতিকে ছপা পুথিখনৰ অন্য পুৰণি পুথিৰ লগত মিল অমিল থকাতো স্বাভাৱিক। আমি এই প্ৰসংগত আগতে উল্লেখ কৰি অহাৰ দৰে

---

১১৪। শ্ৰীৰাম কীৰ্তন ঃ পৃঃ ২৬, ৬৪ ।
১১৫। প্ৰাগুক্ত গ্ৰন্থ ঃ পৃঃ ১৪৭, ১৯৮, ২০৪, ২৪১ ।
১১৬। প্ৰাগুক্ত গ্ৰন্থ ঃ পৃঃ ৪৩।
১১৭। প্ৰাগুক্ত গ্ৰন্থ ঃ পৃঃ ১৫১, ২৪৬ ।
১১৮। প্ৰাগুক্ত গ্ৰন্থ ঃ পৃঃ ১২২, ১৩৭ ।
১১৯। প্ৰাগুক্ত গ্ৰন্থ ঃ পৃঃ ২৩৪।
১২০। ভক্তি-প্ৰেমলতা ঃ প্ৰাগুক্ত গ্ৰন্থ, পাতনি ।

পাঠ সমীক্ষাত্মক আলোচনা কৰিব বিচৰা নাই যদিও ছপা পুথি খনৰ এটি তুলনা মূলক বিশ্লেষণ দাঙি ধৰিব বিচাৰিছো।

সম্পাদিত পুথিখনত চাৰিশৰীয়া মুঠ পদ ৫২৩ টা পদ আছে আৰু আমি পোৱা প্ৰথমখন পুৰণি ভক্তি প্ৰেমলতা পুথিত ৫২২ টা পদ আছে যদিও প্ৰথম ফলকৰ ৫টা পদ উদ্ধাৰ কৰিব পৰা নগ'ল। ছপা পুথিত নথকা ১০নং পদৰ শেষৰ পদ দুফাঁকি হ'ল ঃ

এজান্তি কৃপাৰ কিনো কিছুৰ ভঙ্গয় ।
পৰম বিবেক বুদ্ধি মন্তেসে লংঘয় ॥ ১০

উক্ত পদখিনি ২নং পুথিতো পোৱা যায় ঃ

একান্তিক ছাৰে কিছো কিছো তৰঙ্গয় ।
পৰম বিবেকি বুদ্ধি মন্তেসে লেখয় ॥ ১০

ছপা পুথিখন ৫২৩নং পদত শেষ হৈছে। কিন্তু আমাৰ ১নং পুৰণি পুথিখনত ইয়াৰ পিছত অৰ্থাৎ ৫১৯ নং পদৰ শেষত অতিৰিক্তভাৱে তলৰ পদখিনি আছে ঃ

জন্মে জন্মে এহিমান দিয়ো মোক কৃষ্ণ প্ৰান
আন মোৰ নৌক নৌক গতি ॥ ৫১৯
তোমাৰ একান্ত দাস সঙ্গে মোৰ হৌক আস
অভয় চৰনে হৌক মতি ।
লম্পট ভ্ৰমৰ মন ৰমি ৰৌক সৰ্ব্বক্ষণ
তজু পাদ পদ্মত সম্প্ৰতি ॥
ইতো ব্ৰহ্মাণ্ডত দেৰ দুখি আৰ নাহি কেৰ
মঞি মাত্ৰ দৰিদ্ৰ অধম ।
এক বিন্দু প্ৰেম ধন দিয়া কিনা নাৰায়ন
নাহিকে কৃপাল তুমি সম ॥ ৫২০
সত্যে সত্যে সত্যে মঞি সৰণে পসিলো স্বামি
কৰনিয়া কৰি লৈয়ো মোক ।
শ্ৰৱন কীৰ্তন কৃত্য জন্মে জন্মে কৰিবহোঁ
একান্তিৰ সঙ্গত থৈয়োক ॥
তেবে মোৰ মনোৰথ পৰিপুৰ্ন হৱে প্ৰভু
এহিমানে কৰিলো গোচৰ ।

আবে সুনিয়োক প্রেম লতা জন্ম জি কালত
হে সভাসদ নিৰন্তৰ ॥ ৫২১
উন্মি ৰস বান চন্দ সকে প্রেমলতা জন্ম
পোসে তিথি পূর্নিমাৰ ।
হে কৃষ্ণ পাদ পদ্ম ভৃঙ্গে অনন্তে ৰচিলা ৰঙ্গে
নিৰন্তৰে বোলা ৰাম ৰাম ॥ ৫২২

বিপ্রকৃতিস্থ ০০০ ৰস চন্দ্র সাকে ০০০ আসাঢ় মাসে সিড়গে চতুর্থ্যাং ১৬৮৮ সাকে বালিক্ষত ॥ ০০০ মহাগুৰু কেসৱংদেৱানন্দ ঃ ॥

উপৰোক্ত পদখিনি ২নং পুৰণি পুথিখনতো ৫২৫ নং পদৰ পৰা ৫২৮ লৈ অতিবিক্তভাৱে আছে। ইয়াৰ বাহিৰেও ২নং পুথিত ছপা আৰু ১নংত নথকা আৰু কেইফাঁকিমান অতিৰিক্ত পদ লক্ষ্য কৰা যায়- ৫১৭-৫১৯ লৈ ঃ

জদি জোগ্য নহো তভো তুস্ত হৈয়া
অনন্ত নাম থৈলন্ত ॥

* * *

কালসিলা নদি পাৰত আছিলো
কিচু দিন সত্র পাতি ।
সেহি জল মাংস ভুঞ্জিৰে নোআৰি
গুৰু জে মানুহে আতি ॥ ৫১৭
ৰাজেশ্বৰ সিংহে আমাক বোলয়
জল সুদ্ধ কৰি দিউ ।
নৌকাত চৰিয়া জলত নামিয়া
কালসিলা উদ্ধাৰিউ ॥
ৰাজাৰ আদেসে কৃষ্ণৰ কৃপাত
সঙ্কৰ মাধৱ স্বৰি ।
জলত নামিলো সিলা হাত দিলো
আনিলা কৃষ্ণে উদ্ধাৰি ॥ ৫১৮

০০০ উক্ত চিহ্নসমূহৰ দ্বাৰা পুথিৰ অস্পষ্ট অংশক বুজোৱা হৈছে।

সেহি দিনা হন্তে জল মৎস খায়া

আচিলেক সৰ্ব্বলোক ।

ৰাজা তুস্ত হৈয়া মাটি কিছু দিয়া

সত্র পাতি দিলে মোক ॥ ৫১৯ ॥ [১২১]

ছপা পুথিত কাব্যৰ ভিতৰত বিভিন্ন ধৰণে মূল শাৰী একোটা নামাংকিত কৰি তাৰ পিছত পদৰ আৰম্ভণি কৰিছে। কিন্তু যিখিনি কথা পুৰণি পুথি দুখনত দেখুওৱা হোৱা নাই। ছপাত থকা মুখ্য বাক্যাংশ সমূহ তলত দিয়া ধৰণৰ ঃ

১। মঙ্গলাচৰণ আৰু গ্ৰন্থৰ নামকৰণ ঃ

২। প্ৰেমভক্তি কথন ঃ

৩। শ্ৰীশঙ্কৰ বন্দনা ঃ

৪। প্ৰেমভক্তিৰ বিস্তৃত বিবৰণ ঃ

৫। ৰতিভক্তি কথন ঃ

৬। ৰতিভক্তিৰ লক্ষণ ঃ

৭। শুদ্ধ ৰতিফল কথন ঃ

৮। দৃঢ়ভক্তি কথন ঃ

৯। প্ৰেমভক্তি কথন ঃ

১০। সুলভ প্ৰেমভক্তি কথন ঃ

১১। দৃঢ়ভক্তিৰ অষ্টভাৱ কথন ঃ

১২। কৃষ্ণ সুলভ প্ৰেমভক্তি বৰ্ণন ঃ

১৩। একান্ত ভক্তৰ প্ৰতি ভগৱন্তৰ বশ্যতা কথন ঃ

১৪। দৃঢ় প্ৰেমভক্তি বৰ্ণন ঃ

১৫। গ্ৰন্থকাৰৰ পৰিচয় আৰু গ্ৰন্থ সমাপ্তি ঃ

তিনিওখন পুথিতে তিনিটাকৈ দুলড়ী আৰু চাৰিটাকৈ ছবি ছন্দত উল্লিখিত পদ আছে। ইয়াৰ বাহিৰেও তিনিওখন পুথিতে এটা ঘোষাৰ উল্লেখ পোৱা যায় ঃ

১২১। পুৰণি পুথি 'প্ৰেমলতা পুস্তক' ঃ ফলক নং ৭০ (খ), ৭১ (ক)।

ঘোষা ঃ মুৰাৰি মুকুন্দ গোবিন্দ হৰি ।
দিয়োক প্রেম বিন্দু কৃপা কৰি ।। *

শেষত এটা কথা দেখা গ'ল তিনিওখন পুথিৰে পদৰ নম্বৰৰ হুবহু মিল নাই। অৱশ্যে এইতো থিক যে দুইখন পুৰণি পুথি এজন এজন লিপিকাৰকেই লিখি শেষ কৰিছে বুলি আখৰৰ গঢ়ৰ পৰা অনুমান কৰাৰ স্থল আছে। কোনো এখন পুথিতে ব্যাকৰণগত নিৰ্দ্দিষ্ট বৰ্ণাশুদ্ধিৰ প্ৰয়োগ দেখা নাযায়।

এইদৰে হৃদয়ানন্দৰ সাহিত্যৰাজিৰ পৰ্য্যালোচনা কৰি কব পৰা যায় যে আতা গৰাকীৰ তিনিওখন পুথি অৰ্থাৎ প্ৰেমলতা, শ্ৰীৰাম কীৰ্তন আৰু সীতাহৰণ নাটৰ বিষয় বস্তু, ৰচনা-ৰীতি আৰু একান্তিকা ভক্তিৰ আদৰ্শ স্বাক্ষৰ হিচাপে অসমীয়া বৈষ্ণৱ সাহিত্যৰ ইতিহাসৰ ভড়ালত সুবাসিত পদুম ফুলৰ দৰে সদায় মনোৰম হৈ থাকিব।

* ছপা পুথিত ৩২৮ নং পদৰ পিছত ৭২ পৃষ্ঠাত, ১ নং পুৰণি পুথিত ৩২৫ নং পদৰ পিছত আৰু ২ নং পুৰণি পুথিখনৰ ৩২৭ নংৰ পিছত উক্ত ঘোষাতো সন্নিবিষ্ট হৈছে।

## পঞ্চম অধ্যায়

## হৃদয়ানন্দৰ ৰচনাৱলীত পূৰ্বসূৰীৰ প্ৰভাৱ ঃ ৰচনা-ৰীতিৰ সাদৃশ্য

পূৰ্বৰ কবি আৰু বৈষ্ণৱ গুৰুসকলক অনুকৰণ কৰা বৈষ্ণৱ যুগৰ এক আদৰ্শগত লক্ষণ। এই আদৰ্শৰ দ্বাৰা অকল যে ব্যক্তি গৰাকীক শ্ৰদ্ধা বা ভক্তি কৰাকে বুজায় এনে নহয়, ইয়াৰ দ্বাৰা পূৰ্বৱৰ্তী মহাপুৰুষ গুৰুসকলৰ কাৰ্য্য ৰচনাৰ ৰীতি, প্ৰকাশ-ভঙ্গী, অনুবাদ কাৰ্য্য, ভাওনি, চৰিত সাহিত্যৰ উদ্ভৱ আদি বিভিন্ন বিষয়বো ইঙ্গিত বহন কৰে। প্ৰাক্-শংকৰী যুগৰ কবি মাধৱ কন্দলীয়ে ব্যৱহাৰ কৰা ঠাঁচকেই বৈষ্ণৱ যুগতো ব্যৱহাৰ কৰা হৈছে। বৈষ্ণৱ সাহিত্যক সাধাৰণ ভাৱে অনুবাদ মূলক সাহিত্য বোলা হয় যদিও দৰাচলতে ই প্ৰকৃত অনুবাদ সাহিত্য নহয়। ভাগৱত, ৰামায়ণ, মহাভাৰত ৰচনা কৰোঁতে কবি সকলে মোটামুটি ভাৱে অনুকৰণ কৰিছে যদিও প্ৰত্যেক শ্লোক আৰু আখ্যান কবিসকলে অনুবাদত ঠাই দিয়া নাই। কিছুমান এৰিছে আৰু কিছুমান সংযোজন কৰিছে।[১] এই ক্ৰমকে লক্ষ্য কৰি বৈষ্ণৱ সাহিত্যই সময়ৰ লগে লগে শংকৰোত্তৰ যুগলৈ ঢাপলি মেলিলে। সেয়েহে এই যুগৰ অন্যান্য বাৰ্তাবাহক সকলৰ দৰে অনন্ত ঠাকুৰেও পূৰ্ব কবিৰ অনুকৰণৰ পথকে লৈ সাহিত্য চৰ্চাৰ প্ৰয়াস কৰিছিল। তাৰেই মূৰ্ত প্ৰকাশ ঘটিছিল ভক্তি প্ৰেমলতা, শ্ৰীৰামকীৰ্তন আৰু সীতাহৰণ নাটত।

### ভক্তি প্ৰেমলতা ঃ

'ভক্তি প্ৰেমলতা' গ্ৰন্থ খনিৰ অন্তৰঙ্গ বিচাৰ কৰিলে দেখা যায়, ইয়াত কবি গৰাকীয়ে ঠায়ে ঠায়ে ভাগৱতৰ পদৰ প্ৰায় হুবহু ৰূপ দাঙি ধৰিছে। এই ক্ষেত্ৰত আমি হৰিনাৰায়ণ দত্ত বৰুৱা সম্পাদিত 'শ্ৰীমদ্ভাগৱত' খনিকে আধাৰ হিচাপে লৈ সেই মতে দুয়োখন গ্ৰন্থৰে অৰ্থাৎ 'প্ৰেমলতা' আৰু 'ভাগৱতৰ' পদাংকৰ মিল দেখুৱাবলৈ যত্ন কৰিছোঁ।[২] আগতে উল্লেখ কৰি অহাৰ দৰে প্ৰেমলতাক ভাগৱতৰ সংক্ষিপ্ত ৰূপ বুলিয়েই কৰ পাৰি। ভাগৱতত উল্লিখিত পৰম গোপ্য প্ৰেম ভক্তিৰ ইঙ্গিত দি ভক্ত উদ্ধৱক দিয়া শ্ৰীকৃষ্ণৰ মধুৰ উপদেশ আৰু 'অজামিল উপখ্যান'ৰ জৰিয়তে হৰিনামৰ মহিমাৰ ব্যাখ্যা দিছে।

ভাগৱতৰ একাদশ অধ্যায়ত উদ্ধৱক কৃষ্ণই কৈছে -

শুনিযো উদ্ধৱ সি সি সাধু বুদ্ধিমন্ত ।
পৰম চতুৰ সি সি মনুষ্য মহন্ত ।।
মোকে মাত্ৰ ভৈজ যিটো তেজি ধৰ্ম্ম নিজ ।
মিছা কলেৱৰ কৰৈ মুকুতি বানিজ ।।১৭৭৩৮ ।। [৩]

ভক্তি প্ৰেমলতা ঃ একাদশ স্কন্ধে উদ্ধৱত কহিলন্ত ।
বোলন্ত শুনিয়ো সখি সাধু বুদ্ধিমন্ত ।।

---

১। সতেন্দ্ৰ নাথ শৰ্মা ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃঃ ১০১, ১০২ ।

২। শ্ৰীহৰিনাৰায়ণ দত্তবৰুৱা (সম্পাঃ)ঃ শ্ৰীমদ্ভাগৱত।

৩। প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ১৩৪৬ ।

পৰম বিবেকাচাৰী সদা শুদ্ধ চিত ।
স্বধৰ্মত ৰত বেদ নিষেধ বৰ্জ্জিত ।। ৩১ ।। [৪]

অজামিল উপাখ্যানৰ ক্ষেত্ৰত ভাগৱতত পোৱা যায়, যমৰ দূতক যমৰাইয়ে কৈছে

ভৃগু আদি ঋষি যত জগত প্ৰখ্যাত ।
মহাসিদ্ধ সবো যাক নজানে সাক্ষাত ।। ৫৫৯২
দশো দিগ পাল আনো সুৰাসুৰ গনে ।
নজানন্ত বিদ্যাধৰ কিন্নৰ চৰণে ।।
পৰম ৰহস্য নাম নজানে জগতে ।
মনুষ্যে জানিব আৰে তাক কেনমতে ।। ৫৫৯৩।।[৫]

ভক্তি প্ৰেমলতা ঃ

দেৱ ঋষি নৰ সিদ্ধ চাৰণ কিন্নৰ ।
সাধ্য বিদ্যাধৰ আৰু গন্ধৰ্ব্ব অপ্সৰ ।। ৩৭
অসুৰ ৰাক্ষস আনো যতেক আছয় ।
আতি শুদ্ধ ধৰ্ম্ম যিটো তাক নজানয় ।।
বুলিবি সংসাৰে যেবে কেহো নজানয় ।
আছে বুলি সিটো ধৰ্ম্ম প্ৰত্যয় কেনয় ।। ৩৮ ।। [৬]

এই প্ৰসংগত ভাগৱতৰ ষষ্ঠ অধ্যায়ত উল্লেখ আছে

ব্ৰহ্মা মহেশ্বৰ প্ৰহ্লাদ নাৰদ
কপিল কুমাৰ মুনি ।
ভীষ্ম স্বায়ম্ভূৱ ব্যাস সুত শুক
জনক জানা আপুনি ।। ৫৬০৩
দৈত্য সুৰ বলি মই যমৰায়
মোৰ কিনো ভাগ্যোদয় ।
এহি বাৰজনে জানো ইটো ধৰ্ম
জানিবা দূত নিশ্চয় ।। ৫৬০৪ ।। [৭]

৪। শ্ৰীহৰিনাৰায়ণ দত্তবৰুৱা (সম্পাঃ) ঃ ভক্তি প্ৰেমলতা, পৃঃ ৬ ।
৫। শ্ৰীমদ্ভাগৱত ঃ পৃঃ ৪২৪ ।
৬। ভক্তি প্ৰেমলতা ঃ পৃঃ ৮ ।
৭। শ্ৰীমদ্ভাগৱত ঃ পৃঃ ৪২৫ ।

ভক্তি প্ৰেমলতা ঃ

ব্ৰহ্মা হৰ মনু ভীষ্ম নাৰদ প্ৰহ্লাদ ।।
কুমাৰ কপিল শুক জনক বলি আমি ।
এহি বাৰজনে শুদ্ধ ধৰ্ম আছো জানি ।। ৩৯ ।।[৮]

ভাগৱতৰ সপ্তম স্কন্ধত প্ৰহ্লাদ চৰিত্ৰৰ উল্লেখ প্ৰসংগত কৈছে-

দেৱ দ্বিজ ঋষি তাৰ নলাগে হৈবাক ।
নালাগে বহুত শাস্ত্ৰ তাকো জানিবাক ।।
সদাচাৰ আদি আনো যতেক আছয় ।
এতেকতে মুকুন্দৰ প্ৰীতি নাহিকয় ।। ৭০০৬
দান তপ দেৱ পূজা শৌচ ব্ৰতচয় ।
অহিংসা নিয়ম সব দ্বাদশ আছয় ।।
দ্বাদশ যজ্ঞক যদি সততে কৰয় ।
নুহিকন্ত তাত তুষ্ট জানা কৃপাময় ।। ৭০০৭
শুনিযো তাহাত তুষ্ট দৈত্য শিশুচয় ।
নিষ্কাম ভকতি যিটো সততে কৰয় ।।
তেৱে তুষ্ট হোন্ত ভগৱন্ত দযাময় ।
অনায়াসে তেৱে ঘোৰ সংসাৰ তৰয় ।। ৭০০৮ ।।[৯]

ভক্তি প্ৰেমলতা ঃ

বোলন্ত শুনিযো সবে দৈত্য শিশুজাক ।
মুকুন্দদেৱক আতি প্ৰীতি কৰাইবাক ।।
নলাগয় দেৱ ঋষি ব্ৰাহ্মণ হুইবাক ।
সদাচাৰ বহুতৰ শাস্ত্ৰ জানিবাক ।। ৪৪
দান ব্ৰত তপ শৌচ পূজন দেৱৰ ।
ই সব সকলে ব্যৰ্থ জানিবাহা সাৰ ।।
কেৱল নিষ্কাম ভকতিতে তুষ্ট হৰি ।
জানিযা ভজিযো সবে শঙ্কাদূৰ কৰি ।।৪৫।। [১০]

৮। ভক্তি প্ৰেমলতা ঃ পৃঃ ৮ ।
৯। শ্ৰীমদ্ভাগৱত ঃ পৃঃ ৫২৯ ।
১০। ভক্তি প্ৰেমলতা ঃ পৃঃ ৪ ।

ভাগৱতৰ প্ৰথম স্কন্ধত নাৰদে নিজৰ জন্ম বৃতান্ত কোৱাৰ প্ৰসংগত এনেদৰে কৈছে-

উপৰি জন্মৰ কথা শুনিয়ো আমাৰ ।
আছিলোহো আমি দ্বিজ দাসীৰ কুমাৰ ।।
কৃষ্ণৰ ভকত চাৰি পৰম সন্ন্যাসী ।
বঞ্চিলা বাৰিষা ব্ৰাহ্মণৰ ঘৰে আসি ।। ৪৬ ।।[১১]

উক্ত পদ কেইটি ফাঁকিৰ ছাঁতে আউজি অনন্ত ঠাকুৰেও লিখিছে-

নাৰদে কহিছে যেন আপোন বৃতান্ত ।
বোলন্ত শুনিয়ো ব্যাস ঋষি মহাসন্ত ।।
পূৰৱ জনমে এক ব্ৰাহ্মণ দাসীত ।
উপজিয়া ভক্তিময়ী পাইলা যেনবিত ।।৯৪
সেহি ব্ৰাহ্মণৰ ঘৰে বৰিষ বঞ্চিত ।
পৰম মহন্ত চাৰি ভৈলা উপস্থিত ।।
ব্ৰাহ্মণে দেখিলা চাৰি সন্ন্যাসী ৰহিলা ।
পৰম আনন্দ হুয়া আমাক বুলিলা ।৯৫ ।। [১২]

ৰতি ভক্তি কথন সম্পৰ্কত ভাগৱতত দুলড়ী ছন্দত উল্লেখ আছে এনেদৰে -

নিদগতি সূত শুনিয়ো শৌনক
ভীষ্মৰ মোক্ষ উৎসৱ ।
দেখাই নিজ ৰূপ প্ৰত্যেকে আছন্ত
আগত বসি মাধৱ ।।
চক্ষু মেলি সেহি কৃষ্ণৰ ৰূপতে
থাপিলা কৃষ্ণৰ মন ।
মহা ফল প্ৰেম ৰতিক প্ৰাৰ্থন্তে
কৰন্ত গুণ বৰ্ণন ।।১৫৭
ত্ৰিভুৱন মধ্যে সুন্দৰ শৰীৰ
নীল তমালৰ বৰ্ণ ।
ৰবিকৰ গৌৰ বসনে প্ৰকাশে
মকৰ কুণ্ডলে কৰ্ণ ।।

---

১১। শ্ৰীমদ্ভাগৱত ঃ পৃঃ ৪ ।
১২। ভক্তি প্ৰেমলতা ঃ পৃঃ ২১ ।

অলকা আবৃত মুখ পঙ্কজক
দেখন্তো উল্লসে মতি ।
হেনয় ঈশ্বৰ বিজয় সখিত
থাকোক নিষ্কাম ৰতি ॥ ১৫৮ ॥ [১৩]

ইযাৰ আশ্ৰয়তে অনন্ত ঠাকুৰেও প্ৰেমলতাত ৰতিভক্তি কথন অধ্যায় হিচাপে ছবি ছন্দত এটা ভাগ কৰিছে -

ভকত বৎসল আদি গুণ বৰ্ণাৰন্তে ভীষ্ম
মহাফল ৰতিক প্ৰাৰ্থন্ত ॥ ১৪৪
তিনিও ভুৱনে এক কমনীয় ৰূপ যাৰ
নীল তমালৰ সম বৰ্ণ ।
তাতে দিব্য পীতবাস প্ৰকাশন্ত আছে আতি
প্ৰভাত ৰবিৰ ৰশ্মি যেন ॥
ত্ৰিজগত সখি প্ৰভু তযু পাদ পঙ্কজত
বহোক নিষ্কাম ৰতি মোৰ ।
অলকে আবৃত মুখ প্ৰফুল্ল পদ্মত যেন
পৰি আছে ভ্ৰমৰ নিকৰ ॥ ১৪৫ ॥ [১৪]

ভাগৱতৰ দ্বিতীয় অধ্যায়ত আছে -

শ্ৰৱন কীৰ্তন কৰি কৃষ্ণক আৰাধে ।
মহা মোক্ষ সাধে একো বিঘিনি নবাধে ॥
যাত হন্তে হোৱে ৰতি কৃষ্ণৰ চৰণে ।
নাহিকে সুগম আত পৰে ত্ৰিভুৱনে ॥ ৪৪১
পূৰ্বত ব্ৰহ্মায়ে একচিত্তে তিনিবাৰ ।
বেদত বিচাৰি এহি মানেপাইলা সাৰ ॥
শ্ৰৱন কীৰ্তন মাত্ৰ সুগম ভকতি ।
অল্পতে উপজে গোবিন্দত প্ৰেমৰতি ॥ ৪৪২ ॥ [১৫]

ভক্তি প্ৰেমলতা -

দ্বিতীয়তো শুকে কন্ত নৃপতিক সম্বোধিয়া
পূৰ্ব্বে ব্ৰহ্মা মহাযত্ন কৰি ।

১৩। শ্ৰীমদ্ভাগৱত ঃ পৃঃ ১২ ।
১৪। ভক্তি প্ৰেমলতা ঃ পৃঃ ৩২-৩৩ ।
১৫। শ্ৰীমদ্ভাগৱত ঃ পৃঃ ৩৫ ।

চাৰিখান বেদ আনি তিনিবাৰ বিচাৰিলা
সমস্তে বিষয় পৰিহৰি ॥
বেদ বিচাৰিয়া ব্ৰহ্মা এহি মানে সাৰ পাইলা
কৃষ্ণ ৰতি হোৱে যাত হন্তে ।
এতেকেসে মহাফল কৃষ্ণৰতি সুমঙ্গল
কহি আছা ঐকান্তিক সন্তে ॥ ১৪৭
মোক্ষতো অধিক ইটো ফল ৰূপা কৃষ্ণ ৰতি
পৰম দুৰ্লভ জানা আক ।
নিষ্কামে সন্তক সেৱি যিজনে প্ৰাৰ্থনা কৰে
তেবে কৃষ্ণদেৱে দেন্ত তাক ॥১৪৮॥ [১৬]

ৰাসলীলাৰ বৰ্ণনাখিনি অনন্ত ঠাকুৰে দশম স্কন্ধ আৰু কীৰ্তনৰ ৰাসলীলা খণ্ডৰ পৰা হুবহু অনা যেনেই লাগে। ভাগৱতৰ পদৰ লগত প্ৰেমলতাৰ সাদৃশ্য বেছ মনকৰিবলগীয়া ঃ

ভাগৱত ঃ স্বামী আছে গৃহতে কিসক ভৈলা ভ্ৰান্তি ।
কৰিয়ো শুশ্ৰূষা তাক তুমি সব শান্তি ॥ ১১৮৯১॥ [১৭]
প্ৰেমলতা ঃ স্বামী আছে গৃহতে কিসক হোৱা ভ্ৰান্তি ।
কৰিবা শুশ্ৰূষা তাক তুমি সব শান্তি ॥ ২৭৮ ॥ [১৮]
ভাগৱত ঃ স্বামীৰেসে সেৱা কুলস্ত্ৰীৰ মহাধৰ্ম ।
পুত্ৰসব পুষিব কৰিয়া গৃহ কৰ্ম ॥ ১১৮৯৫॥ [১৯]
কীৰ্তন ঃ স্বামীৰ শুশ্ৰূষা কুলস্ত্ৰীৰ মহা ধৰ্ম্ম ।১৭॥ [২০]
প্ৰেমলতা ঃ স্বামীৰেসে সেৱা কুলস্ত্ৰীৰ মহাধৰ্ম ।
পুত্ৰসব পুষিবে কৰিবে গৃহকৰ্ম ॥২৭৯ ॥[২১]
ভাগৱত ঃ যদি কলা জবা কণা কুজা হোৱৈ পতি ।
তথাপি নেৰিবা হেন শাস্ত্ৰৰ সন্মতি ॥ ১১৮৯৫ ॥ [২২]

---

১৬। ভক্তি প্ৰেমলতা ঃ পৃঃ ৩৪ ।
১৭। শ্ৰীমদ্ভাগৱত ঃ পৃঃ ৮৯৬ ।
১৮। ভক্তি প্ৰেমলতা ঃ পৃঃ ৬২ ।
১৯। শ্ৰীমদ্ভাগৱত ঃ পৃঃ ৮৯৬ ।
২০। শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী (সম্পাঃ) ঃ কীৰ্তন ঘোষা আৰু নাম ঘোষা, পৃঃ ২০২ ।
২১। ভক্তি প্ৰেমলতা ঃ পৃঃ ৬২ ।
২২। শ্ৰীমদ্ভাগৱত ঃ পৃঃ ৮৯৬ ।

প্ৰেমলতা ঃ যদি কলা কণা কুজা বৃদ্ধ হোঁৱৈ পতি ।
তাহাকো সেৱিবে হেন শাস্ত্ৰৰ সন্মতি ॥ ২৭৯ ॥ [২৩]

ভাগৱত ঃ উপপতি সমে ক্ৰীড়া কৰ্ম গৰিহিত ।
পৰ্বত সমান পাপ-সৌকাৰ্য্য কিঞ্চিত ॥ ১১৮৯৬ ॥[২৪]

কীৰ্তন ঃ উপপতি সমে ক্ৰীড়া গৰিহিত কৰ্ম্ম । ১৭॥ [২৫]

প্ৰেমলতা ঃ উপপতি সমে কাম ক্ৰীড়া গৰিহিত ।
পৰ্বত সমান পাপ সুকাৰ্য্যে কিঞ্চিত ॥ ২৮০ ॥ [২৬]

ভাগৱত ঃ হেনয় বিপ্ৰিয় পাচে শুনি গোপীগণ ।
পাইলেক দুৰন্ত চিন্তা বিবৰ্ণ বদন ॥ ১১৯০০ ॥[২৭]

কীৰ্তন ঃ পাইলন্ত দুৰন্ত চিন্তা বিমৰ্ষ বদন । ১৯॥ [২৮]

প্ৰেমলতা ঃ হেনয় বিপ্ৰিয় পাচে শুনি গোপীগণ ।
পাইলেক দুৰন্ত চিন্তা বিবৰ্ণ বদন ॥ ২৮৯ ॥[২৯]

ভাগৱত ঃ উপজিল খেদ হৃদয়ত মৰ্ম চৰৈ ।
ধাৰাযে লোতক নয়নৰ পৰা পৰৈ ॥ ১১৯০১ ॥[৩০]

প্ৰেমলতা ঃ উপজিল খেদ হৃদয়ত মৰ্ম চৰৈ।
ধাৰায়ে লোতক নয়নৰ পৰা চৰৈ ॥ ২৮১॥[৩১]

ভাগৱত ঃ সব গৃহ সুখ তেজি ভজিলো তোমাৰ পাৱে
ভকত বৎসল হেন জানি ॥
কায়বাক্য মনে আমি তোমাকেসে সেৱা কৰো
কেনে বোলা নিদাৰুণ বাক ।

---

২৩। ভক্তি প্ৰেমলতা ঃ পৃঃ ৬২ ।
২৪। শ্ৰীমদ্ভাগৱত ঃ পৃঃ ৮৯৬ ।
২৫। কীৰ্তন ঘোষা ঃ পৃঃ ২০২ ।
২৬। ভক্তি প্ৰেমলতা ঃ পৃঃ ৬৩ ।
২৭। শ্ৰীমদ্ভাগৱত ঃ পৃঃ ৮৯৬ ।
২৮। কীৰ্তন ঘোষা ঃ পৃঃ ২০২ ।
২৯। ভক্তি প্ৰেমলতা ঃ পৃঃ ৬৪ ।
৩০। শ্ৰীমদ্ভাগৱত ঃ পৃঃ ৮৯৬ ।
৩১। ভক্তি প্ৰেমলতা ঃ পৃঃ ৬৩ ।

ভকতক ত্যাগ প্ৰভু　　　　তোমাৰ উচিত নুই
দাসী বুলি ধৰিয়ো আমাক ।। ১১৯০৪।।[৩২]

কীৰ্তন ঃ　　সমস্ত বিষয় এড়িয়া স্বামী ।
ভজিলো তোমাৰ চৰণে আমি ।।২২
ভজিয়ো আমাক মিলোক ভাগ ।
নকৰা নাথ ভকতক ত্যাগ ।। ২৩ ।।[৩৩]

প্ৰেমলতা ঃ　　সব গৃহ সুখ তেজি ভজিলো তোমাক ।। ২৮৩
ভকত বৎসল হেন জানি আছো মনে ।
তোমাকেসে সেৱা আমি কৰো ৰাত্ৰি দিনে ।।
এতেকেসে ভক্তক তেজিবে নুসুৱায় ।
দাসী বুলিয়োক আমাক গোসাই ।। ২৮৪।।[৩৪]

ভাগৱত ঃ

এতেকে পণ্ডিত যিটো　　　　তোমাবেসে কৰৈ ৰতি
পতি পুত্ৰ তেজিয়া জঞ্জাল ।
চিৰকাল যিটো আশা　　　　কৰিছো তোমাৰ পাৰে
তাক ভঙ্গ নকৰা গোপাল ।। ১৯৯০৫ ।।[৩৫]

কীৰ্তন ঃ　　কৰিছো আশা যিটো চিৰকাল ।
নকৰিযো তাক ভঙ্গ গোপাল ।। ২৫ ।। [৩৬]

প্ৰেমলতা ঃ　　এতেকেসে মায়াময় তেজিয়া জঞ্জাল ।
ভজিলোহো আশা ভঙ্গ নকৰা গোপাল ।। ২৮৬।। [৩৭]

ভাগৱত ঃ

নচায়ে আনক চক্ষু　　　　চৰণ তোমাৰ এৰি
খোজেকো নকাঢ়ে আউব ভৰি ।

---

৩২। শ্ৰীমদ্ভাগৱত ঃ পৃঃ ৮৯৬-৯৭।
৩৩। কীৰ্তন ঘোষা ঃ পৃঃ ২০৩ ।
৩৪। ভক্তি প্ৰেমলতা ঃ পৃঃ ৬৩ ।
৩৫। শ্ৰীমদ্ভাগৱত ঃ পৃঃ ৮৯৭ ।
৩৬। কীৰ্তন ঘোষা ঃ পৃঃ ২০৪ ।
৩৭। ভক্তি প্ৰেমলতা ঃ পৃঃ ৬৪ ।

তুমি বিনা ইটো কৰ্ণে আৰ একো নুশুনয়
ব্ৰজে গৈয়া কি কৰিবো হৰি ॥ ১১৯০৬ ॥[৩৮]

প্ৰেমলতা ঃ তয়ু মুখ দেখি আমি নাযায় আন ভিতে ।
কৰ্ণেও নুশুনে আন ৰৈল তয়ু গীতে ॥
তোমাক তেজিয়া ভৰি খোজেকো নাযায় ।
দিয়োক উত্তৰ নাথ কিয় আছা চাই ॥ ২৮৮ ॥ [৩৯]

কীৰ্তন ঃ কহিলা যিটো কুলস্ত্ৰীৰ কৰ্ম্ম ।
তোমাতে থাকোকে সিসৱ ধৰ্ম্ম ॥ ২৩ ॥ [৪০]

প্ৰেমলতা ঃ যিটো কৈলা কুলস্ত্ৰীৰ ধৰ্ম্মক আপুনে ।
সেহি ধৰ্ম্ম ৰৌক তয়ু অভয় চৰণে ॥ ২৮৫ ॥ [৪১]

ভাগৱত ঃ তোমাসাৰ প্ৰেম ভকতিত ভৈলো বন্দী ॥
যেৱে সৱে স্নেহত আপুনি এৰা দায় ।
তেৱেসে নিৰ্ধাৰী হওঁ ঋন শুজা যায় ॥ ১২১০৫ ॥[৪২]

প্ৰেমলতা ঃ তোমাসাৰ প্ৰেমে সত্যে সত্যে মোক
থৈলাহা অধীন কৰি ॥
তোমাসাৰ ইটো মহা প্ৰেমজন
সুজিবাক নপাৰওঁ ।
যদি স্নেহ কৰি সবেয়ো দায়ায়
তেবেসে নিৰ্দ্ধাৰী হওঁ ॥ ৪২৪॥[৪৩]

ভাগৱত ঃ কতো গোপী ভৈল কৃষ্ণ ক্ৰীড়াতে আকুল ।
সোলকয় বলয় খোপাৰ খসৈ ফুল ॥
কৃষ্ণতে আৱজি জিৰাৱয় কৰি কেলি ।
আতি প্ৰাতি কান্ধত ধৰিয়া বাহু মেলি ॥ ১২১৩৩

৩৮। শ্ৰীমদ্ভাগৱত ঃ পৃঃ ৮৯৭ ।
৩৯। ভক্তি প্ৰেমলতা ঃ পৃঃ ৬৪ ।
৪০। কীৰ্তন ঘোষা ঃ পৃঃ ২০৩ ।
৪১। ভক্তি প্ৰেমলতা ঃ পৃঃ ৬৩ ।
৪২। শ্ৰীমদ্ভাগৱত ঃ পৃঃ ৮১২ ।
৪৩। ভক্তি প্ৰেমলতা ঃ পৃঃ ৯৪ ।

কতো গোপনাৰীৰ নোহলাই মুখে মাত ।
শ্ৰান্ত হুয়া শোৱৈ আসি কৃষ্ণৰ কোলাত ॥
দুই বাহু মেলি হৰি ধৰন্ত সাৱটি ।
ফোফাই চক্ষু মুদি যেন আসিল ঘুমটি ॥ ১২১৩৪
কতো ৰতিবসে আতি সন্তোষিল কাম ।
ভাগৰে পীড়িল গাৰে গোৰে বহে ঘাম ॥
শৰীৰত সিঞ্চি কৃষ্ণে সুশীতল জলে ।
সাৱটি বিঞ্চন্ত ধৰি বস্ত্ৰৰ আঞ্চলে ॥ ১২১৩৫ ॥ [৪৪]

প্ৰেমলতা ঃ
গোপীগণ সমে কৰিলন্ত ৰাস কেলি ॥
কোনো গোপী নৃত্যৰ বেগত শ্ৰান্ত পাই ।
কৃষ্ণ কোলে শুতি আতি থাকন্ত ফোকাই ॥ ৪৫২
দেখি প্ৰভু স্নেহে ধৰি শ্ৰম গুচাৱন্ত ।
নিজ পীতবস্ত্ৰে ধৰি বসিয়া বিঞ্চন্ত ॥
কোনো গোপী ৰতিৰস কৰন্তে আকুল ।
সোলকিল খোপা বান্ধি পিন্ধাৱন্ত ফুল ॥ ৪৫৩
কতো গোপী ৰতিৰস ভৰে শ্ৰান্ত ভৈলা ।
সৰ্ব্ব অঙ্গে ঘৰ্ম্মজল বহিবাক লৈলা ॥
দেখি হৰি কোলে ধৰি যিটো ঘৰ্ম্মজল ।
নিজ কৰপদ্মে মাজি গুচান্ত সকল ॥ ৪৫৪
কোনো গোপিনীৰ কণ্ঠে ধৰি বাহু মেলি ।
মুখে মুখে দিয়া চুম্বি ৰঙ্গে কৰে কেলি ॥
এহিমতে প্ৰেমাধীন হুয়া ভগৱন্ত ।
গোপীগণ সমে ৰাস ক্ৰীড়া কৰিলন্ত ॥ ৪৫৫ । [৪৫]

ভাগৱতৰ দশম স্কন্ধত উল্লিখিত ৰাসলীলাৰ ভাৱধাৰা সম্পূৰ্ণৰূপে শংকৰদেৱৰ কীৰ্তন ঘোষাতো বিদ্যমান। সেয়েহে দত্তবৰুৱাদেৱে কৈছে, শ্ৰীমন্ত শংকৰদেৱৰ 'কীৰ্তন ঘোষা'ৰ ৰাসৰ ভাৱ ইয়াত বেছি ভাগেই ফুটি ওলাইছে।[৪৬] ইয়াৰ পিছত অনন্ত ঠাকুৰে একান্ত ভক্তৰ প্ৰতি ভগৱন্তৰ বশ্যতা কথন সম্পৰ্কিত বিষ্ণুপুৰী কৃত 'ৰত্নাৱলী' আৰু 'বৈষ্ণৱ আনন্দ-লহৰীৰ'

---

৪৪। শ্ৰীমদ্ভাগৱত ঃ পৃঃ ৯১৫।
৪৫। ভক্তি প্ৰেমলতা ঃ পৃঃ ১০০ ।
৪৬। ভক্তি প্ৰেমলতা ঃ পাতনি ।

পদৰ উল্লেখ কৰি গৈছে। ইয়াৰ পিছত কবিয়ে দৃঢ় প্ৰেমভক্তিৰ বৰ্ণনা কৰিবলৈ গৈ ভাগৱতৰ একাদশ অধ্যয়ত থকা শ্ৰীকৃষ্ণ-উদ্ধৱ-সংবাদৰ পদৰ অৱতাৰণা কৰিছে। ভাগৱতত কৃষ্ণদেৱে উদ্ধৱক কৈছে ঃ

ব্ৰহ্মাহৰ হলায়ুধ লক্ষ্মী প্ৰিয় জায়া।
পৰম সুন্দৰ মোৰ দেখা কেনে কায়া ॥
অধিক সবাতে তুমি প্ৰাণ প্ৰিয়তম ।
নাহি আন বান্ধৱ উদ্ধৱ তুমি সম ॥ ১৭৬২৮।[৪৭]

প্ৰেমলতা ঃ

বোলন্ত শুনিয়ো সখি ভক্ত আতি প্ৰিয়তম
তুমি মোৰ অধিক সবাতে ।
যদি ব্ৰহ্মাপুত্ৰ কন্ত মহেশ্বৰ আত্মা হোন্ত
ভাই যদি বলভদ্ৰ হোন্ত ॥
যদি লক্ষ্মী ভাৰ্য্যা আতি ইটো মোৰ নিজ মূৰ্ত্তি
তভো মোৰ তুমিসে অধিক ॥
জানা ইটো সত্যবাণী হেন সখি মহা মানী
জানা মোৰ তুমি একান্তিক ॥ ৪৭৮ ॥[৪৮]

কৃষ্ণই পৰম ভক্তা গোপীসকলক নিজৰ প্ৰাণতকৈয়ো অধিক ভাল পাইছিল। সেয়েহে কৃষ্ণৰ মথুৰা যাত্ৰাত গোপী সকলৰ বিৰহ কাতৰা অৱস্থা অতি দুখলগা । সেই অৱস্থাৰ পৰা মুক্ত কৰিবৰ বাবে কৃষ্ণৰ বতৰা দি পৰম বন্ধু উদ্ধৱক গকুল-লৈ পঠালে, কৃষ্ণৰ বাৰ্তা বাহক হিচাপে। ভাগৱতৰ উক্ত ঘটনাংশৰ পদৰ অনুকৰণকে অনন্ত ঠাকুৰেও সুন্দৰ ভাৱে গ্ৰহণ কৰিছে।

মথুৰা পুৰীত সিটো বৃষ্ণি বংশ মাজে ।
নাই মোৰ সখি মুখ্যমন্ত্ৰী তুমি বাজে ॥১২৮৭৬
শিষ্য বৃহস্পতিৰ বুদ্ধিত নাহি তুল ।
মোহোৰ বচনে চলা এখনে গোকুল ॥১২৮৭৭
০০০
মোহোৰ বিয়োগ দুখে গোপীগণ যত ।
ছাড়ৈ প্ৰাণ নাই কাৰো চেতন গাৱত ॥১২৮৭৮

---

৪৭। শ্ৰীমদ্ভাগৱত ঃ পৃ ঃ ১৩৩৮।
৪৮। ভক্তি প্ৰেমলতা ঃ পৃ ঃ ১০৫।

০০০

সিটো গোপীসব মোব প্ৰাণতো অধিক ।
শুনা সখি তাসম্বাৰ প্ৰেম ভকতিক ।।১২৮৭৯

০০০

গোপীসবে ৰাখি আছে যি কাৰণে প্ৰাণ ।
বান্ধৱ উদ্ধৱ শুনা তাহাৰ নিদান ।।১২৮৮৩
যি কালত আইলো মই মথুৰা পুৰীক ।
মাতিয়া প্ৰবোধ দিলো সমস্তে গোপীক ।।
মোৰ পদে সখি সব নুহিবা আকুল ।
পৰৱৰ্ত্তি অল্পকালে আসিবো গোকুল ।। ১২৮৮৪
প্ৰাণতো অধিক মোৰ সিটো গোপীচয় ।
তাসম্বাৰ দুখে আৰ নসহে হৃদয় ।।
হেন জানি সত্বৰে চলিয়ো গোপপুৰ ।
বচন সন্দেশ কৈয়া কৰা দুখ দৰ ।। ১২৮৮৭ ।। [৪৯]

প্ৰেমলতা ঃ

দশমতো ছয়াধিক চল্লিশত হাতে ধৰি
উদ্ধৱক বোলা নাৰায়ণে ।
ইটো ভোজ বৃষ্ণি বংশে তুমি সম প্ৰিয় নাই
গোপ্য মোৰ কৰিব যিজনে ।। ৪৮৩
এতেকে উদ্ধৱ সখি গোকুলে চলিয়ো তুমি
গোপীক সান্তনা কৰা যায় ।
মোহোৰ বিৰহ সখি গোপিনী নধৰে প্ৰাণ
দিবসে শতেক যুগ যায় ।।
বুলিবা পৰক শান্ত কৰাইবাব কোন ফল
ইটো বাক্য নোবোলা গোপীক ।
মোৰ অৰ্থে গোপীসব সমস্তকে তেজিলেক
গোপী মোৰ প্ৰাণতো অধিক ।। ৪৮৪

৪৯। শ্ৰীমদ্ভাগৱত ঃ পৃ ঃ ৯৭২।

কি কাৰণে গোপীসবে প্ৰাণধৰি আছা সখি
শুনা কহো তাহাব নিদান ।
অলপতে আসিবোহো বুলি আশা দিলো যাতো
নুহি তেজিলয় হন্তে প্ৰাণ ॥
হেন জানি গোপিনীক শান্তনা কৰিয়ো যাই
মোৰ সন্দেশৰ কথা কই ।
গোপিকাৰ কথা শুনি প্ৰাণ মোৰ নসহয়
তনু মন অধিকে দহয় ॥৪৮৫॥ [৫০]

ইয়াৰ পিছত কবিয়ে জয়দেৱৰ পদৰ আভাসেৰে দৃঢ় প্ৰেম ভক্তিৰ বৰ্ণনা অধিক প্ৰকট কৰিছে। এনেকৈ ক্ৰমে নৱসিদ্ধব নিমিক উপদেশ, উদ্ধৱৰ নন্দ-যশোদাক ভগৱন্তৰ জ্ঞান, নাৰদৰ ব্যাসক ভগৱন্ত তত্ব প্ৰদান, প্ৰহ্লাদৰ দৈত্য শিশুগণক ভগৱানৰ উপদেশ দান, ভৰতৰ পূৰ্ব্ব জন্মৰ বৃতান্ত কথনৰ উল্লেখ কৰিছে। এনেকৈয়ে সুতে পৰীক্ষিতক শৌনক আদি মুনিসকলব সন্মুখত ভূত-ভৱিষ্যৎ আৰু বৰ্তমানৰ শ্ৰেষ্ঠ ভক্তজনক কৃষ্ণভক্তিৰ নৱগোটাক্ৰম বৰ্ণনা কৰি ভক্তি প্ৰেমলতাক সমাপ্ত কৰি কৃষ্ণৰ চৰণত অৰ্পণ কবিছে।

এই খিনিতে উল্লেখযোগ্য যে বৈষ্ণৱ যুগৰ অন্যান্য কবি-সাহিত্যিকৰ দৰে অনন্ত ঠাকুৰেও গ্ৰন্থব সামবণিত নিজব আত্ম-পৰিচয় দিবলৈ পাহৰা নাই। ভাগৱতৰ একাদশ স্কন্ধৰ ১৮০২০-১৮০২৬ নং পদত মহাপুৰুষ শংকৰদেৱে নিজৰ আত্ম পৰিচয় দি গৈছে [৫১] আৰু তাৰ অনুকৰণতে আমাৰ অনন্ত ঠাকুৰেও ভক্তি প্ৰেমলতাৰ ৫১২-৫১৭ নং পদত নিজব আত্ম পৰিচয় দুলড়ী ছন্দত লিপিবদ্ধ কৰিছে[৫২] আৰু ৫১৮ নং পদৰ পৰা ৫২৩ নং লৈ ছবি ছন্দত গ্ৰন্থ সমাপ্তিৰ কথা উল্লেখ কৰিছে। তলত গ্ৰন্থকাৰৰ পৰিচয় আৰু গ্ৰন্থ সমাপ্তিৰ পদৰ উদ্ধৃতি দিয়া হ'ল ঃ

০ ০ ০

যশচন্দ্ৰ খাঁ যে আছিলন্ত ভূঞা
সৰ্ব্বভূঞা অনুপাম ।
তাহানে কনিষ্ঠ ভাতৃ মহাশিষ্ট
যাব শুকাই গিৰি নাম ॥ ৫১২
তাহানে তনয় যদু সুধাশয়
গুণৰ নাহিকে অন্ত ।

৫০। ভক্তি প্ৰেমলতা ঃ পৃ ঃ ১০৮।
৫১। শ্ৰীমদ্ভাগৱত ঃ পৃ ঃ ১৩৬৭।
৫২। ভক্তি প্ৰেমলতা ঃপৃঃ ১১৮-১১৯।

শ্ৰীভাগৱত টীকায়ে সহিতে
কণ্ঠত সদা বসন্ত ॥
শঙ্কৰ দেৱৰ ভাতৃ যে কনিষ্ঠ
হাঠিয়াৰ দলৈ খ্যাত ।
নামে ৰতিকান্ত পৰম মহন্ত
মহাজন সব খ্যাত ॥ ৫১৩
তাহানে তনয় আতি শুভানয়
ৰামচন্দ্ৰ নামে ভৈলা ।
জীউখানি মাত্ৰ জন্মিল তাহাৰ
এতেকে বৈকুণ্ঠে গৈলা ॥
নাতিনী খানিক ৰতিকান্ত দেৱে
তুলিলন্ত যত্ন কৰি ।
শুকাই পুত্ৰত যদুত আনিয়া
বিহা দিলা ৰঙ্গ কৰি ॥ ৫১৪
তান গৰ্ভে জাত তিনি পুত্ৰ খ্যাত
বৈষ্ণৱ সেৱক ভৈলা ।
চিদানন্দ নিত্যা- নন্দ কনিষ্ঠৰ
হৃদয়ান্দ নাম থৈলা ॥
জ্যেষ্ঠ দুইজন পৰম শোভন
মহাজনো বখানন্ত ।
কৃষ্ণকেসে মাত্ৰ চিন্তি দিনে ৰাত্ৰি
বিবাহক তেজিলন্ত ॥৫১৫
হৃদয়ানন্দ যে আমাকে বোলয়
সন্তৰ ধূলা সেৱাত ।
যদি যোগ্য নোহো তভো তুষ্ট হুয়া
অনন্ত নাম থৈলন্ত ॥ ৫১৬

০ ০ ০

ভক্তি প্ৰেমলতা সাৰ শুনা গুণ কহো আৰ
গাৱে শুনে বিচাবে যিজন ।

মোক্ষ আদি কামমানে সবে দূৰ ভৈল মনে
প্ৰেম বাঢ়িবেক অনুক্ষণ ॥
প্ৰেম ভক্তি ভৈল যাৰ কিবা ফল লাগে তাৰ
কৃষ্ণৰ বল্লভ সিটো আতি ।
প্ৰেমলতা আতিশয় মোক্ষ আদি তম কয়
নিৰূপয় কৃষ্ণ প্ৰেমভক্তি ॥ ৫২১
সন্ত সেৱা কৃপা শ্ৰদ্ধা শ্ৰৱণ উত্তম ৰতি
আত্মজ্ঞান দৃঢ়ে ভক্তি কৈলো ।
ভগৱন্ত তত্বজ্ঞান সৰ্ব্বজ্ঞাদি আবিৰ্ভাৱ
এহি নৱক্ৰম নিৰন্ধিলো ॥
তাৰ মধ্যে সুদুৰ্লভ ভকতি লতাৰ ফল
দুই গোটা প্ৰধান হোৱন্ত ।
ৰতি ভক্তি প্ৰেমময় মোক্ষোপৰি বিৰাজয়
একান্তি সকলো ভোগাৱন্ত ॥ ৫২২
আনৰ নাহিকে ভাগ তাহাক পাইবা লাগ
যিহেতু কৃষ্ণৰ গোপ্য আতি ।
নিজ ভৃত্যকেসে প্ৰভু কৃষ্ণপাৱে কৰে দান
কৈলো ভাগৱতৰ সন্মতি ॥
হে কৃষ্ণ কৃপাময় যেন মোৰ নছাৰয়
তযু পাদ পদ্মত ভকতি ।
ভক্তিৰস মকৰন্দ মূৰুখ অনন্তে মাগে
কৃষ্ণ পদে কৰিয়া প্ৰণতি ॥ ৫২৩

আমাৰ সংৰক্ষিত ১নং পুৰণি পুথিখনত কাব্যৰ শেষৰ পদ ফাঁকিত উল্লেখ আছে এনেদৰে ঃ

সত্যে সত্যে মঞি সৰণে পসিলো স্বামি
কৰণিয়া কৰি লৈয়ো মোক ।
শ্ৰৱণ কীৰ্ত্তন কৃত্য জন্মে জন্মে কৰিবহো
একান্তিৰ সঙ্গত থৈয়োক ॥
তেবে মোৰ মনোৰথ পৰিপূৰ্ণ হৱে প্ৰভু
এহি মানে কৰিলো গোচৰ ।

আবে সুনিয়োক প্রেম- লতা জন্ম জি কালত
হে সভাসদ নিবন্তব॥ ৫২১
উর্ম্মি বস বান চন্দ সকে প্রেমলতা জন্ম
পোসে তিথি পূর্ণিমাৰ ।
হে কৃষ্ণ পাদ পদ্ম ভৃঙ্গে অনন্তে ৰচিলা ৰঙ্গে
নিবন্তবে বোলা বাম বাম ॥ ৫২২ ॥[৫৩]

## শ্ৰীৰামকীৰ্তনত মাধৱ কন্দলী, দুৰ্গাবৰ, শংকৰদেৱ, মাধৱদেৱ আৰু ৰামায়ণ-চন্দ্ৰিকাৰ প্ৰভাৱঃ

শ্ৰীৰাম কীৰ্তন হৃদয়ানন্দৰ কাপৰ পৰা ওলোৱা এক মহান ৰামায়ণী কাব্য। গ্ৰন্থখনিৰ উল্লেখযোগ্য বৈশিষ্ট্য হ'ল এই যে, ইয়াক মহাপুৰুষ শংকৰদেৱৰ কীৰ্তন-ঘোষাৰ আৰ্হিৰে বিভিন্ন পদ আৰু ছন্দত ৰচনা কৰা। হৰিনাৰায়ণ দত্তবৰুৱাৰ মতে, এই কাব্যৰ ভিতৰত মনোহৰ বৰ্ণনা বহুত আছে, সেয়ে কাব্যখন ল'ৰা-ছোৱালীৰ বাবে শিশু-ৰামায়ণ আৰু ভকতৰ পক্ষে কীৰ্তন ঘোষা।[৫৪] কবিয়ে শ্ৰীৰাম-কীৰ্তন ৰচনাৰ ক্ষেত্ৰত কৰ পৰা কেনেকৈ আৰু কাক অনুকৰণ কৰিছিল তাৰ আভাসো কাব্যৰ ভিতৰত পোৱা যায়।

সাত কাণ্ড ৰামায়ণ বাল্মীকিৰ কৃত ।
তাৰ সাৰ উদ্ধাৰিয়া কৰিয়া বিবৃত ॥
ৰামায়ণ চন্দ্ৰিকা থৈলন্ত তাৰ নাম ।
কলাপ চন্দ্ৰ যে দ্বিজ মহন্ত উপাম ॥ ৬
তাৰ সাৰ অৰ্থ মই পাইবো কিবা ধিক ।
একে জ্ঞান হীন তাতে বুদ্ধিত অল্পিক ॥
তথাপিতো হৃদীশ্বৰ দেৱ অনুগ্ৰহে ।
তাৰ যেন অৰ্থ পাওঁ কৰিবো সংগ্ৰহ ॥ ৭
কীৰ্তনৰ ছন্দে বিৰচিবো পদ সাৰ ।
শ্ৰীৰাম কীৰ্তন নাম জানিবা ইহাৰ ॥ ৮ (আদি) [৫৫]

ড° সত্যেন্দ্ৰ নাথ শৰ্মাৰ মতে, কলাপ চন্দ্ৰৰ 'ৰামায়ণ-চন্দ্ৰিকা' সম্ভৱতঃ সংস্কৃতত ৰচিত আছিল। কাৰণ কবিয়ে সেই গ্ৰন্থৰ অৰ্থ যি সামান্যভাৱে বুজিছিল তাৰ ভিত্তিত গ্ৰন্থখন ৰচনা কৰা বুলি কৈছে। সংস্কৃতত নহৈ অসমীয়াও হব পাৰে, গ্ৰন্থখন

---

৫৩। ভক্তি প্ৰেমলতা (পুৰণি পুথি) ।

৫৪। হৰিণাৰায়ণ দত্তবৰুৱা(সম্পাঃ) সচিত্ৰ শিশুৰামায়ণ, বা শ্ৰীৰামকীৰ্তন ঃ পাতনি, পৃঃ জ ।

৫৫। প্ৰাগুক্ত গ্ৰন্থ ঃ পৃ ঃ ২-৩ ।

এতিয়া পাবলৈ নাই।[৫৬] মুঠতে পূৰ্ব অধ্যায়ত উল্লেখ কৰি অহাৰ দৰে উক্ত কাব্যখন অনন্ত আতাই শংকৰদেৱৰ সৰুকালৰ শিক্ষক কলাপচন্দ্ৰ দ্বিজৰ প্ৰণীত ৰামাযণ-চন্দ্ৰিকাৰ ছাঁ লৈ লিখে।

শ্ৰীৰামকীৰ্তনত কবিয়ে 'ৰামায়ণ-চন্দ্ৰিকা'ৰ পৰা সাৰ ভাগ গ্ৰহণ কৰা বুলি কৈছে যদিও মাধৱদেৱ কৃত আদিকাণ্ড ৰামায়ণৰ ঘটনাৱলীৰ লগতো 'শ্ৰীৰাম কীৰ্তন'ৰ আদিকাণ্ডৰ ঘটনাৰ সাদৃশ্য অধিক পৰিলক্ষিত হোৱা দেখা যায়। কেশদা মহন্তই উল্লেখ কৰিছে যে, শ্ৰীৰাম কীৰ্তনৰ ঘটনাৱলী মাধৱদেৱৰ আদিকাণ্ড আৰু শংকৰদেৱৰ উত্তৰা কাণ্ডৰ লগত একেবাৰে মিল আছে। উল্লেখযোগ্য যে শংকৰ-মাধৱে ৰামাযণী কথাৰ ক্ষেত্ৰত সম্পূৰ্ণভাৱে বাল্মীকিক অনুসৰণ কৰা নাই। তদুপৰি দুয়োগৰাকীৰ অনেক নিজা উদ্ভাৱনাও আছে। মাধৱদেৱৰ আদি কাণ্ডত থকা দশৰথৰ ওপৰত শনিৰ কোপবশতঃ ৰাজ্যত অনাবৃষ্টি হোৱা ঘটনাৱলী, কৈকেয়ীৰ বৰপ্ৰাপ্তি, বশিষ্ঠই দশৰথক ৰাম ঈশ্বৰৰ অৱতাৰ বুলি ৰাম লক্ষ্মণক বিশ্বামিত্ৰৰ লগত পঠাবলৈ দিয়া উপদেশ আদি অবাল্মীকিয় কথাৰ উপৰিও মাধৱদেৱে স্বতন্ত্ৰ ভাৱে ৰচনা কৰা সীতা-জন্মৰ কাহিনীও অনন্ত ঠাকুৰে অপৰিবৰ্ত্তিত ভাৱে গ্ৰহণ কৰিছে। [৫৭] এই খিনিতে এটি উল্লেখযোগ্য কথা যে মাধৱ কন্দলী ৰামায়ণ বা শংকৰী যুগৰ অন্যান্য ৰামায়ণৰ দৰে শ্ৰীৰাম কীৰ্তনতো পাঁচ কাণ্ডহে থকা নাই, ইয়াত সম্পূৰ্ণ সাত কাণ্ডই পোৱা যায়। ইয়ো কবি গৰাকীৰ এক মহান কীৰ্ত্তিয়েই বুলিব পাৰি। এই বিষয়ে আমি আগৰ অধ্যায়ত আলোচনা কৰি আহিছো।

শ্ৰীৰাম কীৰ্তনৰ আদি কাণ্ডত মুঠ দুশ পযত্ৰিশটা (২৩৫) চাবিশবীয়া পদ আছে। অৱশ্যে ড° শৰ্মাই দুশ তেপন্নটা (২৫৩) বুলি উল্লেখ কৰিছে।[৫৮] ইয়াতো মাধৱ কন্দলী ৰামায়ণৰ দৰে কাব্যৰ আৰম্ভণি বন্দনাৰে মঙ্গলাচৰণ কৰি দশৰথৰ বংশ পৰিচয়ৰ দ্বাৰা পৰশুৰামৰ গৰ্ব্ব চূৰ্ণ হোৱালৈকে মুঠ চৈধ্যটা খণ্ডত (১৪) ভাগ কৰি সুন্দৰ বৰ্ণনা উপস্থাপন কৰিছে। মাধৱদেৱৰ আদি কাণ্ডমতে দশৰথৰ সাতশ (৭০০) পত্নীৰ ভিতৰত তিনিগৰাকী মুখ্যতমা।

মাধৱদেৱ ঃ

এককে একে বিবাহ কৰিলা সাত শত ।
সবাতে প্ৰধান ভৈলা তিনি মহাদই ।।
কৌশল্যা সুমিত্ৰা সতী সুন্দৰী কৈকেয়ী ।। ২৫৯।। (আদি) [৫৯]

অন্যহাতে শ্ৰীৰাম কীৰ্তনৰ কবি গৰাকী কিন্তু মাধৱদেৱৰ লগত একমত নহয়। তেওঁৰ মতে দশৰথৰ এহেজাৰ পত্নী।

তেহে বিহা কৰিলন্ত সহস্ৰ সুন্দৰী ।
তাসম্বাৰ শ্ৰেষ্ঠ ভৈলা তিনি পটেশ্বৰী ।।
কৌশল্যা যে কৈকেয়ী সুমিত্ৰা তাৰ নাম ।। ১২ ।। (আদি) [৬০]

'শ্ৰীৰাম কীৰ্তন' ৰ আদি কাণ্ডত থকা অন্যান্য ঘটনাসমূহ হ'ল ঃ অযোধ্যাত অনাবৃষ্টিৰ ফলত দুৰ্ভিক্ষই দেখা দিয়া, শালিকা

---

৫৬। সত্যেন্দ্ৰ নাথ শৰ্মা ঃ ৰামাযণৰ ইতিবৃত্ত ঃ পৃ ঃ ৩৪২।

৫৭। কেশদা মহন্ত ঃ প্ৰাগুক্ত প্ৰৱন্ধ, পৃ ঃ ৩৪-৩৫।

৫৮। ৰামায়ণৰ ইতিবৃত্ত ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ ঃ ৩৪২।

৫৯। সপ্তকাণ্ড ৰামায়ণ ঃ পৃঃ ১৭।

৬০। শ্ৰীৰামকীৰ্তন ঃ পৃঃ ৩-৪ ।

চৰাইয়ে ইয়াৰ বাবে দশৰথ কামপৰায়ণতাক প্ৰধানকৈ দায়ী কৰা, দশৰথৰ প্ৰতি শনিৰ বেয়া দৃষ্টি নিক্ষেপ আৰু শেষত বৰদান, দেৱপুৰীত অসুৰৰ লগত দশৰথ ৰজাৰ যুদ্ধ, ফিৰি অহাত কৈকেয়ীৰ দশৰথৰ প্ৰতি শুশ্ৰূষা আৰু বিনিময়ত বৰ লাভ, মৃগয়ালৈ গৈ দশৰথৰ সৰযূৰ পাৰত কলহত পানী ভৰোৱা অৱস্থাত অন্ধ মুনিৰ পুত্ৰ সিন্ধু মুনি বধ, অন্ধক মুনিৰ পৰা অভিশাপ প্ৰাপ্তি, লোমপাদ ৰজাৰ কন্যা শান্তাক ঋষ্য শৃঙ্গলৈ বিবাহ। অযোধ্যাত অনাবৃষ্টিৰ ফলত দুৰ্ভিক্ষই দেখা দিয়া, শালিকা চৰাইয়ে ইয়াৰ বাবে দশৰথৰ কাম পৰায়ণতাক প্ৰধানকৈ দায়ী কৰা ঃ

মাধৱদেৱ ঃ

জানো দশৰথ ৰাজা অধৰ্ম্ম কৰয় ।
স্ত্ৰী লৈয়া ক্ৰীড়ে ৰাজা প্ৰজা নাপালয় ।। ২৭৪ ।। [৬১]

০ ০ ০

অনন্ত ঠাকুৰ ঃ

নাৰী সঙ্গে থাকে মূঢ় মতি ।
আসা গুচি যাওঁ আন ভিত্তি ।। ২২।। [৬২]

০ ০ ০

মাধৱদেৱ ঃ

সম্পূৰ্ণে শনিৰ দৃষ্টি ভৈল ৰোহিনীত । ২৬৮।। [৬৩]

অনন্ত ঠাকুৰ ঃ

শনিৰ সম্পূৰ্ণ দৃষ্টি ভৈল ।
ৰোহিনী নক্ষত্ৰ পৰি ৰৈল ।। ২৭ ।। [৬৪]

০ ০ ০

দশৰথক শনিৰ বৰদান ঃ

মাধৱদেৱ ঃ

সি হেতু ৰহিলা মোৰ আগে নৰেশ্বৰ ।
যেন লাগে মাগা মোত দিবো সেহি বৰ ।। ৩৩৯
ৰাজায়ে বোলন্ত দৃষ্টি ছাৰা ৰোহিনীত ।
তেবে জলবৃষ্টি হৈবে মোৰ পৃথিবীত ।।
শনি বোলে ছাৰিলোহো ৰোহিনীত দৃষ্টি ।
তোমাৰ ৰাজ্যত আজি হন্তে হৈব বৃষ্টি ।। ৩৪০ ।। [৬৫]

অনন্ত ঠাকুৰ ঃ

তুষ্ট হুয়া দিবো মই বৰ ।
শীঘ্ৰে বুলিয়োক নৰেশ্বৰ ।।

০ ০ ০

---

৬১। হৰিণাৰায়ণ দত্ত বৰুৱা (সম্পাঃ)সপ্তকাণ্ড ৰামায়াণ, পৃঃ ১৮।

৬২। শ্ৰীৰাম কীৰ্ত্তন ঃ পৃ ঃ-৬।

৬৩। সপ্তকাণ্ড ৰামায়ণ ঃ পৃ ঃ-১৮।

৬৪। শ্ৰীৰাম কীৰ্ত্তন ঃ পৃঃ-৭।

৬৫। সপ্তকাণ্ড ৰামায়ণ ঃ পৃ ঃ-১৭-১৮।

বোহিনীৰ দৃষ্টি এৰা জানি ॥ ৩৮
মোৰ ৰাজ্যে হৌক বৰিষণ ।

০ ০ ০

শনি দৃষ্টি যেখন এৰিল ।
মেঘে তেতিক্ষণে বৰিষিল ॥ ৪০ ॥ [৬৬]

০ ০ ০

দশৰথক কৈকেয়ীৰ শুশ্রূষা আৰু ববলাভ ঃ

মাধৱদেৱ ঃ দেখি মহাদই নানা মত সেৱা কৰি ।
স্বামীৰ শ্ৰমক দূৰ কৰিলা সুন্দৰী ॥ ৪২৬

০ ০ ০

সেৱা কৰি সন্তোষ কৰাইলি দেবী মোক ।
খোজ মোত সেহি লাগে দিব বৰ তোক ॥ ৪২৭
মহাদই বোলে সত্য কৰিয়োক আগে ।
তেবেসে মাগিবো বৰ যেহি মোক লাগে ॥ ৪২৪॥ (আদি) [৬৭]

অনন্ত ঠাকুৰ ঃ কৈকেয়ী সেৱাবলে আতিশয় ।
সন্তুষ্ট হুয়া দশৰথ ৰায় ॥ ৬৭

০ ০ ০

এতেকে তোমাৰ মন কাম ।
পুৰিবো বৰ লোৱা অভিৰাম ॥ ৬৮
তুমি মাত্র সত্য নেৰিবা স্বামী ।
যেখনে লাগে বৰ লৈবো আমি ॥ ৬৯ ॥ [৬৮]

০ ০ ০

শান্তাক ঋষ্য শৃঙ্গলৈ বিবাহ ঃ

মাধৱদেৱ ঃ ঋষ্যশৃঙ্গ মুনিত শান্তাক বিহা দিল ॥ ৫০০
ভৈলা কুতূহল মুনি পায়া কন্যাৰত্ন ।
পাচে যজ্ঞ কৰিতে ৰাজাৰ ভৈল যত্ন ॥ ৫০১ ॥ [৬৯]

---

৬৬। শ্ৰীৰামকীৰ্তন ঃ পৃ ঃ-৯।
৬৭। সপ্তকাণ্ড ৰামাযণ ঃ পৃ ঃ-২৬।
৬৮। শ্ৰীৰাম কীৰ্তন ঃ পৃ ঃ-১৫।
৬৯। সপ্তকাণ্ড ৰামায়ণ ঃ পৃ ঃ-৩১।

অনন্ত ঠাকুৰ ঃ আনিয়া শান্তাক বিহা দিয়োক ।। ৮৪

পাচে ঋষ্যশৃঙ্গ শান্তাক লৈলা ।। ৮৬ ।।[৭০]

ভূমিৰ ভাৰ হৰণৰ বাবে দেৱতাসকলৰ অনুৰোধত বিষ্ণুৰ পৃথিৱীত চাৰি অংশে জন্ম গ্ৰহণ। বিষ্ণু অৱতাৰ সম্পৰ্কে মাধৱদেৱৰ আদি কাণ্ডত পোৱা যায় ঃ

দেৱতাৰ প্ৰয়োজনে চাৰি ৰূপ ধৰি ।
দশৰথ গৃহে উপজিবো নিষ্ঠ কৰি ।।
তপস্বীৰ বেশেদেৱ কাৰ্য্যক সাধিবো ।
দুৰাচাৰ ৰাৱণক সবংশে-বধিবো ।। ৬১৭

o o o

মোৰ ক্ৰীড়া হেতু দেৱগণ আছা যত ।
ছদ্ম ৰূপে উতপতি হৈবা বানৰত ।। ৬১৮ ।। (আদি) [৭১]

ইয়াৰ বিপৰীতে মাত্ৰ শ্ৰীৰাম কীৰ্তনত পোৱা যায় ঃ

হেন শুনি হাসি মাতিলন্ত নাবায়ণ ।
অংশে গৈয়া বানৰত জন্মা দেৱগণ ।।
ময়ো চাৰি ৰূপে হৈবো দশৰথ ঘৰে ।
জনকৰ ঘৰে লক্ষ্মী চলিয়ো সত্বৰে ।। ৯৫ ।। (আদি) [৭২]

শ্ৰীৰাম কীৰ্তনত লক্ষ্মীদেৱী জন্ম লোৱাৰ কথা- ভাবি মেৰু পৰ্বতত বহি থাকোঁতে ৰাৱণৰ অত্যাচাৰত সাগৰত জাপ দিয়া, তাতেই দ্বীপ হিচাপে জনকৰ শস্যৰ ভূমি, সেই ভূমিতে হাল বাওঁতে পোৱা ডিম্বৰ পৰা সীতাৰ জন্ম, বিশ্বামিত্ৰৰ লগত ৰাম-লক্ষ্মণৰ সিদ্ধাশ্ৰমলৈ যাত্ৰা, তাড়কা প্ৰমুখ্যে ৰাক্ষস নিধন কৰি শান্তি-পূৰ্ণ ভাৱে যজ্ঞ সমাপন কৰা, ৰাম-লক্ষ্মণৰ আগত বিশ্বামিত্ৰৰ মিথিলাত সীতা সয়ম্বৰৰ কথা বৰ্ণনা, মহেশ্বৰৰ কথা মতে মিথিলাধিপতি জনকৰ সয়ম্বৰ পণ, বাটত যাওঁতে ৰামৰ দ্বাৰা শাপ ভ্ৰষ্টা শিলায়ম অহল্যাক উদ্ধাৰ, জনকৰ ঘৰত হৰধনু ভংগ; স্বয়ম্বৰ সভাত উপস্থিত থকা পৰাজিত আৰু অপমানিত ৰজাসকলৰ লগত যুদ্ধ, ৰাম-লক্ষ্মণাদি চাৰি ভ্ৰাতৃৰ বিবাহ, শেষত পৰশুৰামৰ লগত যুদ্ধ, আৰু দৰ্প চূৰ্ণ- এই গোটেই ঘটনাংশ মাধৱদেৱৰ আদি কাণ্ডৰ ঘটনাৱলীৰ লগত সম্পূৰ্ণ মিল। [৭৩]

---

৭০। শ্ৰীৰাম কীৰ্তন ঃ পৃ ঃ- ১৮।

৭১। সপ্তকাণ্ড ৰামায়ণ ঃ পৃ ঃ-৩৯।

৭২। শ্ৰীৰাম কীৰ্তন ঃ পৃ ঃ-২০-২১।

৭৩। সপ্তকাণ্ড ৰামায়ণ- পদ নং ঃ-৭২৯-১৪৫৮,পৃ ঃ-৪৬-৮৮, প্ৰাগুক্ত গ্ৰন্থ ঃ-পদ নংঃ-১১৩-২৩৫,পৃ ঃ-২৪-৫৪, কেশদা মহন্ত ঃ প্ৰাগুক্ত প্ৰৱন্ধ, পৃঃ ৩৫।

শিলাময়ী অহল্যা উদ্ধাৰ ঃ

মাধৱদেৱ ঃ

গৌতম ঋষিৰ শাপ লভিয়া প্ৰচণ্ড ।
আছন্ত অহল্যা সতী হুয়া শিলা খণ্ড ।।
বিশ্বামিত্ৰে ৰামক বুলিলা মৃদু ভাৱে ।
এহি শিলা খণ্ড ৰাম পৰশিলা পাৱে ।। ১০৬৫
শুনি ৰামে শিলে মাত্ৰ পৰশিলা পাৱ ।
শাপ এৰাই অহল্যা ভৈলন্ত শুদ্ধ ভাৱ ।। ১০৬৬ ।। [৭৪]

অনন্ত ঠাকুৰ ঃ

গৌতমৰ পাইলন্ত আশ্ৰমে ।
তান পত্নী অহল্যা সুন্দৰী ।।
শিলা হুয়া আছে তৈতে পৰি ।। ১৬২
দেখি ঋষি বুলিলা বচন ।
শুনিয়োক ৰঘুৰ নন্দন ।।
এহি শিলা খণ্ডে পাৱ দিয়ো ।
অহল্যাক শাপত তাৰিয়ো ।। ১৬৩ ।। [৭৫]

হৰধনু ভঙ্গ ঃ

মাধৱদেৱ ঃ

বামহাতে লীলায়ে ধৰিলা ধনুখান । ১২০৭
o o o
নিমিষেক ধনুত লগাইলা ৰামে গুণ ।। ১২০৮
o o o
পাচে ৰামে গুণত ধৰিয়া বল দিল ।
ঠাকোৰ কৰিয়া ধনু মাজতে ভাঙ্গিল ।। ১২১৭ ।। [৭৬]

অনন্ত ঠাকুৰ ঃ

উল্লাসিয়া ধনুক ধৰিল বামহাতে ।
অলক্ষিতে গুণ লগাইলন্ত ৰঘুনাথে ।। ১৮৩
o o o
হাসি হাসি পুনু ধনু গুণ আজুৰিলা ।
কৰ্ণ মানে টানি ধনু মাজতে ভাঙ্গিলা ।। ১৮৪ ।। [৭৭]

---

৭৪। সপ্তকাণ্ড ৰামায়ণ ঃ পৃঃ ৬৫ ।
৭৫। শ্ৰীৰাম কীৰ্তন ঃ পৃঃ ৩৭ ।
৭৬। সপ্তকাণ্ড বামায়ণ ঃ পৃঃ ৭৪ ।
৭৭। শ্ৰীৰাম কীৰ্তন ঃ পৃঃ ৪১ ।

শ্ৰীৰাম কীৰ্তনৰ অযোধ্যাকাণ্ড আদি কাণ্ডতকৈ চমু, ইয়াত মুঠ চাৰিশৰীয়া পদ দুশটা (২০০) আছে। অৱশ্যে ডঃ শৰ্মাই এশ বিৰাশী (১৮২) বুলি উল্লেখ কৰিছে।[৭৮] উক্ত কাণ্ডটিত শ্ৰীৰাম চন্দ্ৰই সীতাক বিবাহৰ পিছত অযোধ্যালৈ গমন কৰাৰ পৰা শ্ৰীৰামৰ পানৈ যুগল সিংহাসনত স্থাপন কৰি ভৰতে ৰাজ্য শাসন কৰিব বিচৰালৈকে সকলো খিনি কথাকে থুলমূল ভাৱে প্ৰকাশ কৰিছে। [৭৯] ইয়াতো কন্দলী ৰামায়ণত থকাৰ দৰে বিবাহিত জীৱনৰ আদিম পুৰাতে সীতাক এৰি থৈ ৰাম বনলৈ যাব লগা হোৱাত ৰামৰ মনত উদ্ভৱ হোৱা চিন্তাই তেওঁক এগৰাকী সাধাৰণ পুৰুষৰ শাৰীলৈ নমাই আনিছে। কন্দলী ৰামায়ণত উল্লেখ আছে, বনলৈ যোৱাৰ আগমুহূৰ্তত ৰামে সীতাৰ ভূৱন মোহিনী ৰূপত মুগ্ধ হৈ আক্ষেপ কৰিছেঃ

সুৰ গণ গন্ধৰ্ব্ব নাগৰ তেজ হৰে ।
বেশ দেখি কিমতে যুৱতে প্ৰাণ ধৰে ।। ১৮৩৪
জীৱন্তে মৃতক মই তোক পৰি হৰোঁ ।
গলে শিলা বান্ধিয়া সাগৰে জাম্প কৰো । ১৮৩৫ ।। (অযোধ্যা)[৮০]

শ্ৰীৰাম কীৰ্তন ঃ

ভূৱন মোহিনী সুলক্ষনী বিতোপনী ।
ত্ৰিভুৱনে তোৰ সম নাই কোনো জনী ।।
হেন মোৰ তুমি প্ৰাণ প্ৰিয়া কণ্ঠহাৰ ।
তোক তেজি কেনে প্ৰাণ ৰহিবে আমাৰ ।। ৩০৯ ।। (অযোধ্যা)[৮১]

লোক-সমাজৰ হাজাৰগৰাকী তিৰোতাৰ দৰে সীতাইয়ো স্বামীৰ লগত জীৱন যৌৱন উপভোগ কৰিব বিচাৰে। কন্দলী ৰামায়ণতো ইয়াৰ সুৰ ব্যক্ত হৈছে ঃ

চম্পক কলিকা যেন মোৰ কলেৱৰ ।
লুণ্ডি ঘুণ্ডি আছিলাহা যেহেন ভ্ৰমৰ ।। ১৮৩৮
যেবে আসি বিকশিত হৈল ফুল ফল ।
উপভোগ এৰি কেনে কৰাঁহা নিষ্ফল ।। ১৮৩৯

০ ০ ০

কমন অংগত মোক হীন দেখিলাহা ।
কি কাৰণে প্ৰভু মোক উপেক্ষিয়া যাঁহা ।। ১৮৪১ ।। (অযোধ্যা)[৮২]

---

৭৮। ৰামায়ণৰ ইতিবৃত্ত ঃ পৃঃ ৩৪৩ ।
৭৯। শ্ৰীৰাম কীৰ্তন ঃ পদ নং- ২৩৬-৪৩৬, পৃঃ ৫৫-১০৩ ।
৮০। সপ্ত কাণ্ড ৰামাযণ ঃ পৃঃ ১১২ ।
৮১। শ্ৰীৰাম কীৰ্তন ঃ পৃঃ ৭৬ ।
৮২। সপ্তকাণ্ড ৰামাযণ ঃ পৃঃ ১১২।

শ্ৰীৰাম কীৰ্তন ঃ

যেন শৰীৰৰ ছায়া নেৰে কদাচিত ।
তুমি তেনে মোৰ স্বামী জানিবা নিশ্চিত ।।
ইতৰ নাৰীৰ ঠান নেদেখিবা মোক ।
তযু সঙ্গে এতিক্ষণে মোৰ মৃত্যু হৌক ।। ৩১২ ।। (অযোধ্যা)[৮৩]

এই বৰ্ণনাও প্ৰায় কন্দলীৰেই অনুৰূপ মাত্ৰ বুলিব পাৰি। শ্ৰীৰামকীৰ্তনত চিত্ৰকূটত অৱস্থান কৰাৰ সময়ত বামে সীতাক কোৱা এষাৰ কথাৰ পৰা সেই সময়ৰ সমসাময়িক বৈষ্ণৱ সমাজখনত প্ৰচলিত হৰিনাম, ঋষি সকলৰ তপস্যা আৰু গীতা ভাগৱতৰ প্ৰতি থকা শ্ৰদ্ধা আৰু ভক্তি ভাৱৰ প্ৰমাণ পোৱা যায় ঃ

শুনিয়ো ঋষিৰ হৰিনাম বেদধ্বনি।
আমিয়ো থাকিবো গীতা ভাগৱত শুনি ।। ৩৭২ ।। (অযোধ্যা)[৮৪]

চিত্ৰকূটৰ বৰ্ণনাই কন্দলী ৰামায়ণত জীৱন্ত হৈ ধৰা দিছে, যাৰ পৰসে শ্ৰীৰামকীৰ্তনলৈয়ো সজীৱতা দান কৰিছে । চিত্ৰকূট পৰ্ব্বতত ৰামসীতাই অৱস্থান কৰি মহা আনন্দত দিন কটাইছে। এই প্ৰসংগত কবি অনন্ত ঠাকুৰেও যেন তাক উপভোগ কবি ৰামসীতাৰ লগতে একাকাৰ হ'ব বিচাৰিছে ঃ

শ্ৰীৰাম লক্ষ্মণ সীতা চিত্ৰকূট স্থানে ।
পিতৃ বাক্য পালি আছে আনন্দিত মনে ।।৪১২ (অযোধ্যা)[৮৫]

চিত্ৰকূটৰ বৰ্ণনাতে কবিয়ে ৰামসীতাৰ পাশা খেলৰো এক সুন্দৰ চিত্ৰ দাঙি ধৰিছে । অৱশ্যে উক্ত পাশাখেলৰ উল্লেখ কন্দলী ৰামায়ণত পোৱা নাযায় । পাচাঁলী কবি দুৰ্গাবৰ কায়স্থৰ 'গীতি- ৰামায়ণ'ৰ অৰণ্য কাণ্ডত এই খেলৰ কথা দুবাৰো পোৱা যায়। গতিকে ই কবি দুৰ্গাবৰৰ নিজা সৃষ্টি বুলি ভাবিবৰ স্থল নথকা নহয় ।

গীতি ৰামায়ণ ঃ

গিৰি চিত্ৰকূটৰ গহ্ভৰে লৈলা বাস ।
পাশা খেলাইবাক প্ৰতি কৰিলা উল্লাস ।।
পাশা খেলাইবাক ৰামৰ পৰিলা মনত ।
খেলা এৰি ৰামচন্দ্ৰে নিশ্বাস কাঢ়ন্তে ।। ৪৫ (অৰণ্য)

০ ০ ০

বিজয় ভৈলন্ত ৰাম প্ৰথমৰ আৰি ।
তাত পাছে ৰাম হাৰিলন্ত তিনিশাৰী ।। ১৪১।।

---

৮৩। শ্ৰীৰাম কীৰ্তন পৃঃ ৭৬ ।
৮৪। প্ৰাগুক্ত গ্ৰন্থ ঃ পৃঃ ৮৮ ।
৮৫। শ্ৰীৰামকীৰ্তন ঃ পৃ ঃ ৯৮।

তিনি লক্ষ টকা ৰামে পাশাত হাৰিলা ।
পুষ্পৰ জবীয়ে সীতাই ৰামক বান্ধিলা ॥১৪২ (অৰণ্য )[৮৬]

শ্ৰীৰামকীৰ্তন ঃ

শ্ৰীৰাম জানকী দুয়ো আনন্দে থাকন্ত ।
নান পৰিহাসে প্ৰভু সীতাক ৰমন্ত ॥
ক্ষণো পাশা খেলান্ত ক্ষণো গুটি পাৰি ।
হাৰিলে সীতাক ধৰি বস্ত্ৰ লন্ত কাঢ়ি ॥ ৪১৩ ॥(অযোধ্যা) [৮৭]

ড° সত্যেন্দ্ৰ নাথ শৰ্মাই মন্তব্য কৰিছে, দুৰ্গাবৰ কায়স্থৰ অৰণ্য কাণ্ডৰ ৰামসীতাৰ পাশাখেলৰ প্ৰভাৱ ইয়াত পৰিছেনে 'ৰামায়ণ-চন্দ্ৰিকা'ৰ প্ৰভাৱ পৰিছে তাক সঠিক ভাৱে জনা নাযায় ।[৮৮] 'ৰামায়ণ-চন্দ্ৰিকা' পুথি খনি দুষ্প্ৰাপ্য নোহোৱা হ'লে ইয়াৰ সঠিক মন্তব্য আৰু দৃঢ় হ'লহেতেন । মাধৱ কন্দলী ৰামায়ণত উল্লেখ থকাৰ দৰে কবি অনন্ত ঠাকুৰেও চিত্ৰকূটত থকা পশু-পক্ষী, ফুল-ফল, নদ-নদী, প্ৰাকৃতিক পৰিৱেশৰ কথা ৰসাল আৰু মনোমোহা ভাৱে প্ৰকাশ কৰিবলৈ পাহৰা নাই । এই সকলো বিলাক অসমৰ ঘৰুৱা জনজীৱনৰ নিচেই ওচৰ চপা । এই ক্ষেত্ৰত অৱশ্যে কবি কন্দলী আৰু অনন্ত ঠাকুৰৰ মৌলিকতা মনকৰিবলগীয়া । চিত্ৰকূট বৰ্ণনাত কন্দলীৰ সিদ্ধ হস্ততাৰ প্ৰকাশ এনেদৰে হৈছে ঃ

জাই যুতি বকুল বন্দুলি কৰ্ণিকাৰ ।
কাঞ্চন টগৰ কুন্দ সেৱালী মন্দাৰ ॥২০৭২

o o o

দেখ দেখ সীতা আম-জাম পনিয়াল ।
তাম্বুল কণ্ঠাল নাৰিকল নানাফল ॥ ২০৭৮

o o o

শিখৰ উপৰে মন্দাকিনী শুক্লজল । ২০৮৫

o o o

মৃগ সব মাৰিয়া ভুঞ্জিবো নিতে নিত ।২০৮৭(অযোধ্যা) [৮৯]

শ্ৰীৰামকীৰ্তনতো ইয়াৰ সজীৱ বৰ্ণনা পোৱা যায় ঃ

কেতেকী মালতী গুটিমালী নাগেশ্বৰ ।
আসন্বাৰ গন্ধে আমোদিত নিৰন্তৰ ॥ ৩৬৯

o o o

৮৬। শশী শৰ্মা (সমীক্ষক) ঃ দুৰ্গাবৰী গীতি ৰামায়ণ, পদ নং ঃ- ৪৫,১৪২, পৃ ঃ ৬,১৯।
৮৭। শ্ৰীৰাম কীৰ্তন ঃ পৃ ঃ-৯৯।
৮৮। ৰামায়ণৰ ইতিবৃত্ত ঃ পৃ ঃ-৩৪৩।
৮৯। সপ্তকাণ্ড ৰামায়ণ ঃ পৃ ঃ- ১২৮।

আম জাম নেমু জৰা জামীৰ কৰদই ।
যতেক উত্তম ফল ইহাতে আছয় ।। ৩৭০

০ ০ ০

স্নান কৰিলন্ত বহি জাহ্নবী নিকটে ।। ৩৭২

০ ০ ০

মৃগ মাৰি নিতে নিতে আনয় লক্ষণ ।। ৩৭৭ (অযোধ্যা) [৯০]

শ্ৰীৰামকীৰ্তনৰ অৰণ্যকাণ্ডত মুঠতে ৭২টা পদ আছে । অৱশ্যে ড° শৰ্মাই উল্লেখ কৰা মতে তাত ১৭৬টা পদ আছে । [৯১] এই কাণ্ডটিত কবি গৰাকীয়ে বিশেষ কোনো নতুন কথাৰ অৱতাৰণা নাই । বৰং কন্দলী ৰামায়ণৰ ঘটনাৱলীৰে এটি সংক্ষেপ ৰূপ বুলিয়েই কব পাৰি । ' যিখিনি বৰ্ণনা একে যেন লাগে 'ৰামায়ণ-চন্দ্ৰিকা'ৰ মাজেদি অহা বাল্মীকিৰ প্ৰতিচ্ছায়াও হব পাৰে । কিন্তু শব্দ প্ৰয়োগ আৰু ভাষাত মাধৱ কন্দলীৰ প্ৰভাৱ অনস্বীকাৰ্য্য ।।'[৯২] ৰাৱণে সীতাক হৰণ কৰিব খোজোতে সীতাই নিৰ্ভীক ভাৱে আদৰ্শ শক্তিৰূপা সতী নাৰীৰ পৰিচয় হিচাপে যি বাক্য বাণ নিক্ষেপ কৰিছিল, সেইযাও কন্দলী আৰু অনন্ত ঠাকুৰ দুয়োৰে প্ৰায় মিল।

মাধৱ কন্দলী ঃ
ৰামৰ ঘৰণী মোক ভজিবাক চাস ।
মৰিবাক লাগি কালকূট বিষ খাস ।। ৩১৫৪
ত্ৰিশূলৰ উপৰত নাচিবাক চাস ।
মহাপাপী হুয়া তই স্বৰ্গে কৰ আশ ।। ৩১৫৫

০ ০ ০

তিখান খাণ্ডাত জিহ্বা ঘষিবাক চাস ।
বহ্নি কুণ্ড মাজে যেন পতঙ্গৰ ঝাস ।। ৩১৫৬ ।। (অৰণ্য)[৯৩]

শ্ৰীৰাম কীৰ্তন ঃ
নিকোট গোটৰ তোৰ এতমান সাস ।
চকুৰ ভেকুলী হুয়া গঙ্গাস্নানে যাস ।। ৪৯৩
ৰাঘৱৰ ভাৰ্য্যাত তোহোৰ ভৈল মন ।
তীখালে খাণ্ডাত জিহ্বা ঘসৰে দুৰ্জ্জন ।।
হাতে তুলি কালকূট গিলিবাক চাস ।
সপুত্ৰ বান্ধৱে পাপী হৈবি সৰ্ব্বনাশ ।। ৪৯৪ ।। (অৰণ্য) [৯৪]

---

৯০। শ্ৰীৰাম কীৰ্তন ঃ পৃ ঃ- ৮৯-৯৯।
৯১। ৰামায়ণৰ ইতিবৃত্ত ঃ পৃ ঃ-৩৪৩।
৯২। তথৈৱ ঃ পৃ ঃ-৩৪৩।
৯৩। সপ্তকাণ্ড ৰামায়ণ পৃ ঃ- ১৯২।
৯৪। শ্ৰীৰাম কীৰ্তন ঃ পৃ ঃ-১১৫।

ৰামে সীতাৰ অনুৰোধ ৰক্ষাৰ কাৰণে মায়া স্বৰ্ণ মৃগৰ অনুসৰণলৈ যোৱাৰ পিছত সীতাই ৰামৰ বিপদৰ সংকেত শুনি লক্ষ্মণক স্বামী ৰক্ষাৰ বাবে যাবলৈ কোৱাত লক্ষ্মণৰ মুখত ৰামৰ বীৰত্বৰ কথা সন্দেহ সুলভা নাৰীৰ প্ৰতীক সীতা দেৱীয়ে দেৱৰ লক্ষ্মণক বৰ নিকৃষ্ট ভাষাৰে তিৰস্কাৰ কৰিবলৈকো কুণ্ঠাবোধ নকৰিলে। যাৰ বাবে সীতাদেৱী সাধাৰণ নাৰীৰ শাৰীলৈ নামি আহিল। এই কথা কন্দলী আৰু দুৰ্গাবৰ দুয়োৰে ভাষাত ফুটি উঠিছে ঃ

কন্দলী ঃ

লখি লোহো পাপিষ্ঠ তোহোৰ যেন আশ ।
ৰামৰ মৰণে মোক ভজিবাক চাস ।। ৩১১০
স্বামী অবিহনে অগনিত ঝাস দিবো ।
গলত কটাৰ হানি তেখনে মৰিবো ।।
চৰণে নুচুইবো পৰ পুৰুষক আন ।
কি কাৰণে পাপিষ্ঠ কৰস অপমান ।। ৩১১১
আপুনি ইতৰ হুয়া বাঞ্চা কৰমোক ।
ৰাম খণ্ড গজ আগে মৃগ দেখো তোক ।। ৩১১২ ।। (অৰণ্য)[৯৫]

দুৰ্গাবৰ ঃ

বুজিলোহো লক্ষ্মণ তোহোৰ যেন চিত্ত ।
কিঞ্চিতেকো শ্ৰীৰামৰ নিচিন্তাহা হিত ।। ১৬৮
বোলাহা ৰাঘৱ তৈতে হুয়োক বিনাশ ।
এহি সীতা লৈয়া মঞি কৰো গৃহবাস ।। ১৬৯ ।। (অৰণ্য) [৯৬]

উক্ত দুয়োগৰাকী কবিৰে প্ৰতিচ্ছায়া শ্ৰীৰাম কীৰ্তনত লক্ষ্য কৰা যায় ঃ

হেন শুনি ক্ৰোধে সীতা বুলিলা বচন ।
জানিলোহো পাপী তই মহা দুষ্ট মন ।।
আমাক নিৰ্ভয় দিয়া ৰামক বঞ্চস ।
এহিসে কাৰ্য্যক লাগি লগত আছস ।। ৪৮৪
তই যাক আশা কৰ মই তেনে নহো ।
ৰাম বিনে প্ৰাণ তিয়াগিব সত্যে কহো ।। ৪৮৫ ।। (অৰণ্য) [৯৭]

শ্ৰীৰাম কীৰ্তনৰ কিষ্কিন্ধ্যা কাণ্ডত মুঠ ৬৫ টা পদ আছে। কাণ্ডটি তিনিটা ভাগ কৰি সংক্ষেপে যেন মাধৱ কন্দলীৰ প্ৰতিনিধিত্বকেই বহন কৰিছে। সেই কেইটা হ'ল ঃ শ্ৰীৰাম চন্দ্ৰৰ সুগ্ৰীৱৰ লগত মিত্ৰতা, শ্ৰীৰাম চন্দ্ৰৰ বালীবধ আৰু বানৰ সৈন্যৰ সীতা অন্বেষণ। ৰাৱণে হৰণ কৰি নিওঁতে সীতাই পেলাই থৈ যোৱা অলংকাৰ যেতিয়া সুগ্ৰীৱে শ্ৰীৰাম চন্দ্ৰক দিছিল,

---

৯৫। সপ্তকাণ্ড ৰামায়ণ ঃ পৃ ঃ-১৯০।
৯৬। গীতি ৰামায়ণ ঃ পৃ ঃ-২২।
৯৭। শ্ৰীৰাম কীৰ্তন ঃ পৃ ঃ- ১১৩-১১৪।

তেতিয়া ৰামৰ মনত ভয়ংকৰ প্ৰতিহিংসাৰ দাবাগ্নি জ্বলি উঠিছিল। এই কথা কন্দলী ৰামায়ণত ঝুমুৰী ছন্দত সুন্দৰ কৈ প্ৰকাশ কৰিছে ঃ

ধনু তুলি ধৰিবোহো ।
পৃথিৱীক ফুড়িবোহো ।।
অনন্তক চালিবোহো ।
নাগলোক খানি বোহো ।। ৩৪৩৯
বিপুগণ মাৰিবোহো ।।
অসুৰকো দাৰিবোহো ।
ভৈৰবক তুষিবোহো ।
সাগৰক ভূষিবোহো ।। ৩৪৪০
বীৰত্বক প্ৰকাশিবো ।
ত্ৰৈলোক্যক বিনাশিবো ।।
শৰে শৰে খাঞ্চিবোহো ।
সাগৰক শুষিবোহো ।। ৩৪৪১
ত্ৰিদশক বঞ্চিবোহো ।
আনন্দেৰ সঞ্চিবোহো ।।
আজি কীৰিতিক নিবো ।
সব যম মুখে দিবো ।। ৩৪৪২ ।।(কিষ্কিন্ধ্যা) [৯৮]

ইয়াৰ অনুকৰণতে অনন্ত ঠাকুৰেও থিক একেই ছন্দতে প্ৰকাশ কৰিছে ঃ

ভূমিত চাপৰ মাৰি ।
বুলিলা ৰাঘৱ হৰি ।। ৫২০
মোৰ ভাৰ্য্যা বৈৰী যিটো ।
তাৰ প্ৰাণ লৈবো সিটো ।।
যদি সাগৰত ডুবে ।
তথাপি মাৰিবো ধ্ৰুবে ।। ৫২১
লুকালে পাতালে যাই ।
তথাপিতো ৰক্ষা নাই ।।

৯৮। সপ্তকাণ্ড ৰামায়ণ ঃ পৃ ঃ-২১০।

অৱশ্যে মাৰিবো প্ৰাণে ।

কৈলো মই বিদ্য মানে ।। ৫২২ ।। (কিষ্কিন্ধ্যা) [৯৯]

সুগ্ৰীৱে শ্ৰীৰাম-লক্ষ্মণৰ লগত মিত্ৰতা কৰাৰ প্ৰধান উদ্দেশ্য আছিল ৰামৰ দ্বাৰা বালীক বধ কৰা, বিনিময়ত ৰামক সীতা উদ্ধাৰত সহায় আগবঢ়োৱা। গতিকে বালীক বধ কৰাই নিজে ৰজা হোৱাৰ সপোন দেখি সুগ্ৰীৱে ৰামক বালীৰ বীৰত্বৰ পৰিচয় দি ৰামৰ বীৰত্বও আগেয়ে চাব বিচাৰিছে। কাৰণ সুগ্ৰীৱে ৰামৰ বীৰত্ব আৰু মহিমাৰ কথা নাজিনিছিল।

কন্দলী ৰামায়ণ ঃ দেখা সাত গাছ তাল আছে বক্ৰভাৱে ।

তিনি গছ ভেদে দদা একেশৰে ঘাৱে ।। ৩৫০৪

সাতো তাল ভেদা যদি তুমি একেশৰে ।

তেবেসে সংশয় গুচে মনৰ আমাৰে ।।

০ ০ ০

বাম পাৱ আগ কৰি দক্ষিণক পাছ ।

একে প্ৰহাৰতে ভেদিলন্ত সাতো গাছ ।। ৩৫০৮

০ ০ ০

একে পাত শৰত বালীক বধ কৰো ।

ধিক্কাৰ বীৰত্ব যেবে দুই পাত ধৰো ।। ৩৫১১ ।। (কিষ্কিন্ধ্যা) [১০০]

দুৰ্গাবৰৰ 'গীতি ৰামায়ণ'তো ইয়াৰ উল্লেখ পোৱা যায় ঃ

দেখা সাত তাল আছে হে সমশাৰী ভাৱে ।

তিনি গাছ ছেদে দাদা এক মুষ্টি ঘায়ে ।। ৬২০

এই গাছ যদি ছেদা হে তুমি এক শৰে ।

তেবেসে সংশয় গুচে মনৰ আমাৰে ।। ৬২১

০ ০ ০

বাম পাৱ আগ কৰি দক্ষিণক পাছ ।

এক প্ৰহাৰতে ছেদিলেক সাত গাছ ।। ৬২৪ ।। (কিষ্কিন্ধ্যা) [১০১]

ইয়াৰ অনুৰূপতেই অনন্ত ঠাকুৰেও শ্ৰীৰাম কীৰ্তনত কম কথাতে আচল ভাৱটো প্ৰকাশ কৰিছে ঃ

তিনি গাছ ভেদে বালী যে দদা ।

তুমি যেবে সাতো তালক ছেদা ।। ৫২৯

---

৯৯। শ্ৰীৰামকীৰ্ত্তন ঃ পৃ ঃ-১২৪।

১০০। সপ্তকাণ্ড ৰামাযণ ঃ পৃ ঃ-২১৪।

১০১। গীতি ৰামাযণ ঃ পৃ ঃ-৯৭-৮০।

তেবেসে জানিবা বালীক মাৰা ।
নুহি কেনে মতে মোক উদ্ধাৰা ॥
শুনিয়া ৰঘুনাথে হাসিলন্ত ।
সাতকো একে ছোটে ছেদিলন্ত ॥ ৫৩০

o o o

হাসিয়া ৰামদেৱে বুলিলন্ত ।
দেখায়ো বালীক কৰোহো অন্ত ॥ ৫৩২
এক গোটা শৰে চিন্তিবো মাৰ ।
দুই গোটা যদি ধৰো ধিক্কাৰ ॥ ৫৩৩ ॥ (কিষ্কিন্ধ্যা) [১০২]

বালীক বধ কৰাৰ পিছত ৰাম-লক্ষ্মণ প্ৰস্ৰৱণ গিৰিত চাৰিমাহ কটোৱাৰ যি ৰূপ সেই ৰূপটো বাৰমাহী গীতৰেই ৰূপান্তৰ বুলি কব পাৰি। সীতাৰ বিচ্ছেদত বিভিন্ন ঋতুৱে ৰামৰ মনলৈ বিৰহৰ দাবাগ্নি কঢ়িয়াই আনিছে। কন্দলী ৰামায়ণত ইয়াৰ স্পষ্ট উল্লেখ পোৱা যায় ঃ

প্ৰস্ৰৱণ নামে গিৰি নেত্ৰ অনুপাম ।
বাৰিষা কালত সিটো বঞ্চিৱে উত্তম ॥
লক্ষ্মণে নিৰ্ম্মিলা বাসা নদী সন্নিহতে ।
দুই ভাই চাৰিমাস বঞ্চিলা তহিতে ॥ ৩৬৯৯ ॥ (কিষ্কিন্ধ্যা) [১০৩]

শ্ৰীৰাম কীৰ্তন ঃ

প্ৰস্ৰৱণ গিৰিত ৰৈলন্ত দুয়ো ভাই ।
সীতাৰ বিৰহে দিন যুগ বহি যায় ॥ ৫৪৬
শ্ৰীৰামক বুজাই থাকন্ত লখমনে ।
শাস্ত্ৰৰ যুগুতি হিত বুলি প্ৰতিক্ষণে ॥
এহিমতে বহিয়া গৈলেক চাৰিমাস ।
তথাপিতো সুগ্ৰীৱ নাসিলা ৰাম পাশ ॥৫৪৭ ॥ (কিষ্কিন্ধ্যা) [১০৪]

অনন্ত আতাই সুন্দৰা কাণ্ডটি সুন্দৰ ভাৱেই উপস্থাপন কৰিবলৈ সক্ষম হৈছে। অৱশ্যে কন্দলীৰ দৰে-

সুন্দৰ শ্ৰীৰাম চন্দ্ৰ সুন্দৰ লক্ষ্মণ ।
সুন্দৰ যে সুগ্ৰীৱ সুন্দৰ কপিগন ॥

---

১০২। শ্ৰীৰাম কীৰ্তন ঃ পৃ ঃ-১২৬-১২৭।
১০৩। সপ্তকাণ্ড ৰামায়ণ ঃ পৃ ঃ-২২৮ ।
১০৪। শ্ৰীৰাম কীৰ্তন ঃ পৃ ঃ-১৩০।

সুন্দৰী জানেকী সীতা জগতৰ আই ।

সুন্দৰা কাণ্ডত কিছু অসুন্দৰ নাই ॥ ৩৯৭২ ॥ (সুন্দবা) [১০৫]

এনেধৰণৰ পোনপটীয়া বৰ্ণনা বা প্ৰশংসা সূচক পদ শ্ৰীৰাম কীৰ্তনত নাই। অৱশ্যে মূলৰ কোনো কথাকে কবিয়ে পৰিহাৰ কৰাৰো চেষ্টা কৰা নাই। আগতে উল্লেখ কৰাৰ দৰে অনন্ত ঠাকুৰৰ 'মায়ায়ে বিড়াল হুয়া' (সুন্দৰা) পদ ফাঁকিয়ে কন্দলী ৰামায়ণত থকাৰ দৰে 'হনুমন্তই মেকুৰী ৰূপ ধৰি লঙ্কাত প্ৰবেশ কৰিছে।' ইয়াৰ পিছত ৰাৱণৰ স্ত্ৰীবিলাকৰ কোঠাত প্ৰৱেশ কৰিলে ঃ

কন্দলী ঃ কেশ জুখি প্ৰমাণ নপাইল হনুমন্ত ।

ওচৰ চাপিয়া মুখ গোট সুঙ্গিলন্ত ॥ ৪১২৪॥ (লংকা)[১০৬]

০ ০ ০

শ্ৰীৰাম কীৰ্তন ঃ মুখ গোট সুঙ্গিলন্ত ।

কেশটাৰ জুখিলন্ত ॥ ৫৮২ ॥ (সুন্দৰা) [১০৭]

ৰাৱণে সীতাক স্পৰ্শ কৰিবলৈ যাওঁতে সীতাৰ সতী নাৰীৰ স্বৰূপ আৰু গৰ্ব্বিতা ৰূপতো প্ৰকাশ নোহোৱাকৈ থকা নাই। ৰাৱণক সীতাই অধোমুখ হৈ বহুতো অকথ্য ভাষাৰে তিৰস্কাৰ কৰে।

কন্দলী ৰামায়ণ ঃ দাৰুণ বচন শুনি সীতা কুপিলন্ত ।

নিষ্ঠুৰ বচন তাক বুলিবে লৈলন্ত ॥ ৩১৫৩

হাওৰে ৰাৱণ, বৰ্ব্বৰ নিশাচৰ ।

অবিলম্বে যাইবাক চাহা যমঘৰ ॥

ৰামৰ ঘৰনী মোক ভজিবাক চাস ।

মৰিবাক লাগি কালকূট বিষ খাস ॥ ৩১৫৪

ত্ৰিশূলৰ উপৰত নাচিবাক চাস ।

মহাপাপী হুয়া তই স্বৰ্গে কৰ আশ ॥

০ ০ ০

সিংহৰ ভাৰ্য্যাক শৃগালৰ অভিলাস ।

শান্তি সীতা মোক তই ভজিবাক চাস ॥ ৩১৫৮

০ ০ ০

---

১০৫। সপ্তকাণ্ড ৰামায়ণ ঃ পৃ ঃ-৩৪৬।

১০৬। প্ৰাগুক্ত গ্ৰন্থ ঃ পৃ ঃ- ২৫৬।

১০৭। শ্ৰীৰাম কীৰ্তন ঃ পৃ ঃ-১৩৮।

গৰুড়ৰে কাকৰে যেহেন পটন্তৰ ।

শিয়াল সিংহৰ হোৰে যেহেন অন্তৰ ।। ৩১৫৯ ।। (অৰণ্য) [১০৮]

উক্ত পদৰ অনুকৰণতে অনন্ত ঠাকুৰেও অতি কম পৰিসৰতে সাৰ ভাগ প্ৰকাশ কৰিছে ঃ

হেন শুনি সীতা শান্তি অধোমুখ কৰি ।

বুলিলা কঠোৰ বাণী সহিতে নপাৰি ।।

মই প্ৰতিব্ৰতাৰ মৰ্মক জ্বলাৰস ।

অধৰ্মৰ ফলে বেটা যাইবি তই নাশ ।।৫৯৫

মোৰ অলংকাৰ তেবে সমস্তে হোৰয় ।

তোৰ দশ শিৰ যেৰে ৰাঘৰে কাটয় ।।

ৰাম মত্তসিংহ তই শৃগাল পাপিষ্ঠ ।

গৰুড়ৰ ভাৰ্য্যা কি কাকৰ হৰে ইষ্ট ।। ৫৯৬

তিৰী চোৰ পাপিষ্ঠ হাৰিৰ লাঠি খায়া ।

গলে হাণ্ডি বান্ধি মাৰ্গতলে মৰ গৈয়া ।। ৫৯৭ (সুন্দৰা) [১০৯]

হনুমানে সীতাৰ ওচৰলৈ আহি লংকাত নিজৰ পৰিচয় দি ৰামৰ সংবাদ দিয়াত সীতাদেৱীয়ে সন্দেহ আৰু খং প্ৰকাশ কৰি দুষ্ট ৰাৱণৰে চলনা বুলি ভাবিছে ঃ

মাধৱ কন্দলী ঃ

সীতায়ে বোলন্ত ৰাৱণায়ে আসি ভৈলে ।

পুনৰপি আসি মোক ছলিবাক লৈলে ।। ৪২৫৩

দূৰ গুচ পাপী আন জঞ্জাল নপাত ।

ৰাঘৱে বানৰৰে কিসৰ সঞ্জাত ।। ৪২৫৪

০ ০ ০

আমাক ছলিয়া তই কোন ফল পাইবে ।

অৰ্ধমৰ ফলে বেটা অধোগতি যাইবে ।। ৪২৫৫ (সুন্দৰা ) [১১০]

এই আৰ্হিৰে শ্ৰীৰামকীৰ্তনত উল্লেখ আছে ঃ

বানৰৰ কথা শুনি বুলিলন্ত আই ।

সাগৰ তৰিলি তই কিমত উপায় ।।

---

১০৮। সপ্তকাণ্ড ৰামায়ণ ঃ পৃ ঃ-১৯২।

১০৯। শ্ৰীৰাম কীৰ্তন ঃ পৃ ঃ-১৪১।

১১০। সপ্তকাণ্ড ৰামায়ণ ঃ পৃ ঃ-২৬৪।

মিছা কথা কহিবাক আইলি পুনৰ্ব্বাৰ ।
পাপিষ্ঠ ৰাৱণ ক্ৰোধ তোলস আমাৰ ।। ৬০৭
দূৰ গুচ অধম ৰাক্ষস মন্দ কৰ্ম্ম ।
কৃতাঞ্জলি কপি সুমৰন্ত ধৰ্ম্ম ধৰ্ম্ম ।। ৬০৮ (সুন্দৰা) [১১১]

ইয়াৰ পিছত হনুমন্তই ৰামৰ ৰূপৰ গুণানুকীৰ্তন কৰি ৰামে দি পঠোৱা আঙুঠি দেখুওঁৱাতহে সীতাই বিশ্বাস কৰি প্ৰত্যেকৰে খবৰ লৈছে ঃ

মাধৱ কন্দলী ঃ

হেৰা লৈয়া মাৱ আতি কৰি মন তুষ্টি ।
ৰাম নাম লিখি আছে ৰামৰ আঙ্গুঠি ।।
এহি বুলি দেৱীৰ হাতত নিয়া দিল ।
তাক দেখি গোসানীৰ চেতন হৰিল ।। ৪২৭৩

০ ০ ০

তোমাৰ বচন সবে সপ্ৰত্যয় গৈলো ।
শোক দুখ এৰি মই সন্ধুক্ষণ ভৈলো ।। ৪২৭৬ (সুন্দবা ) [১১২]

দুৰ্গাবৰৰ ‘গীতি ৰামায়ণ’তো ইয়াৰ স্পষ্ট উল্লেখ পোৱা যায় ঃ

সেহি ছেগে হনুমানে দিলা পৰিচয় ।
ৰামৰ আঙ্গুঠি দিয়া কৰিলা প্ৰত্যয় ।। ৮২৪ (সুন্দৰা)[১১৩]

শ্ৰীৰামকীৰ্তন ঃ

এহি বুলি হনুমন্তে ৰামৰ আঙ্গুঠি ।
দিলন্ত সীতাৰ হাতে হুয়া মহাতুষ্টি ।। ৬১২
লৈয়ো সীতা শান্তী মোৰ কথাৰ প্ৰমাণ ।
মানস শিলাৰ ফোটা দিলা যিটো থান ।।
ইটো গোপ্য সঙ্কেত কৰিয়া পঠাইলন্ত ।
তোৰা দুই বিনে আহ্ম আনে নজানন্ত ।। ৬১৩ (সুন্দৰা)[১১৪]

হনুমন্তৰ লঙ্কা দাহন, মুখেৰে চুঁচি নেজৰ জুই নুমোওৱা এই খিনি কথা মূলৰ লগত শ্ৰীৰাম কীৰ্তনো একেই। বিভীষনে ৰাৱণক সীতাহৰণৰ কাৰণে হব পৰা সম্ভাব্য পৰিণাম, ৰাৱণৰ অৱনতি আৰু সমস্ত প্ৰজাৰ লগতে স্বৰ্ণ লংকা ধ্বংস হোৱাৰ আগজাননী দি সীতাক ৰামৰ চৰণত অৰ্পণ কৰিবলৈ কোৱাত ৰাৱণে নিজ ভাতৃ বিভীষণকো প্ৰহাৰ কৰিবলৈ কুণ্ঠাবোধ

---

১১১। শ্ৰীৰামকীৰ্তন পৃঃ ১৪৪; উক্ত পদ খিনি হেমচন্দ্ৰ গোস্বামীৰ ‘অসমীয়া সাহিত্যৰ চানেকি’তো উল্লেখ আছে, বেনুধৰ শৰ্মা (সম্পাঃ) ঃ হেমচন্দ্ৰ গোস্বামীৰ ৰচনাৱলী, পৃ ঃ-৫০৭।

১১২। সপ্তকাণ্ড ৰামায়ণ ঃ পৃ ঃ-২৬৫।

১১৩। গীতি ৰামায়ণ ঃ পৃ ঃ- ১০৪।

১১৪। শ্ৰীৰাম কীৰ্তন ঃ পৃ ঃ-১৪৫।

নকৰিলে । যাৰ ফলত বিভীষণে সত্যৰ প্ৰতীক শ্ৰীৰামচন্দ্ৰৰ ওচৰত আহি শৰণাপন্ন হ'ব লগা হ'ল।

মাধৱ কন্দলী ঃ

ৰাৱণ ৰাজায়ে পাছে লৱৰ দিলেক ভিৰি
যেন ক্ৰোধে ময়মত হাতী ।
বিভীষন বীৰ যে হৃদয় মাজত গিয়া
ক্ৰোধে মাৰিলেক এক লাঠি ॥ ৪৭৪২

০ ০ ০

পাপিষ্ঠ জনৰ সংসৰ্গ দোষত
ধৰ্ম্মক কিক হৰাও ।
থাকিয়োক তুমি দদা লঙ্কেশ্বৰ
ৰামৰ পাশক যাওঁ ॥ ৪৭৪৭(সুন্দৰা)[১১৫]

'গীতি ৰামায়ণ'তো ইয়াৰ আভাস পোৱা যায় ঃ

বিভীষণে বোলে প্ৰভু হে সুনা ৰঘুনাথ ।
চৰণে শৰণ দিয়া মই বড় অনাথ ॥ ৮৬২
ৰাৱণা ৰাজাৰ মই হে হিতক চিন্তন্তে ।
হিতক বেহিত মানি মোক গৰ্জ্জিলন্তে ॥ ৮৬৩
তথাপিতো কৰযোৰ হে বুলিলোহো মাতি ।
ক্ৰোধে উঠি আসি মোক মাৰিলেক লাঠি ॥ ৮৬৪ (সুন্দৰা)[১১৬]

০ ০ ০

কন্দলীৰ অনুকৰণতেই অনন্ত ঠাকুৰেও সংক্ষেপে এক বৰ্ণনা দাঙি ধৰিছে ঃ

শুনি ক্ৰোধ উঠি গৈল ৰাৱণ ৰাজাৰ ॥ ৬৭০
উঠি তেতিক্ষণে গৈয়া চৰণ তাৰিল ।
বিভীষণ হৃদয়ত সন্ধানে পৰিল ॥
আসনৰ হন্তে পৰিলন্ত বিভীষণ ।
কতোক্ষণে উঠি গৈয়া কৰিলা বন্দন ॥ ৬৭১

১১৫। সপ্তকাণ্ড ৰামায়ণ ঃ পৃ ঃ-২৯২-২৯৩।
১১৬। গীতি ৰামায়ণ ঃ পৃ ঃ-১০৯।

থাকিয়োক মহাসুখে বুলি মহাৰায় ।
শ্ৰীৰামৰ পাৱে গৈয়া কৰিলা আশ্ৰয় ।। ৬৭২(সুন্দৰা) [১১৭]

সচাঁকৈয়ে বিভীষণৰ চৰিত্ৰ এক মহান, উজ্বল, সত্য আৰু আদৰ্শৰ প্ৰতীক ।

শ্ৰীৰাম কীৰ্তনৰ লংকা কাণ্ডটি কবি গৰাকীয়ে সমুদ্ৰ বন্ধনৰ পৰা আৰম্ভ কৰি লংকাত ৰাম-ৰাৱণৰ যুদ্ধৰ মাজেৰে শ্ৰীৰাম চন্দ্ৰৰ অযোধ্যাগমনৰ গোটেই ঘটনাংশকে সামৰিছে। উল্লেখযোগ্য যে কন্দলী ৰামায়ণৰ লংকা কাণ্ডৰ সকলো বিলাক প্ৰধান ঘটনাইহে চমুকৈ শ্ৰীৰাম কীৰ্তনত প্ৰাধান্য লভিছে। কন্দলী ৰামায়ণত শুক সাৰণে ৰজা ৰাৱণক কৈছে ঃ

ত্ৰৈলোক্যৰ নাৰীগণে নাটিল তোমাক।
ৰাম অগনিৰ হৰি আনিলা সীতাক ।। ৪৮৮৬।। [১১৮]

শ্ৰীৰাম কীৰ্তন ঃ

তুমি যে সুন্দৰী কৈতো নপাইলা ।
ৰাম অগনিৰ শিখা হৰিলা ।। ৬৯৪।। [১১৯]

মাল্যৱন্তই ৰাৱণক কৈছে ঃ

মাধৱ কন্দলী ঃ

গৰ্বত থাকিয়া তুই নেদেখহ দিশ ।
ৰাম শৰে ফুটিয়া কৰিবে থিসমিস ।।৪৯৬০।। [১২০]

শ্ৰীৰাম কীৰ্তন ঃ

ৰাম শৰে হৈবি পাপী নাশ।
নেদেখিবি তই একো দিশ ।। ৭২৫।। [১২১]

০ ০ ০

মাধৱ কন্দলী ঃ

দশশিৰ ছেদিবোহো ৰণচণ্ডী পূজিবোহো
ৰাৱণে হুইবেক বলিদান।।৪৮৭১।। [১২২]

অনন্ত ঠাকুৰ ঃ

দশ শিৰ কাটি তাৰ ৰণচণ্ডী পূজো ।।৭৩৬।। [১২৩]

---

১১৭। শ্ৰীৰাম কীৰ্তন ঃ পৃ ঃ-১৬২ ।
১১৮। সপ্তকাণ্ড ৰামায়ণ ঃ পৃ ঃ-৩০৩ ।
১১৯। শ্ৰীৰাম কীৰ্তন ঃ পৃ ঃ-১৬৮ ।
১২০। সপ্তকাণ্ড ৰামায়ণ ঃ পৃ ঃ-৩০৭ ।
১২১। শ্ৰীৰাম কীৰ্তন ঃ পৃ ঃ-১৭৪ ।
১২২। সপ্তকাণ্ড ৰামায়ণ ঃ পৃ ঃ-৩০২ ।
১২৩। শ্ৰীৰাম কীৰ্তন ঃ পৃ ঃ-১৭৬ ।

সীতাৰ আগত ৰাৱণে যেতিয়া মায়াৰূপী ৰামৰ ছেদিত শিৰ আনি দিয়ে তেতিয়া সীতাৰ মনৰ অৱস্থা অতি বিষাদ বিহ্বলা হৈ পৰা দেখি বিভীষণৰ পত্নী সৰমাই সীতা গোসাঁনীক অশেষ সান্তনা দিবলৈ চেষ্টা কৰিছে ঃ

মাধৱ কন্দলী ঃ

সৰমায়ে সীতাক আশ্বাস আতি কৰি ।
অন্তৰীক্ষে চলিলা চিলনী বেশ ধৰি ।।

০ ০ ০

উত্ৰাৱল মনে সীতা আছিলন্ত বসি ।
সৰমা আসিলা দেখি গৈলন্ত উল্লাসি ।।৪৯৩৬।। (লংকা)[১২৪]

অনন্ত ঠাকুৰ ঃ

সৰমা চিলনী বেশ ধৰি ।
গৈয়া আসিলেক শীঘ্ৰ কৰি ।।৭১৩
সৰমাক দেখি উল্লাসিল ।
তেহে হাসি কহিতে লাগিল ।। ৭১৪(লংকা) [১২৫]

কন্দলী ৰামায়ণত দূত হৈ যোৱা অঙ্গদে ৰাৱণক কৈছে ঃ

ৰামৰ ভাৰ্য্যাক, সীতাক হৰিলি,
দৌলৰ ভাঙ্গিলি ঘট ।।৪৯৯৬।। [১২৬]

এই প্ৰসংগত অনন্ত ঠাকুৰে লিখিছে ঃ

সেহি ভৈল দৌল সীতা ঘটক ভাঙ্গিলি ।। ৭৪২ [১২৭]

০ ০ ০

থিক একেদৰেই ত্ৰিজতাৰ সীতাৰ প্ৰতি কৰা উক্তিও সাদৃশ্যপূৰ্ণ ঃ

মাধৱ কন্দলী ঃ

মৃতকৰ মুখ কি জলয় ভকভকি ।।৫১৩৯।। [১২৮]

০ ০ ০

অনন্ত ঠাকুৰ ঃ

মৃত কৰ মুখ হেন নুহি ভকভকি ।।৭৬১।। [১২৯]

---

১২৪। সপ্তকাণ্ড ৰামায়ণ ঃ পৃ ঃ-৩০৬ ।
১২৫। শ্ৰীৰাম কীৰ্তন ঃ পৃ ঃ-১৭২ ।
১২৬। সপ্তকাণ্ড ৰামায়ণ ঃ পৃ ঃ-৩১০ ।
১২৭। শ্ৰীৰাম কীৰ্তন ঃ পৃ ঃ-১৭৭ ।
১২৮। সপ্তকাণ্ড ৰামাযণ ঃ পৃ ঃ-৩১৮ ।
১২৯। শ্ৰীৰাম কীৰ্তন ঃ পৃ ঃ-১৮২ ।

মাধৱ কন্দলীৰ এনেকুৱা অনেক বাক্যাংশৰ অনুকৰণ শ্ৰীৰাম কীৰ্তনৰ শব্দে শব্দে পোৱা যায়। কথা বস্তুৰ ক্ষেত্ৰত স্বতন্ত্ৰতা গ্ৰহণ কৰা শংকৰদেৱৰ উত্তৰা কাণ্ডৰ ঘটনাৱলীকে অনন্ত ঠাকুৰেও অনুকৰণ কৰিছে ।[১৩০] উত্তৰা কাণ্ডত অনন্ত ঠাকুৰে ৰচনা কৰাৰ ক্ষেত্ৰত শংকৰদেৱক অনুকৰণ কৰাৰ উদাহৰণ তলত দিয়া হ'ল ঃ

গুৰুজনাৰ উত্তৰা কাণ্ডত সীতাই ৰামক স্বপ্নৰ কথা কোৱাৰ প্ৰসংগত ৰামে তাৰ উত্তৰ দিছে ঃ

স্বপ্নৰ বস্তু কোনে পাৰে সচেতত ।
হাসিবেক ইটো কথা নকৈবা লোকত ।। ৬৭০।।[১৩১]

০ ০ ০

শ্ৰীৰাম কীৰ্তনত আছে ঃ

বুলিলা ৰামে শুনা প্ৰাণেশ্বৰী।
স্বপ্নক মানে কোনে সত্য কৰি ।।
এতেকে কাহাৰো আগে নকৈবা ।
ইটো কথা শুনি লোকে হাসিব ।।৮৯৫।। [১৩২]

শংকৰদেৱৰ উত্তৰা কাণ্ডত পোৱা যায় ঃ

এহিমতে কতোদিন আছন্ত ৰাঘৱ ।
চাৰমুখে শুনিলা লোকৰ গলাৰৱ ।।
দুৰ্ম্মখ দুজ্জন জনে দেই অপযশ।
সীতাক নিলেক হৰি ৰাৱণ ৰাক্ষস ।। ৬৭০৬

০ ০ ০

শুনি হেন দুৰ্জ্জন জনৰ অপবাদ ।
ৰামৰ মনত মহা মিলিল বিষাদ ।। ৬৭০৭ ।। ( উত্তৰা) [১৩৩]

অনন্ত ঠাকুৰ ঃ

এহি মতে সুখে আছে ৰাঘৱ ।
শুনিলা লোক মুখে গলৰাৱ ।।
ৰাৱণে নিলেক সীতাক হৰি ।
হেনয় নাৰী আছা ঘৰ কৰি । ৮৯৬

---

১৩০। কেশদা মহন্ত ঃ প্ৰাগুক্ত প্ৰৱন্ধ, পৃ ঃ-৩৫-৩৬ ।
১৩১। সপ্তকাণ্ড ৰামায়ণ ঃ পৃ ঃ-৪২১ ।
১৩২। শ্ৰীৰাম কীৰ্তন ঃ পৃ ঃ-২১৬ ।
১৩৩। সপ্তকাণ্ড ৰামায়ণ ঃ পৃ ঃ-৪২১ ।

শুনিয়া ৰামৰ কষ্ট মনত ।

সুখ শান্তি নাই গুণে মনত ॥ ৮৯৭ ॥ (উত্তৰা) [১৩৪]

সীতাক নিৰ্ব্বাসনৰ বাবে আদেশ দিয়াৰ পিছত ৰামে লক্ষ্মণক কৈছে ঃ

শংকৰদেৱ ঃ সীতাক ৰাখিবি যেবে আগে মোক কাট ॥ ৬৭১১ ॥ [১৩৫]

০ ০ ০

শ্ৰীৰাম কীৰ্তন ঃ সীতাৰ ৰাখা যে কাটা আমাক ॥ ৮৯৮ ॥ [১৩৬]

শংকৰদেৱৰ উত্তৰা কাণ্ডত সীতাক বাল্মীকিৰ আশ্ৰমৰ পৰা আনিবলৈ যোৱা হনুমন্ত আদিক সীতাই কৈছে ঃ

০ ০ ০

কিসক আমাক আউৰ কৰা উতপাত । ৬৯৯২

০ ০ ০

বোলাইবা ঘৰণী আৰো ৰাঘৱৰ ঘৰে ।

নাইতেবে নাৰী নিলাজিনী মোত পৰে ॥ ৬৯৯৩

০ ০ ০

ভুঞ্জো নিজ কৰ্ম্ম আত নাহি কিছুখেদ ।

ৰামৰ আমাৰ জানা ভৈল পৰিছেদ ॥ ৬৯৯৫

০ ০ ০

নমৰিলো বনত ৰাঘৱে মোক জানি ।

ইবাৰ কাটিবে মোক হাতে খাণ্ডা হানি ॥ ৬৯৯৬ ॥ (উত্তৰা) [১৩৭]

এই লিখনীৰ প্ৰতিধ্বনিয়ে অনন্ত ঠাকুৰৰ হাতত স্পষ্টভাৱে ধৰা দিছে ঃ

০ ০ ০

কিসক আমাক তোৰা কৰা উতপাত ।

০ ০ ০

তানে ঘৰে আৰো মই বোলাইবো ঘৰণী ।

মোতপৰে তেবে আৰ আছে নিলাজিনী ॥ ৯৬৫

মই নিজ কৰ্ম্ম-ভুঞ্জো আত কোন খেদ ।

তান মোৰ জানা এহিমানে পৰিচ্ছেদ ॥

---

১৩৪। শ্ৰীৰাম কীৰ্তন ঃ পৃ ঃ-২১৭।

১৩৫। সপ্তকাণ্ড ৰামায়ণ ঃ পৃ ঃ-৪২২।

১৩৬। শ্ৰীৰাম কীৰ্তন ঃ পৃ ঃ-২১৭।

১৩৭। সপ্তকাণ্ড ৰামায়ণ ঃ পৃ ঃ-৪৩৯।

ইমান দুখত আমি নমৰিলো জানি ।

ইবাৰ কাটিবে স্বামী হাতে খাণ্ডা হানি ।। ৯৬৬ ।। (উত্তৰা) [১৩৮]

ইয়াৰ উপৰিও অনেকখিনি নিজা উদ্ভাৱনাৰে শংকৰদেৱে বৰ্ণোৱা সীতাৰ পাতাল যাত্ৰাৰ ক্ষেত্ৰতো অনন্ত আতাই পদে পদে গুৰুজনক অনুকৰণ কৰিছে।[১৩৯]

এইখিনিতে এটি উল্লেখযোগ্য কথা যে বৈষ্ণৱ কবিসকলে সদায় নিজৰ ৰচিত কাব্যৰ ভিতৰত আত্ম পৰিচয় বা ভনিতা দিয়াতো এটা পৰম্পৰাগত ৰীতি। এই ৰীতিৰ অন্যথা, মাধৱ কন্দলী, শংকৰদেৱ আদিও হোৱা নাই। থিক তেনেকৈ শ্ৰীৰাম কীৰ্তনৰ শেষৰ ফালে অনন্ত ঠাকুৰ আতাইও নিজৰ আত্মপৰিচয় দি গৈছে। মাধৱ কন্দলীয়ে লংকা কাণ্ডৰ শেষত ৬৬৮৫-৬৬৮৬ নং পদ[১৪০], শংকৰদেৱে উত্তৰাকাণ্ডৰ ৭০১৫, ৭০১৬, ৭০১৭ [১৪১] আৰু অনন্ত ঠাকুৰে আগতে উল্লেখ কৰি অহাৰ দৰে উত্তৰা কাণ্ডৰ - ১০৩১, ১০৩২নং পদত ইয়াক উল্লেখ কৰি গৈছে।[১৪২]

গ্ৰন্থৰ শেষৰ ফালে দুৰ্ব্বাসা আৰু কালৰ আবিৰ্ভাৱৰ দ্বাৰা ৰামৰ লক্ষ্মণ বৰ্জন, লক্ষ্মণৰ অন্ত্যেষ্টিক্ৰিয়া আৰু শেষত প্ৰজা সমন্বিতে ৰামৰ স্বৰ্গাৰোহণেৰে উত্তৰা কাণ্ডৰ লগতে শ্ৰীৰাম কীৰ্তনৰো সামৰণি মাৰিছে। উক্ত কাহিনীখিনি শংকৰদেৱৰ দৰে হ'লেও কবি অনন্ত ঠাকুৰে কিন্তু দ্ৰুত গতিত কাহিনীভাগ-বৰ্ণিত কৰিছে। ইয়ে অনন্ত ঠাকুৰক গুৰুজনাৰ প্ৰতি থকা অনুকৰণকে সূচায় ।

**'সীতাহৰণ নাট'ত শংকৰদেৱৰ প্ৰভাৱ ঃ-** সীতাহৰণ নাটখনৰ ক্ষেত্ৰতো দেখা যায় অনন্ত আতাই শংকৰদেৱ গুৰুজনাৰ নাট্য আদৰ্শকে আগত ৰাখি নাটকখন লিখাৰ চেষ্টা কৰিছিল। নাটকৰ বিষয়বস্তু মাধৱ কন্দলী ৰামায়ণৰ অৰণ্য কাণ্ড পৰা সংগ্ৰহ কৰিলেও শ্ৰীৰাম কীৰ্তনৰ ঘটনাংশৰ লগতো মিল নথকা নহয়। গুৰুজনাই ব্যৱহাৰ কৰাৰ দৰে অনন্ত ঠাকুৰেও বিভিন্ন ৰাগ-তাল যুক্ত গীত, ভটিমা, শ্লোক আদি ব্যৱহাৰ কৰাৰ কথা আগৰ অধ্যায়ত উল্লেখ কৰি অহা হৈছে। মুঠতে গুৰুজনাৰ নাট্য ৰীতিৰ ধাৰাকে অনন্ত ঠাকুৰেও সীতাহৰণ নাটত উপস্থাপন কৰা দেখা যায়, অৱশ্যে শংকৰোত্তৰ যুগৰ অন্যান্য নাট্যকাৰৰ দৰে সীতা হৰণ নাট্টতো শংকৰোত্তৰ যুগৰ নাটৰ কিছু লক্ষন ফুটি উঠা দেখা গৈছে। এনেকৈয়ে হৃদয়ানন্দ কায়স্থই নিজৰ ৰচনাৱলীৰ ক্ষেত্ৰত বিভিন্ন গৰাকী পূৰ্বসূৰী কবি সাহিত্যিক আৰু মহাপুৰুষৰ আদৰ্শৰাজিৰে কাব্য সৃষ্টি কৰিছিল। এইয়া পৰৱৰ্ত্তী কবি সাহিত্যিক সকলৰ এক আদৰ্শনীয় অনুকৰণ আৰু ৰচনাৰাজিৰ প্ৰকৃত মূল্যাংকণ।

---

১৩৮। শ্ৰীৰাম কীৰ্তন ঃ পৃ ঃ-২৩১।

১৩৯। কেশদা মহন্ত ঃ প্ৰাগুক্ত প্ৰবন্ধ, পৃ ঃ-৩৬।

১৪০। সপ্তকাণ্ড ৰামায়ণ ঃ প্ৰাগুক্ত গ্ৰন্থ , পৃ ঃ-৪১৮।

১৪১। প্ৰাগুক্ত গ্ৰন্থ , পৃ ঃ-৪৪১ ।

১৪২। শ্ৰীৰাম কীৰ্তন ঃ পৃ ঃ-২৪৯ ।

# ষষ্ঠ অধ্যায়

## সাহিত্যিক মূল্য

### ভাৱ-ভাষা, ৰস, ছন্দ, অলংকাৰ

হৃদয়ানন্দ কায়স্থৰ গ্ৰন্থ বিশেষৰ সাহিত্যিক মূল্য পৰ্য্যালোচনা কৰিলে সাধাৰণতে ইয়াৰ ভাৱ-ভাষা, ৰস, ছন্দ, অলংকাৰ, মৌলিকতা আৰু ধৰ্মীয় দৰ্শনৰ কথাই আমাৰ মনলৈ আহে। অসমীয়া সাহিত্য জগতলৈ কবি গৰাকীৰ অতুলনীয় দানৰ কথা আগতে উল্লেখ কৰি অহা হৈছে। 'কীৰ্তনীয়া ৰামায়ণ'ৰ কবি হিচাপে অনন্ত ঠাকুৰ শংকৰোত্তৰ যুগৰ এক মাইলৰ খুঁটি। য'ত আছে মহাপুৰুষৰ অক্ষয় কীৰ্তি 'কীৰ্তন-ঘোষা'ৰ ছান্দিক কৌশল আৰু মাধৱ কন্দলী ৰামায়ণৰ দৰে লোক-উক্তি, ফকৰা, যোজনা-পটন্তৰ, প্ৰাকৃতিক বৰ্ণনা আৰু অলংকাৰৰ দৰে সাহিত্যৰ উপভোগ্য সম্পদৰাজি। অৱশ্যে অলংকাৰ আৰু মৌলিকতাৰ ক্ষেত্ৰত কন্দলীৰ দৰে উভৈনদী প্ৰকাশ নাই, মাথো সাৱলীল ভাৱেই প্ৰবাহমান।

মাধৱ কন্দলীয়ে মূল ঘটনাৱলী বাল্মিকী ৰামায়ণৰ দৰেই ৰাখিছে। এই ক্ষেত্ৰত অনন্ত ঠাকুৰক মাধৱ কন্দলীৰ ওচৰত ধৰুৱা নকৰিলে চলে যদিও বহু ক্ষেত্ৰত অনন্ত ঠাকুৰে, মাধৱ কন্দলীৰ ভাষা অনুকৰণ কৰালৈ চাই তেওঁক কন্দলীৰ ওচৰত ধৰুৱা কৰিবই লাগিব।[১] তলত ইয়াৰ কেইটিমান উদাহৰণ দাঙি ধৰা হ'ল ঃ

১। মাধৱ কন্দলী ঃ

ত্ৰৈলোক্যৰ নাৰী গণে নাটিল তোমাক ।
ৰাম অগণিৰ হৰি আনিলা সীতাক ।। ৪৮৮৬ (লংকা)[২]

অনন্ত ঠাকুৰ ঃ

তুমি যে সুন্দৰী কৈতো নপাইলা ।
ৰাম অগনিৰ শিখা আনিলা ।। ৬৯৪ (লংকা)[৩]

২। মাধৱ কন্দলী ঃ

গৰ্ব্বত থাকিয়া তই নেদেখহ দিশ ।
ৰামশৰে ফুটিয়া কৰিবে থিস মিস ।। ৪৯৬০ (লংকা)[৪]

অনন্ত ঠাকুৰ ঃ

ৰাম শৰে হৈবি পাপী নাশ ।
নেদেখিবি তই একো দিস ।। ৭২৫ (লংকা)[৫]

---

১। কেশদা মহন্ত, 'অনন্ত ঠাকুৰৰ শ্ৰীৰামকীৰ্তন আৰু কলাপচন্দ্ৰ দ্বিজৰ ৰামায়ণ চন্দ্ৰিকা', অসম সাহিত্য সভা পত্ৰিকা,পৃঃ ৩৫।

২। হৰিনাৰায়ণ দত্তবৰুৱা (সম্পাঃ) ঃ সপ্তকাণ্ড ৰামায়ণ, পৃঃ ৩০৩ ।

৩। হৰিনাৰায়ণ দত্তবৰুৱা (সম্পাঃ) ঃ শ্ৰীৰামকীৰ্তন , পৃঃ ১৬৮ ।

৪। সপ্তকাণ্ড ৰামায়ণ, পৃঃ ৩০৭ ।

৫। শ্ৰীৰাম কীৰ্তন, পৃঃ ১৭৫ ।

৩। মাধৱ কন্দলী ঃ

দশ শিৰ ছেদিবোহোঁ ৰণচণ্ডী পূজিবোহোঁ,
বাৰণ হুইবেক বলিদান ॥ ৪৮৭১ (লংকা)[৬]

অনন্ত ঠাকুৰ ঃ

দশ শিৰ কাটি তাৰ ৰণচণ্ডী পূজো ॥৭৩৬ (লংকা)[৭]

৪। মাধৱ কন্দলী ঃ

ৰামৰ ভাৰ্য্যাক সীতাক হৰিলি,
দৌলৰ ভাঙ্গিলি ঘট ॥ ৪৯৯৬ (লংকা)[৮]

অনন্ত ঠাকুৰ ঃ

সেহি ভৈল সীতা ঘটক ভাঙ্গিলি ॥ ৭৪২ (লংকা)[৯]

৫। মাধৱ কন্দলী ঃ

মৃতকৰ মুখ কি জ্বলয় ভকভকি ॥ ৫১৩৯ (লংকা)[১০]

অনন্ত ঠাকুৰ ঃ

মৃতকৰ মুখ হেন নুহি ভকভকি ॥ ৭৬১ (লংকা)[১১]

এনেধৰণৰ মাধৱ কন্দলীৰ বহু অনুকৰণ শ্ৰীৰামকীৰ্তনৰ শব্দে শব্দে পোৱা যায়। ইয়াৰ বহুতো উল্লেখ আমি পঞ্চম অধ্যায়ত ইতিমধ্যে কৰি আহিছো। এই খিনিতে অনন্ত ঠাকুৰৰ ৰচনাৰ ক্ষেত্ৰত শংকৰদেৱৰ ভাষাক কৰা অনুৰণৰ উদাহৰণ কেইটিমান তলত দাঙি ধৰা হ'ল ঃ

শংকৰদেৱ ঃ

স্বপনৰ বস্তু কোনে পাৱে সচেতত ।
হাসিবেক ইটো কথা নকৈবা লোকত ॥ ৬৭০৫ (উত্তৰা)[১২]

অনন্ত ঠাকুৰ ঃ

স্বপনক মানে কোনে সত্য কৰি ॥
এতেকে কাহাবো আগে নকৈবা ।
ইটো কথা শুনি লোকে হাসিব ॥ ৮৯৫ (উত্তৰা)[১৩]

---

৬। সপ্তকাণ্ড ৰামায়ণ, পৃঃ ৩০২
৭। শ্ৰীৰামকীৰ্তন, পৃঃ ১৭৬ ।
৮। সপ্তকাণ্ড ৰামায়ণ, পৃঃ ৩১০ ।
৯। শ্ৰীৰামকীৰ্তন, পৃঃ ১৭৭ ।
১০। সপ্তকাণ্ড ৰামায়ণ, পৃঃ ৩১৮ ।
১১। শ্ৰীৰামকীৰ্তন, পৃঃ ১৮২ ।
১২। সপ্তকাণ্ড ৰামায়ণ, পৃঃ ৪২১ ।
১৩। শ্ৰীৰামকীৰ্তন, পৃঃ ২১৬ ।

সীতাক নিৰ্ব্বাসনৰ আদেশ দিয়াৰ পাছত ৰামে লক্ষ্মণক কৈছে ঃ

শংকৰদেৱ ঃ

সীতাক ৰাখিবি যেবে   আগে মোক কাট ।। ৬৭১১ (উত্তৰা)[১৪]

অনন্ত ঠাকুৰ ঃ

সীতাৰ ৰাখা যে কাটা আমাক ।। ৮৯৮ (উত্তৰা)[১৫]

শংকৰদেৱৰ উত্তৰা কাণ্ডত সীতাক বাল্মীকিৰ আশ্ৰমৰ পৰা আনিবলৈ যোৱা হনুমন্ত আদিক সীতাই কৈছে ঃ

কিসক আমাক আউৰ কৰা উতপাত । ৬৯৯২

o o o

বোলাইবো ঘৰণী আৰো ৰাঘৱৰ ঘৰে ।
নাই তেবে নাৰী নিলাজিনী মোত পৰে ।। ৬৯৯৩

o o o

ভুঞ্জো নিজ কৰ্ম্ম আত নাহি কিছু খেদ ।
ৰামৰ আমাৰ জানা ভৈল পৰিছেদ ।। ৬৯৯৫

o o o

নমৰিলো বনত ৰাঘৱে মোক জানি ।
ইবাৰ কাটিবে মোক হাতে খাণ্ডা হানি ।। ৬৯৯৬ (উত্তৰা)[১৬]

ইয়াৰ প্ৰতিধ্বনি স্পষ্টভাৱে শুনা যায় শ্ৰীৰামকীৰ্তনত ঃ

কিসক আমাক তোৰা কৰা উতপাত ।৯৬৫

o o o

তান ঘৰে আৰো মই বোলাইবো ঘৰিণী ।
মোতপৰে তেবে আৰ আছে নিলাজিনী ।। ৯৬৫
মই নিজ কৰ্ম্ম ভুঞ্জো আত কোন খেদ ।
তান মোৰ জানা এহিমানে পৰিচ্ছেদ ।।
ইমান দুখত আমি নমৰিলো জানি ।
ইবাৰ কাটিবে স্বামী হাতে খাণ্ডা হানি ।। ৯৬৬ (উত্তৰা)[১৭]

ইয়াৰ বাহিৰেও অনেক খিনি নিজা উদ্ভাৱনাৰে শংকৰদেৱে বৰ্ণোৱা, সীতাৰ পাতাল প্ৰৱেশৰ ক্ষেত্ৰতো অনন্ত আতাই পদে

১৪। সপ্তকাণ্ড ৰামাযণ, পৃঃ ৪২২ ।
১৫। শ্ৰীৰামকীৰ্তন, পৃঃ ২১৭ ।
১৬। সপ্তকাণ্ড ৰামায়ণ, পৃঃ ৪৩৯ ।
১৭। শ্ৰীৰামকীৰ্তন, পৃঃ ২৩১ ।

পদে গুৰুজনাক অনুকৰণ কৰিছে।[১৮]

মাধৱ কন্দলীয়ে চতুৰ্দ্দশ শতিকাৰ মাজ ভাগতে ৰামায়ণখন নিজৱ ভাষালৈ ৰূপান্তৰ কৰে। এই ক্ষেত্ৰত তেখেতে ৰামক বিষ্ণুৰ অৱতাৰ হিচাপে গ্ৰহণ কৰিছে যদিও ভক্তিভাৱৰ প্ৰাবল্যত উটি ভাহি গৈ বাল্মীকি ৰামায়ণৰ প্ৰধান মানবীয় সুৰটো লৰচৰ কৰিব বিচৰা নাই, বা পদে পদে ঈশ্বৰত্ব আৰোপ কৰি ৰাম-লক্ষ্মণ আদি চৰিত্ৰৰ মানবীয় আবেদন খৰ্বও কৰা নাই।[১৯] থিক এনেকুৱা আদৰ্শ আৰু ভাৱ আগত ৰাখিয়েই অনন্ত ঠাকুৰেও ৰামৰ গাত এই ঈশ্বৰত্ব আৰোপ কৰিছে। তেখেতে ৰামৰ গাত এই ভাৱ প্ৰকাশ কৰিবলৈ গৈ কাব্যৰ ভিতৰত বহুতো গধুৰ মন্তব্য ব্যক্ত কৰিছে ঃ

শ্ৰীনাৰায়ণে আহি দশৰথৰ ঘৰত জন্ম লোৱা প্ৰসংগত দেৱতাসকলক কৈছে ঃ

হেন শুনি হাসি মাতিলন্ত নাৰায়ণ ।
অংশে গৈযা বানৰত জন্মা দেৱগণ ।।
ময়ো চাৰি ৰূপে হৈবো দশৰথ ঘৰে ।
জনকৰ ঘৰে লক্ষ্মী চলিয়ো সত্বৰে ।। ৯৫ (আদি)[২০]

বিশ্বামিত্ৰৰ যজ্ঞ ৰাম-লক্ষ্মণে সুকলমে সমাপণ কৰাৰ পিছত ঋষিয়ে ৰামক যিভাৱ প্ৰকাশ কৰিছে, তাত যে ৰাম স্বয়ং ভগৱান সেই কথা স্পষ্টভাৱে প্ৰকাশ কৰিছে ঃ

হে ভগৱন্ত তুমি জনম ৰহিত ।
তথাপিতো সমস্ত প্ৰাণীৰ চিন্তি হিত ।।
নানা লীলা কৰা যুগে যুগে অৱতৰি ।
তোমাৰ চেষ্টাক কোনে বুজিবে মুৰাৰি ।। ১৫২ (আদি)[২১]

জনকৰ ঘৰত ৰাম-লক্ষ্মণক লৈ বিশ্বামিত্ৰৰ আগমন -

আসিছন্ত জগত ঈশ্বৰে ।
লক্ষ্মী জন্মি আছে তযুঘৰে ।। ১৭৩
o o o
জহত ঈশ্বৰ প্ৰভু গৃহত আমাৰ ।। ১৭৫ (আদি)[২২]

ৰামৰ অভিষেকৰ সময়ত পিতৃ দশৰথে পুত্ৰক কৈছে -

জগত ঈশ্বৰ তুমি পুত্ৰক পাইলো ।। ২৬৫ (অযোধ্যা)[২৩]

---

১৮। কেশদা মহন্ত ঃ প্ৰাগুক্ত প্ৰৱন্ধ, পৃঃ ৩৬ ।
১৯। সত্যেন্দ্ৰ নাথ শৰ্মা ঃ ৰামায়ণৰ ইতিবৃত্ত, পৃঃ ২৫৪ ।
২০। শ্ৰীৰামকীৰ্তন, পৃঃ ২১।
২১। তথৈৱ, পৃঃ ৩৫ ।
২২। তথৈৱ, পৃঃ ৩৯-৪০ ।
২৩। তথৈৱ, পৃঃ ৬১।

ৰাম-লক্ষ্মণ-সীতাই বনলৈ যোৱাৰ পথত অগস্তি মুনিৰ আশ্ৰমত প্ৰবেশ কৰোঁতে ঋষিয়ে পৰম আনন্দে ৰামৰ মহিমা প্ৰকাশ কৰিছে ঃ

জগত ঈশ্বৰ তুমি বিষ্ণু অৱতাৰ ।

কি পুণ্যে দেখিলো প্ৰভু চৰণ তোমাৰ ।। ৪৬০ (অৰণ্য)[২৪]

কন্দলী ৰামায়ণৰ দৰে অনন্ত ঠাকুৰৰ শ্ৰীৰামকীৰ্তনো সাজে-পাৰে তেনেই অসমীয়া আৰু অধিক আপোন। ভাষাৰ বৰ্ণনা চাতুৰ্য্যও বেচ উপভোগ্য। ইয়াত ভাৱ, ভাষা, ৰস, ছন্দ, অলংকাৰ আৰু ফকৰা-যোজনাৰ উভৈনদী পয়োভৰ নাই যদিও স্বাভাৱিক ভাৱেই ই ধাৱমান হৈছে। শ্ৰীৰামকীৰ্তনৰ পৰা অনুমান কৰিব পাৰি কবি গৰাকী নিজেও এক ভাল কীৰ্তন গায়ক আছিল। সেয়েহে শ্ৰীৰামকীৰ্তনক গীত হিচাপেও যথেষ্ট উচ্চ খাপৰ বুলি ভৱাৰ স্থল আছে। কাব্যখন পঢ়িলে গম পোৱা যায় তাত যিকোনো কথাক অতি ৰঞ্জনৰ চেষ্টা কৰা নাই।

ৰস সঞ্চাৰণৰ ক্ষেত্ৰতো কবি গৰাকী ব্যাহত হোৱা নাই। ইয়াত কাৰুণ্যই মূলৰ দৰে প্ৰাধান্যতা লভিছে যদিও ভক্তিয়ে সাৰ্থকতা কঢ়িৱাই অনা দেখা গৈছে। শ্ৰীৰামকীৰ্তনত ব্যৱহাৰ হোৱা ৰসৰ ভিতৰত শৃঙ্গাৰ, বীৰ, কৰুণ, বীভৎস আদিয়েই প্ৰধান। তলত উল্লিখিত ৰস সমূহৰ উদাহৰণ দাঙি ধৰা হ'ল -

**১। আদি বা শৃঙ্গাৰ ঃ**

শ্ৰীৰাম চন্দ্ৰক সীতাদেৱীয়ে বৰমাল্য প্ৰদান কৰাৰ সময়ত উপস্থিত থকা ৰজা-মহাৰজাসকলৰ মনৰ অৱস্থা অতি পুতৌ লগা ধৰণৰ-

ৰাজা গণে চাই আছে        সীতাৰ ৰূপত পাচে

ভোল হুয়া পৰে ধৰণীত ।১৯১ (আদি)[২৫]

চিত্ৰকূটত থকা অৱস্থাত লক্ষ্মণে বনৰ মাজত খাদ্যৰ অন্বেষণত সদায় ওলাই যায়। তেতিয়া কুটিৰত একমাত্ৰ ৰাম-সীতা, স্বাভাৱিকতে মনত আনন্দৰ পাৰ ভাঙি যায়-

ফল মূল আনিবাক যান্ত বন মাজ ।

সীতা সমে ৰতি ৰঙ্গে থাকে ৰঘুৰাজ ।। ৩৭৭ (অযোধ্যা)[২৬]

চিত্ৰকূটত থকা অৱস্থাতে এদিন এক ঘটনা ঘটিল। ৰতি ৰসত মগ্ন হৈ ৰামে সীতাৰ কোলাত মূৰ থৈ নিদ্ৰা গ'ল ঃ

এক দিনা ৰতি ৰঙ্গে যেন শ্ৰান্ত ভৈল ।

সীতাৰ কোলাত শিৰ দিয়া নিদ্ৰা গৈল ।।

উদাস শৰীৰ দেখি হুয়া কামাতুৰ ।

সীতা স্তনে ঘাত কৰিলেক পাপী কাউৰ ।। ৪১৪ (অযোধ্যা)[২৭]

---

২৪। শ্ৰীৰামকীৰ্তন, পৃঃ ১০৯ ।

২৫। তথৈৱ, পৃঃ ৪৩।

২৬। তথৈৱ, পৃঃ ৮৯।

২৭। তথৈৱ, পৃঃ ৯৯।

কাব্যৰ আৰম্ভণিতে ৰজা দশৰথৰ বংশ পৰিচয় দিবলৈ গৈ প্ৰসংগক্ৰমে ৰজাই নিজৰ আত্ম সুখত দিন নিয়াই ৰাজ্যৰ প্ৰতি অৱহেলাৰ মনোভাৱ পোষণ কৰা দেখা যায়। ইয়াৰ প্ৰধান কাৰণ হিচাপে কবিয়ে নাৰী সঙ্গৰ কথা কবলৈ বিচাৰিছে-

সৰ্ব্বক্ষণে থাকে ৰাজা নাৰীৰ সঙ্গত ।

ৰতি সুখে দশৰথ ভৈলা উনমত ।। ১৩

o o o

ৰতি ৰঙ্গ কৰি থাকা যেন মূষ প্ৰায় ।। ১৬ (আদি)[২৮] ইত্যাদি ।

২। বীৰ ৰস ঃ

শ্ৰীৰামচন্দ্ৰই জনকৰ ঘৰত হৰধনু ভঙ্গ কৰাৰ সময়ত নিজৰ বীৰত্ব প্ৰকাশ কৰিছে-

উল্লাসিয়া ধনুক ধৰিল বামহাতে ।

অলক্ষিতে গুণ লগাইলন্ত ৰঘুনাথে ।। ১৮৩

o o o

কৰ্ণমানে টানি ধনু মাজতে ভাঙ্গিলা ।। ১৮৪ (আদি)[২৯]

ৰামে সীতাক উদ্ধাৰৰ বাবে সুগ্ৰীৱৰ লগত মিত্ৰতা কৰিব লগা হৈছিল, সেই সময়ত ৰামে নিজৰ বীৰত্ব সুগ্ৰীৱৰ আগত প্ৰকাশ কৰিছিল ঃ

ভূমিত চাপৰ মাৰি ।

বুলিলা ৰাঘৱ হৰি ।। ৫২০

মোৰ ভাৰ্য্যা বৈৰী যিটো ।

তাৰ প্ৰাণ লৈবো সিটো ।।

যদি সাগৰত ডুবে ।

তথাপি মাৰিবো ধ্ৰুৱে ।। ৫২১

লুকালে পাতালে যাই ।

তথাপিতো ৰক্ষা নাই ।।

অৱশ্যে মাৰিবো প্ৰাণে ।

কৈলো মই বিদ্যমানে ।। ৫২২ (কিষ্কিন্ধ্যা)[৩০]

সুগ্ৰীৱৰ লগত মিত্ৰতা স্থাপন কৰি ৰামে বালীক বধ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে, তেতিয়া সুগ্ৰীৱে ৰামৰ বীৰত্বৰ প্ৰমাণ চাব বিচাৰে,

---

২৮। তথৈৱ, পৃঃ ৪।

২৯। তথৈৱ, পৃঃ ৪১।

৩০। তথৈৱ, পৃঃ ১২৪।

প্ৰত্যুত্তৰত ৰামে-

এক গোটা শৰে চিন্তিবো মাৰ ।

দুই গোটা যদি ধৰো ধিক্কাৰ ।। ৫৩৩ (কিষ্কিন্ধ্যা)[৩১]

ৰাৱণ বধৰ সময়ত ৰামৰ বীৰত্বৰ পূৰ্ণ প্ৰকাশ ঘটিছে ঃ

পাচে ৰামে প্ৰহাৰ কৰিলা অৰ্দ্ধচন্দ্ৰ ।

ছেদিয়া পেলাইলা ৰাৱণৰ দশস্কন্ধ ।। ৮৬২

o o o

হেন শুনি ব্ৰহ্ম অস্ত্ৰ গুণত চৰাইল ।

মন্ত্ৰ অভিষেকি ৰাৱণাক প্ৰহাৰিল ।।

হৃদয় সৰকি বাণ পাতালক গৈল ।

তাহান পতনে মহী তলবল ভৈল ।। ৮৬৫ (লংকা)[৩২]

যুদ্ধৰ সমযত ৰামে বানৰ সৈন্যাক যুদ্ধৰ নিৰ্দ্দেশ পালন কৰিবলৈ কৈ নিজেও কৰ্তব্যত অগ্ৰসৰ হৈছে ঃ

বিভীষণ সমে আমি ৰাৱণাক যুজো ।

দশ শিৰ কাটি তাৰ ৰণচণ্ডী পূজো ।। (লংকা)[৩৩] ইত্যাদি ।

**৩। করুণ ৰস ঃ**

দশৰথ ৰজাই অন্ধ মুনিৰ পুত্ৰ সিন্ধুমনিক শৰ বিদ্ধ কৰি বধ কৰাত অন্ধমুনিৰ অৱস্থা অতি দুখলগা আৰু অতি করুণ হৈ ধৰা দিছে ঃ

মহা শোকে দুখে ৰাজা শৰ কাঢ়িলন্ত ।

ৰাম ৰাম বুলি মুনি প্ৰাণ ছাড়িলন্ত ।। ৫৪

o o o

পুত্ৰৰ শৰক ধৰি কান্দিলা অপাৰ ।

আবেসে জানিলো ভৈল মৰণ আমাব ।। ৫৯

o o o

আমি যেন মৰো পুত্ৰশোকে দুয়ো প্ৰাণী ।

তয়ো পুত্ৰশোকে মৰ শুনৰে অজ্ঞানী ।। ৬০

o o o

৩১। তথৈৱ, পৃঃ ১২৭।

৩২। তথৈৱ, পৃঃ ২০৯।

৩৩। তথৈৱ, পৃঃ ১৭৬।

সেই পুত্ৰশোকে মৃত্যু হৈবেক তোমাৰ ॥ ৬২

০ ০ ০

এহি বুলি দুয়োজনে তেজিলন্ত প্ৰাণ ॥ ৬৩ (আদি) [৩৪]

কৈকেয়ীৰ কথামতে ৰাম-লক্ষ্মণ, সীতা বনলৈ যাবলৈ প্ৰস্তুত হৈ বল্কল পৰিধান কৰিলে ঃ

কৈকেয়ীৰ কৰ্ম্ম দেখি ৰাজা দশৰথ ।

মূৰ্চ্ছ যাই পৰিলন্ত নিজ আসনত ॥ ৩৩১ (অযোধ্যা)[৩৫]

উত্তৰা কাণ্ডত ৰামে সীতাক নিৰ্ব্বাসন দিয়াত লক্ষ্মণে সীতাক নি বনৰ মাজত থৈ হৃদয় বিদৰা কৰুণ পৰিস্থিতিৰ ইঙ্গিত দিছেঃ

দুৰ্ঘোৰ বনত থৈয়ো বুলিলা ।

ৰাঘৱে তোমাক নিৰ্ব্বাস দিলা ॥ ৮৯৯

নিজান বনত পৰিলা আই ।

পৰিয়া কান্দন্ত নপাই ॥ ৯০০ (উত্তৰা)[৩৬]

শ্ৰীৰামকীৰ্তনৰ উত্তৰা কাণ্ডটো কবিগৰাকীয়ে বিশেষ নৈপুণ্যনতাৰে ফুটাই তুলিবলৈ সক্ষম হৈছে। ইয়াত কাৰুণ্যই বিশেষভাৱে মুখ্য স্থান অধিকাৰ কৰিছে। সীতাৰ বিননীয়ে পৃথিৱী ভেদ কৰি পাতাললৈ চকুলো বোৱালে। সীতাৰ দুখত লৱ-কুশ আৰু ৰামৰ চৰিত্ৰত লৌকিকত্ব প্ৰকাশ পাইছে। সীতাৰ পাতাল প্ৰৱেশত ঃ

সীতা যে পাতালে গৈলন্ত ৰাঘৱ

দেখিয়া বিহ্বল ভৈলা ।

শোকে অন্ধকাৰ দেখি ৰঘুপতি

সিংহাসনে মূৰ্চ্চা গৈলা ॥

পিতৃক সাৰটি লৱ-কুশে বান্ধি

আৰ্ত্তৰাৱ আতি কৰি ।

সীতাৰ সন্তাপে সমস্ত সমাজে

কান্দন্ত পৰি বাগৰি ॥ ১০১৩ (উত্তৰা)[৩৭]

উত্তৰা কাণ্ডৰ লক্ষ্মণ বৰ্জ্জন অধ্যায়তোৰেও সহৃদয় পাঠকৰ অন্তৰত তীব্ৰ কৰুণ ৰসৰ সৃষ্টি কৰে। ইয়াত দুই ভাতৃৰ বিচ্ছেদৰ কৰুণ প্ৰতিচ্ছবি কবিয়ে সুন্দৰভাৱে প্ৰকাশ কৰিব পাৰিছে ঃ

প্ৰাণতো অধিক মোৰ লক্ষ্মণ ভৈয়াই ।

তোক তেজি মোৰ জীৱনত কাৰ্য্য নাই ॥ ১০৬৯

০ ০ ০

---

৩৪। তথৈৱ, পৃঃ ১২-১৪ ।

৩৫। তথৈৱ, পৃঃ ৮০।

৩৬। তথৈৱ, পৃঃ ২১৭।

৩৭। তথৈৱ, পৃঃ ২৪১-১৪২ ।

দুই হাঙ্কো গলত বান্ধি কান্দিয়া ৰাঘৱ ।
অলপতে চেণ্ডিয়া ভৈলা তেজিলেক মাৰ ॥
কৰিবাক নপাইলোহো মই প্ৰতিপাল ।
হৰি হৰি বিধি কিনো লাগিল কপাল ॥ ১০৭৬

০ ০ ০

এতেকে বোলন্তে শোকে অগনি বজাৰে ।
গলাগলি কৰি কান্দে তিনি বাপে পোৰে ॥ ১০৭৮ (উত্তৰা) [৩৮]

লক্ষ্মণ বৰ্জ্জন আৰু লক্ষ্মণে দেহ ত্যাগ কৰাৰ পিছত ৰামৰ বাবে যে কি ভয়াবহ কৰুণ পৰিণতি ঃ

কিসক নামাতা মোক প্ৰাণৰ ভৈয়াই ।
এহি বুলি সাৰটি ধৰিলা ৰঘুৰায় ॥
দেখন্তে শৰীৰ জীৱ নাহি মৰা শৰ ।
সেহি থানে পৰি মূৰ্চ্চা গৈলন্ত ৰাঘৱ ॥ ১০৮৮ (উত্তৰা)[৩৯] ইত্যাদি ।

৪। ভয়ানক ৰস ঃ

ৰামৰ দ্বাৰা নিধন হোৱা তাড়কা ৰাক্ষসীৰ এক ভয়ানক ৰূপৰ কল্পনা কবিয়ে দাঙি ধৰিছে ঃ

ৰামে দেখিলন্ত খেদি আইল ৰাক্ষসিনী ।
পৰ্ব্বত সদৃশ দেহা কাল মেঘ যেনি ॥ ১৪০ (আদি) [৪০]

বিবাধ ৰাক্ষসৰ ৰূপতো এক ভয়ানক ৰূপেই ধৰা দিছে ঃ

বিৰাধ ৰাক্ষস সিটো দুৰ্ব্বাৰ ।
পৰ্ব্বত সদৃশ শৰীৰ তাৰ ॥ ৪৪৬
গাঁৱৰ বৰ্ণ আঙ্গাৰৰ নয় ।
বিকট মুখ দেখি লাগে ভয় ॥ ৪৪৭ (অৰণ্য)[৪১]

লক্ষ্মণ শক্তিশেলত পৰাত হনুমন্তই ঔষধ বিচাৰি গৈ বিভিন্ন সমস্যাৰ সন্মুখীন হৈছিল ঃ

তেহে গৈয়া বেগে ছায়াগ্ৰাহী মাৰি
কালনিমি সংহৰিলা ।
তিনি কোটি যেবে গন্ধৰ্ব্বক মাৰি
পৰ্ব্বত তুলি আনিলা ॥ ৮৫৭ (লংকা)[৪২] ইত্যাদি ।

---

৩৮। তথৈৱ, পৃঃ ২৫৮-২৫৯ ।
৩৯। তথৈৱ, পৃঃ ২৬১-২৬২ ।
৪০। তথৈৱ, পৃঃ ৩২ ।
৪১। তথৈৱ, পৃঃ ১০৬ ।
৪২। তথৈৱ, পৃঃ ২০৭ ।

৫। হাস্য ৰস ঃ

হৰধনু ভঙ্গ কৰাব পিছত সীতাই ৰামক বৰমাল্য দান কৰাত উপস্থিত ৰজা সকলৰ অৱস্থাত কবিয়ে বাৰুকৈয়ে হাস্য ৰসৰ উদ্রেক কৰিছে ঃ

ইজনীতে কৰি আশ তিয়াগিলো গৃহ বাস
আমাৰ কিমতে সহে হিয়া ।। ১৯২
বালেকক মাৰো বেঢ়ি আসা কন্যা আনো কাঢ়ি
আমাৰ কন্যাত ভাগ আছে ।
এহি বুলি আলোচয় বৰ বৰ ৰাজাচয়
অস্ত্র শস্ত্র ধৰিলেক পাচে ।।
কৰে সবে হুৰাহুৰি বোলে ধৰ মাৰ বেঢ়ি
কৈৰ ইটো আসিলা বালেক । ১৯৩ ।। (আদি)[৪৩]

লংকাত হনুমন্তৰ ফল ভক্ষণ ঃ

ঠিস ঠিস কৰি পেট ভৰাইলেক
সমস্তে খাইলা ফলক ।। ৬২৪
কতো বৃক্ষ মানে উভাৰি ৰুইলেক
ভাঙ্গি ছিঙ্গি উপবন ।
যতেক ৰাক্ষস খেদি খেদি যায়
সমস্তে কৰিলা ছন ।। ৬২৫ (সুন্দৰা)[৪৪]

হনুমানৰ লংকা দাহনত কবিয়ে বেচ হাস্য ৰসৰ খোৰাক যোগাইছে ঃ

সবে হন্তে বোলে ৰায় বানৰৰ লাঞ্জ প্ৰায়
সমস্তে আঙ্গতে শ্ৰেষ্ঠ হুই ।
কাললৈকো সাঞ্চ ৰৌক তৈল ঢাকি কাপোৰক
মেঢ়ায়া লাঙ্গুলে দিয়ো জুই ।। ৬৩২
খলখলি হাসি সিটো বোলে ভাল বুদ্ধি ইটো
লগাইলেক লাঙ্গুলে জুই টান ।
গলত লগায়া ডোল আগে পাচে কৰি বোল
ফুৰাইবাক লৈলা থানে থান ।।

৪৩। তথৈৱ, পৃঃ ৪৪।
৪৪। তথৈৱ, পৃঃ ১৪৮-১৪৯ ।

হনুমন্তে কৰি মায়া ক্ষীণ কৰি নিজ কায়া
ডোল হোস কাইলন্ত গলৰ ।
যতেক ৰাক্ষস জাৰি টাকৰ মুকুটি মাৰি
ডেৰে চৰিলন্ত ধৌলিৰৰ ।। ৬৩৩ (সুন্দৰা) [৪৫] ইত্যাদি ।

হেম সৰস্বতী, হৰিবৰ বিপ্ৰ আদি চতুৰ্দশ শতিকাৰ অসমীয়া কবিসকলে অসমীয়া ভাষাক ধৰ্মীয় কাব্য ৰচনাৰ উপযোগী বাহন হিচাপে গঢ় দিয়াত যি বৰঙণি দি গল সেইয়া অনস্বীকাৰ্য্য। কবি কল্পনাৰ ৰস-মাধুৰ্য্য পৰিৱেশ নৰ দ্বাৰা আৰু জতুৱা প্ৰবচন খণ্ড-বাক্যৰ সুপ্ৰয়োগৰ যোগেদি মাধৱ কন্দলীয়ে অসমীয়া ভাষাক এনে এটা উচ্চ স্তৰলৈ উন্নীত কৰিলে যিটো ঠাচঁক বৈষ্ণৱ কবিসকলে গ্ৰহণ কৰি অসমীয়া ভাষা আৰু সাহিত্যক জয় যাত্ৰাৰ পথত আগুৱাই লৈ যায়। শব্দ সম্ভাবত কন্দলী চহকী আছিল আৰু শব্দ চয়নতো যথেষ্ট পটুতা প্ৰদৰ্শন কৰিছে। যিসকলে পৰৱৰ্ত্তী কালত ৰামায়ণ ৰচনা কৰি গৈছে সেই সকলো বিলাকেই মাধৱ কন্দলীৰ ৰামায়ণৰ প্ৰভাৱ এৰাই যাব পৰা নাই। দুৰ্গাবৰ, অনন্ত কন্দলী, অনন্ত ঠাকুৰ, ৰঘুনাথ মহন্ত সকলোৱেই কম বেছি পৰিমাণে মাধৱ কন্দলীৰ ৰামায়ণৰ দ্বাৰা প্ৰভাবিত হৈছে।[৪৬] শ্ৰীৰামকীৰ্তনতো কবি গৰাকীয়ে কন্দলীৰ অনুকৰণতে বিভিন্ন ধৰণৰ ছন্দ সজ্জাৰে সৰ্জ্জিত কৰিছে। তাত ব্যৱহাৰ কৰা বিভিন্ন ছন্দৰ ভিতৰত তলত দিয়া কেইটাই প্ৰধান ঃ হ্ৰস্ব পয়াৰ, পদ, ঝুমুৰী, ঝুনা বা একাৱলী, দুলড়ী, ছবি, দীৰ্ঘ ঝুমুৰী বা দশাক্ষৰী ছন্দ আদিয়েই প্ৰধান। এই বিষয়ে তলত আলোচনা কৰা হ'ল ঃ

**১। হ্ৰস্ব পয়াৰ ঃ**

১। জয় জয় শ্ৰীৰামচন্দ্ৰ দেৱহৰি ।
জয় জয় ৰঘুকুল কমল মুৰাৰি ।। ১।। (আদি)[৪৭]

২। হৰি ৰাম ৰাম গোবিন্দ ৰাম ৰাম ।
ভকত বৎসল প্ৰভু গুণে অনুপাম ।। ১০।। (ঘোষা-আদি) [৪৮]

৩। ৰাম পদ্মপাণি ৰাঘৱ পদ্মপাণি ।
ৰাজীৱলোচন জানকীৰ প্ৰাণ মনি ।। ১৮।। ঘোষা-অযোধ্যা)[৪৯]

৪। হৰি ৰাম ৰাম গোবিন্দ ৰাম ৰাম ।
হৰি হৰি কৃপাময় মুকুন্দ মুৰাৰি ।। ১৭ ।। (ঘোষা-অযোধ্যা)[৫০]

---

৪৫। তথৈৱ, পৃঃ ১৫২ ।
৪৬। ৰামায়ণৰ ইতিবৃত্ত, পৃঃ ২৫৮ ।
৪৭। শ্ৰীৰামকীৰ্তন, পৃঃ ১ ।
৪৮। তথৈৱ, পৃঃ ৩৯ ।
৪৯। তথৈৱ, পৃঃ ৭৫ ।
৫০। তথৈৱ, পৃঃ ৭১

৫। জগত গুৰু ৰাম দেৱ দয়াময় ।
ৰাক্ষসক মাৰি দিলা দেৱক নিৰ্ভয় ।। ৪৪।। (ঘোষা-লংকা) [৫১]

২। পদ ঃ

১। আনন্দে আছন্ত দশৰথ মহাৰায় ।
বশিষ্ঠাদি পাত্ৰগণ লগত মিলাই ।।
সাতো পৃথিবীৰ সবে লন্ত কৰ দণ্ড ।
পুত্ৰৱতে পালন্ত সমস্তে মহীখণ্ড ।। ৪৫ (আদি)[৫২]

২। এতেকে থাকিয়ো তুমি অযোধ্যা নগৰী ।
পিতৃ-মাতৃ সেৱি ঈশ্বৰত ভক্তি কৰি ।।
হেন শুনি সীতা বুলিলন্ত পাৱে ধৰি ।
কদাচিতো প্ৰভু নুবুলিলা হেন কৰি ।। ৩১৪ ।। (অযোধ্যা)[৫৩]

৩। হেন শুনি ৰাৱণে বুলিলা গৰ্ব্ববাণী ।
এতিক্ষণে তোক মাৰি পেলাওঁ খাণ্ডা হানি ।।
যাইবি কি নযাইবি কহ মোহোৰ আগত ।
মাৰীচে গুনয় মৰো ৰামৰ হাতত ।। ৪৭৯ ।। (অৰণ্য)[৫৪]

৪। ৰাৱণাক ধৰি বিভীষণ কান্দিলন্ত ।
শ্ৰীৰামে প্ৰবোধ বুলি শান্ত কৰিলন্ত ।।
মন্দোদৰী আদি যত ক্ৰন্দন কৰন্ত ।
বিভীষণে আশ্বাসিয়া পঠায়া দিলন্ত ।। ৮৬৭ (লংকা)[৫৫]

৫। লক্ষ্মণৰ প্ৰবোধ শুনিয়া ৰঘুপতি ।
নিশ্বাস ফোকাৰি উঠি বসিলা সম্প্ৰতি ।।
সবে সমজ্যাক চাই বুলিলা বচন ।
ধৰ্ম সঙ্কটত মোক কৰিয়ো ৰক্ষণ ।। ১০৫৮ (উত্তৰা)[৫৬]

---

৫১। তথৈৱ, পৃঃ ১৮৩।
৫২। তথৈৱ, পৃঃ ১০।
৫৩। তথৈৱ, পৃঃ ৭৭।
৫৪। তথৈৱ, পৃঃ ১১৩।
৫৫। তথৈৱ, পৃঃ ২০৯ ।
৫৬। তথৈৱ, পৃঃ ২৫৫ ।

৩। ঝুমুৰী ঃ

১। বশিষ্ঠৰ বাক্য মানি ।
দুখে ৰাজা দিলা আনি ॥
নিয়ো ৰাম লক্ষ্মণ ।
মোহোৰ জীৱন ধন ॥ ১২৬ (আদি) [৫৭]

২। এহি বুলি নিজ ধনু ।
শ্ৰীৰামে লৈলন্ত পুনু ॥
শৰপাত জুৰিলন্ত ।
দেখি ঋষি কম্পিলন্ত ॥ ২৩১ (আদি)[৫৮]

৩। শ্ৰীৰাম লক্ষ্মণ দুই ।
হাতে শৰ ধনু লই ॥
পৰ্ব্বত শিখৰে যান্ত ।
পঞ্চ কপি দেখিলন্ত ॥ ৫১০ ॥ (কিষ্কিন্ধ্যা)[৫৯]

৪। সমুদ্ৰৰ তীৰ পাই ।
অন্যে অন্যে মুখ চাই ॥
সন্ধি সবে বিচাৰন্ত ।
যেন মতে পাব হন্ত ॥ ৫৭৬ ॥ (সুন্দবা)[৬০]

৫। গোসানী অশোক বনে ।
আছন্ত জানিয়া মনে ॥
নাচিলন্ত চেৰে চেৰে ।
হৰিষে গৈলন্ত তেৰে ॥ ৫৮৫ (সুন্দৰা)[৬১]

৪। ঝুনা বা একাৱলী ঃ

১। কৈকেয়ী সেৱাবলে আতিশয় ।
সন্তুষ্ট হুয়া দশৰথ ৰায় ॥
বুলিবে লাগিলা কৈয়েীক মাতি ।

---

৫৭। তথৈৱ, পৃঃ ২৯।
৫৮। তথৈৱ, পৃঃ ৫৩।
৫৯। তথৈৱ, পৃঃ ১২২।
৬০। তথৈৱ, পৃঃ ১৩৭।
৬১। তথৈৱ, পৃঃ ১৩৯।

সবাতে শ্রেষ্ঠা তুমি প্ৰিয়া আতি ॥ ৬৭ (আদি) [৬২]

২। পাচে দশৰথ জনক ৰায় ।
বসিয়া আছা দুয়ো এক ঠাই ॥
দশৰথ বোলে মিথিলাপতি ।
যতু গৃহাগত ভৈলো সম্প্ৰতি ॥ ১৯৮ ॥ (আদি)[৬৩]

৩। ভৰতে ৰামৰ ব্ৰত আচৰি ।
ৰহিলা শিৰে জটাজুট ধৰি ॥
শত্ৰুঘ্ন অযোধ্যাত থাকিয়া ।
ৰৈলেক মাতৃগণ প্ৰবোধিয়া ॥ ৪৩৭ ॥ (অৰণ্য) [৬৪]

৪। সুগ্ৰীৱক পাচে ৰামে বোলন্ত ।
দেখায়ো তযু বৈৰী কৰো অন্ত ॥
পাচে সাধিয়োক আমাৰ কাজ ।
শুনিয়া বুলিলন্ত কপিৰাজ ॥ ৫২৫ ॥ (কিষ্কিন্ধ্যা)[৬৫]

৫। সীতাক সম্বোধিয়া হনুমন্ত ।
আকাশ লঙ্ঘি ডেৰ কৰিলন্ত ॥
মধ্য সমুদ্ৰ যেবে আসি পাইলা ।
কিল কিল কৰি শব্দ বজাইলা ॥ ৬৩৯ ॥ (সুন্দৰা)[৬৬]

৫। দুলড়ী ঃ

১। পাচে দশৰথ কৈকেয়ী ঘৰত
প্ৰৱেশিলা ৰঙ্গ কৰি।
গৃহত নপায়া ক্ৰোধ ঘৰে গৈয়া
দেখিলন্ত প্ৰাণেশ্বৰী ॥
বসন ভূষণ তেজি ক্ৰোধমন
মাটিত পৰিয়া আছে।

---

৬২। তথৈৱ, পৃঃ ১৫ ।
৬৩। তথৈৱ, পৃঃ ৪৬ ।
৬৪। তথৈৱ, পৃঃ ১০৪ ।
৬৫। তথৈৱ, পৃঃ ১২৫ ।
৬৬। তথৈৱ, পৃঃ ১৫৫ ।

দেখিয়া নৃপতি মহা দুখে আতি
মাতিবে লাগিলা পাচে ॥ ২৭৭ ॥ (অযোধ্যা)[৬৭]

২। জনক নন্দিনী ফল দিলা আনি
বায়ুসুতে মুখে দিলা ।
অমৃত মধুৰ ক্ষুধা ভৈলা দূৰ
পৰম তৃপিতি পাইলা ॥
স্বভাৱে বানৰ জাতিৰ ফলত
আতিশয় লোভ বৰ ।
বোলা শুনা আই কোন স্থানে পায়
কহিয়ে আৰ উত্তৰ ॥ ৬২১ ॥ (সুন্দৰা)[৬৮]

৩। সিয়ো গৈয়া মায়া সীতা কাটি ৰণ
কৰিলে হনু সহিত ।
হনু তাৰ ৰণে ভঙ্গ হুয়া শোকে
শ্ৰীৰাম পাশে গৈলন্ত ॥
বিৱৰ্ণ বদনে ৰামৰ আগত
সীতাৰ বাৰ্ত্তা কহিলা ।
শোক সাগৰত মগ্ন ভৈলা প্ৰভু
বিভীষণে প্ৰবোধিলা ॥ ৮৪২ ॥ (লংকা)[৬৯]

৪। সীতাযে পাতালে গৈলন্ত ৰাঘৱ
দেখিয়া বিহ্বল ভৈলা ।
শোকে অন্ধকাৰ দেখি ৰঘুপতি
সিংহাসনে মূৰ্চ্ছা গৈলা ॥
পিতৃক সাৱটি লৱ কুশে বান্ধি
আৰ্ত্তৰাৱ আতি কৰি ।
সীতাৰ সন্তাপে সমস্ত সমাজে
কান্দন্ত পৰি বাগৰি ॥ ১০১৩ ॥ (উত্তৰা)[৭০]

৬৭। তথৈৱ, পৃঃ ৬৪ ।
৬৮। তথৈৱ, পৃঃ ১৪৭ ।
৬৯। তথৈৱ, পৃঃ ২০০ ।
৭০। তথৈৱ, পৃঃ ২৪১-২৪২ ।

৬। ছবি ঃ

১। জনক নৃপতি পাচে গৈলন্ত সীতাৰ কাছে
সুৱৰ্ণৰ মালা দিলা হাতে ।
বোলন্ত উঠিয়ো আই বৰিয়ো ৰামৰ পায়
ৰামেসে তোমাৰ প্ৰাণনাথে ॥
হেন শুনি জগমাৱ সাদৰে চালিলা গাৱ
আৱৰি চলিলা কন্যাগণ ।
যেন ৰাজহংস চলে চৰণ কমল তলে
মঞ্জীৰ কৰয় ৰুণজুন ॥ ১৯০ ॥ (আদি)[৭১]

২। লক্ষ্মণক আশ্বাসিয়া ৰামে পাচে বুলিলন্ত
থাকা তুমি মাতৃ প্ৰতিপালি ।
কৌশল্যা সুমিত্ৰা দুই মাতৃ·মোৰ মৰিবন্ত
পুত্ৰশোকে হুইয়া বিকলি ॥
লক্ষ্মণে বোলন্ত দাদা মোক হেন নুবুলিবা
তুমি পিতৃ মাতৃ গুৰুজন ।
অধিক বোলাহা যেবে তোমাৰ আগত তেবে
খাণ্ডা হানি মৰিবো এখন ॥ ৩০২ (অযোধ্যা)[৭২]

৩। জনক নন্দিনী শুনি অগনিক তুতি বাণী
বুলিলন্ত কৰ যোৰ কৰি ।
এতেকে অগনিঁ তাঙ্ক দুখ নেদিলন্ত আতি
জ্বলিলন্ত শান্তৰূপ ধৰি ॥
এহিমতে লঙ্কাপুৰী ছাই তুলি ছন্ন কৰি
মুখে চুঞ্চি অগনি নিমাইলা ।
আৰে সীতা গোসানীক সেৱা কৰি আসো বুলি
অশোক বনত প্ৰৱেশিলা ॥ ৬৩৫॥ (সুন্দবা)[৭৩]

---

৭১। তথৈৱ, পৃঃ ৪৩।
৭২। তথৈৱ, পৃঃ ৭৪।
৭৩। তথৈৱ, পৃঃ ১৫৩।

৭। দীৰ্ঘ ঝুমুৰী বা দশাক্ষৰী ছন্দ ঃ

১। সেহি শাপ ভৈল উপস্থিত ।
পুত্ৰ শোকে মৰোহো নিশ্চিত ॥
হৃদি মোৰ কাম্পে ঘনে ঘনে ।
স্মৰণ পৰিল মোৰ মনে ॥ ৩৯৫ ॥ (অযোধ্যা)[৭৪]

২। সুগ্ৰীৱ লক্ষ্মণ দুইজন ।
পাইলা গৈয়া গিৰি প্ৰস্ৰৱন ॥
পৰম পুৰুষ বসিছন্ত ।
দেখি দুয়ো প্ৰণাম কৈলন্ত ॥ ৫৬০ ॥ (কিষ্কিন্ধ্যা)[৭৫]

৩। সৰমাৰ সুস্নেহ দেখিলা ।
সীতা আই বুলিবে লাগিলা ॥
তুমি জানো সোদৰ বহিনী ।
কোন বিধি মিলাইলেক আনি ॥ ৭১২ ॥ (লংকা) [৭৬]

৪। বিভীষণে বুলিলা বচন ।
এহি জানা প্ৰভু কুম্ভকৰ্ণ ॥
ত্ৰৈলোক্য বিজয় জানা আক ।
সাৱধানে যুজিবা ইহাক ॥ ৮০৫ ॥ (লংকা) [৭৭]

উপৰোক্ত এই দশাক্ষৰী ছন্দৰ ব্যৱহাৰ বৈষ্ণৱ যুগৰ অন্য কবিৰ হাতত প্ৰকাশ হোৱা নাই বুলি ড° সত্যেন্দ্ৰ নাথ শৰ্মাদেৱে মন্তব্য প্ৰকাশ কৰিছে।[৭৮] কিন্তু 'কীৰ্তন ঘোষা'ত দেখা যায়, এনে ছন্দৰ ব্যৱহাৰ গুৰুজনাৰ দিনৰে পৰাই চলি আহিছে।

তলত শংকৰদেৱৰ 'কীৰ্তন ঘোষা'ত সন্নিবিষ্ট দশাক্ষৰী ছন্দৰ উদাহৰণ দাঙি ধৰা হ'ল ঃ

১। স্বৰ্গক ভেদিল ঘোৰ ৰিঙ্গে ।
বেগে চাম্প দিলা নৰসিংহে ॥
আলগতে দৈত্যক ধৰিল ।
নাহি মাত চেতন হৰিল ॥ ১৯৭ ॥

---

৭৪। তথৈৱ, পৃঃ ৯৩।
৭৫। তথৈৱ, পৃঃ ১৩৩।
৭৬। তথৈৱ, পৃঃ ১৭১।
৭৭। শ্ৰীৰামকীৰ্তন, পৃঃ ১৯২ ।
৭৮। সত্যেন্দ্ৰ নাথ শৰ্মা ঃ ৰামায়ণৰ ইতিবৃত্ত, পৃঃ ৩৪৬ ।

২। চিত কৰি উৰুত থাপিলা ।
নখে তাৰ হিয়া বিদাৰিলা ।।
যেহেন সৰ্পক পাৱে ভিৰি ।
গৰুড়ে পেলাইলা ঠোটে ছিৰি ।। ১৯৯ (প্ৰহ্লাদ চৰিত) [৭৯] ইত্যাদি ।

কাব্যৰ সৌন্দৰ্য্য অটুট ৰখা এটি উল্লেখযোগ্য সম্পদ হ'ল অলংকাৰৰ প্ৰাচুৰ্য্যতা বা অলংকাৰৰ সুপ্ৰয়োগ। অলংকাৰৰ উপযুক্ত ব্যৱহাৰত কাব্য অধিক মনোৰম হৈ পৰে। মাধৱ কন্দলী ৰামায়ণত অলংকাৰৰ প্ৰয়োগ বিশেষ মন কৰিবলগীয়া। কাব্য প্ৰতিভাৰ কাৰণেই কন্দলীক বিদগ্ধ পণ্ডিত মহাপুৰুষ শংকৰদেৱেও শ্ৰদ্ধাৰে অপ্ৰমাদী কবি আখ্যা দি গৈছে। যাৰ বাবে কবি গৰাকী এজন শিল্পী হিচাপেও প্ৰতিষ্ঠিত।[৮০] থিক তেনেকৈ অনন্ত ঠাকুৰেও শ্ৰীৰামকীৰ্তনত কন্দলীৰ অনুকৰণতে অলংকাৰৰ সুপ্ৰয়োগ কৰিলেও অৱশ্যে কন্দলীৰ দৰে বহুল প্ৰয়োগ নাই। অলংকাৰৰ ক্ষেত্ৰত উপমা, মালোপমা, নিদৰ্শনা, বিষম, ব্যাঘাত, স্বাভাৱোক্তি আৰু অনুপ্ৰাস আদিয়েই প্ৰধান। উপমা নৈপুন্যতাত কবিৰ তুলনা নাই। তলত কাব্যত প্ৰয়োগ হোৱা অলংকাৰ সমূহৰ উদাহৰণ দাঙি ধৰা হ'ল ঃ

১। উপমা ঃ

১। যত মহাসুন্দৰী একত্ৰ ভৈলা আসি ।
তাৰা যেন তাৰগণ সীতা পূৰ্ণশশী ।। ২৪৬

২। পূৰ্ণচন্দ্ৰ সমান ৰামৰ মুখ জ্বলে ।
নয়ন চকোৰ ভৰি পিয়ে ৰাজা ভোলে ।। ২৬১ (অযোধ্যা)[৮১]

৩। স্বামীৰ চৰণ চিন্তি সীতা আছে বসি ।
প্ৰভাতৰ চন্দ্ৰ যেন পৰি আছে খসি ।। ৯৫৬ (উত্তৰা)[৮২]

৪। কোটি কোটি ৰাক্ষস মাৰিলা শৰে হানি ।
যেন শ্ৰাৱণৰ মেঘে বৰষিলা পানী ।। ১৪৫

৫। দেখিয়া লক্ষ্মণে ভল্ল শৰ প্ৰহাৰিলা ।
বজ্ৰপাতে যেন পৰ্বতক বিদাৰিলা ।। ১৪৬ (আদি) [৮৩] ইত্যাদি ।

২। মালোপমা ঃ

১। পদ্মনেত্ৰ দূৰ্ব্বাদল শ্যাম ।
আঙ্ক জানা বুলিয় শ্ৰীৰাম ।। ১৭২ (আদি) [৮৪]

---

৭৯। শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী (সম্পাঃ) ঃ কীৰ্তনঘোষা আৰু নামঘোষা, পৃঃ ৯৮-৯৯ ।
৮০। সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী (সম্পাঃ) ঃ মাধৱ কন্দলী বিৰচিত ৰামায়ণ- (অযোধ্যা কাণ্ড) ঃ পৃঃ ১৭ ।
৮১। শ্ৰীৰামকীৰ্তন, পৃঃ ৫৭, ৬০ ।
৮২। তথৈৱ, পৃঃ ২২৯ ।
৮৩। তথৈৱ, পৃঃ ৩৩-৩৪ ।
৮৪। তথৈৱ, পৃঃ ৩৯ ।

২। পদ্মনেত্র বিম্ব ওষ্ঠ ধৌত দন্ত পান্তি ।
স্বভাৱে ঈষত হাস্য মুখচন্দ্র কান্তি ॥ ৬১১ (সুন্দৰা) [৮৫]

৩। দূৰ্ব্বাদল শ্যাম তনু পূৰ্ণ চন্দ্ৰ মুখ ।
দৰশনে সমস্তে জগতে মিলে সুখ ॥ ৬৮২

৪। সুৱৰ্ণ গৌৰাঙ্গ তনু চন্দ্ৰ সম জ্যোতি ॥ ৬৮৩ (লংকা) [৮৬] ইত্যাদি ।

৩। নিদৰ্শনা ঃ

হেন শুনি ক্ৰোধ সীতা বুলিলেক বাণী ।
দূৰ গুচ পাপিষ্ঠ অধম লঘু প্ৰাণী ॥
নিকোট গোটৰ তোৰ এতমান সাস ।
চুকৰ ভেকুলি হুয়া গঙ্গাস্নানে যাস ॥ ৪৯৩
ৰাঘৱৰ ভাৰ্য্যাত তোহোৰ ভৈল মন ।
তীখালে খাণ্ডাত জিহ্বা ঘসৰে দুৰ্জ্জন ॥
হাতে তুলি কালকূট গিলিবাক চাস ।
সপুত্ৰ বান্ধৱে পাপী হৈবি সৰ্ব্বনাশ ॥ ৪৯৪ (অৰণ্য) [৮৭] ইত্যাদি ।

৪। বিষম ঃ

সবেয়ো বোলে ৰাম ভাল ভাল ।
মোহোৰ মানে বাম যম কাল ॥ ৯৯৫ (উত্তৰা) [৮৮]

৫। ব্যাঘাত ঃ

পাচে কতোক্ষণে কান্দি কান্দি দুয়োজন ।
নৃপতিক সম্বোধিয়া বুলিলা বচন ॥
আমি যেন মৰো পুত্ৰশোকে দুয়ো প্ৰাণী ।
তয়ু পুত্ৰ শোকে মৰ শুনৰে অজ্ঞানী ॥ ৬০
শাপ শুনি কিঞ্চিত আনন্দ নৃপবৰ ।
কৰযোৰে দুই হস্তক দিলন্ত উত্তৰ ॥

---

৮৫। তৃথৈৱ, পৃঃ ১৪৫ ।
৮৬। তৃথৈৱ, পৃঃ ১৬৫ ।
৮৭। তৃথৈৱ, পৃঃ ১১৫ ।
৮৮। তৃথৈৱ, পৃঃ ২৩৯ ।

অপুত্ৰক কেনে শোক হৈবেক আমাৰ ।
কেন মতে ঋষি শাপ ঘটিবে তোমাৰ ॥ ৬১ (আদি) [৮৯] ইত্যাদি ।

৬। স্বভাৱোক্তি ঃ

বাদ্য ভগুৰোল দেখিয়া আন্দোল
গৈলন্ত ৰামৰ দিশ ।
দেখিলা গম্ভীৰ ৰামৰ মন্দিৰ
কৈলাস গিৰি সদৃশ ॥
হীৰা ও মাণিক সুৱৰ্ণ স্ফটিক
প্ৰৱাল বৈদুৰ্য্য মানে ।
সেহি গৃহ মাজে লগায়া আছয়
দেখিলন্ত থানে থানে ॥ ২৮৫
তাহাৰ মাজত সুৱৰ্ণ খাটত
বসি আছে ৰামচন্দ্ৰ ।
দূৰ্ব্বাদল শ্যাম তনু অনুপাম
হাস্য শোভে মন্দ মন্দ ॥
কন্দৰ্প কোটিৰ গৰ্ব্ব কৰে চূৰ
লাৱণ্য মধুৰ বেশ ।
আছন্ত সীতায়ে চামৰ ঢোলন্তে
ভৈল মন্ত্ৰী পৰবেশ॥ ২৮৬ (অযোধ্যা) [৯০]

৭। অনুপ্ৰাস ঃ

পতিত পাৱন প্ৰভু ৰঘুনাথ
পতিত কৰা উদ্ধাৰ ।
তুমি বনে ৰাম পতিত পাৱন
কোন দেৱ আছে আৰ ॥ (ঘোষা-৬ আদি) [৯১]

০ ০ ০

ৰাম পদ্মপানি ৰাঘৱ পদ্মপানি ।
ৰাজীৱলোচন জানকীৰ প্ৰাণমনি ॥ (ঘোষা-১৮ অযোধ্যা)[৯২] ইত্যাদি।

---

৮৯। তথৈৱ, পৃঃ১৩।
৯০। তথৈৱ, পৃঃ ৬৭।
৯১। তথৈৱ, পৃঃ ২৪।
৯২। তথৈৱ, পৃঃ ৭৫।

**কবিৰ ওপৰত লৌকিকতাৰ প্ৰভাৱ ঃ**

ৰামে বনবাসলৈ যোৱাৰ আগমুহূৰ্ত্তত সীতাৰ পৰা বিদায় লবলৈ যাওঁতে ঃ

তোক তেজি বনে যাওঁ চৈধ্যয় বৰিষ ॥ ৩০৮
ভুৱন মোহিনী সুলক্ষনী বিতোপনী ।
ত্ৰিভূৱনে তোৰ সম নাই কোনোজনী ॥
হেন মোৰ তুমি প্ৰাণ প্ৰিয়া কণ্ঠহাৰ ।
তোক তেজি কেনে প্ৰাণ ৰহিবে আমাৰ ॥ ৩০৯ (অযোধ্যা)[৯৩]

ইয়াৰ বিপৰীতে সীতাই দিয়া উত্তৰত আছে ঃ

হেনয় ঘাতুক বাক্য বোলা কি কাৰণ ।
মই প্ৰতিব্ৰতা তুমি স্বামী মোৰ প্ৰাণ ॥
তোমাক তেজিয়া থাকিবোহো চাই কাক । ৩১১
o o o
ইতৰ নাৰীৰ ঠান নেদেখিবা মোক ।
তয়ু সঙ্গে এতিক্ষণে মোৰ মৃত্যু হৌক ॥ ৩১২ (অযোধ্যা)[৯৪]

সীতাই বনবাসৰ সুখ কল্পনা কৰি কৈছে ঃ

তুমি যৈতে থাকা তৈতে অযোধ্যা নগৰী ।
বনতো থাকিবো মই তয়ু সেৱা কৰি ॥ ৩১৫ (অযোধ্যা)[৯৫]

ৰাৱণে হৰণ কৰি নিয়াৰ পিছত ঃ

মোৰ প্ৰাণ প্ৰিয়া জনকৰ জীয়া
প্ৰিয়া মোৰ কণ্ঠহাৰ ।
মোক শোক দিয়া কোনে গৈল লৈয়া
হৃদয়ে মাৰি কুঠাৰ ॥ ৫০৫ (অৰণ্য)[৯৬]

ওপৰত উল্লেখ কৰা পদ সমূহে আদি ৰসাত্মক ভাব-ধাৰাকে প্ৰকাশ কৰিছে। শ্ৰীৰামচন্দ্ৰ বনবাসলৈ যাওঁতে মাধৱ কন্দলীয়ে ৰামৰ লগত যোৱা প্ৰজাবোৰক অসমীয়া সমাজৰে বুলি চিহ্নিত কৰাৰ দৰে অনন্ত ঠাকুৰেও তাক অসমীয়া প্ৰজা বুলিয়েই অনুমান কৰিছে। হৰধনু ভঙ্গ কৰি সীতাক লৈ ৰাম অযোধ্যালৈ প্ৰত্যাবৰ্ত্তন কৰোঁতে ঃ

---

৯৩। তথৈৱ, পৃঃ ৭৬।
৯৪। তথৈৱ, পৃঃ ৭৬।
৯৫। তথৈৱ, পৃঃ ৭৭।
৯৬। তথৈৱ, পৃঃ ১২০।

সাঞ্জি মাঞ্জি নগৰ কৰিলা জাতিষ্কাৰ ।
পোতাইলন্ত ধ্বজ দণ্ড তোৰণ অপাৰ ।। ২৩৮
পদূলি পদূলি ৰুইল তাম্বুল কদলী ।
পূৰ্ণ কুম্ভ উপৰত সুফলৰ ডালি ।।
ঘৃতৰ প্ৰদীপ ধূপ-ধূনা দুই পাশে ।
বস্ত্ৰ অলংকাৰে প্ৰজা চলে লয়লাসে ।। ২৩৯ (অযোধ্যা)[৯৭]

## শ্ৰীৰামকীৰ্তনত অসমীয়া যোজনা-পটন্তৰ, খণ্ড বাক্য আদিৰ ব্যৱহাৰ ঃ

মাধৱ কন্দলীয়ে ৰামায়ণখনি অসমীয়া নিজা সম্পদ কৰি তোলাত কোনো প্ৰকাৰে ত্ৰুটি কৰা নাছিল। মূল সংস্কৃতৰ পৰা অনুবাদ কৰা হ'লেও বা সংস্কৃত প্ৰভাৱ পৰিলেও অসমীয়া লোক-উক্তি আৰু যোজনা পটন্তৰ আদি বিশেষভাৱে ব্যৱহাৰ কৰিছে।[৯৮] থিক তেনেকৈ অনন্ত ঠাকুৰেও শ্ৰীৰামকীৰ্তনক জাতে-পাতে অসমীয়া গঢ়ত ৰূপ দিবলৈ ঠায়ে-ঠায়ে মৌলিক প্ৰতিভাৰ স্বাক্ষৰ প্ৰদান কৰিছে। তলত শ্ৰীৰামকীৰ্তনত ব্যৱহাৰ হোৱা যোজনা পটন্তৰ আৰু খণ্ড বাক্যৰ কিছুমান উদাহৰণ দাঙি ধৰা হ'ল ঃ

| | | |
|---|---|---|
| ১। | মুণ্ড ছিণ্ডি আছে গণেশৰ ।। ৩৬ | (আদি কাণ্ড) |
| ২। | গিলিবাক আসিলা চন্দ্ৰক যেন ৰাহু ।। ১৪৪ | ( ” ) |
| ৩। | ভয়ে গৰ্ভ গৈলা গলি ।। ১৪৪ | ( ” ) |
| ৪। | বজ্ৰপাতে যেন পৰ্ব্বতক বিদাৰিলা ।। ১৪৬ | ( ” ) |
| ৫। | কন্দৰ্প সদৃশ সুশোভন ।। ১৭২ | ( ” ) |
| ৬। | কোন বস্তু ৰামৰ আগত ধনুখান ।। ১৭৯ | ( ” ) |
| ৭। | প্ৰতি খোজে ধৰণী কৰয় টলবল ।। ১৮২ | ( ” ) |
| ৮। | সপ্তদ্বীপা পৃথিৱী ।। ১৮৫ | ( ” ) |
| ৯। | বুঢ়া ধনু ভাঙ্গিলেক ।। ২২৪ | ( ” ) |
| ১০। | ভুঞ্জিলোহো ৰাজ্যভোগ বয়স গোৱাইলো।। ২৬৫ | (অযোধ্যা) |
| ১১। | লোকৰ ঘঞ্চাল ।। ২৭১ | ( ” ) |
| ১২। | সতিনীৰ পুত্ৰক বখান তই ভাল ।<br>ছলে পাইলে সেই তোৰ হৈবে যমকাল ।। ২৭৪ | ( ” ) |
| ১৩। | সিঞ্চৰস বাক্য বিষ ।। ২৮০ | ( ” ) |

৯৭। তথৈৱ, পৃঃ ৫৬।

৯৮। উপেন্দ্ৰ চন্দ্ৰ লেখাৰু ঃ অসমীয়া ৰামায়ণ সাহিত্য, পৃঃ ৪৬ ।

১৪। যেন শৰীৰৰ ছায়া নেৰে কদাচিত ॥ ৩১২ (”)

১৫। গম্ভীৰ সাগৰ তুমি ৰাজা সূৰ্য্যবংশী ॥ ৩২৬ (”)

১৬। মধু চেপি লৈলে বাসে নাহি প্ৰয়োজন ॥ ৩৩৩ (”)

১৭। জীয়ন্তে তোৰ মুখ নচাওঁ আৰ ॥ ৩৩৬ (”)

১৮। গঙ্গাদি অনেক নদী সমুদ্ৰে পৰয় ।
তথাপিতো যেন সমুদ্ৰৰ ক্ষোভ নয় ॥ ৪৩২ (”)

১৯। ৰামক জোঙ্কাই যমৰায়ক দেস ৰণ ॥ ৪৭৮ (অৰণ্য)

২০। ভূমি চুয়া কৰ্ণে দিয়া । ৪৮৫ (”)

২১। নিকোট গোটৰ তোৰ এতমান সাম ।
চকুৰ ভেকুলি হুয়া গঙ্গাস্নানে যাস ॥ ৪৯৩ (”)

২২। তীখালে খাণ্ডাত জিহ্বা ঘসৰে দুৰ্জ্জন ॥
হাতে তুলি কালকূট গিলিবাক চাস ॥ ৪৯৪ (”)

২৩। ভূমিত চাপৰ মাৰি ॥ ৫২০ (কিষ্কিন্ধ্যা)

২৪। মিত্ৰদ্ৰোহ পাপ ॥ ৫৩৮ (”)

২৫। ঘাৰ বেথা গুচি দেহা ভৈল বজ্ৰতৰ ॥ ৫৪২ (”)

২৬। টোন এৰি সিটো শৰ কৈকো নতু যায় ॥ ৫৫০ (”)

২৭। ৰাম মত্ত সিংহ তই শৃগাল পাপিষ্ঠ ।
গৰুড়ৰ ভাৰ্য্যা কি কাকৰ হৰে ইষ্ট ॥ ৫৯৬ (সুন্দৰা)

২৮। তিৰীচোৰ পাপিষ্ঠ হাৰিৰ লাঠি খায়া।
গলে হাণ্ডি বান্ধি মাৰ্গতলে মৰ গৈয়া ॥ ৫৯৭ (”)

২৯। মানস শিলাৰ ফোটা ॥ ৬১৩ (”)

৩০। মুখে চুঙ্কি অগনি নিমাইলা ॥ ৬৩৫ (”)

৩১। পুঙ্গা যেন উপঙ্গিয়া উপৰতে ৰহে ॥ ৬৭৪ (লংকা)

৩২। শিৰ ছেদি বলি দেওঁ ৰণচণ্ডী খাওক ॥ ৬৮৮ (”)

৩৩। গলে বাস্ৰ বান্ধি ॥ ৬৮৯ (”)

৩৪। বিচনীৰ বায়ে কি মেৰু কবয় ॥ ৭০৮ (”)

৩৫। অধৰ্মৰ সবে ফল পাইবে ।
বাম বায়ে তোক খেদি খাইবে ॥ ৭২১ (”)

৩৬। শিৰে তোৰ যমকাল নাচে ॥ ৭২৫ (”)

| | | |
|---|---|---|
| ৩৭। | দৌল সীতা ঘটক ভাঙ্গিলি ॥ ৭৪২ | ( ” ) |
| ৩৮। | তিবী চোৰা দুৰ্জন ৰাৱণ ॥ ৭৪৩ | ( ” ) |
| ৩৯। | মুখ অগ্নিসম জ্বলে ॥ ৭৭৯ | ( ” ) |
| ৪০। | অনন্তৱীৰ্য্য লোমো নলবিল ॥ ৭৯১ | ( ” ) |
| ৪১। | ঐৰাৱত স্কন্ধে যেন বাসৱ ॥ ৭৯৫ | ( ” ) |
| ৪২। | কুকুৰে যেন হাণ্ডি চৰু চুইলি ॥ ৭৯৬ | ( ” ) |
| ৪৩। | চৌৰাঙ্গি কৰিয়া ॥ ৮১১ | ( ” ) |
| ৪৪। | সসাগৰা পৃথিবী লৰিল ॥ ৮১২ | ( ” ) |
| ৪৫। | তাহান পতনে মহী তলবল ভৈল ॥ ৮৬৫ | ( ” ) |
| ৪৬। | মেঘ গুচি গৈলে যেন চন্দ্ৰ প্ৰকাশন্ত ॥ ৮৬৮ | ( ” ) |
| ৪৭। | নবৈলে উপজে শস্য আপুনি ভূমিত । | |
| | নদীসবো বহিবে লাগিলা পঞ্চামৃত ॥ ৮৮৭ | ( ” ) |
| ৪৮। | ৰাৱণে নিলেক সীতাক হৰি । | |
| | হেনয় নাৰী আছা ঘৰ কৰি ॥ ৮৯৬ | (উত্তৰা) |
| ৪৯। | কোকিল কণ্ঠে যেন সুললিত ॥ ৯০৫ | ( ” ) |
| ৫০। | লোতকৰ ছেদ নাহিকে তান ॥ ৯০৮ | ( ” ) |
| ৫১। | গৰ্ভৱতী তিবীবধ ॥ ৯০৯ | ( ” ) |
| ৫২। | সুৱৰ্ণৰ সীতা ॥ ৯১৫ | ( ” ) |
| ৫৩। | আৰো ৰাঘৱত মোৰ আছয় সজ্ঞাত ॥ ৯৬৫ | ( ” ) |
| ৫৪। | শিলিখা বলৱা বস্ত্ৰে আঙ্গ ঢাকি ॥ ৯৭৩ | ( ” ) |
| ৫৫। | কাঞ্চন আসন ॥ ৯৮৫ | ( ” ) |
| ৫৬। | সবেয়ো বোলে ৰাম ভাল ভাল । | |
| | মোহোৰ মানে ৰাম যমকাল ॥ ৯৯৫ | ( ” ) |
| ৫৭। | পোৰা গাত যেন শনিয়া ঘসা ॥ ৯৯৭ | ( ” ) |
| ৫৮। | আউৰ ৰাঘৱৰ নচাওঁ মুখ ॥ ১০০১ | ( ” ) |
| ৫৯। | ফাট দিয়া পৃথিৱী তোতে লুকাওঁ ॥ ১০০২ | ( ” ) |
| ৬০। | দিলে তিনি ডাক ৰাম বল্লভা ॥ ১০০৪ | ( ” ) |
| ৬১। | অভাগিনী সীতা ॥ ১০১১ | ( ” ) |
| ৬২। | মেঘত যেন চন্দ্ৰ লুকাইলা ॥ ১০১২ | ( ” ) |

| | | |
|---|---|---|
| ৬৩। | বুকে ঘাৱ মাৰি ॥ ১০১৪ | (") |
| ৬৪। | তুমি নতু হন্তে ৰামায়ণ হৈল ॥ ১০১৯ | (") |
| ৬৫। | নেত্ৰৰ লোতক নাই ছেদ ॥ ১০২৫ | (") |
| ৬৬। | ভাগীনে মাতুলে এক হৈলা ॥ ১০২৭ | (") |
| ৬৭। | নির্ঘাত ভূমিকম্প ॥ ১০৩৫ | (") |
| ৬৮। | মোহোৰ শাপে বংশে হুইবি নাশ ॥ ১০৪৭ | (") |
| ৬৯। | দুৰ্ব্বাসা ৰাক্ষস ॥ ১০৫০ | (") |
| ৭০। | বুব দিলে মাত্ৰ চোঞ্চ এৰিয়া ॥ ১০৯৬ | (") ইত্যাদি । |

ওপৰোক্ত ঘৰুৱা বচনবোৰে ৰামৰ কাহিনীক অধিক অসমীয়া জনসাধাৰণৰ মাজত আপোন কৰি তোলাত সহায় কৰিছে।

### শৈৱ ধৰ্মৰ প্ৰভাৱ ঃ

শ্ৰীৰামকীৰ্তনত কবি গৰাকীৰ সমসাময়িক শৈৱ ধৰ্মৰ ইঙ্গিতো নুই কৰিব নোৱাৰি। ইয়াত ঠায়ে ঠায়ে মহেশ্বৰ, মহাদেৱ আৰু কৈলাস আদিৰ উল্লেখ পোৱা যায়। অৱশ্যে 'মহেশ্বৰ' শব্দটোৱে দুই এঠাইত কিছু অসুবিধাৰ সৃষ্টি নকৰাকৈ থকা নাই। যেনে ঃ

১। নমো মহাপুৰুষ পৰম মহেশ্বৰ ।
তোমাৰ কিঙ্কৰ আমি দেৱ নিৰন্তৰ ॥ ৯১ (আদি কাণ্ড)

২। জগতৰ যিটো মহেশ্বৰ ।
তেন্তে এন্তে জানা নৃপবৰ ॥ ১৬৯ (আদি কাণ্ড)

৩। নিমিষে লগাইবে গুণ ৰাম মহেশ্বৰ ॥ ১৮০ (আদি কাণ্ড)

৪। সি কাৰণে দশৰথ ঘৰে ।
অৱতাৰ ভৈলা মহেশ্বৰে ॥ ১৭০ (আদি কাণ্ড)

অন্যহাতে মহেশ্বৰৰ সম্পূৰ্ণ উল্লেখ থকা বাক্যৰ ভিতৰত ঃ

১। পূৰ্ব্বত মহেশে ধনুখণ্ড পেলাই গৈলা ॥ ১৫৬ (আদিকাণ্ড)

২। মহেশ্বৰ ধনুত লগাৱে যিটো জোৰ ॥ ১৭৭ (আদি কাণ্ড)

৩। মহেশ্বৰ ধনুৰ পাইলন্ত গৈলা পাশ । ১৮৩ (আদি কাণ্ড)

৪। দেখিলা গম্ভীৰ ৰামৰ মন্দিৰ
কৈলাস গিৰি সদৃশ॥ ২৮৫ (অযোধ্যা কাণ্ড)

৫। পূৰ্ব্বত বাৰণে মহাদেৱ আবাধিলা ॥ ৮৬৪ (লংকা কাণ্ড) ইত্যাদি ।

কাব্যৰ পূৰ্ণতাৰ বাৰে অন্তদৃষ্টিৰ সূক্ষ্মতাৰ যিদৰে আৱশ্যক সেইদৰে বাহ্য স্বৰূপৰ নিৰীক্ষণ আৰু প্ৰতীক্ষকৰণো

বিশেষ আৱশ্যক। এই দুয়োটা থাকিলেহে কাব্য কাব্যৰ শাৰীত উঠিব পাৰে। লগতে প্ৰকৃতিৰ নানা ৰূপৰ সৈতে মানৱ হৃদয়ৰ সামঞ্জস্য দেখুৱাবলৈ আৰু প্ৰতিষ্ঠিত কৰিবলৈ নদী, গিৰি, বন, আকাশ প্ৰান্তৰ আদিকো এনে স্পষ্টকৈ প্ৰকাশ কৰিব লাগে যাতে পাঠকে প্ৰকৃত ছবি গ্ৰহণ কৰিব পাৰে। এই বিষয়ত কন্দলী কবি সিদ্ধহস্ত।[৯৯] অৱশ্যে কবি অনন্ত ঠাকুৰৰ মৌলিকতা গুণতো মধুৰ আৰু সংক্ষিপ্ত হোৱা বাবে ইয়াৰ বিস্তৃত বিবৰণ পোৱা নগ'লেও কম পদতে স্পষ্ট আভাস লক্ষ্য কৰা যায়। অতিৰঞ্জনৰ চেষ্টা মুঠেই কৰা নাই। মাধৱ কন্দলীৰ দৰে চিত্ৰকূটৰ বৰ্ণনাত অনন্ত ঠাকুৰে গছ-লতা, ফল-ফুল বা চৰাই চিৰিকতিৰ বিস্তিত তালিকা অন্তৰ্ভূক্ত কৰা নাই, তাৰ ঠাইত খুব কম পদতে ইয়াৰ প্ৰকৃত চিত্ৰ এখনি অংকন কৰাৰ প্ৰয়াস কৰিছে ঃ

পৰম শোভন গিৰি চিত্ৰকূট স্থান ।
নানাবিধ পুষ্প তাতে আছে বিদ্যমান ॥
কেতেকী মালতী গুটিমালী নাগেশ্বৰ ।
আসম্বাৰ গন্ধে আমোদিত নিৰন্তৰ ॥ ৩৬৯
সীতাক দেখান্ত প্ৰভু ৰাম নাৰায়ণ ।
দেখা দেখা বান্ধে ইটো কেনে ৰম্য স্থান ॥
আম জাম নেমু জৰা জামীৰ কৰদই ।
যতেক উত্তম ফল ইহাতে আছয় ॥ ৩৭০
মহা মহা ঋষি আত কৰি আছে স্নান ।
ৰন্তা মুণ্ডে মণ্ডিত দেখিয়ো বিদ্যমান ।
ইহাতে থাকিবো আমি সবো মহাৰঙ্গে ॥
তুমি সমে কাল খপিবোহো ৰঙ্গে ৰঙ্গে ॥ ৩৭১
শুনিয়ো ঋষিৰ হৰিনাম বেদধ্বনি ।
আমিয়ো থাকিবো গীতা ভাগৱত শুনি ॥ ৩৭২

০ ০ ০

চিত্ৰকূট স্থান অতিশয় প্ৰকাশন্ত ॥ ৪১৭
জাহ্নবীৰ বায়ু লাগি সুশীতল আতি ।
কেনে ৰম্য স্থান দেখিয়োক সীতা সতী ॥
আক দেখি অযোধ্যাৰ সুখ পাসৰিলো ।
চিত্ৰকূট পায়া আতি আনন্দিত ভৈলা ॥ ৪১৮

৯৯। অসমীয়া ৰামায়ণ সাহিত্য ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ৫০ ।

নানাবিধ মৃগ-পক্ষীগণে কৰে ৰাৱ ।

সুগন্ধি সমীৰে উপজয় কাম ভাৱ ॥ ৪১৯ (অযোধ্যা কাণ্ড) [১০০]

লোক বিশ্বাসৰ কথা কৰঁলৈ যাওঁতে কবি অনন্ত ঠাকুৰে শ্ৰীৰামকীৰ্তনত স্বপ্নদৰ্শনৰ উল্লেখ কৰিবলৈও পাহৰা নাই। স্বপ্নৰ কথা ৰামায়ণৰ দিনৰে পৰা লোক সমাজত প্ৰচলিত হৈ আহিছে ঃ

১। স্বপ্ন এক দেখিলোহো মৃত্যুক কহয় ॥ ২৬৪ (অযোধ্যা)

২। স্বপ্নত পিশাচে আলিঙ্গয় ॥ ৩৯৬ (অযোধ্যা)

৩। স্বপ্ন দেখান্তোক বুলি আছে বাট চাই ॥ ৬৬১ (সুন্দৰা)

৪। স্বপ্নৰ কথাক সীতা ৰাম আগে কৈলা ॥ ৮৯৩ (লংকা)

৫। স্বপ্নক মানে কোনে সত্য কৰি ॥ ৮৯৫ (উত্তৰা) ইত্যাদি ।

সুন্দৰ পুৰুষ আৰু স্ত্ৰীৰূপৰ বৰ্ণনাত কবিয়ে সংস্কৃত কাব্যৰ দ্বাৰা প্ৰভাবিত হলেও নিজৰ মৌলিকত্বৰ দ্বাৰাও বিভিন্ন চৰিত্ৰৰ মুখেৰে নায়ক-নায়িকাৰ ৰূপৰ গুণানুকীৰ্তন কৰা দেখা যায়। ইয়াতেই কবি গৰাকীৰ ৰচনা নৈপুন্যতাৰ পৰিচয় পোৱা যায়।

১। দিনে দিনে বালা যেন চন্দ্ৰ কলা
বাঢ়ন্ত জনক ঘৰে । ১১৭ (আদি কাণ্ড)

২। জনকৰ ঘৰে কন্যা ভৈল উতপন্ন ।
তাহান সদৃশ কন্যা নাহি ত্ৰিভুৱন ॥ ১৫৫ (আদি)

৩। ভুৱন মোহিনী কন্যা শুনা ৰঘুপতি ।
সেহি ধনু ভাঙ্গি কন্যা বিহায়ো সম্প্ৰতি ॥ ১৫৮ (আদি)

৪। পদ্মনেত্ৰ দূৰ্ব্বাদল শ্যাম ।
আঙ্ক জানা বুলিয় শ্ৰীৰাম ॥
কন্দৰ্প সদৃশ সুশোভন ।
আন নাম জানা লখমণ ॥ ১৭২ (আদি)

৫। শ্ৰীৰামৰ ৰূপে মোহ ভৈলা সীতা শান্তী ॥ ১৮৭ (আদি)

৬। নেত্ৰ কমলৰ পাশি মুখত মধুৰ হাসি
স্বামীৰ পাশক চলি যান্তি ॥
ৰাজাগণে চাই আছে সীতাৰ ৰূপত পাচে
ভোল হুয়া পৰে ধৰণীত । ১৯১ (আদি)

১০০। শ্ৰীৰামকীৰ্তন, পৃঃ ৮৭, ৯৯-১০০ ।

৭। ৰাম মুখে নির্ম্মল সম্পূর্ণ চন্দ্র ভৈলা ॥ ২৪৩ (অযোধ্যা)

৮। তাৰা যেন তাৰা গণ-সীতা পূৰ্ণশশী ॥ ২৪৬ (অযোধ্যা)

৯। পূৰ্ণচন্দ্ৰ সমান ৰামৰ মুখ জ্বলে ॥ ২৬১ (অযোধ্যা)

১০। দূৰ্ব্বাদল শ্যাম ৰাম শিৰ ছত্ৰাকৃতি ।
সিংহবন্ধ স্কন্ধ কম্বুগ্ৰীৱ শোভে আতি ॥
পদযুগ ৰকত ভকত মনোময় ।
ধ্বজ বজ্ৰ পঙ্কজ অঙ্কুশে সুশোভয় ॥ ৬১০
পদ্মনেত্ৰ বিম্বওষ্ঠ ধৌত দন্তপান্তি ।
স্বভাৱে ঈষত হাস্য মুখচন্দ্ৰ কান্তি ॥
ধনুৰ্ব্বেদ শাৰঙ্গ প্ৰকাশে হাতে যাৰ । ৬১১ (সুন্দৰা) ইত্যাদি ।

ৰাৱণে সীতাক হৰণ কৰিবলৈ যাওঁতে সীতাই সতী নাৰীৰ বীৰত্বৰে ৰাৱণক নানা তিৰস্কাৰ কৰিবলৈও সংকোচ কৰা নাই। তাৰ দ্বাৰা সীতাৰ সাহসিকতাৰ বিশেষ পৰিচয় পোৱা যায়।

১। দূৰ গুচি পাপিষ্ঠ অধম লঘুপ্ৰাণী ॥
নিকোট গোটৰ তোৰ এতমান সাস ।
চকুব ভেকুলি হুয়া গঙ্গাস্নানে যাস ॥ ৪৯৩
ৰাঘৱৰ ভাৰ্য্যাত তোহোৰ ভৈল মন ।
তীখালে খাণ্ডাত জিহ্বা ঘসবে দুৰ্জ্জন ॥
হাতে তুলি কালকূট গিলিবাক চাস ।
সপুত্ৰ বান্ধৱে পাপী হৈবি সৰ্ব্বনাশ ॥ ৪৯৪ (অৰণ্য)

০ ০ ০

২। মই পতিব্ৰতাৰ মৰ্ম্মক জ্বলাৱস ।
অধৰ্ম্মৰ ফলে বেটা যাইবি তই নাশ ॥ ৫৯৫
মোৰ অলঙ্কাৰ তেবে সমস্তে হোৱয় ।
তোৰ দশ শিৰ যেৱে ৰাঘৱে কাটয় ॥
ৰাম মত্তসিংহ তই শৃগাল পাপিষ্ঠ ।
গৰুড়ৰ ভাৰ্য্যা কি কাকৰ হৱে ইষ্ট ॥ ৫৯৬
তিৰী চোৰ পাপিষ্ঠ হাৰিৰ লাঠি খায়া ।
গলে হাণ্ডি বান্ধি মাৰ্গতলে মৰ গৈয়া ॥ ৫৯৭ (সুন্দৰা) ইত্যাদি ।

মৌলিকতা কবি প্ৰতিভাৰ চৰম নিদৰ্শন। শ্ৰীৰামকীৰ্তনৰ ভাষা আৰু বৰ্ণনা চাতুৰ্য্যও বেচ উপভোগ্য। একোটা মনোৰম

আখ্যানৰ জৰিয়তে লোক সমাজক ভক্তি পথলৈ গতি কৰাত সহায়ক হৈছে। মূলৰ কোনো কথাকে বাদ দিয়াব চেষ্টা কৰা নাই। বৰ্ণনাবোৰো সবল আৰু মনোৰম। এনেধৰণৰ মধুৰ অথচ সংক্ষিপ্ত বৰ্ণনাবোৰে অনন্ত ঠাকুৰৰ শ্ৰীৰামকীৰ্তনত মৌলিকত্ব প্ৰকাশ কৰি এক বিশেষ স্থান লাভ কৰিছে। শেষত অৱশ্যে এটা কথা স্বীকাৰ কৰিবই লাগিব যে মাধৱ কন্দলী ৰামায়ণৰ প্ৰায় ৭৪৫৭ পদৰ [১০১] বিপৰীতে অনন্ত ঠাকুৰে মাত্ৰ ১১০৫ পদত [১০২] শ্ৰীৰামকীৰ্তনত সম্পূৰ্ণ সাত কাণ্ড সামৰিবলৈ সক্ষম হৈছে, ইয়াৰ একমাত্ৰ কাৰণ হিচাপে কব পৰা যায় এইয়া কবি গৰাকীৰ মৌলিকত্ব আৰু সেই মৌলিকত্বৰ গুণতো হ'ল বৰ্ণনাৰ মাধ্যম সংক্ষিপ্ত আৰু শ্ৰুতি মধুৰ ।

**ধৰ্মীয় দৰ্শন ঃ**

মহাপুৰুষ শংকৰদেৱৰ ধৰ্মীয় দৰ্শনৰ লগত হৃদয়ানন্দৰ দৰ্শনো বিশেষ মনকৰিবলগীয়া। গুৰুদুজনাৰ আদৰ্শকে তেখেতেও অনুকৰণ কৰিছিল। তেখেতো আছিল অদ্বৈতবাদী। একমাত্ৰ উপাস্য দেৱতা 'কৃষ্ণস্তু ভগৱান স্বয়ম্ '। ঠাকুৰ আতা এগৰাকী পৰম বৈষ্ণৱ ধৰ্মত দীক্ষিত আৰু শংকৰদেৱ গুৰুজনাৰ একান্ত অনুগত। এক শৰণ নাম ধৰ্মৰ অনুগামী হিচাপে তেওঁ অদ্বৈতবাদী চিন্তাধাৰাৰে পৰিপুষ্ট। মহাপুৰুষ শংকৰদেৱে সৰ্বসাধাৰণ ভক্তবৃন্দৰ সহজবোধ আৰু গ্ৰহণযোগ্য কৰি তেওঁৰ ধৰ্মীয় দৰ্শনক প্ৰতিষ্ঠা কৰিছিল। গুৰুজনাৰ আদৰ্শ অনুযায়ী অনন্ত আতাইয়ো নৱবিধা ভক্তিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। তাৰ ভিতৰত সময় সাপেক্ষে বৰ্ত্তমান যুগত শ্ৰৱণ, কীৰ্তন, অৰ্চ্চন, বন্দন, স্মৰণ, পদ সেৱন, সখ্য আৰু আত্ম সমপৰ্ণক অধিক গুৰুত্ব আৰোপ কৰি সগুণ ভক্তিত ইয়াক উপস্থাপন কৰিছে। গুৰুজনাৰ পদাংক অনুসৰি তেখেতেও একমাত্ৰ বিষ্ণু ভক্তি বা পৰম ব্ৰহ্মৰ ওপৰতহে অধিক গুৰুত্ব দিয়া দেখা গৈছে। এই কথা ভক্তি প্ৰেমলতা আৰু শ্ৰীৰামকীৰ্তনত স্পষ্টভাৱে ফুটি উঠিছে। প্ৰেমলতাত দেখা যায় গুৰুজনাৰ আদৰ্শত দাস্য ভাৱ যুক্ত ভকতিক ভাগৱত প্ৰেমত বোঁৱাই দি তাৰ দৰ্শনক গাথীৰৰ মাজত মাখন থকাৰ দৰে বিবেকী জ্ঞানীজনৰ পৰিচয় দি গৈছে। কীৰ্তনত গুৰুজনাই কৃষ্ণক মূল দেৱতা হিচাপে লৈ অন্য দেৱ-দেৱতাৰ কথা পৰিহাৰ কৰাৰ দৰে অনন্ত আতাইয়ো শ্ৰীৰামকীৰ্তনৰ জৰিয়তে ৰামৰ গুণানুকীৰ্তন কৰিবলৈ গৈ অজ্ঞাতসাৰেই কৃষ্ণ কথাত প্ৰৱেশ কৰি কৃষ্ণ ভক্তি মাহাত্ম্যৰ পৰিচয় দিছে। মুঠতে ঠাকুৰ আতা অদ্বৈতবাদী চিন্তাধাৰা তথা ধৰ্মীয় দৰ্শনেৰে পৰিপূৰ্ণ শংকৰোত্তৰ যুগৰ এক বিৰল প্ৰতিভূ।

---

১০১। হৰিনাৰায়ণ দত্তবৰুৱা (সম্পাঃ) ঃ সপ্তকাণ্ড ৰামায়ণ ।

১০২। শ্ৰীৰামকীৰ্তন, ঃ প্ৰাগুক্ত গ্ৰন্থ ।

# সপ্তম অধ্যায়

## উপসংহাৰ

ভাৰতীয় নৱ-বৈষ্ণৱ জাগৰণে মধ্যযুগীয় ভাৰতীয় সাহিত্য-সংস্কৃতিৰ বিকাশত বিশেষ অৰিহণা যোগাইছিল। নৱ-বৈষ্ণৱ আন্দোলনৰ ক্রমবিকাশত কেনেধৰণে সেই সময়ৰ জনসাধাৰণৰ ওপৰত বিভিন্ন পৰিবৰ্ত্তন সাধিত হৈছিল তাৰ এটি বিশ্লেষণ গ্রন্থৰ আৰম্ভণিতে আমি দাঙি ধৰাব যত্ন কৰিছো। এই আন্দোলনৰ ফলত সমাজ জীৱনত বিশেষভাৱে পৰিবৰ্তন আহি পৰিছিল। ভাৰতবৰ্ষৰ এই বৈষ্ণৱ ভক্তি আন্দোলনৰ প্রথম বীজ কঢ়িৱাই অনা হৈছিল দ্রাবিড় দেশৰ পৰা। এই ভক্তি আন্দোলনৰ পৰা নির্গত হোৱা এটা ধাৰা বৈ আহি এটা সময়ত অসমতো প্রৱেশ কৰিছিল। থিক একে সময়তে ভাৰতবৰ্ষৰ বিভিন্ন প্রদেশতো অৱশ্যে ইয়াৰ ঢল আহিছিল।

অসমত ভক্তি আন্দোলনৰ গুৰি বঠা ধৰিছিল মহাপুৰুষ শংকৰদেৱ আৰু প্রিয় শিষ্য মাধৱদেৱে। এই কথাও আমি গ্রন্থৰ আৰম্ভণিতে উল্লেখ কৰি আহিছো। সেয়েহে অসমৰ নৱ-বৈষ্ণৱ আন্দোলনৰ প্রধান হোতা এই দুগৰাকী গুৰুক বাদ দি আমি অসমৰ বৈষ্ণৱ ভক্তি মাৰ্গৰ কথা আলোচনা কৰিবই নোৱাৰো। শংকৰদেৱ গুৰুজনাই জন- সাধাৰণে সহজে বুজিব পৰাকৈ ভক্তি ধৰ্মৰ দাৰ্শনিক ভিত্তি প্রদর্শন কৰি এখন আদৰ্শ সমাজ ৰচনাৰ প্রয়াস অব্যাহত ৰাখিছিল। তেৰাৰ ভাগৱত আধাৰিত ধৰ্মৰ মূল তত্ব কাৰণে অসমৰ বৈষ্ণৱ ধৰ্মৰ অন্য নাম 'ভাগৱতী- ধৰ্ম'। এই ধৰ্ম প্রচাৰিত হোৱাৰ লগে লগে সম-সাময়িক অসমীয়া সমাজখনত কিছুমান পৰিবৰ্তনে দেখা দিলে। যেনে ঃ বহু দেৱতাৰ পূজাৰ পৰিৱৰ্ত্তে জনসাধাৰণে একেশ্বৰ বাদত বিশ্বাস কৰিবলৈ লোৱাৰ ফলত বহু পৰিমানে পূজাৰ ব্যয় বহুলতা কমি যোৱাত সৰ্বসাধাৰণ মানুহ পুৰোহিত শ্রেণীৰ শোষণৰ পৰা মুক্ত হয়। বৈষ্ণৱ ধৰ্মই জাতি বৰ্ণৰ বৈষম্য বহু পৰিমাণে স্তিমিত কৰিবলৈ সক্ষম হয়। যাৰবাৰে সাম্য-মৈত্রী আৰু ঐক্যৰ বান্ধোনে ভাৰতীয় তথা অসমৰ সমাজখনক এক নতুন পথৰ সন্ধান দিলে। বৈষ্ণৱ ধৰ্মৰ সাধন প্রণালীৰ সৰলতাই সমাজৰ দলিত, পীড়িত আৰু অৱহেলিত সকলক ভক্তি ধৰ্মত আশ্রয় লবলৈ প্রেৰণা দান কৰাৰ কথাও উনুকিয়াবলৈ চেষ্টা কৰা হৈছে।

শংকৰদেৱে নিজৰ আদৰ্শ আৰু ধৰ্মীয়-নীতিক স্থায়িত্ব প্রদান কৰাৰ উদ্দেশ্যে বিভিন্ন শ্রেণীৰ সাহিত্য আৰু কলাৰ আশ্রয় লৈছিল। ইয়াৰ পিছৰ কালত সপ্তদশ আৰু অষ্টাদশ শতাব্দীত শংকৰ-মাধৱক অনুকৰণ কৰি বহুতো সৰু বৰ লিখকৰ জন্ম হৈছিল। এই সকল সন্ত-মহন্তই সত্রানুষ্ঠানৰ জৰিয়তে নিজৰ সাহিত্য প্রতিভাক অম্লান কৰিবলৈ যত্ন কৰিছিল। থান-সত্ৰৰ প্ৰসাৰ আৰু প্ৰতিপত্তি বাঢ়ি যোৱাৰ লগে লগে ইয়াৰ চৰ্চা আৰু নতুন সাহিত্য সৃষ্টিও বিপুল ভাৱে বৃদ্ধি পাই গ'ল। থিক তেনে এক জ্যোতিৰেই স্বাক্ষৰ হৃদয়ানন্দ কায়স্থ বা অনন্ত ঠাকুৰ আতা ।

আমাৰ এই অধ্যয়নত সত্ৰৰ উৎপত্তি আৰু বিকাশৰো এটি স্বৰূপ দাঙি ধৰা হৈছে। সত্রানুষ্ঠানৰ জৰিয়তে গুৰুজনাৰ পৰৱৰ্ত্তী কালত অনেক সন্ত মহন্তই সাহিত্য-চৰ্চা কৰি ক্ৰমে চাৰি সংহতিত বিভাজিত হ'বলৈ ধৰিলে। ইয়াতে বৰদোৱা থুলৰ সত্ৰৰো এটি সুকীয়া আলোচনা আগবঢ়াই তাত বৰদোৱা থুলৰ সত্রসমূহৰ এটি বিশ্লেষণ কৰা হৈছে আৰু এই থুলৰ পুৰুষ সংহতিৰ সত্র হিচাপে হৃদয়ানন্দই প্রতিষ্ঠা কৰা কালশিলা সত্ৰৰ যি গুৰুত্বপূৰ্ণ স্থান সেই কথাৰো অৱতাৰণা ইয়াত কৰা

হৈছে।

অনন্ত আতাই ১৫৬৪ শকত আই কনকলতাৰ পৰা আচাৰ্য পদ লাভ কৰি মায়ঙৰ কালশিলাত নিজৰ অদ্বিতীয় মহিমাৰে কালশিলা সত্ৰখনি প্ৰতিষ্ঠা কৰে। ইয়াৰ লগে লগে মায়ঙত ঠন ধৰি উঠা মন্ত্ৰ সাহিত্য, কু-সংস্কাৰ আৰু অন্ধবিশ্বাস জড়িত এটা অধ্যায়ৰো সামৰণি পৰিছিল। ইয়াৰ কাৰণ হিচাপে বৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু লগতে সত্ৰীয়া দৰ্শনৰ প্ৰভাৱৰ কথাকে দেখুওৱা হৈছে। এই কথাৰ পূৰ্ণ বিশ্লেষণ কৰিবলৈ দ্বিতীয় অধ্যায়ত যত্ন কৰিছো। পৰৱৰ্ত্তী কালত অৱশ্যে অনন্ত পুত্ৰ ভুৱনেশ্বৰে সত্ৰখনি মৰিগাঁও অঞ্চললৈ স্থানান্তৰিত কৰিলে, আৰু তাৰ পৰাই সৃষ্টি হ'ল- দন্দুৱা, দলৈচুবা, নাওঁকটা, তামুলীবৰি, হাবিবৰঙাবাৰী, তৰাবৰি, ডবাখাট আৰু গোসানীবাৰি কালশিলা সত্ৰ আদি। সেইমতে বৰ্তমানলৈকে স্থিতি আৰু বিকাশ দেখুৱাই ইয়াক প্ৰকাশ কৰা হৈছে।

হৃদয়ানন্দ কায়স্থৰ পূৰ্বপুৰুষ বুঢ়াখাঁ ভূঞা আৰু মাতৃ কুলত এওঁ শংকৰদেৱৰ জ্ঞী-নাতিৰ বংশধৰ। অৱশ্যে বুঢ়াখাঁক ইয়াত খেৰখুতী আইৰ জোঁৱাই হিচাপে দেখুওৱা হৈছে আৰু বুঢ়াখাঁৰ পুত্ৰ কেতেখাঁ হ'ল শংকৰদেৱৰ পেহাযেক। হৃদয়ানন্দৰ আবিৰ্ভাবৰ সময় সপ্তদশ শতিকাৰ তৃতীয় দশক বুলি স্থিৰ কৰা হৈছে। অন্যহাতে মহন্তগৰাকীৰ পৰলোক হৈছে ১৫৯৪ শকত। ইয়াৰে অন্য এঠাইত সত্ৰ স্থাপনত গুৰুত্ব আৰু কাৰ্য্যাৱলীৰ বৰ্ণনা কৰিবলৈ গৈ কালশিলা উদ্ধাৰৰ প্ৰসংগত চলি থকা এটি জনশ্ৰুতিও সংযোগ কৰি দিয়া হৈছে। উক্ত কথাৰ লগত সম্পৰ্ক ৰাখি কালশিলা উদ্ধাৰৰ ক্ষেত্ৰত আমি অনন্ত আতাকে ঐশ্বৰিক মহিমাৰ অধিকাৰী কৰিব বিচাৰিছো। এই কথা গ্ৰন্থৰ তৃতীয় অধ্যায়ত পৰ্য্যালোচনা কৰা হৈছে। প্ৰসংগ ক্ৰমে মায়ঙৰ কাছশিলা পাহাৰৰ কথাও উল্লেখ কৰা হৈছে। কাছশিলা পাহাৰ আৰু কালশিলাক সম্পূৰ্ণ পৃথক পৃথক ৰূপে দেখুওৱা হৈছে।

অসম বুৰঞ্জীত উল্লিখিত কালশিলাৰ লগত স্বৰ্গদেউ লক্ষ্মীসিংহৰ সম্পৰ্ক আমাৰ এই গ্ৰন্থত দেখুৱাব বিচৰা হৈছে। এই বিষয়ে ইয়াত বিভিন্ন মতামত উপস্থাপন কৰিবলৈ যত্ন কৰি লক্ষ্মীসিংহৰ জন্ম মায়ঙৰ কালশিলাই বুলি কব বিচৰা হৈছে। আহোম স্বৰ্গদেউ মহাৰাজ ৰাজেশ্বৰ সিংহই কালশিলা সত্ৰলৈ ৭০০ পুৰা নিষ্কৰ ভূমিৰ তাম্ৰফলি দান কৰাৰ কথাও ইয়াত সন্নিবিষ্ট কৰা হৈছে।

মহাপুৰুষ শংকৰদেৱৰ কৃতি সুলভ বৈষ্ণৱ সাহিত্যৰ অন্তৰালত শংকৰোত্তৰ যুগতো বহুতো সন্ত-মহন্তৰ কাপ -মৈলামৰ পৰা বিভিন্ন কাব্য সুলভ গ্ৰন্থৰ উৎপত্তি হৈছিল। গুৰুজনাৰ আদৰ্শত অনুপ্ৰাণীত কীৰ্তনীয়া-ৰামায়ণৰ কবি 'হৃদয়ানন্দ কায়স্থৰ শ্ৰীৰামকীৰ্তন, ভক্তি-প্ৰেমলতা আৰু সীতাহৰণ নাটকৰ অন্তৰালত সন্নিহিত হৈ থকা কবি গৰাকীৰ কৃতিত্ব, সামাজিক পৰিবেশ তথা কলা-সংস্কৃতিৰ চৰ্চাই বৰ্তমানৰ সাহিত্য-চৰ্চাত বিশেষ সহায়ক হৈ পৰিছে। এই কথা গ্ৰন্থখনিৰ ভূমিকাত ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। শ্ৰীৰামকীৰ্তন ৰামায়ণৰ চমু, প্ৰাঞ্জল আৰু মধুৰ কাব্যিক ৰূপান্তৰ। ভক্তি প্ৰেমলতাও থিক তেনেকৈ ভাগৱত ৰস সিন্ধুত বিগলিত এক অনবদ্য দান। সংক্ষিপ্ততা শ্ৰীৰামকীৰ্তনৰ এক অনন্য বৈশিষ্ট্য হিচাপে দেখুওৱা হৈছে। সীতাহৰণ নাটখনিত সন্দেহৰ অৱকাশ আছিল যদিও চালিজাৰি বিভিন্ন গৰাকী পণ্ডিতৰ লগত পৰামৰ্শ কৰি সেই নাটখনো অনন্তৰ বুলিয়েই থাৱৰ কৰা হৈছে। ইয়াত গ্ৰন্থকেইখনিৰ ৰচনাৰ সময় আৰু বিষয় বস্তুৰ লগতে ৰচনা-ৰীতিৰ

ক্ষেত্ৰতো বিশেষ আলোকপাত কৰিবলৈ যত্ন কৰা হৈছে। অৱশ্যে গুণগত মানদণ্ডৰ দিশত শ্ৰীৰামকীৰ্তন আৰু ভক্তি-প্ৰেমলতাক এক প্ৰামান্য দলিল হিচাপে থিয় কৰোৱা হৈছে।

বৈষ্ণৱ যুগৰ সৰ্বাধিক সাহিত্যই অনুকৰণশীল। থিক তেনেকৈ ইয়াৰ ব্যতিক্ৰম নহয় শংকৰোত্তৰ যুগৰ কবি সাহিত্যিক সকলো। এই কথা পৰিষ্কাৰ কৈ ফুটি উঠিছে হৃদয়ানন্দৰ ৰচনাৰাজিতো। তেখেতৰ ৰচনাৱলী সমূহতো পূৰ্বৱৰ্তী কবিসকলৰ প্ৰভাৱ সুনিশ্চিত ভাৱে পৰা দেখা যায়। এই বিষয়ে আমি পঞ্চম অধ্যায়ত আলোচনা আগবঢ়াইছো। শ্ৰীৰামকীৰ্তনত কাহিনীৰ ক্ষেত্ৰত মাধৱ কন্দলী ৰামায়ণ, শংকৰদেৱৰ উত্তৰা আৰু মাধৱদেৱৰ আদি কাণ্ড আৰু দুই এঠাইত দুৰ্গাবৰৰ গীতি-ৰামায়ণৰ প্ৰভাৱ স্পষ্ট ভাৱে পৰিছে। অন্যহাতে কাব্যৰীতিৰ ক্ষেত্ৰত থকা বান্ধোনত শংকৰদেৱৰ প্ৰভাৱ বিশেষ মনকৰিবলগীয়া। যাৰ বাবে কীৰ্তন-ঘোষাৰ ৰচনাৰীতি, শ্ৰীৰামকীৰ্তনতো একাকাৰ। অৱশ্যে শ্ৰীৰামকীৰ্তন গ্ৰন্থখনি শংকৰদেৱৰ সৰু কালৰ গুৰু কলাপচন্দ্ৰ দ্বিজৰ 'ৰামায়ণ-চন্দ্ৰিকা' নামৰ সংস্কৃত গ্ৰন্থখনিৰ সংক্ষিপ্ত সংস্কৰণ বুলি জনা গৈছে। ভক্তি-প্ৰেমলতা গ্ৰন্থখনি শ্ৰীমদ্ভাগৱতৰ মূল সাৰভাগ সংগ্ৰহ কৰি লিখা এক বিৰল প্ৰতিভা। ইয়াতো কবি গৰাকীয়ে মহাপুৰুষ গুৰুজনাৰ আদৰ্শকে আগত ৰাখি ভাগৱতৰ বিস্তৃত কাহিনীৰ সংক্ষেপ প্ৰকাশ ঘটাবলৈ যত্ন কৰিছে। এই কথাৰ অৱতাৰণা কৰি আমাৰ গ্ৰন্থত তাক উপস্থাপন কৰিবলৈ প্ৰয়াস কৰা হৈছে। অৱশ্যে ভাগৱতৰ বাহিৰেও কবিগৰাকীয়ে অন্য বিভিন্ন পদ-পুথিৰ দোহাই সংগৃহীত সকলো কথাৰে উল্লেখ কৰিছে। থিক তেনেকৈ সীতাহৰণ নাটখনৰ ক্ষেত্ৰতো দেখা যায় গুৰুজনাৰ নাট্যৰীতিৰ অনুকৰণতে হৃদয়ানন্দইয়ো সীতাহৰণ নাটৰ পাতনি তৰিছে। নাট্যৰীতিৰ উক্ত বৈশিষ্ট্য সমূহো এই অধ্যায়তে আলোচনা কৰা হৈছে।

হৃদয়ানন্দ কায়স্থৰ জীৱনাদৰ্শ আৰু সাহিত্য-কৃতিৰ অধ্যয়ন শীৰ্ষক গৱেষণা গ্ৰন্থখনিৰ ষষ্ঠ অধ্যায়ত কবি গৰাকীৰ সাহিত্যৰাজিৰ এক বিস্তৃত মূল্যাংকণ কৰিব বিচৰা হৈছে। কীৰ্তনীয়া ৰামায়ণৰ ৰচক হিচাপে অনন্ত ঠাকুৰক শংকৰোত্তৰ যুগৰ এক মাইলৰ খুঁটি হিচাপে চিনাক্ত কৰিব পাৰি। ইয়াত আছে মহাপুৰুষ গৰাকীৰ ছান্দিক কৌশল আৰু কন্দলী ৰামায়ণৰ দৰে লোক-উক্তি, ফকৰা-যোজনা, পটন্তৰ, অলংকাৰ আদি সম্পদসমূহ। অৱশ্যে কন্দলীৰ দৰে ইয়াত মৌলিকতাৰ উঁভেনদী প্ৰকাশ দেখুওৱা হোৱা নাই। মহাপুৰুষ গুৰুজনাৰ দৰে হৃদয়ানন্দ কায়স্থও অদ্বৈতবাদী, এক ভগৱানৰ অস্তিত্ব দৰ্শনৰ মাজেদিযেই ভাগৱত ভক্তি দাস্যভাৱত প্ৰকাশ কৰিবলৈ যত্ন কৰিছে। সেয়েহে এই অধ্যায়ত আমি কবি গৰাকীৰ জীৱনাদৰ্শ ভক্তিৰ সাৰগৰ্ভতা, সামাজিক বাতাৱৰণৰ দায়বদ্ধতা আৰু কলা-সংস্কৃতিৰ ৰূপৰেখা প্ৰকাশ কৰাৰ উপৰিও ভূমিকাতো ইয়াক উল্লেখ কৰিয়েই আহিছো। ৰস সঞ্চাৰণতো কবিয়ে শৃংগাৰ, বীৰ, করুণ আৰু বীভৎস ৰসৰ সৃষ্টিৰে কাব্যৰ জেউতি চৰাইছে। অৱশ্যে করুণ ৰসে মূলৰ দৰেই গতি কৰিছে। হৃদয়ানন্দৰ মৌলিকতাৰ প্ৰথম গুণতো হ'ল বৰ্ণনা মধুৰ আৰু সংক্ষিপ্ত। উপমা-নৈপুন্যতাৰ সংক্ষিপ্ততাত কবি তুলনা বিহীন। ৰূপ-বৰ্ণনাত কবি সিদ্ধ হস্ত। মুঠতে শংকৰদেৱৰ বৈষ্ণৱ দৰ্শনেই হৃদয়ানন্দৰো যে দৰ্শন সেই কথা ইয়াত দেখুৱাবলৈ যত্ন কৰা হৈছে। তেৱোঁ সততে সামাজিক পৰিবেশৰ লগত খাপ-খুৱাবলৈ গ্ৰন্থ প্ৰণয়নৰ লগতে আঞ্চলিক বৈশিষ্ট্য ৰক্ষা কৰি ভক্তি ধৰ্ম প্ৰচাৰৰ দ্বাৰা সামাজিক আৰু আধ্যাত্মিক দিশত অৰিহণা যোগাই অসমীয়া সাহিত্যৰ ভড়াললৈ দুখনি মহৎ গ্ৰন্থ আগবঢ়াই যুগমীয়া খ্যাতি অৰ্জন কৰিছে।

পাঠ-সমীক্ষা আধুনিক গৱেষণাৰ বাবে এটি আকৰ্ষণীয় বিষয়। ইয়াৰ জৰিয়তে সাহিত্যৰ প্ৰাচীন ইতিহাস ৰচনা আৰু প্ৰাচীন চিন্তা বৈচিত্ৰৰ লগত আধুনিক মনৰ সংযোগ স্থাপন হয়। আমাৰ এই অধ্যয়নত সীমিত জ্ঞানেৰে কিমান দূৰ

সফলতা লাভ কৰিব পাৰিছো সেইয়া সহৃদয় পাঠকৰ বিচাৰ্য বিষয়। যদিও বিষয়টি গৱেষণাৰ ক্ষেত্ৰত পুৰণি পুথিসমূহৰ সহায় লোৱা হৈছে তথাপি সেইবোৰ পুথিৰ পৰা প্ৰকৃত সত্য তথ্য বা আসোঁৱাহ নাইকীয়া কৰাতো সম্ভৱপৰ নহয়। সেইবাবে ভৱিষ্যতে বিষয়টো তথা পুৰণি পুথিসমূহৰ ওপৰত বৈজ্ঞানিক পদ্ধতিত পূৰ্ণ পাঠ-সমীক্ষামূলক অধ্যয়ন চলাবলৈ আমাৰ এই ক্ষুদ্ৰ গৱেষণা গ্ৰন্থই নিশ্চয় উত্তৰ যুগৰ গৱেষকক সহায় কৰিব। কিয়নো পৰৱৰ্তী যুগত পুৰণি সাহিত্যৰাজিয়ে কেনে ৰূপত স্থিতি লৈছিল তাক যথাৰ্থৰূপে বুজিবৰ বাবে সেই যুগৰ পুথি সমূহৰ বিজ্ঞান সন্মত অধ্যয়নৰ বিশেষ প্ৰয়োজন। ইয়াৰ লগে লগে এটি শুদ্ধ ৰূপৰ সৃষ্টি হ'ব। বিষয়টিত আমাৰ দৃষ্টিগোচৰ হোৱা সকলোবোৰ দিশেই ইয়াত উল্লেখ কৰি যাবলৈ যত্ন কৰা হৈছে। অৱশ্যে ভৱিষ্যতলৈ বিষয়তোৰ ওপৰত আৰু অধিক নতুন তথ্য ওলাব পাৰে। সেয়েহে আমাৰ এইয়া গৱেষণা গ্ৰন্থখনিৰহে সামৰণি, বিষয়টোৰ সামৰণি নহয়। কাৰণ গৱেষণাৰ অৰ্থ সত্যৰ অনুসন্ধান আৰু মূল লক্ষ্য হৈছে যুক্তি ভিত্তিক সিদ্ধান্তত উপনীত হোৱা সেয়ে বৈ যোৱা অনিচ্ছাকৃত ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি এই গৱেষণীক অধ্যয়নৰ সামৰণি মাৰিলো।

পৰিশিষ্ট (২)

ক্ষেত্ৰ অধ্যয়নৰ পৰা সংগৃহীত ফটো



দলৈচুৰা কালশিলা সত্ৰত ভকত-বৈষ্ণৱসকলৰ একাংশ



নাওঁকটা কালশিলা সত্ৰত ভাগৱত চৰ্চ্চাৰ এটি মুহূৰ্ত্ত



নাওঁকটা কালশিলা সত্ৰত থকা কেইপদমান পুৰণি সংৰক্ষিত বস্তু



তৰাবৰি কালশিলা সত্ৰৰ আসন ভাগ



তামুলীবৰি কালশিলা সত্ৰ আৰু সত্ৰাধিকাৰ শ্ৰীযুত বটকৃষ্ণ দেৱমহন্তদেৱ



দলৈচুবা কালশিলা সত্ৰত প্ৰতিষ্ঠাপিত পুৰণি পুথি সংৰক্ষণ কেন্দ্ৰ
আৰু কেইগৰাকীমান ভকত-ভকতনী



শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠান, বৰদোৱাত সংৰক্ষিত অনন্ত আতাৰ সম্পূৰ্ণ সাঁচিপতীয়া শ্ৰীৰাম কীৰ্তন পুথিখন



তামূলীবৰি কালশিলা সত্ৰত সংৰক্ষিত সাঁচিপতীয়া ভক্তি-প্ৰেমলতা আৰু দলৈচুৱা কালশিলা সত্ৰত থকা তুলাপতীয়া প্ৰেমলতা গ্ৰন্থ দুখন



মায়ঙৰ কাছশিলা পাহাৰত পোৱা পোৰা মাটিৰ ভাস্কৰ্য্য ঃ ডিঙিত কাছ আকৃতিৰ অলংকাৰ পৰিধান কৰা এক ভগ্ন প্ৰায় অচিনাক্ত পুৰুষ মূৰ্ত্তি ঃ
সংৰক্ষক ঃ শ্ৰীযুত লোকেন্দ্ৰ নাথ হাজৰিকা, মায়ং।

## পৰিশিষ্ট অংশ-৩

## (ক)

### শ্ৰীৰামকীৰ্তনত থকা ঘোষা সমূহ তলত দিয়া হ'ল ঃ

### ছপা পুথি ঃ আদিকাণ্ড

(১)

জয় জয় ৰাম ৰঘুপতি ৰাঘৱ মুৰাৰি ।
পশিলো শৰণ নাথ নিয়োক উদ্ধাৰি ।।

(২)

প্ৰীতি ৰাম কৰা কৃপা কমললোচন ।।

(৩)

হৰি ৰাম শ্ৰীৰাম জয় জয় ৰাম ।।

(৪)

প্ৰণামো ৰাঘৱ ৰঘুনন্দন ।
তোমাৰ চৰণে লৈলো শৰণ ।।

(৫)

হৰি ৰাম ৰামচন্দ্ৰ ৰামভদ্ৰ হৰি ।
তুমিসে ঈশ্বৰ ভকতৰ ভয়হাৰী ।।

(৬)

পতিত পাৱন প্ৰভু ৰঘুনাথ
পতিত কৰা উদ্ধাৰ ।
তুমি বিনে ৰাম পতিত পাৱন
কোনো দেৱ আছে আৰ ।।

(৭)

ৰাম ৰাম ৰঘুপতি ।।

(৮)

ৰঘুপতি ভকত গতি পৰম পুৰুষ ভগৱন্ত ।
তুমিসে ঈশ্বৰ দেৱ অনাদি অনন্ত ।।

(৯)

ৰাম হৰি নাৰায়ণ ।।

### পুৰণি পুথি

(১)

জয় ৰাম ৰঘুপতি ৰাঘৱ মুৰাৰি ।
পসিলো সৰণে নাথ নিয়োক উদ্ধাৰি ।।

(২)

প্ৰীতি ৰাম কৰা কৃপা কমললোচন ।।

(৩)

হৰি ৰাম শ্ৰীৰাম জয় জয় ৰাম ।।

(৪)

প্ৰণামো ৰাঘৱ ৰঘু নন্দন ।
তোমাৰ চৰণে লৈলো সৰন ।।

(৫)

হৰি ৰাম ৰামচন্দ্ৰ ৰাম ভদ্ৰ হৰি ।
তুমিসে ঈশ্বৰ ভকতৰ ভয় হাৰি ।।

(৬)

পতিত পাৱন প্ৰভু ৰঘুনাথ
পতিত কৰা উদ্ধাৰ ।
তুমি বিনে ৰাম পতিত পাৱন
কোন দেৱ আছে আৰ ।।

(৭)

ৰাম ৰাম ৰঘুপতি ।।

(৮)

ৰঘুপতি ভকতৰ গতি পৰম পুৰুষ ভগৱন্ত ।
তুমিসে ঈশ্বৰদেৱ অনাদি অনন্ত ।।

(৯)

ৰাম হৰি নাৰায়ন ।।

(১০)
হৰি ৰাম ৰাম গোবিন্দ ৰাম ৰাম ।
ভকত বৎসল প্ৰভু গুণে অনুপাম ॥

(১১)
ৰাঘৱ ৰাম দয়াময় ।
জয় জয় দয়াময় ৰাঘৱ মুৰাৰি ॥

(১২)
ৰাম ৰঘুপতি ৰঘুনন্দন ।
অভয় চৰণে লৈলো শৰণ ॥

(১৩)
জয়তি ৰাম ৰঘুপতি ।
তোমাৰ চৰণে মোৰ গতি ॥

**অযোধ্যাকাণ্ড**

(১৪)
ৰামচন্দ্ৰ ৰামচন্দ্ৰ ৰামচন্দ্ৰ ৰাম ।
প্ৰভু ৰাম ৰামচন্দ্ৰ ৰামচন্দ্ৰ ৰাম ॥

(১৫)
প্ৰভু ৰাম ৰামভদ্ৰ ৰামভদ্ৰ ৰাম ।
ৰঘুনাথ ৰামভদ্ৰ ৰামভদ্ৰ ৰাম ॥

(১৬)
অ' হৰি ৰাম ৰঘুপতি ৰাঘৱ তুমি জগত স্বামী ।
ভকত তাৰণ তোমাৰ চৰণে শৰণ পশিলো আমি ॥

(১৭)
হৰি ৰাম ৰাম গোবিন্দ ৰাম ৰাম ।
হৰি হৰি কৃপাময় মুকুন্দ মুৰাৰি ॥

(১৮)
ৰাম পদ্মপাণি ৰাঘৱ পদ্মপাণি।
ৰাজীৱ লোচন জানকীৰ প্ৰাণ মণি॥

(১৯)
ৰাম ৰঘুপতি সাৰঙ্গ পাণি।
শৰণ পশিলো নিয়োক জানি॥

(১০)
হৰি ৰাম ৰাম গোবিন্দ ৰাম ৰাম ।
ভকত বৎসল প্ৰভু গুনে অনুপাম ॥

(১১)
ৰাঘৱ ৰাম দয়াময় ।
জয় জয় দায়াময় ঃ ৰাঘৱ মুৰাৰি ॥

(১২)
ৰাম ৰঘুপতি ৰঘুনন্দন।
অভয়ে চৰনে লৈলো সৰন॥

(১৩)
জয়তি ৰাম ৰঘুপতি॥

(১৪)
ৰাম চন্দ্ৰ ৰাম চন্দ্ৰ ৰাম চন্দ্ৰ ৰাম।
প্ৰভু ৰাম ৰাম চন্দ্ৰ ৰাম চন্দ্ৰ ৰাম॥

(১৫)
প্ৰভু ৰাম ৰাম ভদ্ৰ ৰাম ভদ্ৰ ৰাম।
ৰঘুনাথ ৰাম ভদ্ৰ ৰাম ভদ্ৰ ৰাম॥

(১৬)
ওঁ হৰি ৰাম ৰঘুপতি ঃ ৰাঘৱ তুমি জগতৰ স্বামী।
ভকত তাৰন তোমাৰ চৰন সৰন পসিলো আমি॥

(১৭)
হৰি ৰাম ৰাম ঃ গোবিন্দ ৰাম।
হৰি হৰি কৃপাময় ঃ মুকুন্দ মুৰাৰি॥

(১৮)
ৰাম পদ্মা পানি ৰাঘৱ পদ্মা পানি।
ৰাজিৱ লোচন জানেকিৰ প্ৰান খানি॥

(১৯)
ৰাম ৰঘুপতি সাৰঙ্গ পানি।
সৰণে পসিলো দিয়োক জানি॥

(২০)
সীতা পতি ৰাম দূৰ্ব্বাদল শ্যাম।
ভকতৰ গতি মতি তুমি পূৰ্ণ কাম।।

(২১)
সীতা পতি ৰাম  কৰোহো প্ৰণাম।।

(২২)
ৰাম ৰঘুপতি প্ৰভু নাৰায়ণ
তুমি নিত্য নিৰঞ্জন।
তযু পাদ পদ্ম মকৰন্দ আশে
পশিলো হেৰা শৰণ।।

(২৩)
এ ৰাম ৰঘুপতি ঃ ৰাঘৱ ৰঘুপতি।।

**অৰণ্য কাণ্ড**

(২৪)
এ ত্ৰাহি ৰাঘৱ চৰণে শৰণ দিয়োক বান্ধৱ।।

(২৫)
ৰাঘৱ দেৱ দূৰ্ব্বাদল শ্যাম।
তুমি সৰ্ব্বদেৱ দেৱতা অনুপাম।।

(২৬)
ৰাম দীন বন্ধু, ৰাঘৱ দীন বন্ধু।।

(২৭)
এ ভকত সুলভ জানকী বল্লভ
জগত দুৰ্ল্লভ ৰাম।।
কৌশল্যা তনয় ৰাম দয়াময়
তুমি দেৱ পূৰ্ণ কাম।।

(২৮)
ত্ৰাহি ত্ৰাহি ৰঘুনাথ।
প্ৰণামো দমায়া মাথ।।

(২৯)
ৰাঘৱ প্ৰভু ৰঘু নন্দন।
তোমাৰ চৰণে লৈলো শৰণ।।

(২০)
সিতা পতি ৰাম দুৰ্ব্বাদল স্যাম।
ভকতৰ গতি মতি তুমি পুৰ্ন্ন কাম।।

(২১)
সিতা পতি ৰাম ঃ কৰোহো প্ৰনাম।

(২২)
ৰাম ৰঘুপতি প্ৰভু নাৰাযন
তুমি নিত্য নিৰঞ্জন।
তযু পাদ পদ্মঁ মকৰন্দ আষে
পসিলো হেৰা শৰন।।

(২৩)
এ ৰাম ৰঘুপতি ঃ ৰাঘৱ ৰঘুপতি।।

(২৪)
এ ত্ৰাহি ৰাঘৱ ঃ চৰনে সৰন ঃ দিয়েক বান্ধৱ।।

(২৫)
ৰাঘৱ প্ৰভু ৰাম দুৰ্ব্বাদল স্যাম।
তুমি সৰ্ব্বদেৱৰো দেবতা অনুপাম।।

(২৬)
ৰাম দিন বন্ধু ঃ ৰাঘৱ দায সিন্ধু।।

(২৭)
এ ভকত সুলভ জানেকি বল্লভ
জগত সুল্লভ ৰাম।।
কোসল্যা তনয ৰাম দায়াময
তুমি দেৱ পুৰ্ন্নকাম।।

(২৮)
ত্ৰাহি ত্ৰাহি ৰঘুনাথ।

(২৯)
ৰাঘৱ প্ৰভু ৰঘুনন্দন।
তোমাৰ চৰনে লৈলো সৰন।।

(৩০)
বন্দো ৰাঘৱ ৰাম।
প্ৰভু তুমি পূৰ্ণ কাম॥

(৩১)
জয়তি ৰাঘৱ ৰাম হৰি।
জয়তি লক্ষ্মণ ৰাম হৰি ॥

## সুন্দৰাকাণ্ড

(৩২)
জয় ৰাম চন্দ্ৰ হৰি ।

(৩৩)
ৰঘুপতি ৰাম কৰো পৰিয়া প্ৰণাম ॥

(৩৪)
তুমি বাম পূৰ্ণকাম জগতৱ স্বামী ।
তযু পদ পঙ্কজে শৰণ লৈলো আমি ॥

(৩৫)
জানকী বল্লভ জানকী বল্লভ
জানকী বল্লভ ৰাম ।
তোমাৰ চৰণে শৰণ পশিলো
পূৰিয়ো মনৰ কাম ।

(৩৬)
ৰাম ৰঘুনাথ দেৱ ৰাম ৰঘুনাথ দেৱ
ৰাম ৰঘুনাথ দেৱ ।
কৰিয়ো ভকতি দান তুমি বিনে নাহি আন
তোমাৰ চৰণে কৰো সেৱ ॥

(৩৭)
বাম ৰঘুপতি বমাকান্ত ।
পবম পুৰুষ দেৱ অনন্ত ॥

(৩৮)
বঘুপতি ৰঘুপতি ৰঘুপতি বাম ।
প্ৰভু ৰাম ৰঘুপতি গুণে অনুপাম ॥

(৩০)
বন্দো ৰাঘৱ ৰাম।
প্ৰভু তুমি পূৰ্ন্ন কাম॥

(৩১)
জযতি লখন ৰাম হৰি ॥

(৩২)
জয় ৰাম চন্দ্ৰ হৰি ॥

(৩৩)
ৰঘুপতি ৰাম ।
কৰো পড়িয়া প্ৰনাম ॥

(৩৪)
তুমি ৰাম পুৰ্ন্নকাম জগতৰ স্বামি ।
তযুপদে পঙ্কজে সৱন লৈলো আমি ॥

(৩৫)
জানেকি বল্লভ জানেকি বল্লভ
জানেকি বল্লভ ৰাম ।
তোমাৰ চৰনে সৰন পসিলো
পুৰিযো মনৰ কাম ।

(৩৬)
বাম ৰঘুনাথ দেৱ ৰাম ৰঘুনাথ দেৱ
ৰাম ৰঘুনাথ দেৱ দেৱ ।
কৰিয়ো ভকতি দান তুমি বিনে নাহি আন
তোমাৰ চৰনে কৰো সেৱ ॥

(৩৭)
বাম ৰঘুপতি বমাকান্ত ।
পবম পুৰুষ দেৱ অনন্ত ॥

(৩৮)
বঘুপতি ৰঘুপতি ৰঘুপতি ৰাম ।
প্ৰভু ৰাম ৰঘুপতি ৰঘুপতি ৰাম ॥

## লঙ্কাকাণ্ড

(৩৯)
সীতাপতি ৰাম জানকী জীৱন ।
তৰিলা সমুদ্ৰে সেতু কৰিয়া বন্ধন ॥

(৪০)
ৰাম করুণাময় করুণা সিন্ধু ।
ভকত জনৰ তুমিসে বন্ধু ॥

(৪১)
স্বামী ৰাম তুমি দেৱ দুখহাৰী ॥

(৪২)
জয়তি ৰাঘৱ জয় লখমণ দেৱ ।
ত্ৰিজগতে যাহাৰ চৰণে কৰে সেৱ ॥

(৪৩)
ৰঘুপতি ৰঘুবৰ ৰাঘৱ মুৰাৰি ।
দেৱক ৰাখিলা ৰাক্ষসক ক্ষয় কৰি ॥

(৪৪)
জগত গুৰু ৰাম দেৱ দয়াময় ।
ৰাক্ষসক মাৰি দিলা দেৱক নিৰ্ভয় ॥

(৪৫)
ৰাম নিৰঞ্জন জগ আধাৰ ।
তুমিসে পৰম দেৱ আমাৰ ॥

(৪৬)
জয়তি ৰাঘৱ ৰাম হৰি ।
তুমি ৰাক্ষসৰ অন্তকাৰী ॥

(৪৭)
ৰাম ৰমাকান্ত ৰাম ৰমাকান্ত
ৰাম ৰমাকান্ত দেৱ ।
ভকতৰ ধন তুমি নিৰঞ্জন
তুৱা পাৱে কৰো সেৱ ॥

(৩৯)
সিতাপতি ৰাম জানেকি জিৱন ।
তৰিল সমুদ্ৰ সেতু কৰিয়া বন্ধন ॥

(৪০)
ৰাম কৃপাময় করুনা সিন্ধু ।
ভকত জনৰ তুমিসে বন্ধু ॥

(৪১)
স্বামী ৰাম তুমি দেৱ দিন দুখহাৰি ॥

(৪২)
জয়তি ৰাঘৱ জয় লখমণ দেৱ ।
ত্ৰিজগতে তোমাৰ চৰনে কৰে সেৱ ॥

(৪৩)
ৰঘুপতি ৰঘুবৰ ৰাঘৱ মুৰাৰি ।
দেৱক ৰাখিলা ৰাক্ষসক ক্ষয় কৰি ॥

(৪৪)
জগত গুৰু ৰাম দেৱ দয়াময় ।
ৰাক্ষসক মাৰি দিল দেৱক নিৰ্ভয় ॥

(৪৫)
ৰাম নিৰঞ্জন জগ আধাৰ ।
তুমিষি পৰম দেৱ আমাৰ ॥

(৪৬)
জয়তি ৰাঘৱ ৰাম হৰি ।
তুমি ৰাক্ষসৰ অন্তকাৰি ॥

(৪৭)
ৰাম ৰমাকান্ত ৰাম ৰমাকান্ত
ৰাম ৰমাকান্ত দেৱ ।
ভকতৰ ধন তুমি নিৰঞ্জন
তুৱা পাৱে কৰো সেৱ ॥

(৪৮)

ৰাম জগজীৱ ৰাম জগজীৱ
ৰাম জগজীৱ স্বামী ।
পশু পক্ষী যত তোমাৰ ভকত
সি ভৈলা বৈকুণ্ঠগামী ॥

(৪৯)

জয় ৰাম ৰাম জয় ৰাম জয় ৰাম ।
ৰাক্ষস সংহৰি সাধিলাহা দেৱ কাম ॥

(৫০)

জয় ৰাম ৰঘুপতি নৃপতি শিখৰ ।
যাৰ পাৱে সেৱন্ত বিৰিঞ্চি মহেশ্বৰ ॥

**উত্তৰাকাণ্ড**

(৫১)

প্ৰভু ৰাম ৰঘুনাথ গোবিন্দ ।
ভজোহো তযু পদ অৰবিন্দ ॥

(৫২)

ৰাম ৰঘুপতি করুণাময় ।
শৰণে পশিলো দিয়ো অভয় ॥

(৫৩)

নমো ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ।
কৌশল্যা নন্দন প্ৰভু গুণে অনুপাম ॥

(৫৪)

নমো ৰাম পৰমব্ৰহ্ম জগত নিবাস ।
প্ৰণামোহো ৰাঘৱ ৰঘুকুলৰ প্ৰকাশ ॥

(৫৫)

ৰাঘৱ ৰঘুবংশ শিৰোমনি ।
তুমিসে ভকতৰ প্ৰাণখানি ॥

(৫৬)

ৰাঘৱ জানকী একহি প্ৰাণ ।
নৱনাটে ভৈলা দুয়ো ইথান ॥

(৪৮)

ৰাম জগজিৱ ৰাম জগজিৱ
ৰাম জগজিৱ স্বামি ।
প'শু পক্ষি জত তোমাৰ ভকত
সি ভৈল বৈকুণ্ঠগামি ॥

(৪৯)

জয় ৰাম জয় ৰাম জয় ৰাম ৰাম ।
ৰাৱন সংহৰি সাধিলাহা দেৱ কাম ॥

(৫০)

জয় ৰাম ৰঘুপতি নৃপতি শিখৰ ।
জাৰ পদ সেৱন্ত বিৰিঞ্চি মহেস্বৰ ॥

(৫১)

প্ৰভু ৰাম ৰঘুনাথ গোবিন্দ ।
ভজোহো তযু পদ ৰৱবিন্দ ॥

(৫২)

ৰাম ৰঘুপতি করুনা মযয ।

(৫৩)

নমো ৰাম ৰাম ৰাম ৰাম ।
কোসল্যা নন্দন প্ৰভু গুনে যনুপাম ॥

(৫৪)

নমো পৰব্ৰহ্ম ৰাম জগত নিবাস ।
প্ৰনামো ৰাঘৱ ৰঘুকুলৰ প্ৰকাষ ॥

(৫৫)

ৰাঘৱ ৰঘুবংস শিৰোমনি ।
তুমিসে ভকতৰ প্ৰানখানি ॥

(৫৬)

ৰাঘৱ জানেকি একহি প্ৰান ।
নৱনাটে ভৈলা দুই দুই থান ॥

(৫৭)

ৰাম ৰাঘৱ ভকত ৰান্ধৱ
ৰাঘৱ ৰঘুনন্দন ।
সীতাৰ বিৰহে স্ত্রীসঙ্গ দুখ
দেখায়া কৈলা ক্রন্দন ।।

(৫৮)

প্ৰাণ মোৰ ৰাম প্ৰণামো ৰাঘৱ ৰাম
প্ৰণামো ৰাঘৱ ৰাম হৰি ।
ইটো সংসাৰত ভাল নাহি কাৰো চিৰকাল
দেখাইলা মনুষ্য নাট ধৰি।

(৫৯)

ৰাঘৱ পৰম ঈশ্বৰ হৰি ।
যাইবে মন ভৈলা বৈকুণ্ঠপুৰী ।।

(৬০)

প্ৰাণ ভাই লখাই তেজিয়া কৈক যাস ।
তোহোৰ সন্তাপে বাপু ভৈলো সৰ্ব্বনাশ ।।

(৬১)

পৰম ঈশ্বৰ ৰাম ৰঘুপতি ।
ভ্ৰাতৃশোক দেখায়া কৰিলা স্বৰ্গগতি ।।

(৬২)

জয় ৰাম ৰাঘৱ ৰাম জয় ।
বৈকুণ্ঠক যাইবে সাজ ভৈলা কৃপাময় ।।

(৬৩)

জয়তি ৰাঘৱ ৰঘুনন্দন ।
লগতে নিলা যত প্ৰজাগণ ।।

(৫৭)

ৰাঘৱ ৰাঘৱ ভকত ৰান্ধৱ
ৰাঘৱ ৰঘুনন্দন ।
সিতাৰ বিৰহে স্ত্রি সঙ্গ সুখ
দেখায়া কৈলা ক্রন্দন ।।

(৫৮)

প্ৰনামো ৰাঘৱ প্ৰনামো ৰাঘৱ ৰাম
প্ৰণামো ৰাঘৱ ৰাম হৰি ।
ইতো সংসাৰত ভাল নাহি কাৰো ছিৰকাল
দেখাইলা মনুস্য নৰ নাটে ধৰি।

(৫৯)

ৰাঘৱ পৰম ঈশ্বৰ হৰি ।
জাইবে মন ভৈলা বৈকুণ্ঠপুৰি ।।

(৬০)

প্ৰান ভাই লক্ষন কৈক তেজি জায ।
তোহোৰ সন্তাপে বাপু ভৈলো সৰ্বনায ।।

(৬১)

পৰম ইশ্বৰ দেৱ প্ৰভু ৰঘুপতি ।
ভাতৃসোক দেখাযা কৰিলা স্বৰ্গগতি ।।

(৬২)

জয় জয় ৰাঘৱ ৰাঘৱ ৰাজ জয় ।
বৈকুণ্ঠক জাইবে সাজ ভৈলা কৃপাময় ।।

(৬৩)

জয়তি ৰাঘৱ ৰঘুনন্দন ।
লগতে নিলা জগতৰ থান ।।

০০০

(খ)

**ভক্তি-প্ৰেমলতা পুৰণি পুথিখনত (ক) থকা গ্ৰন্থকাৰৰ পৰিচয় আৰু গ্ৰন্থ সামৰণিৰ উল্লেখ হুবহুভাৱে দাঙিধৰা হ'ল ঃ**

নমো নমো কৃষ্ণ ভকত বান্ধৱ
মুকুন্দ মাধৱ দেৱ ।
বক্ত পাদ পদ্মাঁ মৌৱ হৌক সঙ্গ
সৰ্ব্বদা কৰিবো সেৱ ।।
যস চন্দ্ৰ খা জে আছিলন্ত ভুঞা
সৰ্ব্বভুয়া অনুপাম ।
তাহানে কনিস্ত ভাই মহাসিস্ত
জাৰ সুকাইগিৰি নাম ।। ৫০৯
তাহানে তনয় জদু সুদ্ধাশয়
গুনৰ নাহিকে অন্ত ।
শ্ৰীভাগৱত টিকাযে সহিতে
কণ্ঠতে সদা বশন্ত ।।
সঙ্কৰ দেৱৰ ভাতৃ জে কনিস্ত
হাথিয়াৰ দলৈ খ্যাত ।
নামে ৰতিকান্ত পৰম মহন্ত
মহাজন সম ক্ষাত ।। ৫১০
তাহানে তনয় আতি সুভনয়
ৰামচন্দ্ৰ নামে ভৈলা ।
ঝিউখানি মাত্ৰ জন্মিল তাহান
এতেকে বৈকুণ্ঠে গৈলা ।।
নাতিনি খানিক ৰতিকান্ত দেৱ
তুলিলন্ত স্নেহ কৰি ।
সুকাইৰ পুত্ৰত জদুত আনিযা
বিহা দিলা যত্ন কৰি ।। ৫১১
তান গৰ্ভে জাত তিনি পুত্ৰ খ্যাত
বৈষ্ণৱ সেৱক ভৈলা।

চিদানন্দ নিত্যা- নন্দ কনিষ্ঠৰ
হৃদয়ানন্দ নাম থৈলা ॥
জ্যেষ্ঠ দুইজন পৰম সোভন
মহাজনো বখানন্ত ।
কৃষ্ণ কেসে মাত্র চিন্তি দিনে ৰাত্রি
বিবাহকো তেজিলন্ত । ৫১২
হৃদয়ানন্দ জে আমাকে বোলয়
শাস্তব ধুলা সেৰাত ।
জদি জোগ্য নহোঁ তভো তুস্ত হুয়া
অনন্ত নাম থৈলন্ত ॥
যদি মন্দ মতি তভো মোৰ আতি
আগ্রহ মিলিল মনে ।
একান্তি সবৰ মন ৰম্য গ্রন্থ
ৰচিলো য়াতি জতনে ॥ ৫১৩
আপুন বৃতান্ত বখানন্তে মোৰ
জত ভৈলা দোস গন ।
মোক মুৰ্খ জানি সমজ্যাব প্রানি
কৰা তাক মৰিসন ॥
অজানিতে মোৰ দোষ গুন যত
হুয়াছে শাস্ত্ৰৰো বাজ ।
বালেকৰ নয় অবোধ জানিয়া
ক্ষেমিয়ো সন্ত সমাজ ॥

## চবি

হে কৃষ্ণ প্রান পতি নিজ ভক্ত সমন্নিতি
মঞি অধমত হুয়ো তুস্ত ।
তজু গুন বৰ্ন্নত বঢ়া টুটা দোস যত
সিয়োখণ্ডি হৌক পৰিপুস্ত ॥
হৃদয়ত থাকি মোক জেন সিখ্যা দিলা স্বামি
সেহি মতে ভাসিলো বচন ।
মঞিঁ অধমৰ স্বামি কোন স্বতন্ত্ৰতা আছে
তুমি প্রয়োজক নাৰায়ন ॥ ৫১৪

তজু আজ্ঞা পালনত জতেক মুকুত ভৈল
সমৰ্প্পিলো পদ্মঁ চৰনত ।
কাবনিয়া জন ভৈলে চিত্তে তাব কাৰ্য্য নহি
প্রেম মাত্র বৌক গৃহস্থত ।।
সত্যে সত্যে সত্যে মঞিঁ আপুনি বিক্রয় গৈলো
তজু নিজ দাস দাস মনে ।
সিহেতু করুনা নিধি জন্মে জন্মে বৌক মোৰ
প্রেম ভক্তি তোমাৰ চৰনে ।।৫১৫
সুনা সাধু পিতৃলোক উপহাস্য তেজিয়োক
সন্তৰ সঙ্গত থৈবা আনি ।
উন্মত্ত বালেক জন নোবোলয় কি বচন
তাক নিন্দে কোন সাধু প্রানি
কিন্তু জেবে হৰি জস উন্মত্ত বালেক সবে
তাক নুসুনয় কোনে জানা ।
সেহি মতে মোৰ যত বাক্য দোস দুৰ কৰি
হৰি গুন আনন্দতে সুনা ।। ৫১৬
ভক্তি প্রেমলতা সাৰ সুনা গুন কহোঁ আৰ
গাৱে সুনে বিচাৰে জি জন ।
মোক্ষ আদি কাম মানে সবে দুৰ হৈবে মনে
প্রেম বাঢ়িবেক অনুক্ষন ।।
প্রেম ভক্তি ভৈলা জাব কিবা ফল লাগে তাব
কৃষ্ণৰ বল্লভ সিটো আতি ।
প্রেমলতা অতিশয় মোক্ষ আদি তুস্ব কয
নিৰূপয় কৃষ্ণ প্রেম ভক্তি ।। ৫১৭
সন্তসেৱা কৃপা শ্রদ্ধা শ্রৱন উত্তম ৰতি
আত্ম জ্ঞান দৃঢ় ভক্তি কৈলো ।
ভগৱন্ত তত্ব জ্ঞান সৰ্ব্বজ্ঞাদি আবির্ভাৱ
এহি নৱ ক্রম নিবন্ধিলো ।।
তাব মধ্যে সু দুৰ্ল্লভ ভকতি লতাৰ ফল
দুই গোটা প্রধান হোৱন্ত ।
ৰতি ভক্তি প্রেমময় মোক্ষ পৰি বিৰাজয়
একান্তি সকলো ভোগাৱন্ত ।। ৫১৮

আনৰ নাহিঁকৈ ভাগ তাহাক পাইবাক লাগ
জিহেতু কৃষ্ণৰ গোপ্য আতি ।
নিজ ভৃত্য কেসে প্ৰভু কৃষ্ণপাযে কৰন্ত দান
কৈলো ভাগৱতৰ সন্মতি ॥
হে কৃষ্ণ কৃপাময় জেন মোৰ সদা ৰয়
তজু পাদ পদ্মঁত ভকতি ।
ভক্তি বস মকৰন্দ মূৰুখ অনন্তে মাগে
কৃষ্ণ পদে কৰিয়া প্ৰনতি ॥
জন্মে জন্মে এহিমানে দিয়ো মোক কৃষ্ণ প্ৰান
আন মোব নৌক নৌক গতি ॥ ৫১৯
তোমাব একান্ত দাস সঙ্গেঁ মোৰ হৌক আস
অভয় চবনে হৌক মতি ।
লম্পট ভ্ৰমব মন বমি বৌক সৰ্ব্বক্ষন
তজু পাদ পদ্মঁত সম্প্ৰতি ॥
ইতো ব্ৰহ্মাণ্ডত দেৱ দুখি আব নাহি কেৱ
মঞিঁ মাত্ৰ দবিদ্ৰ অধম ।
এক বিন্দু প্ৰেমধন দিয়া কিনা নাৰাযন
নাহিকে কৃপাল তুমি সম ॥ ৫২০
সত্যে সত্যে সত্যে মঞিঁ সৰনে পসিলো স্বামি
কৰনিয়া কৰি লৈয়ো মোক ।
শ্ৰৱন কীৰ্ত্তন কৃত্য জন্মে জন্মে কবিবহোঁ
একান্তিৰ সঙ্গত থৈয়োক ॥
তেবে মোৰ মনোৰথ পৰিপুৰ্ন হ্ৱৈ প্ৰভু
এহিমানে কৰিলো গোচৰ ।
আবে সুনিয়োক প্ৰেম লতা জন্ম জি কালত
হে সভা সদ নিবন্তব ॥ ৫২১
উন্মিবস বান চন্দ সকে প্ৰেমলতা জন্ম
পোসে তিথি পুৰ্নিমাব ।
হে কৃষ্ণ পাদ পদ্মঁ ভৃঙ্গেঁ অনন্তে ৰচিলা ৰঙ্গেঁ
নিৰন্তবে বোলা ৰাম ৰাম ॥ ৫২২

০ ০ ০

## অনন্ত ঠাকুৰৰ বুলি প্ৰতিষ্ঠিত কৰা 'সীতাহৰণ নাট' খনৰ গীতসমূহ হুবহু ভাৱে তুলি অনা হ'ল ঃ

নান্দি গীত ঃ ৰাগ-সিন্ধুৰা একতালী ॥

ধ্ৰুং ॥ জয় জয় শ্ৰীৰাম কৰো পৰনাম ।
নিশাচৰ মাৰি পুৰল মন কাম ॥

পদ ঃ সূৰ বাঞ্চনি ৰাজ্য ভোগ পৰিহৰি ।
বনবাস কৰত পিতৃৰ বাক্য ধৰি ॥
বানৰৰ সমে ক্ৰীড়ি জগত ঈশ্বৰ ।
ভকত বৎসল নাই ৰাম সমসৰ ॥
ভকতক পৰষে সুখিত জেন হয় ।
হেন ৰাম পদে ভনে ৰাম ভৃত্যেকই ॥
কামিনীস মগনস দুখ সুখ হীন ।
দেখাৱত ৰাম প্ৰভু ভনে মতি হিন ॥

০ ০ ০

অথ ভট্রিমা টোটয ঃ

ৰঘু নন্দন নন্দন সত্যকৰং ।
কৰপল্লৱ পালিত ভক্তি পৰং ॥
পৰমাত্মা পৰায়ন পন্থ সৰং ।
শৰসিৰোহ লোছন অপহৰং ॥
হৰচাপক ভঞ্জকবাহু বলং ।
বল ধাৱন ৰাৱন জীৱ কলং ॥
কল পুৰ পুঞ্জক পদ্মঁ পদং ।
পদ পঙ্কজ ভৃঙ্গ ভিৰ্ল সদং ॥
মদ সাগৰ সাগৰ মুষ্ট সৰং।
সৰ নাগতক্ষ সূক্ষ্ম চৰং॥
শ্ৰৱনা শ্ৰৱসেত ন তুল্য তৰং।
নৰতা ধন ধান্য ভিল্ল ভৰং॥

ভৱ ভঞ্জন ৰঞ্জন নীল ৰুচিং।
ৰুচি ৰায়ন ভাযন হাস্য শুচিং॥
মুৰ্চ্চি কম্বুক ৰামৰ বৈৰখৰং।
খৰ দাৱন তাৰন ধাতু ধৰং॥
ধৰনি চৰ বানৰ সক্ষৰতং।
ৰতে মল্লৈৰতে পক্ষ গতং॥
গত ৰাক্ষষ বিগ্ৰহ তুল্য গুৰুং।
ভূব ঈশ্বৰ কিঙ্কৰ মদ্দিৰ্মুৰং॥
মূৰ সন্তম সাৱল ভাৱ ভূৰং।
ভূব তাবক নিৰ্দ্দিত নিত্য নৰং॥
নৰসে বধি দায়ক কান্ত প্ৰভং।
প্ৰভ প্ৰবক্ষামী স্বামী মল্লৈনিভং॥

০ ০ ০

গীত ৰাগ নাট একতালী ঃ

ধ্ৰুং ॥ আৱত শ্ৰীৰাম কয়ো পৰবেশ।
চলে সীতা লক্ষ্মন বনে বিশেষ॥

পদঃ জটা জুট শীৰে বাকলী পৰিধান ।
বয়ন চান্দক জৌতি হাতে ধনুবান ।
আগে ৰাম মধ্যে সীতা পাচহি লক্ষ্মন ॥
শ্ৰীৰাম পদে পদ্মঁ মধূকৰে ভান ॥

০ ০ ০

গীত ৰাগ শ্ৰীজৌতিমান ॥

ধ্ৰুং ॥ চললি ৰাম পঞ্চৱটিক হাবিষে ।
লক্ষ্মনক আগ কৰি ঋষি উপদেশে ॥

পদ ঃ মধ্য কবি সিতাক ধৰিয়া ধনূশৰ ।
পাচু হুয়া ভয় নাহি বোলে ৰঘুবৰ ॥
লক্ষ্মন গহন বন পথে ভিৰি যাই ।
ৰাম পদ পদ্মঁৰসে মধূকৰে গাই ॥

০ ০ ০

গীত ৰাগ গুঞ্জৰী পৰি তাল ॥

ধ্ৰুং ॥ শুন মোৰ জানকী পৃয়ে গোদাবৰী তীৰে ।
মলয়া সমিৰে পৰিমল সুগন্ধি শৃয়ে ॥

পদ ঃ চম্পক সেৱতি লৱঙ্গ মালতি
কৰবীৰ কুবলয় ৰঞ্জে ।
বনফুল প্ৰফুল্ল মধুকৰে আকুল
গুঞ্জে গুঞ্জৰি মধুগুঞ্জে ।।
পঞ্চবটি বন ঐচন শোভন
চৌভিতি ঋষিৰ থান
গীতা ভাগৱত শুনি বিমুহিত
ৰামচন্দ্ৰ ভৃত্যে ভান ।।

০ ০ ০

গীত ড়াগ কানাড়া পৰিতাল ।।

ধ্ৰুং ।। ৰাম পাষে আৱল সুপ্ৰনসি ।
সীতা লক্ষ্মন দোহোৰুপে উপেখি ।।

পদ ঃ নীল উৎপল শ্যামল ৰাম ।
ভূবন সুন্দৰ তনু লাৱন্য ধাম ।।
মূখ প্ৰফুল্ল কমল কোষ ভাষে ।
সূচি ৰুচি হাসি পাসি পৰকাসে ।।
বিসদ দন্ত কৰ্ন্নিকাৰ তুল ।
অধৰ ৰঙ্গা কেশৰ সম দুল ।।
নীল ৰুচিৰ বিম্বু ফুলান ।
কুটিল কুণ্ডল কুল মধূপঠান ।।
পেক্ষি ৰাক্ষসি ভূলে দুলে প্ৰান ।
কৈ কৈবো শ্ৰীৰাম ভূৱন ভূলান ।।

০ ০ ০

গীত ৰাগ- আশোৱাৰী পৰিতাল ।।

ধ্ৰুং ।। ৰাক্ষসি ৰূপ ধৰল সূপ্ৰনসি ।
ভূৱন মোহন ৰূপ উপেখি ।।

পদ ঃ আঙ্গাৰ বৰ্ন ভয়ানক কাই ।
লহ লহ জিহ্বা দশন শুল প্ৰাই ।।
লোচন ৰঙ্গা ভেঙ্গু ৰা হাত ভৰি ।
কৰ্ন্ন নাষিকা নখ কুলাৰ সৰি ।।
হক হক কৰি মুখ গোটা বাৰে ।
সীতাক খাওঁ খাওঁ বুলি ধাৰে ।।

কাম্পয় সীতা ৰামৰ ধৰি গলে ।
শ্ৰীৰাম পদ চন্দ্ৰ চকোৰে বোলে ॥

o o o

গীত ডাগ বেলোৱাৰ ৰূপক তাল ॥

ধ্ৰুং ॥ ৰামক ধাৱল দুষন খৰ ॥
চৈধ্যয় হাজাৰ সাজি নিশাচৰ ॥

পদ ঃ হানলসায়ক শৰ অবিশ্ৰাম ।
সমৰে সসন্যে কাটিল ৰাম ॥
দুশন খৰৰ কাটল অংশ ।
কহয় ৰাম পদ পঙ্কজ হংশ ॥

o o o

গীত ৰাগ কৈল্যান খৰমান ॥

ধ্ৰুং ॥ বাৱন আৱে মাৰুচ পাসে । ৰথে চৰি কুৰি ঃ
হাতো পৰে ধৰি ঃ সীতাহৰণ অভিলাষে ॥

পদ ঃ দশ মূখে বোলে সুনৰে মাতুল
হামাৰ সহায় হুওঁ ।
সীতা হৰোগই মায়া মৃগ হই
ৰাম লক্ষ্মন অন্তৰাওঁ ॥
ভূৱন মোহোনি ৰূপ বিতোপনী
শুনি মদন দহে মোৰ ।
বিলম্ব নকৰ চল খৰোত্তৰ
কহে ৰাম চন্দ্ৰ চকোৰ ॥

o o o

গীত ৰাগ বসন্ত জ্যোতিমান ॥

ধ্ৰুং ॥ আজু প্ৰান নাথ পেখু হৰিন কুমাৰ ।
চিত্ৰ বিচিত্ৰ মন মোহয় আমাৰ ॥

পদ ঃ ধায়া ধায়া চলে খেনে ক্ষেনে দেই লুকি ।
সুবৰ্ন মানিকে কতো ভুমুকা ভুমুকি ॥
লুম্ফি লুম্ফি চলে তম্ভি তম্ভি পুনু জাই ।
গল ভাঙ্গি দাঙ্গি পাচ লাগি ফিৰি চাই ॥
জীৱন্তে ধৰিযা দিয়া নুহি তাৰ চাল ।
অন্তৰে সত্বৰে স্বামী চলা তত্ব কাল ॥

চিত্র মৃগ নুহি সোহি মায়া মাৰু চৰ ।
জানবি জানবি মাৱ কহে হৰি পৰ ।।

০ ০ ০

গীত ৰাগ বসন্ত জৌতিমান ।।

ধ্রুং ।। মধুৰ মায়াৰ হাসি ৰঘুবৰ
ধৰল ধনুশৰ জাই ।
অৰুন চৰনে চলে বনে বনে
সুবৰ্ণ হৰিন লাই ।।

পদ ঃ তৰু বনে লুকি পাৰয় ভূমুকি
বাহুৰি ঘূৰি ক্রমে জাই ।
হাসিয়ে বিশিক্ষ্য ৰামে নাহি দেখু
বিজুলি চমক প্রাই ।।
ঝাল মলাই দুব গতি জাই
ৰাঘৱ হানল শৰে ।
হৃদয় ভেদল আৰ্ত্তৰাৱ দিল
বোলে ৰামচন্দ্র অনুচৰে ।।

০ ০ ০

গীত ৰাগ শ্রীগান্ধাৰ জৌতিমান ।।

ধ্রুং ।। বিৰহে দহে কয় ক্রন্দন জানকি মাৱ
ডাকয় ৰাঘৱ আৰে স্বামী ।
নিজ পতনি তেৰি হৰয় ৰাৱন মেৰি
ৰাখহু পতিব্রতা নাৰী ।। আহে নাথ ।

পদ ঃ মৃগবধ চুৰি আসি তুৰিতে ৰাখু
নবহে দেহা হামাৰি ।
আৰে লক্ষ্মন বাপ হৰিয়ো হৃদি তাপ
ৰাখু মোক ৰাৱনক মাৰী ।।
পৰ পুৰুষ সঙ্গ কিক পৰসো হামূ
ৰাখু শ্রীৰামমোহি প্ৰান ।
জাহেৰ একশৰে কোটি ৰাক্ষষ মৰে
শ্রীৰাম অনুচৰে ভান ।।

০ ০ ০

গীত ৰাগ ৰামগিৰী জৌতিমান ।।

ধ্রুং ।। হৰি হৰি প্রাণেৰ পৃয়া হামাৰী ।
কেলি শূণ্য কৰি কোনে নিলে হৰি ঃ হৃদয়ে কুঠাৰ মাৰী ।।

পদ ঃ হা প্রান জায়া জনক তনয়া
পৃয়া মেৰি কণ্ঠাহাৰ ।
তোহাৰি বিৰহ লাগি অগ্নি দহে
নৰহে দেহা হামাৰ ।।
জানকি জানকি বুলি দেই উৰি
কৈ গৈলী প্রানেৰ সীতা ।
আকুল ব্যাকুলে নিহালে পজাল
পর্নসালা চতুর্ভিতা ।।
সজল নয়ন কৰত ক্রন্দন
চাহি ফুৰা বনে বনে ।
নাৰী সঙ্গ সুখ দেখায়া আসুখ
ৰামচন্দ্র ভৃতে ভান ।।

০ ০ ০

গীত ৰাগ-গৌৰী বিষম তাল ।।

ধ্রুং ।। কোপে কম্পিত চিত্ত ৰামত চিত্ত নিত
ধাৱল জটায়ুবীৰ ।
আতোপ প্রতাপে ঠোটে ঠোটে গোটে
ৰাৱন শৰিৰ চিৰে ।।

পদ ঃ নখে জোপা জোপে কেশ শোপা শোপে
উভাৰে মাংশ দেহব ।
পখা চোটে ডাটে পেট পিঠি ফাটে
জঙ্কাৰে দশ-কন্ধৰ ।।
ৰাৱনে হানয় শৰক গিলয়
ঠোটে চিন্ন ভিন্ন কৰে ।
চৰনৰ ঘাত ৰথ ভেল পাত
ৰামচন্দ্র গীত স্মৰে ।।

০ ০ ০

আকাবাদি বহিত গীত বাগ-কৈল্যান খৰমান ।।

ধ্রুং ।। জয় জয় দশৰথ তনয় সদয়
অজগৰ দমকৰ ।
পৰম ৰমন জনক বছন
সলল নয়ন চৰ ।।

পদ ঃ খৰ দশনল গহন দহন
নব ধৰ মধকৰ ।
বনক লগন কয়ল দহন
বষ জয শশধৰ ।।
ভকত জনৰ পদ সময়ৰ
ভৱভয বয়হৰ ।
নয়ন জনন মদ হনযন
শবন মজম শৰ ।।

০ ০ ০

অথ মুক্তি মঙ্গল ভট্রিমা ঃ

জয় ৰঘুনন্দন তৃভূৱন বন্দন
তৃদশ জা চল জাতা ।
দেৱ দুখ ভঞ্জন অযোধ্য ৰঞ্জন
স্ত্ৰীৰ চৰনহি ত্ৰাতা ।।
মন্ত্ৰ শৰ শিখিযে তাৰকা মাবিয়ে
অহল্যা চৰনেহি তাৰি ।
ঋষি মুখ ভক্ষক চৌধ কোটি ৰাক্ষস
মাৰল সমৰ প্ৰহাৰি ।।
ঋষিক হবিষ কৰু বহু আশৰিষ
আবল পৰম উৎসাহে ।
ঋষিয়ে আদেশল গমন কয়ল
ভাঙ্গল ধনুক তাহেঁ ।।
সীতায়ে দেখল ৰামে ধনু ভাঙ্গল
আৱল সখি গন সঙ্গে ।
সুৰ্বন মালা ধৰি মাথায়ে বৰ বুলি
ৰামক বৰল ৰঙ্গে ।।

দেখি ৰাজা গন অতি ক্ৰোধিত মন
চৌভিতি বেঢ়ল চাপি ।
সীতা ভয় মিলল ৰামে আশ্বাষিল
এখনে মাৰবো পাপী ।।
ধৰিয়ে ধনুবান আতি ক্ৰোধমন
সমৰ কয়ল যুধী ।
আযোধ্যা চলন্ত সীতায়ে সঙ্গত
আনন্দে জনেক প্ৰবোধি ।।
পৰশু খেদল ৰামে ধনু ধৰল
স্বৰ্গ পথ চেদি বানে ।
আযোধ্যা পৈশল কৈকেয়ী ৰাজ্য লেল
ৰামক খেদল বনে ।।
সীতা মৃগ প্ৰাৰ্থল ৰাম গুবাৰল
বাৰনে হৰল বনে ।
জটায়ু যুজল পাখাক চেদল
সীতা থৈলা সিংসপা তলে ।।
সীতা হৰন নাট ৰাম চৰিত্ৰ জাট
পুৰ মোৰ মন কাম ।
ভুৱনেশ্বৰে কই ৰামপদে নই
সমাজিক বোলা ৰাম ৰাম ।।

০ ০ ০

(ম)

হৰিনাৰায়ণ দত্তবৰুৱা (সম্পাঃ) সচিত্ৰ শিশুৰামায়ণ বা শ্ৰীৰামকীৰ্ত্তনত থকা চিত্ৰ দুখন ঃ



১নং চিত্ৰ ঃ বনবাসৰ পৰা ঘূৰি অহাৰ পিছত ৰামক ৰজা পতাৰ দৃশ্য ঃ পৃঃ ২১৪-।



২নং চিত্ৰঃ লক্ষ্মণে সীতাক বনবাসত এৰি অহাৰ দৃশ্য ঃ পৃঃ ২১৬-।

# পৰিশিষ্ট অংশ - ৪

## সূচক বা সংবাদদাতা সকলৰ পৰিচয় ঃ

| ক্ৰমিক নং | নাম | লিংগ | বয়স | ঠিকনা |
|---|---|---|---|---|
| ১ | অকন চন্দ্ৰ মহন্ত | পুৰুষ | ৭০ | কালশিলা সত্ৰ, নাওঁকটা |
| ২ | অতুল চন্দ্ৰ নাথ | পুৰুষ | ৩২ | মাযং, মহাবিদ্যালয, মাযং |
| ৩ | ইন্দ্ৰ নাথ | পুৰুষ | ৫২ | চৰাইবাহী |
| ৪ | উৰ্ব্বশী মহন্ত | স্ত্ৰী | ৬৫ | কালশিলা সত্ৰ, নাওঁকটা |
| ৫ | এধান মহন্ত | পুৰুষ | ৬৫ | কালশিলা সত্ৰ, নাওঁকটা |
| ৬ | কবিৰাম নাথ | পুৰুষ | ৯০ | বজ্ৰা মাযং |
| ৭ | কালীনাথ ডেকা | পুৰুষ | ৯০ | দন্দুৱা |
| ৮ | কালীকান্ত হাজৰিকা | পুৰুষ | ৭৪ | কাংশপাৰ সত্ৰ,বহা |
| ৯ | কুলধৰ নাথ | পুৰুষ | ৫৫ | দন্দুৱা |
| ১০ | কেশদা মহন্ত | স্ত্ৰী | ৭০ | যোৰহাট |
| ১১ | খৰ্গেশ্বৰ বৰুৱা | পুৰুষ | ৫০ | গুইমাৰি |
| ১২ | গোপেন্দ্ৰ কুমাৰ সিংহ | পুৰুষ | ৫৫ | মৰিগাঁও |
| ১৩ | গুণকান্ত শইকীয়া | পুৰুষ | ৬৫ | বঙ্গাদৰীযা |
| ১৪ | চন্দ্ৰ কান্ত নাথ | পুৰুষ | ৫০ | চৰাইবাহী |
| ১৫ | চক্ৰদেৱ মহন্ত | পুৰুষ | ৮৫ | নভেটি, শলগুৰি সত্ৰ, জৰাবাৰী |
| ১৬ | চিত্ৰৰঞ্জন গোস্বামী | পুৰুষ | ৬৫ | আহঁতগুৰি সত্ৰ, বাবপূজীযা |
| ১৭ | জগদীশ শৰ্মা | পুৰুষ | ৬০ | গুৱাহাটী বিশ্ববিদ্যালয |
| ১৮ | তৰুণ বৰুৱা | পুৰুষ | ৭০ | গুইমাৰি |
| ১৯ | তহকৰ বৰদলৈ | পুৰুষ | ৭৫ | চৰাইবাহী |
| ২০ | তিলক মজুমদাৰ | পুৰুষ | ৫৮ | নগাঁও ছোৱালী কলেজ |
| ২১ | দূৰ্গেশ্বৰী দেৱী | স্ত্ৰী | ৭৫ | কলিযাবৰ |
| ২২ | দেৱেন নাথ | পুৰুষ | ৪৫ | জামুগুৰি |
| ২৩ | দ্বীপন নাথ | পুৰুষ | ৬০ | মায়ং |

| ক্রমিক নং | নাম | লিংগ | বয়স | ঠিকনা |
|---|---|---|---|---|
| ২৪ | ধৰ্ম্মেশ্বৰ মহন্ত | পুৰুষ | ৭০ | চুপহা সত্ৰ, মৰিগাঁও |
| ২৫ | নৰ্ম্মদা দেৱী | স্ত্ৰী | ৫০ | কালশিলা সত্ৰ, দলৈচুবা |
| ২৬ | নবেন মহন্ত | পুৰুষ | ৫৫ | কালশিলা সত্ৰ, তবাবৰি |
| ২৭ | নৰেন্দ্ৰ নাথ কেওঁট | পুৰুষ | ৬৮ | মৰিগাঁও |
| ২৮ | নবীন চন্দ্ৰ বৰ্ম্মন | পুৰুষ | ৬৫ | মৰিগাঁও |
| ২৯ | নৰেন কলিতা | পুৰুষ | ৫৫ | এ.ডি.পি. কলেজ,নগাঁও |
| ৩০ | নবেশ চন্দ্ৰ নাথ | পুৰুষ | ৩৫ | হোজাই |
| ৩১ | পদ ৰাম বৰা | পুৰুষ | ৪৫ | নগাঁও |
| ৩২ | পদ্মকান্ত গোস্বামী | পুৰুষ | ৫৫ | চুপহা সত্ৰ, ননৈ |
| ৩৩ | পদ্ম কান্ত নাথ | পুৰুষ | ৫০ | চৰাইবাহী |
| ৩৪ | পোনা মহন্ত | স্ত্ৰী | ৪৫ | কালশিলা সত্ৰ, দলৈচুবা |
| ৩৫ | প্ৰফুল্ল মহন্ত | পুৰুষ | ৭৫ | গুৱাহাটী, (তবাবৰি) |
| ৩৬ | প্ৰফুল্ল কুমাৰ নাথ | পুৰুষ | ৪৫ | গুৱাহাটী |
| ৩৭ | ফনীভূষণ নাথ | পুৰুষ | ৪৭ | মাযং মহাবিদ্যালয, মাযং |
| ৩৮ | বদন মহন্ত | পুৰুষ | ৭২ | কালশিলা সত্ৰ, দলৈচুবা |
| ৩৯ | বটকৃষ্ণ দেৱমহন্ত | পুৰুষ | ৭৫ | কালশিলা সত্ৰ, তামুলীবৰি |
| ৪০ | বদন চন্দ্ৰ শইকীয়া | পুৰুষ | ৬৫ | গুৱাহাটী |
| ৪১ | বাপ চন্দ্ৰ মহন্ত | পুৰুষ | ৭৫ | যোৰহাট |
| ৪২ | বিৰিঞ্চিধৰ বুঢ়াগোহাঁই | পুৰুষ | ৬৫ | মৰিগাঁও |
| ৪৩ | বীৰভদ্ৰ মহন্ত | পুৰুষ | ৪২ | মৰিগাঁও |
| ৪৪ | ভূৱন চন্দ্ৰ মহন্ত | পুৰুষ | ৭৫ | কালশিলা সত্ৰ, দলৈচুবা |
| ৪৫ | মুকুন্দ গোস্বামী | পুৰুষ | ৫৮ | বৰ্ণ সত্ৰ, চৰাইবাহী |
| ৪৬ | মহিম বৰা | পুৰুষ | ৭০ | নগাঁও |
| ৪৭ | মণিৰাম কলিতা | পুৰুষ | ৩৫ | সোণাপুৰ মহাবিদ্যালয |
| ৪৮ | মন্থিৰ শইকীয়া | পুৰুষ | ৫২ | সতীভেটি, মাযং |
| ৪৯ | মথুৰা মোহন নাথ | পুৰুষ | ৪০ | ডিগাৰু |
| ৫০ | মহদানন্দ দেৱগোস্বামী | পুৰুষ | ৮৫ | দৈ পৰা সত্ৰ |

| ক্রমিক নং | নাম | লিংগ | বয়স | ঠিকনা |
|---|---|---|---|---|
| ৫১ | মুকুলীধৰ দাস | পুৰুষ | ৫০ | ক্ষেত্ৰী |
| ৫২ | মিহিৰ বৰদলৈ | পুৰুষ | ৬৭ | চৰাইবাহী |
| ৫৩ | যজ্ঞেশ্বৰ শৰ্ম্মা | পুৰুষ | ৯০ | নগাঁও |
| ৫৪ | যতীন বৰকাকতি | পুৰুষ | ৬৫ | চৰাইবাহী |
| ৫৫ | যোগেন ডেকা | পুৰুষ | ৬২ | কালশিলা পাৰ, মাযং |
| ৫৬ | যোগেন্দ্ৰ চন্দ্ৰ নাথ | পুৰুষ | ৬৬ | ৰজা মাযং |
| ৫৭ | যোগেন্দ্ৰ নাথ শইকীয়া | পুৰুষ | ৪৭ | বাবপূজীয়া |
| ৫৮ | যোচন্দ্ৰ মহন্ত | পুৰুষ | ৭০ | কালশিলা সত্ৰ, দলৈচুবা |
| ৫৯ | ৰঘুদেৱ মহন্ত | পুৰুষ | ৬৫ | শুকদল, বৰবৰি সত্ৰ |
| ৬০ | ৰতি শইকীয়া | পুৰুষ | ৬৩ | লোন মাটি, মাযং |
| ৬১ | ৰজনীকান্ত গোস্বামী | পুৰুষ | ৭০ | দৈ পৰা সত্ৰ |
| ৬২ | ৰাজেন শইকীয়া | পুৰুষ | ৪৮ | নগাঁও |
| ৬৩ | ৰামাকান্ত নাথ | পুৰুষ | ৫৫ | ৰজা মাযং |
| ৬৪ | লোকেন্দ্ৰ কুমাৰ হাজৰিকা | পুৰুষ | ৪২ | মাযং উচ্চতৰ মাঃ বিদ্যালয |
| ৬৫ | সনত মহন্ত | পুৰুষ | ৬৩ | দলৈচুবা |
| ৬৬ | সদানন্দ মহন্ত | পুৰুষ | ৫২ | মৰিগাঁও |
| ৬৭ | সৰ্ব্বেশ্বৰ ৰাজগুৰু | পুৰুষ | ৮০ | নগাঁও |
| ৬৮ | সুনীল গোস্বামী | পুৰুষ | ৫২ | লাই আটি সত্ৰ, বাবপূজীয়া |
| ৬৯ | হাতেম আলি | পুৰুষ | ৪০ | মৰিগাঁও। |

০ ০ ০

# পৰিশিষ্ট অংশ-৫

## গ্ৰন্থপঞ্জী

### ইংৰাজী
### (ক)


**Acharyya, N.N.** : Assam and North Eastern States Research Methodology and sources, L.B.S. 1984.

**Barpujari, H.K.** : The comprehensive History of Assam (Vol-II) 1992, Publication board, Assam.

**Baruah, S.L.** : A comprehensive History of Assam, 1985, Munshiram Manoharlal, Pub., Delhi.

**Baruah, Hem.** : Assamese Literature, 1971, National Book Trust.

**Barua, Birinchi Kumar (ed)** : Sankaradeva Vaisnava Saint of Assam, 1960, Guwahati.

( " ) : History of Assamese Literature, 1978, Sahitya Akademi.

**Bhanderkar, R.G.** : Vaishnavism, Saivism and Minor Religious systems, 1928, Puna.

**Chatterjee, S.K.** : The place of Assam in the History and civilisation of India, 1960, Guwahati University.

**Chaliha, Bhabaprasad. (ed)** : Sankardeva studies in Culture, 1978, Sri Manta Sankardeva Sangha.

( " ) : Journal of Sri Manta Sankardeva Research Institute, Vol-1, Sri Manta Sankardeva Gabesana pratisthana Batadrawa, Nawgaon. 1990.

**Chowdhury, Pratap Chandra** : Jagad Guru Sri Manta Sankardeva, 1996, L.B.S. Guwahati.

**Dev Goswami, Ranjit (ed)** : Essays on Sankardeva, L.B.S. 1996.

**Das, Hara Mohan** : Sankaradeva-- A study, 1945 Guwahati.

**De, S.K. :** Vaishnava faith and Movement in Bengal, 1942, Calcutta.

**Gait, Sri Edward :** A History of Assam, 1962, L.B.S.Guwahati.

**Goswami, Surendra Kumar :** The History of revenue Administration in Assam (1228- 1826 A.D.) 1986, Delhi, Guwahati.

**Jaiswal, Suvira :** The origin and development of Vaisnavism, 1967, Delhi.

**Kane, P.V. :** A History of Dharmasastras, Voll-II, Part I & II, 1936.

**Malakar, R. (ed) :** Teachings of Sankaradeva, 1977, Sankarajyoti Association, Chandigarh.

**Mills, A.J. Moffatt :** Report on the province of Assam, 1984, Publication Board, Assam

**Murty, H.V.N. :** Vaisnsvism of Sankaradeva and Ramanuja, 1973, Delhi.

**Nath, Rajmohan :** The Background of Assamese Culture, 1978, Dutta Boruah & co. Guwahati.

**Neog, Dimbeswar :** Jagat Guru Sankardew, 1963, Nagaon.

**Neog, Maheswar :** Sankaradeva and His Times, 1965, Guwahati University.

**Raghaban, V. (ed) :** The Ramayan Tradition in Asia, 1980, Sahitya Akademi, New Delhi.

**Rangachariya, V. :** The Cultural Heritage of India. 1962, Calcutta.

**Sarma, S.N. :** The Neo-Vaisnavite Movement and the satra Institution of Assam, 1966 Guwahati University.

: A few Aspects of Assamese Literature and culture, 1991, Assam Sahitya Sabha.

: Epics and Purans in Early Assamese Literature, 1972, Guwahati.

**Sircar, D.C. (ed) :** The Bhakti cult and Ancient India Geography, 1970, Culcutta.

**Singha, Ram pratap :** The Vedanta of Sankara (Voll-I), 1949. Jaipur.

# অসমীয়া
## (খ)


**কাকতি, বাণীকান্ত** ঃ পুৰণি অসমীয়া সাহিত্য, ১৯৫৮, লয়াৰ্চ বুক ষ্টল, গুৱাহাটী।

**গোস্বামী, উপেন্দ্ৰ নাথ** ঃ বৈষ্ণৱ ভক্তি ধাৰা আৰু সন্ত কথা, ১৯৯৭, গুৱাহাটী।

**গোস্বামী, নাৰায়ণ চন্দ্ৰ** ঃ সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা, নতুন কমলাবাৰী সত্ৰ, মাজুলী, ১৯৮৪।

**গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ (সম্পাঃ)** ঃ মাধৱ কন্দলী বিৰচিত ৰামায়ণ, অযোধ্যা কাণ্ড, ১৯৬৪, **যোৰহাট, ডিব্ৰুগড়** ।

**গোস্বামী, মহীকান্ত** ঃ গুৰু পৰম্পৰা, বান্ধনি বৰ এলেঙী সত্ৰ, নগাঁও, ৫২৮, শঙ্কৰাব্দ।

**গোহাঁই, হীৰেণ** ঃ অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা, ১৯৯৪, গুৱাহাটী।

**ঘোষ, অমলানন্দ** ঃ ভাৰতীয় প্ৰত্নতত্ব, ১৯৬০, ডি, এইচ, এ, এচ।

**চলিহা, ভবপ্ৰসাদ (সম্পাঃ)** ঃ মাধৱদেৱ আৰু সংস্কৃতি, ১৯৮৯, গুৱাহাটী।

**ঠাকুৰীয়া, ৰামচৰণ** ঃ পাঠ-সমীক্ষা প্ৰসংগত, ১৯৮৬, গুৱাহাটী।

**ডেকা, লক্ষ্মী সিংহ** ঃ মণিকোঁৱৰ আখ্যান, মৰিগাঁও, ১৯৭১।

**ডেকা, গুণেশ্বৰ** ঃ মন্ত্ৰ প্ৰসিদ্ধ মায়ং আৰু পবিতৰাৰ ইতিহাস, ১৯৯৫, মায়ং।

**ডেকা হাজৰিকা, কৰবী** ঃমাধৱদেৱ ঃ সাহিত্য কলা আৰু দৰ্শন, ১৯৮৭, ডিব্ৰুগড়।

**দত্ত, নৰেন্দ্ৰ নাথ** ঃ কথাৰ সাগৰ শ্ৰীশ্ৰী গোপাল দেৱ, যোৰহাট-১৯৯৩।

**দত্ত, অনিমা** ঃ অসমৰ বৈষ্ণৱ সাহিত্য আৰু দৰ্শন, ১৯৯৫, গুৱাহাটী।

**দত্তবৰুৱা, হৰিনাৰায়ণ** ঃ প্ৰাচীন কামৰূপীয় কায়স্থ সমাজৰ ইতিবৃত্ত, ১৯৪১, নলবাৰী।

**(সম্পাঃ)** ঃ সচিত্ৰ শিশু ৰামায়ণ বা শ্ৰীৰাম কীৰ্ত্তন, ১৯৬৭, নলবাৰী।

**( ” )** ঃ ভক্তি-প্ৰেমলতা, ১৯৫৭, নলবাৰী।

**( ” )** ঃ শ্ৰীমদ্ভাগৱত, ১৯৬৯, নলবাৰী।

**( ” )** ঃ শ্ৰীশংকৰ বাক্যামৃত, ১৯৮৫, নলবাৰী।

**( ” )** ঃ সপ্তকাণ্ড ৰামায়ণ, ১৯৬৮, নলবাৰী।

**( ” )** ঃ গুৰুচৰিত ৫২৯ শঙ্কৰাব্দ, গুৱাহাটী।

**দত্ত বৰুৱা, হৰিনাৰায়ণ (সম্পাঃ)** ঃ মহাপুৰুষ শ্ৰীমাধৱদেৱৰ চৰিত্ৰ (দৈতাৰি ঠাকুৰ) ৫০৯ শংকৰাব্দ, নলবাৰী।

**দাস, ভোলানাথ (প্ৰণীত)** ঃ সীতাহৰণ কাব্য, ১৯৬৭, লয়াৰ্চ বুকষ্টল।

**দেউৰী, মণেশ্বৰ** ঃ মৰিগাওঁ জিলাৰ লোক সংস্কৃতি, ১৯৯৪, মৰিগাঁও।

**দেৱগোস্বামী, মহদানন্দ** ঃ মায়ং প্ৰসংগ, ১৯৮৪, দৈপৰা সত্ৰ, মায়ং।

**দেৱগোস্বামী, কেশৱানন্দ** ঃ সত্ৰ সংস্কৃতিৰ ৰূপৰেখা, ১৯৮৬, বনলতা।

ঃ অংকীয়া ভাওনা, ডিব্ৰুগড়, ১৯৯২।

(সম্পাঃ) ঃ শ্ৰীমদ্ভাগৱত, ১৯৮৪, বনলতা।

( ” ) ঃ শংকৰোত্তৰ গীত সংকলন, ১৯৮০, ডিব্ৰুগড় বিশ্ববিদ্যালয়।

**নেওগ, ডিম্বেশ্বৰ** ঃ নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী, ১৯৬৪, গুৱাহাটী।

ঃ যুগনায়ক শঙ্কৰদেৱ, ৫২৮শংকৰাব্দ, যোৰহাট।

**নেওগ, মহেশ্বৰ** ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, ১৯৮৬, গুৱাহাটী।

ঃ শ্ৰীশ্ৰীশংকৰদেৱ, ১৯৫৯, গুৱাহাটী।

ঃ গুৰু চৰিতৰ ইতিকথা, ১৯৮৩, অসম সাহিত্য সভা।

ঃ পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি, ১৯৫৭, ডিব্ৰুগড়।

(সম্পাঃ) ঃ প্ৰাচ্য শাসনাৱলী, ১৯৭৪, গুৱাহাটী।

( ” ) ঃ গুৰু চৰিত কথা, ১৯৮৬, গুৱাহাটী বিশ্ববিদ্যালয়।

( ” ) ঃ পবিত্ৰ অসম, ১৯৯০, অসম সাহিত্য সভাৰ হৈ লয়াৰ্চ বুক ষ্টল।

( ” ) ঃ গীতি ৰামায়ণ, ১৯৫৪, গুৱাহাটী।

( ” ) ঃ ৰাণীকান্ত ৰচনাৱলী, (অসমীয়া) ১৯৯১, অসম প্ৰকাশন পৰিষদ।

**বেজবৰুৱা, লক্ষ্মীনাথ** ঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ, ১৯৬৩।

**বৰবৰুৱা, হিতেশ্বৰ** ঃ আহোমৰ দিন, ১৯৮১, অসম প্ৰকাশন পৰিষদ।

**বৰঠাকুৰ, উষা (অনুঃ)** ঃ চৈতন্য, নেছনেল বুক ট্ৰাষ্ট অব ইণ্ডিয়া, ১৯৭৩।

**বৰদলৈ, নিৰ্মলপ্ৰভা (অনুঃ)** ঃ মীৰাবাঈ, ১৯৭৭, নেছনেল বুক ট্ৰাষ্ট অব ইণ্ডিয়া।

**বৰ্মন, শিৱনাথ** ঃ শ্ৰীমন্ত শংকৰদেৱৰ কৃতি আৰু কৃতিত্ব, ১৯৮৯, গুৱাহাটী।

ঃ শ্ৰীমন্ত শংকৰদেৱৰ আৰু তেওঁৰ যুগৰ বৈষ্ণৱাচাৰ্য সকল, ১৯৯৩, গুৱাহাটী।

**বৰ্মন, শিৱনাথ (সম্পাঃ)** ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী, (২য় খণ্ড), ১৯৯৭, আনন্দৰাম বৰুৱা ভাষা, কলা, সংস্কৃতি-সংস্থা, অসম ।

**বৰা, মহেন্দ্ৰ** ঃ গবেষণা প্ৰণালী তত্ব, ১৯৮৫, ডিব্ৰুগড় বিশ্ববিদ্যালয়।

**বৰুৱা, হেমচন্দ্ৰ** ঃ হেমকোষ অভিধান, ১৯৮৫, বাণী মন্দিৰ ।

**বৰুৱা, প্ৰহ্লাদ কুমাৰ (সম্পাঃ)** ঃ ভাওনা সমীক্ষা, ভাওনা শতবাৰ্ষিকী উদ্‌যাপন সমিতি, বৰপথাৰ, ডিব্ৰুগড, ১৯৯০।

**বৰুৱা, বিৰিঞ্চি কুমাৰ** ঃ অসমীয়া কথা সাহিত্য, ১৯৮৪, নলবাৰী।

**(সম্পাঃ)** ঃ নিৰ্ব্বাচিত প্ৰৱন্ধ,১৯৭৯,সাহিত্য একাডেমী।

**বসু, যোগীৰাজ** ঃ বেদান্ত আৰু বৈষ্ণৱ ধৰ্ম,১৯৭৮, ডিব্ৰুগড় বিশ্ববিদ্যালয়।

**বেগম, চেনেহী (অনুঃ)** ঃ অসম বুৰঞ্জী, ১৯৯১, লয়াৰ্চ বুক ষ্টল।

**বৈশ্য, ভুবনেশ্বৰী (সম্পাঃ)** ঃ অসমৰ বৈষ্ণৱ সাহিত্য আৰু সংস্কৃতি,১৯৯১, কটন কলেজ।

**ভূঞা, সূৰ্য্যকুমাৰ (সম্পাঃ)** ঃ তংখুঙীয়া বুৰঞ্জী, ১৯৩২, ডি,এইচ, এ, এচ।

( " ) ঃ অসমৰ পদ্য বুৰঞ্জী, ১৯৬৪, ডি,এইচ, এ, এচ।

( " ) ঃ স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ, ১৯৭৫, লয়াৰ্চ বুক ষ্টল।

( " ) ঃ সাতসৰি অসম বুৰঞ্জী, ১৯৭৪, গুৱাহাটী বিশ্ববিদ্যালয়।

( " ) ঃ অসম বুৰঞ্জী, ১৯৮৮, ডি,এইচ, এ, এচ।

**মহন্ত, বাপচন্দ্ৰ** ঃ ভাৰতীয় ধৰ্ম-সাধনা, ১৯৬৭, যোৰহাট।

ঃ শংকৰদেৱৰ দৰ্শন,লয়াৰ্চ বুক ষ্টল,১৯৯৪।

**মহন্ত, কেশদা** ঃ অসমীয়া ৰামায়ণী সাহিত্য ঃ কথা বস্তুৰ আঁতিগুৰি, ১৯৯০,যোৰহাট।

**মহন্ত, সনত** ঃ শ্ৰীশ্ৰীকালশিলা চৰিত,১৯৯০, মৰিগাঁও।

**মহন্ত, যুৱত চন্দ্ৰ (সম্পাঃ)** ঃ মহাপুৰুষ শ্ৰীশ্ৰীঅনিৰুদ্ধ দেৱৰ চৰিত্ৰ আৰু শ্ৰীশ্ৰীকাংশপাৰ সত্ৰৰ ইতিবৃত্ত, বহা নগাওঁ, ১৯৯০ ।

**মুক্তিয়াৰ, ৰমাকান্ত (সংগ্ৰাঃ)** ঃ কনকলতা আইৰ চৰিত, ১৯৩২,পুৰণিগুদাম, নগাওঁ।

**মেধি, কালিৰাম (সম্পাঃ)** ঃ অঙ্কাৱলী, লয়াৰ্চ বুক ষ্টল, ১৯৯৭।

**নাথ, বুলন চন্দ্ৰ** ঃ শ্ৰীমৎস্বামী কৃষ্ণানন্দ বৈষ্ণৱ ব্ৰহ্মচাৰী জীৱন চৰিত, ৫৩২ শঙ্কৰাব্দ, মিকিৰভেটা, নগাওঁ।

**ৰজা, জগত সিংহ (প্ৰকাঃ)** ঃ শুখনাগোগ ৰাজ বংশাৱলী, বাংলা,১৩৬০, শুখনাগোগ, বজাগাওঁ, মৰিগাঁও।

**ৰাজকুমাৰ, সৰ্ব্বানন্দ** ঃ ইতিহাসে সোঁৱৰা ছশটা বছৰ, ১৯৮০, যোৰহাট।

**ৰাজেন্দ্ৰ, লাইব্ৰেৰী (প্ৰকাঃ)** ঃ শ্ৰীমদন গুপ্তেৰ ফুল পঞ্জিকা, ১৯৯৮, কলিকতা।

**লেখাৰু, উপেন্দ্ৰ চন্দ্ৰ** ঃ অসমীয়া ৰামায়ণ সাহিত্য, ১৯৯৩, লয়াৰ্চ বুক ষ্টল।

**(সম্পাঃ)** ঃ কথা গুৰু চৰিত, ১৯৮৭, গুৱাহাটী।

**শইকীয়া, বদন চন্দ্ৰ (সম্পাঃ)** ঃ সীতাহৰণ নাট, ১৯৮৯, গ্ৰন্থপীঠ, গুৱাহাটী।

**শইকীয়া, যোগেন্দ্ৰ নাথ** ঃ বৈষ্ণৱ সাহিত্যত এভূমুকি, ১৯৯৪, বাবপূজীয়া, মৰিগাঁও।

**শৰ্ম্মা, কনক চন্দ্ৰ (সম্পাঃ)** ঃ কবিৰাজ কন্দলী বিৰচিত ৰামায়ণ,১৯৪১, বেবেজীয়া, নগাওঁ।

**শৰ্ম্মা, তীৰ্থনাথ** ঃ সাহিত্য বিদ্যা পৰিক্ৰমা, ১৯০৭ শক,বাণী প্ৰকাশ।

ঃ ভক্তিবাদ, ১৯৭৭, অসম প্ৰকাশন পৰিষদ।

**শৰ্ম্মা, সত্যেন্দ্ৰ নাথ** ঃ অসমীয়া নাট্য সাহিত্য, ১৯৮৩, গুৱাহাটী।

ঃ অসমীযা সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত ,১৯৮৪, গুৱাহাটী।

ঃ ৰামায়ণৰ ইতিবৃত্ত, ১৯৮৪, ডিব্ৰুগড় বিশ্ববিদ্যালয।

**(সম্পাঃ)** ঃ কথা ৰামায়ণ, ১৯৫৮, শ্ৰীভাৰতী পাৱলিকচ্,কলিকতা।

**( ” )** ঃ ভক্তি গীত পদ সংকলন, ১৯৮৩, সাহিত্য অকাডেমী।

**( ” )** ঃ অংকমালা, ১৯৭৩, গুৱাহাটী বিশ্ববিদ্যালয।

**শৰ্ম্মা, হেমন্ত কুমাৰ** ঃ মায়ং অঞ্চলৰ লোক সংস্কৃতি, ১৯৯৩, অসম সাহিত্য সভা।

**শৰ্ম্মা, দলৈ, হৰিনাথ (সম্পাঃ)** ঃ শংকৰদেৱৰ সাহিত্য প্ৰতিভা (১ম খণ্ড) ১৯৯৫, বৰপেটা।

**( ” )** ঃ শংকৰদেৱৰ সাহিত্য প্ৰতিভা, (২য, ৩য়) ১৯৯০, বৰপেটা।

**শৰ্ম্মা, বেণুধৰ (সম্পাঃ)** ঃ হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী, ১৮৯৩ শক, যোৰহাট।

**শৰ্ম্মা, শশী (সম্পাঃ)** ঃ দূৰ্গাবৰী গীতি-ৰামায়ণ ,১৯৯০, নলবাৰী।

**শৰ্ম্মা, নবীন চন্দ্ৰ (সম্পাঃ)** ঃ শ্ৰীমদ্ভাগৱত ঃ আদি দশম, ১৯৮৯, গুৱাহাটী ।

**শৰ্ম্মা, দীনেশ্বৰ** ঃ মঙ্গলদৈব বুৰঞ্জী, ১৯৭৪,অসম প্ৰকাশন পৰিষদ ।

**শাস্ত্ৰী, আচাৰ্য্য মনোৰঞ্জন** ঃ অসমৰ বৈষ্ণৱ দৰ্শনৰ ৰূপৰেখা, ১৯৯১, বাণী প্ৰকাশ, গুৱাহাটী।

ঃ পুৰণি অসমৰ ধৰ্ম আৰু দৰ্শন, ১৯৯০, গুৱাহাটী।

**হাজৰিকা, পৰীক্ষিত** ঃ আলোচনা সাহিত্য, ১৯৯৩, গুৱাহাটী।

ঃ অসমীয়া সাহিত্যৰ সুবাস, ১৯৯৫, গুৱাহাটী।

(সম্পাঃ) ঃ চৰ্য্যাপদ, ১৯৮৭, গুৱাহাটী ।

( ” ) ঃ কালিকা পুৰাণ, ১৯৯২, গুৱাহাটী।

( ” ) ঃ শঙ্কৰী স্মৃতি-গ্ৰন্থ, ডিব্ৰুগড়, ১৯৬৫।

**হাজৰিকা, অতুল চন্দ্ৰ (সম্পাঃ)** ঃ মঞ্চলেখা, ১৯৬৭, গুৱাহাটী।

সাহিত্য প্ৰকাশ ঃ বেজবৰুৱা গ্ৰন্থাৱলী, ১ম খণ্ড, ট্ৰিবিউন বিল্ডিং, গুৱাহাটী, ১৯৮৮।


## হিন্দী
## (গ)


**ঝা, তাৰাকান্ত** ঃ মহাপুৰুষ শংকৰদেৱ তথা অসম কা সত্ৰ সংস্থান, ১৯৭৮, গুৱাহাটী।

**বুল্কে, কামিল** ঃ ৰামকথা, ১৯৭১, এলাহবাদ বিশ্ববিদ্যালয়।

**মোহম্মদ, মলিক** ঃ বৈষ্ণৱ ভক্তি আন্দোলন কা অধ্যয়ন, ১৯৭১, দিল্লী।

**মাগধ, কৃষ্ণনাৰায়ণ প্ৰসাদ** ঃ শংকৰদেৱ ঃ সাহিত্যকাৰ ঔৰ বিচাৰক,১৯৭৬, পঞ্জাবী বিশ্ববিদ্যালয়।


## বাংলা
## (ঘ)


**বন্দোপধ্যায়, অসিত কুমাৰ** ঃ বাংলা সাহিত্যেৰ সম্পূৰ্ণ ইতিবৃত্ত, ১৯৯৩, কলিকতা।

**বসু, কাঞ্চন (সম্পাঃ)** ঃ শ্ৰীশ্ৰীচৈতন্য ভাগৱত, ১৯৯২, কলিকতা।

**সেন, সুকুমাৰ (সম্পাঃ)** ঃ চৈতন্য চৰিতামৃত, ১৯৮৩, কলিকতা।

## পুৰণি পুথি
## (ঙ)

| | |
|---|---|
| **ঠাকুৰ, অনন্ত** | ঃ শ্ৰীৰাম কীৰ্তন ঃ সাঁচিপতীয়া, (সংগ্ৰঃ) ঃ বৰদোৱা, শংকৰদেৱ গৱেষণা কেন্দ্ৰ। |
| | ঃ শ্ৰীৰাম কীৰ্তন ঃ সাঁচিপতীয়া, (সংগ্ৰঃ) ঃ গুৱাহাটী বিশ্ববিদ্যালয়,পুৰণি পুথি সংৰক্ষণ বিভাগ। |
| | ঃ শ্ৰীৰাম কীৰ্তন (ফটোষ্টেট কপি) ডি,এইচ, এ, এচ। |
| | ঃ প্ৰেমলতা, (সংগ্ৰাঃ) সাঁচিপতীয়া, তামুলীবৰী, কালশিলা সত্ৰ। |
| | ঃ প্ৰেমলতা ,(সংগ্ৰাঃ) ডাঠ কাগজত, দলৈচুবা কালশিলা সত্ৰ। |
| **ভূবনেশ্বৰ** | ঃ সীতাহৰণ নাট (সংগ্ৰাঃ) ডাঠ কাগজত, তবাবৰি কালশিলা সত্ৰ। |
| **দীনগোপাল** | ঃ সীতাহৰণ নাট, (তুলাপতীয়া) সংগ্ৰঃ দলৈচুবা কালশিলা সত্ৰ। |
| **ৰামচৰণ ঠাকুৰ** | ঃ গুৰুচৰিত (সংগ্ৰাঃ) ডাঠ কাগজত, কমল চন্দ্ৰ নাথ, বৰভগীয়া চৰাইবাহী। |
| **লক্ষ্মীদেৱ** | ঃ সীতাহৰণ নাট তুলাপতীয়া, (সংগ্ৰাঃ) কমল চন্দ্ৰ নাথ, বৰভগীয়া চৰাইবাহী। |

## স্মৃতিগ্ৰন্থ,আলোচনী,পত্ৰিকা
## (চ)

| | |
|---|---|
| **কল্পতৰু (স্মৃতিগ্ৰন্থ)** | ঃ সম্পাঃ সদানন্দ মহন্ত, প্ৰাচীন কামৰূপীয় কায়স্থ সমাজ, মৰিগাঁও অধিবেশন, ১৯৯৬। |
| **কপিলী (স্মৃতিঃ)** | ঃ সম্পাঃ ধীৰেণ চন্দ্ৰ কাকতি, অসম সাহিত্য সভা, দ্বিপঞ্চাষটম কামপুৰ অধিবেশন, ১৯৮৬। |
| **কলংপাৰ (স্মৃতিঃ)** | ঃ সম্পাঃ চণ্ডীচৰণ ডেকা, মৰিগাঁও জিলা সাহিত্য সভা, চতুৰ্থ বাৰ্ষিক অধিবেশন, এজাৰবাৰী, ১৯৯৭। |
| **চৰাবাসৰ ৰেঙণি (স্মৃতিঃ)** | ঃ সম্পাঃ কমল বৰদলৈ, মৰিগাঁও জিলা সাহিত্য সভাৰ পঞ্চম বাৰ্ষিক অধিবেশন, চৰাইবাহী, ১৯৯৮। |

**জোনবিল (স্মৃতিঃ)** ঃ সম্পাঃ নামেশ্বৰ বড়ো, গোভা ৰাজ্যৰ জোনবিল মেলা মহোৎসৱ, জাগীৰোড, ১৯৯৪।

**ডিমৰুৱা (স্মৃতিঃ)** ঃ (সম্পাঃ) পুতুল চন্দ্ৰ শৰ্মা, কামৰূপ জিলা সাহিত্য সভা অষ্টাদশ ডিমৰীয়া অধিবেশন, মালয়বাৰী, ১৯৯০।

**নবজ্যোতি (পষেকীয়া পত্ৰিকা)** ঃ সম্পাঃ জয়কান্ত নাথ, বঙালী বিহু বিশেষ সংখ্যা, মৰিগাঁও, ১৯৯৪।

**নামধৰ্ম (মুখপত্ৰ)** ঃ সম্পাঃ- ধৰ্মেশ্বৰ চুতীয়া, ৬২তম অধিবেশন, শ্ৰীমন্ত শংকৰদেৱ সংঘ, অধিবেশন সংখ্যা, ১৯৯৩ ।

**পবিতৰা (স্মৃতিঃ)** ঃ সম্পাঃ- নবকান্ত বৰদলৈ, ৬০তম অসম সাহিত্য সভা,মৰিগাঁও অধিবেশন, ১৯৯৪।

**পবিত্ৰ অসম** ঃ (সাপ্তাহিক বাৰ্তালোচনী) সম্পাঃ জয়কান্ত নাথ, বঙালী বিহু বিশেষ সংখ্যা, মৰিগাঁও, ১৯৯৩।

**পত্ৰিকা** ঃ সম্পাঃ- দুৰ্গেশ্বৰ শৰ্ম্মা, ষষ্ঠ বিংশ বছৰ, প্ৰথম সংখ্যা ১৯৬৮, অসম সাহিত্য সভা।

**পত্ৰিকা** ঃ সম্পাঃ- পৰেশমল্ল বৰুৱা, ঊনত্ৰিশ বছৰ, ২য় সংখ্যা,১৯৭২, অসম সাহিত্য সভা।

**পত্ৰিকা** ঃ সম্পাঃ- পৰীক্ষিত হাজৰিকা, ঊনত্ৰিশ বছৰ, ২য় সংখ্যা, অসম সাহিত্য সভা, ১৯৭৯।

**পত্ৰিকা** ঃ সম্পাঃ- শৰৎ বৰকটকী, নগাঁও জিলা সাহিত্য সভা, ১৯৮৯।

**পত্ৰিকা** ঃ সম্পাঃ- নবীন বৰ্মন, ২য় বছৰ, ২য় সংখ্যা,১৯৮০, মৰিগাঁও সাহিত্য সভা।

**প্ৰবন্ধমালা (স্মৃতিঃ)** ঃ সম্পাঃ- ৰাজেন মজুমদাৰ, ৩৭তম অসম সাহিত্য সভা, ধিং অধিবেশন,১৯৭০।

**প্ৰবন্ধ-সৌৰভ** ঃ সম্পাঃ- পৰীক্ষিত হাজৰিকা, অসম সাহিত্য সভা, চতুস্ত্ৰিংশ অধিবেশনৰ অভ্যৰ্থনা সমিতি, ডিব্ৰুগড়,১৯৬৬।

**প্ৰেম অমৃতৰ নদী (স্মৃতিঃ)** ঃ সম্পাঃ- জীৱকান্ত নাথ, শ্ৰীমন্ত শংকৰদেৱ সংঘ, অষ্ট ষষ্ঠিতম মৰিগাঁও অধিবেশন,১৯৯৯।

**বিহুলঙনি (সাহিত্য সংখ্যা)** ঃ সম্পাঃ- মহেশচন্দ্ৰ দেৱগোস্বামী, নগাঁও,১৯৮১।

**বৈকুন্ঠ প্ৰকাশ (স্মৃতিঃ)** ঃ সম্পাঃ- মাধৱ দাস, শ্ৰীমন্ত শংকৰদেৱ সংঘ পয়ষষ্ঠিতম অধিবেশন, বৰপেটা.১৯৯৬।

**মণিকাঞ্চন(মাহেকীয়া বাৰ্ত্তালোচনী)** ঃ সম্পাঃ- ঘনশ্যাম দত্ত, ৩য় বছৰ, ৩য সংখ্যা, গুৱাহাটী,১৯৯৭।

**মায়ং স্মৰণিকা (পত্ৰিকা)** ঃ সম্পাঃ- প্ৰফুল্ল ডেকা, জাগী ভকতগাঁও শাখা সাহিত্য সভা, মৰিগাঁও, ১৯৮৫।

**যমুনা (স্মৃতি ঃ)** ঃ সম্পাঃ- অনিল হাজৰিকা, চতুঃষষ্ঠিতম অসম সাহিত্য সভা অধিবেশন, হাওৰাঘাট, ১৯৯৮।

**ৰহাব বহদৈ (স্মৃতিঃ)** ঃ সম্পাঃ- নবেন কলিতা, অসম সাহিত্য সভা সপ্তচত্বাবিংশ, বহা অধিবেশন, ১৯৮০।

**ৰহাৰ ৰেঙনি (বার্ষিক)** ঃ সম্পাঃ- নগেন শইকীয়া, অসম সাহিত্য সভা,১৯৮০।

**ৰহিয়াল (স্মৃতিঃ)** ঃ সম্পাঃ- পূৰ্ণকান্ত নাথ, সপ্তবিংশতিতম অসম হাইস্কুল শিক্ষক সংস্থা অধিবেশন, ৰহা, ১৯৯৮।

**ৰেংবংহম কেৰুংপম (বার্ষিক মুখপত্র)** ঃ সম্পাঃ- চাৰ্চিল কাঠাৰ, কাৰ্বি আংলং , ১৯৯৪।

**শতবার্ষিকী (স্মৃতিঃ)** ঃ সম্পাঃ- ইন্দ্ৰেশ্বৰ গোস্বামী, শ্বহীদ ভৱন আৰু পাব্লিক লাইব্ৰেৰী, নগাঁও, ১৯৯৯।

**শঙ্কৰী (স্মৃতি ঃ)** ঃ সম্পাঃ- পৰীক্ষিত হাজৰিকা, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫১৭তম জন্মোৎসৱ সমিতি, ডিব্ৰুগড়, ১৯৬৫।

**শিলচাং (স্মৃতিঃ)** ঃ সম্পাঃ- জগদীশ নাথ, মৰিগাঁও গ্ৰন্থমেলা সাৰথি, মৰিগাঁও,১৯৯৮।

**সত্ৰ-সফুঁৰা (স্মৃতিঃ)** ঃ সম্পাঃ- ভূবনচন্দ্ৰ শইকীয়া, অসম সত্ৰ সভা একচত্বাৰিংশৎ, দ্বিবাৰ্ষিক অধিবেশন,গোলাঘাট,১৯৯৭।

**সত্ৰসূৰ্য্য (প্ৰবন্ধ সংকলন)** ঃ সম্পাঃ- কলিয়াবৰ জিলা সত্ৰ, মহাসভা কলিয়াবৰ , নগাঁও, ১৯৯৭।

**সংস্কৃতি-পল্লব (আলোচনী)** ঃ ১ম বছৰ, চতুৰ্থ সংখ্যা, বসন্ত সংখ্যা আউনী আটি সত্ৰ, মাজুলী ১৯৯৯।

**সূত্ৰধাৰ (পষেকীয়া)** ঃ সম্পাঃ- দুলাল বৰা, গুৱাহাটী, ১৯৯৩।

**স্বৰাজোত্তৰ নগাঁও নিবন্ধ মালা** ঃ সম্পাঃ- শিবানন্দ কাকতি, জ্যোতিৰ্ময় চক্ৰৱৰ্তী, স্বাধীনতাৰ স্বৰ্ণ জয়ন্তীবৰ্ষ উদ্‌যাপন সমিতি, নগাঁও,১৯৯৮।

**সৌমাৰ-সৌৰভ (স্মৃতিঃ)** ঃ সম্পাঃ- ধৰ্মেশ্বৰ চুতীয়া, শ্ৰীমন্ত শংকৰদেৱ সংঘ, ৬৬তম অধিবেশন, লক্ষীমপুৰ,১৯৯৭।

**স্মৃতি লেখা (স্মৃতিঃ)** ঃ সম্পাঃ- সদানন্দ মহন্ত মৰিগাঁও মহাবিদ্যালয় ৰূপালী জয়ন্তী, মৰিগাঁও, ১৯৯৯।

**স্মৃতিগ্ৰন্থ** ঃ সম্পাঃ- অনিল দেৱনাথ, অসম প্ৰাদেশিক যোগী সন্মিলনীৰ ৭৭তম মৰিগাঁও অধিবেশন, ১৯৯৬।

**স্মৃতি-পত্ৰিকা** ঃ সম্পাঃ- সুনীল কুমাৰ বৰা শ্ৰীশ্ৰীগোপালদেৱৰ অধিকাৰ তিৰোভাৱ মহোৎসৱ, জাজৰি, ১৯৯৭।

**স্মৃতি গ্ৰন্থ** ঃ সম্পাঃ- হেম হাজৰিকা, ৰূপালী জয়ন্তী বহা মহাবিদ্যালয়, ৰহা, ১৯৮৯।

**স্মৃতি গ্ৰন্থ** ঃ সম্পাঃ- যোগেন্দ্ৰ নাৰায়ণ ভূঞা, ৰূপালী জয়ন্তী, নগাঁও ছোৱালী কলেজ, ১৯৮৭।

০০০০